# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী

## তাৰিখঃ ২৫/৩/২০২৫ মঙলবাৰ

**ইংৰাজী ২৫-০৩-২০২৫ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত পূৰ্বৰ নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে সদনৰ কাম-কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২৪১, শ্ৰীভৰত চন্দ্ৰ নৰহ। তেখেত অনুপস্থিত। এতিয়া প্ৰশ্ন নং ২৪২, শ্ৰীমতীশিৰামণি বৰা।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ ছাৰ, তেখেত অহা নাই, তেখেতৰ হৈ মই কম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো আমাৰ বিধায়িকা শ্ৰীমতী শিৰামণি বৰা ডাঙৰীয়ানীৰ আছিল আৰু ইয়াতে যিকেইটা প্ৰশ্ন কৰিছে যে নগাওঁ জিলাত কিমান আঁচনি জল-জীৱন মিছনৰ হৈছে আৰু কিমান সম্পূৰ্ণ হৈছে, এইখিনিৰ তথ্য আমি পাইছো। কিন্তু আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে দক্ষিণ চমকা তাত এখন আঁচনি আছিল, উত্তৰ চমকাত দুখন আঁচনি, ঢকুবুৰি কলনি বস্তি এই যিকেইটা আঁচনি ইয়াত হেণ্ডঅভাৰ হৈছে পি এইচ ই ৰ পৰা কিন্তু আজিলৈকে পানী ৰাইজে পোৱা নাই। এই কথাখিনি মোক শিৰামণি বৰা ডাঙৰীয়ানীয়ে মোক জনাইছে, গতিকে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এইটো এটা তদন্ত কৰি ৰাইজে যাতে পানী পাই তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, তেখেতে specifically দুখন, তিনিখন আঁচনিৰ কথা কৈছে মোৰ ওচৰত গোটেই আঁচনি খনৰ তথ্য নাই কিন্তু আমি যিহেতু অনলাইনত তথ্য দিয়ে থও, গতিকে তাত অনলাইনত এবাৰ চাই ল'ব, তাত running দেখুওৱা আছেনে defunct দেখুওৱা আছে। মই চাই লও যদি পি এইচ ই য়ে পঞ্চায়তক হেণ্ডঅভাৰ কৰিছে কিয় চলা নাই সেইটো বুজি ল'ব লাগিব, ইউজাৰচ্ কমিটীৰ কি অসুবিধা আছে বা কি হৈ আছে, মই খুব সোনকালে আপোনাক এই তিনিওখন আঁচনিৰ নাম কেইটা মই লৈ লম, চাই সোনকালে মই আপোনাক জনাই দিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ আপুনি অলপ চাই দিয়ক যাতে গোটেই আঁচনি বিলাকৰ য'ত কামখিনি কৰিছে তাতে যাতে ৰাইজে পানীখিনি পাই, নহলে ছাৰ, আঁচনি খন বনালে নহ'ব, ৰাইজে তাৰ সুবিধা পাব লাগিব, সেইটোৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, আমাৰ জলজীৱন আঁচনিৰ মূল লক্ষ্যটো হ'ল যে পানী ঘৰলৈকে যাব লাগিব। আনকি আমাৰ ঠিকাদাৰ সকলক বিল যেতিয়া দিও তেতিয়া ঘৰৰ কানেক্চন কিমান দিছে সেই কানেক্চনৰ ওপৰতে দিওঁ। গতিকে তেওঁ ঘৰলৈকে পানী নিদিয়াকৈ

আঁচলতে হ'ব নোৱাৰে। আপুনি যিটো কৈছে হেণ্ডঅভাৰ naturally কৰাৰ আগতে তেওঁলোকৰ ৩ মাহৰ trial run থাকে, গতিকে ৩ মাহ ট্ৰাইল ৰানৰ পিছত পানী নিদিয়াকৈ আঁচনি এখন হেণ্ডঅভাৰ কৰিব নোৱাৰে। কিন্তু সন্মানীয় বিধায়ক গৰাকীয়ে যিহেতু কৈছে গতিকে মই চাই লওঁ, ৩ মাহ trial run পিছতহে হেণ্ডঅভাৰ হয়।

**শ্ৰীবিশ্বজিৎ ফুকন, (সৰুপথাৰ)** ঃ অধ্যক্ষ মহোদয়।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ এক মিনিট, মই আৰু এটা কথা কওঁ, মই যিহেতু নগাওঁ সমষ্টিৰ কথা কলো, মই মোৰ সমষ্টিৰ কথা এটা কওঁ। মোৰ সমষ্টিৰ পোৰকুছি গাঁও, সেই গাঁওখনৰ বেছিভাগ মানুহৰ কেন্সাৰ হৈছে। সেই কথাটো পেপাৰৰ নিইজ কাটিং ৩০১ত মই আনিছিলো, নাহিলে। কিন্তু এই পোৰকুছি, মন্ত্ৰী মহোদয়ে জানে এই গাঁও খনৰ বিষয়ে, তেখেতৰ ওচৰতে, তেখেতৰ ঘৰৰ লগা লগি গাওঁ খনে। যি নহওঁক আপুনি অলপ তাত ব্যৱস্থা এটা কৰি দিয়ক। তাত পানী যোগান পোৰা নাই তাৰ মানুহসকলে। সকলোখিনি মানুহে আপত্তি কৰি আছে পানী পোৰা নাই বুলি। গতিকে এই ক্ষেত্ৰত আপুনি অলপ ব্যৱস্থা লওক। বৰভাগৰ পোৰাকুছিত পানী যোগান দিয়ক আৰু তাৰ পানীক পৰীক্ষা কৰিব লাগিব তাত আৰচেনিক আছে নে কি আছে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ ধন্যবাদ, মই নিশ্চকৈ তেখেতে যিখিনি কথা কৈছে আমি ইতিমধ্যে নলবাৰী জিলাত আমি বালি গাঁৱৰ পৰা কিছু বিষয়া নি প্ৰত্যেকটো আঁচনিৰ এটা চোৱাৰ ব্যৱস্থা কৰিছিলো, যেনেকৈ আমি মাজুলীত কৰিছিলো। এখন এখন জিলাকৈ আমি কৰি গৈ আছো। কৰবাত তাতো কিছুমান খুতিনাতি ধৰা পৰিছে সেইখিনি আমি এতিয়া ঠিক কৰি আছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। ফুকন কওক।

**শ্ৰীবিশ্বজিৎ ফুকন, (সৰুপথাৰ)** ঃ অধ্যক্ষ মহোদয়, মই সামগ্ৰিক প্ৰশ্ন এটা সুধিব বিচাৰিছো। যে আমাৰ টাইড ফাণ্ডৰ জৰিয়তে পঞ্চায়তৰ জল-জীৱন মিছনৰ যি খিনি আঁচনি এই আঁচনি খিনি মেৰামতি বা অন্যান্য খৰচ বিলাক বহন কৰা হয়। আমি জলমিত্ৰৰ দৰমহা দি আছো, বিজুলীৰ বিল দি আছো এই খিনি ঠিকেই আছে। কিন্তু টাইড ফাণ্ডৰ এচ ও পি নথকাৰ বাবে আৰু টাইড ফাণ্ডটো যিহেতু পঞ্চায়ত আৰু গ্ৰাম উন্নয়ন বিভাগৰ এচ ও পি নথকাৰ কাৰণে পঞ্চায়তৰ পৰা সেই পইচাখিনি খৰচ কৰিব পৰা নাই। এতিয়াও মই যদি গোলাঘাট জিলাৰ কথা কওঁ ২ কোটিতকৈ অধিক টকা টাইড ফাণ্ডত পৰি আছে। আৰু বহুত জল-জীৱন মিছনৰ আঁচনি ইতিমধ্যে এবছৰ পাৰ হৈ গৈছে, য'ত মেৰামতিৰ পিৰিয়ডটো শেষ হৈ গ'ল। কিন্তু টাইড ফাণ্ডৰ পইচা আমি এচ ও পিৰ কাৰণে খৰচ কৰিব পৰা নাই। যিহেতু দুয়োটাই বেলেগ বেলেগ বিভাগ, গ্ৰাম্য উন্নয়ন বিভাগে এচ ও পি দি দুয়োটা বিভাগে সোনকালে কামটো কৰাৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে সঠিক কথায়ে কৈছে। আমাৰ যিটো পি এণ্ড আৰ ডিৰ টাইড ফাণ্ড আছে তাত এটা এচ ও পি আছে নথকা নহয়। তাত এটা লিমিটেচন আছিল, যে মই যিমানদূৰ জানো ১০ হাজাৰ নে ২০ হাজাৰৰ ভিতৰত মেৰামতিৰ বাবে খৰচ কৰিব পাৰি, তাতকৈ ওপৰত কৰাতো যিহেতু এইটো লিখা আছিল, কিন্তু এতিয়া যিহেতু আঁচনিবোৰ কিছু পুৰণা হ'ল আৰু কোনোবা কোনোবা আঁচনিত একৰ পৰা ডেৰ লাখ টকাও লগীয়া হ'ল, কৰবাত পাম্পটো বেয়া হৈ যায়, কৰবাত বেলেগ হয়। গতিকে আমি ভাৱিছো যে দুই এটা বিভাগৰ খুব সোনকালে এখন সভা কৰি এই এচ ও পি টো আমি দি দিম যাতে কিমান টকালৈকে

খৰচ কৰিব পাৰিব। কাৰণ কেতিয়াবা নহলে সেই সীমিত সংখ্যক টকাৰ ভিতৰত মেৰামতিৰ কাম কৰিব নোৱাৰি। কিন্তু টাইড ফাণ্ডত ইতিমধ্যে টকা জমা আছে। সেই কাৰণে মই খুৱ কম দিনৰ ভিতৰত পি এণ্ড আৰ ডি ৰ লগত আলোচনা কৰি এখন এচ ও পি উলিয়াই দিম যাতে সকলোৰে এই অসুবিধাটো দূৰ হয়।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২৪৩, শ্ৰীৰেকিবুদ্দিন আহমেদ। মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ** ঃ Supplementary.

**শ্ৰীৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ মন্ত্ৰী মহোদয়ে যি দৰে দিছে বৰ ফালৰি কাটি আৰু খুব সুবিধাজনক ভাৱে মন্ত্ৰী মহোদয়ে অধ্যক্ষ মহোদয় উত্তৰটো দিয়া নাই। এইটো অত্যান্ত গুৰুত্বপূৰ্ণ আছিল যে গুৱাহাটী মহানগৰীত ক'ত ক'ত কিমান অসম ৰাজ্যিক হাউচিং বোৰ্ডৰ আৱাস আছে, আৱাস সমূহ কোন কোন ব্যক্তিৰ নামত আৱন্টন দিয়া আছে, বাস কৰা মানুহ সকলে আৱাসখনৰ কোন কোন হাউচিং বোৰ্ডত কোন সকল লোকে প্ৰকৃততে বাস কৰিব পাৰে? আৰু প্ৰকৃতে তেখেত সকলৰ যি নিয়ম আছে সেই নিয়ম খিনি maintain কৰি হাউচিংৰ আৱাসৰ লোক সকলক আৱন্টন দিয়া আছেনে? অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে স্বতঃফুতমতে বুকুত হাত দি কব পাৰিবনে যে আমাৰ যিটো হাউচিং বোৰ্ডৰ ৰুলচ্ আছে সেই মতে ঘৰ সমূহ দিয়া আছে? আৰু ঘৰ সমূহত কোন কোন মানুহ কিদৰে আছে? অধ্যক্ষ মহোদয়, ঘৰ মাটিৰ একাংশ মানুহে যি এই শপতনামা দিছে সেই শপতনামাবোৰ সত্য হয়নে? জি এম ডি, জি এম চি ৰ সমন্নয় ৰক্ষা কৰি মাটি আছে নে নাই এইবোৰ পৰীক্ষা কৰিছেনে? মন্ত্ৰী মহোদয়ে কেইটা মান দিন আগতে প্ৰেছ কন্‌ফাৰেন্সত কৈছিল কি দৰে কৈছিল, তেনেকৈ কোৱাৰ পিছত সেইটো অনুসৰণ কৰিছেনে নাই। অনুসৰণ কৰিবলৈ তেখেতৰ সাহস হৈছেনে?

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে তেখেতক সম্পূৰ্ণ তালিকাখন দিছো। তালিকা খন মাতি দিব পাৰি আপুনি যদি চাই।

**শ্ৰীৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ)** ঃ মাতি দিয়ক।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (অসম ৰাজ্যিক হাউচিং বোৰ্ড আৰু নগৰ উন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ গতিকে তালিকা খন আপোনাক সম্পূৰ্ণ ভাৱে দিছো আৰু সম্পূৰ্ণ তালিকা খন বহুত দীঘল। গতিকে মই সদনৰ ইমান সময় নষ্ট কৰিব খোজা নাই। তালিকাখনত যি সকল লোক আছে আৰু আমাৰ যিটো ঘৰ আৱন্টন দিয়াৰ নিয়ম এই নিয়মত তেনেকুৱা কোনো ষ্ট্ৰিক গাইড লাইন নাই। যি সকল মানুহৰ গুৱাহাটীত ঘৰ মাটি নাই তেওঁলোকে আবেদন কৰিব পাৰে আৰু তেওঁলোকক আৱন্টন দিব পাৰে। তাত চৰকাৰী কৰ্মচাৰী, চেমী চৰকাৰী কৰ্মচাৰী, সাধৰণ মানুহো হ'ব পাৰে। গতিকে সেই সূত্ৰে ঘৰৰ সমূহ আৱন্টন দি থকা নাই। এনেকুৱা কোনো ধৰা বন্ধা নিয়ম নাই যে এইটো বা সেইটোক দিব নোৱাৰি। সেই কাৰণে ঘৰ সমূহ খালী কৰাত অসুবিধা হয়। এই ক্ষেত্ৰত ২০২০ চনত হাইকোৰ্টত এটা কেছ হৈছিল। উচ্চতম ন্যায়ালয়ৰ কেছৰ পাছত আমাক এটা এচ ও পি বনাবলৈ দিছিল আৰু সেই এচ ও পি টোত যিখিনি কথা লিখা আছে তাৰ পৰা এইটো যে যি সকলৰ মুখ্যত গুৱাহাটীত মাটি আৰু ঘৰ নাই তেওঁলোক চৰকাৰী বা বেচৰকাৰী বা সাধাৰণ বা বিভিন্ন ধৰণৰ লোক হলেও আৱন্টন দিব পাৰি। আৰু এই ক্ষেত্ৰত তেনেকৈ আৱন্টন দিয়া হৈছে। আৰু দেখা যায় যে বহু খিনি আৱন্টন এনেকুৱা যে আমাৰ ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াৰ দলৰ বহুত

সদস্যই এতিয়া অনধিকাৰে আছে, নে বহুত বছৰ আগৰ পৰাই আছিল, এতিয়া সেই সকল মানুহৰ গুৱাহাটীত ঘৰ মাটি আছে, গতিকে এৰি দিলে ভাল। তেখেতে বিচাৰিলে মই নামো কৈ দিম। তেখেতৰ দলৰ মানুহৰ নাম। তেনেকুৱা বহুত মানুহ আছে, কিন্তু মই কোনোবাই লাজ পাব বুলি ক'ব খোজা নাই। । কিন্তু বহু কেইজন প্ৰাক্তন সাংসদ, প্ৰাক্তন বিধায়ক বা তেনেকুৱা ধৰণৰ মানুহ আছে আৰু আমাৰ যিহেতু সাংবাদিকসকল ইয়ালৈ আহে বিভিন্ন কামত, পিছলৈকে হয়তো নিজৰ ঘৰ-মাটি কৰে যদিও প্ৰথম অৱস্থাত ঘৰ-মাটি নাথাকে বাহিৰৰ পৰা আহে। গতিকে তেনেকুৱা যথেষ্ট সাংবাদিকৰো ঘৰৰ এখন ডাঙৰ লিষ্ট আছে। কিন্তু মই কাকো ব্যক্তিগতভাৱে নাম কোৱা নাই। মোৰ এটাই অনুৰোধ ইয়াৰ পৰাই ক'ম যে যিসকলৰ আজিৰ তাৰিখত ঘৰ-মাটি হৈ গ'ল তেখেতসকলে স্ব-ইচ্ছাই এৰি দিলে খুৱ ভাল হয় আৰু কেতিয়াবা কি কৰে, তেওঁলোকে নিজৰ নামৰ সলনি বেলেগ এজনলৈ transfer কৰি লয়। তেওঁৰ কোনোবা সহযোগী, তেওঁৰ কোনোবা আত্মীয়, ড্ৰাইভাৰ, employee তেনেকৈ transfer কৰি লয়। গতিকে পিছত আমি এবাৰ সোমাই গ'লে খালী কৰিবলৈ দিগদাৰ। গতিকে এইধৰণৰ কথাবিলাক থাকে। সেই কাৰণে মই বহুত বেছি ভিতৰলৈ গৈ নামবিলাক ক'ব খোজা নাই, কাৰণ নামবিলাক ক'লে আটাইতকৈ বেছি শ্ৰীৰেকিবুদ্দিন আহমেদ অসুবিধাত পৰিব। কাৰণ তেওঁলোকৰ দলৰে বহুত এনেকুৱা মানুহ আছে যিসকলৰ নাম কোৱাতো খুৱ ঠিক নহ'ব।

**माননীয় অধ্যক্ষ** ঃ Second Supplementary.

**শ্ৰী ৰেকিবুদ্দিন আহমেদ,(ছয়গাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Second Supplementary, কৈ দিছো। এইটো ইমানে গুৰুত্বপূৰ্ণ কথা, মাননীয় মন্ত্ৰী মহোদয় ডাঙৰীয়া কলেজত থাকোতে মোৰ senior আছিল আৰু বি. বৰুৱা কলেজত জি.এছ ও আছিল, তাৰ্কিকো আছিল। এনেকৈ তৰ্ক কৰিলে নহ'ব। মন্ত্ৰী ডাঙৰীয়াই সদনত কৈছে, আইন নাই। Housing Board ক আমি কোৰ্আটাৰ আবণ্টন দিও। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ বিভাগৰ সঠিক ভাৱে আইন নাই। মাননীয় অধ্যক্ষ মহোদয়, Housing Board ত আইন আনিব লাগিব, আনি বনাব লাগিব। Housing Board টো সকলোৰে আশা কৰে যাৰ ঘৰ নাই। ঘৰত থকা মানুহে তাতে যদি ঘৰবিলাক ভাড়া দি থাকে Housing Board, মন্ত্ৰী মহোদয়ে যদি কয় এইক্ষেত্ৰত ব্যৱস্থা লোৱা সকলৰ আইন নাই এইটো কেনেকৈ হ'ব? আইন কৰিব লাগিব লগতে Housing Board ক ডাঙৰ বিভাগ হিচাপে জনসাধাৰণৰ হিতৰ কাৰণে মহানগৰৰ মহানাগৰিক গুৱাহাটীৰ সকলোতে যিসকলৰ ঘৰ নাই পাহাৰে পৰ্বতে যিসকল আছে চৰকাৰে যিসকলক প্ৰতিশ্ৰুতি দি আছে তেওঁলোকৰ সংস্থাপনৰ সেইসকলক কি ধৰণে সংস্থাপন কৰিব পাৰো, income generate কেনেকৈ কৰিব। মাননীয় অধ্যক্ষ মহোদয়, সামান্য পইচাতে এই ঘৰবোৰ দিয়া আছে। ১ নম্বৰ আইন বনাব নে নাই, যিয়ে য'ত আছে, তেওঁলোকৰ কাৰণে সকলোতে ন্যায় হ'বনে নাই আৰু উপযুক্ত পাব লগা মানুহে পাব নে নাই আৰু এইক্ষেত্ৰত কঠোৰভাৱে মন্ত্ৰী মহোদয়ে এটা enquiry দিব লাগে আৰু আইন বনাব লাগে আৰু তাত ঘৰ আবণ্টন কৰি গুৱাহাটীত মাটি নাই কিন্তু ঘৰটো ভাড়া এইটো Housing Board কেনেকৈ হ'ব? এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (অসম ৰাজ্যিক হাউচিং বোৰ্ড আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আইন বুলি নহয়, guideline আছে। Guideline নথকা বুলি মই কোৱা নাই। Guideline আছে আৰু মই সকলো সন্মানীয় সদস্যৰ পৰা অনুৰোধ ৰাখিম যে আপোনালোকক কি কি guideline ত দিব লাগে এবাৰ দিয়ক। মই এটা proper guideline

বনাবলৈ চেষ্টা কৰিম। আপোনালোকে যদি কয় এনেকুৱা মানুহক দিব নালাগে, এনেকুৱাক দিব লাগে আপোনালোকৰ আবেদনখিনি দিয়ক মই সুন্দৰ এখন guideline বনাবলৈ চেষ্টা কৰিম যাতে আমি strictly চাব পাৰো। শ্ৰীৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই যিসকল মানুহৰ ওপৰত এনেকুৱা ধৰণৰ কথা আছে নামকেইটা মোক দি দিলে হ'ল, মই চাই দিব পাৰো যে এইকেইজন মানুহে কিয় পাই আছে, কিয় পাব নালাগে এইখিনি মই চাই ব্যৱস্থা কৰি দিব পাৰিম। সেই কাৰণে আইনখন আছে আৰু আপোনালোকে কি কি মানুহক দিব লাগে যিহেতু ঘৰখিনি যথেষ্ট পুৰণি হৈ গৈছে আকৌ নতুনকৈ renovate কৰা বা নতুনকৈ নিৰ্মাণ কৰাৰ কথা আমি চৰকাৰে চিন্তা কৰি আছো, কিন্তু তাৰ আগে আগে proper guideline আহিব।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ)** ঃ ধন্যবাদ জনাইছো আপোনাক। এইবিষয়টোৰ ওপৰত মন্ত্ৰী মহোদয়ে বিভাগত এখন আইন সঠিকভাবে আনক, আমাৰ ওপৰত কিয় নিৰ্ভৰ কৰিব? Rule frame কিয় কৰিব নোৱাৰিব? Rule frame বনাব লাগিব আৰু আগন্তুক সময়ত Housing Board ত জনসাধাৰণৰ সুবিধা কৰি ন্যায় নিষ্ঠাৰে যাতে পাব পাৰে আৰু যিসকলে ঘৰ থাকি ঘৰটো ভাড়া দি আছে এই list খিনি তৈয়াৰ কৰক। মাননীয় অধ্যক্ষ মহোদয়, বিচাৰ কৰক, তদন্ত কৰক এইক্ষেত্ৰত যাতে ব্যৱস্থা কৰে।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (অসম ৰাজ্যিক হাউচিং বোৰ্ড আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্য গৰাকীয়ে যিখিনি আহ্বান ৰাখিছে নিশ্চয়কৈ আমি চেষ্টা কৰিম যে proper guideline এটা হওঁক আৰু আজি যেতিয়া চাইছো guideline বিলাকক strictly এনেকুৱা guideline নাই যাৰ পৰা আমি আঁতৰাই দিব পাৰো। Guide-line টো আমি frame কৰি লওঁ আৰু কম দিনৰ ভিতৰত guideline ৰ frame কৰি দিব আৰু আপোনাৰ যিকেইটাত অভিযোগ আছে নাম দি দিব। মই অভিযোগ কেইটা সমাধান কৰি দিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যিক হাউচিং বৰ্ডৰ জৰিয়তে নিম্ন আয় শ্ৰেণী, আৰ্থিকভাবে দুৰ্বল শ্ৰেণী আৰু মধ্য আয় শ্ৰেণীৰ ব্যক্তি সকলক হাউচিং বৰ্ডে আৱাস গৃহ দিয়ে আৰু এতিয়ালৈকে মাননীয় মন্ত্ৰী ডাঙৰীয়াই যি উত্তৰ দিছে দেখিছো প্ৰায় ১৮৩০ ব্যক্তিক এনেকুৱাভাবে আৱাস গৃহ দিয়া হৈছে। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে বৰ্তমানৰ চৰকাৰখনে নতুনকৈ আৱাসগৃহ এই নিম্নআয় শ্ৰেণী, আৰ্থিকভাবে দুৰ্বল শ্ৰেণী আৰু মধ্য আয় শ্ৰেণীৰ ব্যক্তি সকলৰ কাৰণে নিৰ্মাণ কৰি আছে নেকি? আৰু যদি কৰি থকা নাই পৰৱৰ্তী সময়খিনি নিৰ্মাণ কৰাৰ কিবা পৰিকল্পনা আছে নে নাই মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (অসম ৰাজ্যিক হাউচিং বোৰ্ড আৰু নগৰ উন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নতুনকৈ গুৱাহাটীত আমি নিৰ্মাণ কৰা নাই। কিন্তু গুৱাহাটীৰ বাহিৰত ক'ৰবাত ক'ৰবাত দুই এখন ঠাইত কৰা হৈছে নতুনকৈ আৰু সেইসমূহ বিভাগীয় আবেদন লৈ আমি তেনেকৈ আৱণ্টনো দিয়া হৈছে। গুৱাহাটীত সাধাৰণতে যি আগৰখিনি আছে, তাত ক'ৰবাত খালী হ'লে বেলেগক আৱণ্টন দিয়া হৈছে , কিন্তু গুৱাহাটীত প্ৰায় খালী নহয়েই। গতিকে আমাৰ চৰকাৰৰ এইটো লক্ষ্য আছে যে ভৱিষ্যতে যিসমূহ আৱাসগৃহ আছে, সেই আৱাসগৃহৰ কিছুমান অঞ্চল অত্যন্ত বেয়া অৱস্থালৈ গৈছে সেইখিনি খুৱ ভাল কৰাৰ প্ৰয়োজন আছে। কিন্তু যিসকলে

খালী কৰি নিদিলে কাৰণ সেইটো নতুনকৈ নিৰ্মাণ কৰিবলৈ হ'লে খালী কৰিবলগীয়া হয়। মানহখিনিক বিকল্প এটা ব্যৱস্থা এটা দিব লাগিব সেই ধৰণৰ কিছু কামৰ কাৰণে আমি আগবাঢ়িব পৰা নাই। কিন্তু আমাৰ লক্ষ্য আছে যে গুৱাহাটীত যিসমূহ আৱাস গৃহৰ অৱস্থা অত্যন্ত বেয়া পৰ্য্যয়লৈ গৈছে, সেইসমূহ কেনেকৈ নৱনিৰ্মিত কৰিব পাৰি সেই পৰিকল্পনা চৰকাৰৰ আছে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় বিৰোধী দলৰ দলপতি।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো। তেখেতসকলে আগন্তুক সময়ত অসমৰ প্ৰতি সমজিলা, প্ৰতিজিলা সদৰ আৰু বৈ আইনীভাৱে গুৰুত্বপূৰ্ণ নগৰ-চহৰ সমূহত বিভিন্ন মানুহৰ এনেকুৱা গৃহহীন মানুহৰ সুবিধা হোৱা বাবে বা চাকৰিসূত্ৰে তেওঁলোকে য'ত নতুন ঠাইত যাবলগীয়া হয় তেওঁলোকে ঘৰ ভাড়াত ল'ব পৰাকৈ Housing Board য়ে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত কিবা আঁচনি ল'ব নেকি ?

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (অসম ৰাজ্যিক হাউচিং বোৰ্ড আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নিশ্চয়কৈ এতিয়ালৈকে আমাৰ তেনেকুৱা নতুন আঁচনি ঘোষণা কৰিব পৰাকৈ নাই কিন্তু আমাৰ চৰকাৰৰ লক্ষ্য আছে যে টাউন সমূহত যিখিনি মাটি আছে তাতে আৰু নতুন মাটি আৱণ্টনৰ কাৰণে চেষ্টা কৰা হৈছে। তিনিচুকীয়াত নতুনকৈ এটা তেনেকুৱা ধৰণৰ Housing Colony এখন তিনিচুকীয়া municipality য়ে নিজৰ ব্যৱস্থাৰ মাজেৰে কাম আৰম্ভ কৰিছে গতিকে মই ভাবো যে তিনিচুকীয়াৰ আৱাস গৃহ ব্যৱস্থাটো এটা Model হ'ব আৰু তাৰপিছত লাহে লাহে সেই ধৰণৰ পৰিকল্পনাৰে আগবাঢ়িব বিচাৰিছো আৰু তাতকৈ ডাঙৰ কথা হৈছে যে আগৰ যিসমূহ ঘৰ আছিল, LIG, MIG বা এই ঘৰ বিলাকৰ size বিলাক ইমানে সৰু যে আচলতে খুব বসবাসৰ উপযোগী বা সিমান কম ঠাইতো মানুহৰ থাকিবলৈ আজিকালি অসুবিধা হয়। সেইকাৰণে নতুন model লৈ ভৱিষ্যতৰ দিনত কাম কৰাৰ পৰিকল্পনা চৰকাৰৰ আছে।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং- ২৪৪ । শ্ৰী দিগন্ত বৰ্মন। মাননীয়া মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওঁগ, (মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী)** ঃ উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মন্ত্ৰী মহোদয়াৰ পৰা উত্তৰটো পাইছো যে অসমত ২৩০ টা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্য্যালয় আছে যে নিজা মাটিত ২৪ টা আছে বুলি কৈছে। ৪৩ টা চৰকাৰী গৃহ আৰু ১৬৩ টা ভাড়া ঘৰত। ইয়াতে (ঘ) নং ত কৈছে ১৯ টা জিলা সমাজ কল্যাণ বিষয়াৰ কায্যালয় নিৰ্মাণ চলি আছে। জিলা সমাজকল্যাণ বিষয়াৰ কাৰ্য্যালয় জিলা সদৰসমূহত চলি আছে, সেইটো ভাল কথা। মই মাননীয়া মন্ত্ৰী মহোদয়াক অনুৰোধ জনাব বিচাৰিছো যে আমাৰ Circle office বা খণ্ড উন্নয়ন বিষয়া সকলোৰে নিজা মাটি আছে, নিজা কাৰ্য্যালয় আছে আৰু ICDS ৰ যিকেইটা project আছে তাত সাধাৰণ মানুহ জড়িত অঙ্গনবাড়ী worker, অঙ্গনবাড়ী helper. মহিলাসকল যায়। গতিকে নিজৰ ঠাইত এটুকুৰা চৰকাৰী মাটি আৱণ্টন ল'ব নোৱাৰে নেকি ? Revenue Department ৰ লগত আপুনি যোগাযোগ কৰিলে এটুকুৰা মাটি আৱণ্টন কৰি দিলে তাত যদি আপোনালোকে এটা project দিয়ে তাতে যদি model অঙ্গনবাড়ী চেণ্টাৰ কৰিছে ভাল হৈছে। গতিকে কথা হ'ল যে নিজা অফিচ হ'ব লাগে। মোৰ সমষ্টিত বৰভাগৰ প্ৰশ্ন আছিল তাত খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয় একেবাৰে ভঙা-

চিঙা ভাড়াঘৰ এটাত চলি আছে বহুদিনৰ পৰা। তাত মহিলা এগৰাকী বিষয়া আছিল সদায় কৈ থাকে মেৰামতি কৰিব লাগে। এইটো P&RD বিভাগৰ তেওঁলোকে নধৰেও। মই মাননীয় মন্ত্ৰী মহোদয়াক অনুৰোধ জনাইছো, মোৰ সমষ্টিৰ বৰভাগৰ যিটো ICDS project আছে তাৰ কাৰণে ভূমি আৱণ্টন দৰকাৰ হ'লে P&RD বিভাগৰ লগত কথা পাতি আমাৰ মাননীয়া মন্ত্ৰী মহোদয়া আছেই আমাৰ বহুত মাটি আছে পঞ্চহাৰিত আমাৰ P&RD ত আমাৰ Development Block যদি আমি ২ কঠা বা ৩ কঠা মাটিও পাওঁ, তাত allotment কৰি নিজাকৈ এটা পইচা দি এটা নিজা property কৰিব পাৰিলে ভাল হয়। সেইটোৰে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** Hon'ble Minister

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)ঃ-** অধ্যক্ষ ডাঙৰীয়া, মই বিধায়ক ডাঙৰীয়াক ধন্যাবাদ জনাইছো যে তেখেতে সচাঁকৈ গুৰুত্বপূৰ্ণ কথা বিলাক অনুভৱ কৰি কৈছে। মইয়ো এই কথাখিনি চিন্তা চৰ্চা কৰি আছো। প্ৰথম অৱস্থাত আমাৰ জিলা কাৰ্য্যালয় বিলাক নাছিল। সেইকাৰণে মাটিৰ ক্ষেত্ৰত আমি প্ৰথম পৰ্য্যায়ত কিছু অসুবিধা পাইছিলো। কিন্তু আপোনাক জনাই ভাল পাইছো যে আমাৰ ৩৫ খন জিলাৰ ১৯ খন জিলাতে প্ৰায় ৯ টা হৈয়ে গৈছে। বাকী ৯ টা কাষ্যালিয় সুন্দৰভাৱে নিৰ্মানি হৈ আছে। পিছৰ পৰ্য্যায়ত আমি DC সকলকো অনুৰোধ জনাম কাৰণ , integrated যিবিলাক Deputy Commissioner কাৰ্য্যালয় চলি আছে, তাত যাতে তেওঁলোকে accommodote কৰে। আপুনি যিটো ২৩০ টা সংগত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাষ্যালয়ৰ কথা কৈছে, সেইক্ষেত্ৰটো আমি গুৰুত্ব সহকাৰে লৈছো। চিন্তা-চৰ্চা কৰি আছো। আমি অতি শীঘ্ৰেই এনেকুৱা ধৰণৰ শিশু উন্নয়ন প্ৰকল্প বিলাকৰ কাৰ্য্যালয় নিৰ্মাণ কৰিবৰ কাৰণে বিভাগে আন্তৰিকতাৰে চেষ্টা কৰিব।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)ঃ-** মাননীয় মন্ত্ৰী মহোদয়াক মই এটা অনুৰোধ জনাব বিচাৰিছো। সদ্যহতে আপুনি ক'লে যে আৰু কিছু সময় লব। গতিকে মোৰ যিটো কাৰ্যালয় বৰভাগত চলি আছে, এতিয়া, বৰভাগ Development Block ত, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক যদি আপুনি অলপ request কৰে, মইও কৰিছো , যে অলপ অন্তত Untied fund ৰ পৰা পইচা দি হলেও ঘৰটো যদি ঠিক-ঠাক কৰি দিয়া হয়, খুব ভাল হ'ব বুলি মই ভাৱো। গতিকে, এইটো অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)ঃ-**অধ্যক্ষ মহোদয়, মই সন্মানীয় বিধায়ক গৰাকীয়ে যিটো প্ৰস্তাৱ দিছে, মই তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ-** এতিয়া শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ-** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে বাইদেৱে উত্তৰ দিছে। প্ৰায় ১৬৩ টা সংগত শিশু উন্নয়ন প্ৰকল্প ভাড়া ঘৰত আছে। সংগত শিশু উন্নয়ন প্ৰকল্পৰ যিসমূহ অংগনবাড়ী কেন্দ্ৰ আছে,৫২ অংগনবাড়ী কেন্দ্ৰৰ কৰ্মিসহায়িকা সকলে নিশ্চিতভাৱে সমাজখনৰ উত্তৰণৰ বাবে যথেষ্টখিনি কাম কৰি আছে। এই বিভাগে মানবসম্পদ গঢ়াৰ বাবে প্ৰাথমিক যি উল্লেখযোগ্য ভূমিকা পালন কৰিব লাগে,এই বিভাগে কৰে। আৰু বাইদেৱেও জানে, বিভাগে যথেষ্ঠখিনি আনুসংগিক বেলেগ বেলেগ কামতো এই বিভাগক জড়িত কৰে। গতিকে মই আপোনাৰ জৰিয়তে বাইদেউৰ প্ৰতি আহ্বান জনাইছো যে আজিকালি বিদ্যালয় একত্ৰিতকৰণ কৰা হ'ল, বহুত বিদ্যালয়ৰ মাটি খালি হ'ল, গতিকে এই বিভাগে অসম চৰকাৰৰ ৰাজহ বিভ্যগৰ পৰা প্ৰতিটো সংগত শিশু উন্নয়ন প্ৰকল্পৰ কাৰণে মাটি বিচাৰিব লাগে আৰু স্থায়ী কাৰ্য্যালয় নিৰ্মাণ কৰিব লাগে। কাৰণ স্থায়ী কাষ্যালিয় নিৰ্মাণ নহ'লে যথেষ্ঠখিনি অসুবিধা হয়। বহুত ৰাজহৰ ধন ভাড়া হিচাপে

দিব লগা হৈছে। গতিকে ৰাজহ বিভাগৰ পৰা বিভাগে মাটি বিচাৰিছেনে নাই আৰু যদি বিছৰা নাই, কেতিয়া বিছাৰিব? স্থায়ী কাৰ্য্যালয় কেতিয়া নিৰ্মাণ কৰিব? কি পৰিকল্পনা আছে যিহেতু বাইদেউ বিত্তমন্ত্ৰী, গতিকে Fund ৰ কাৰণে অসুবিধা নাই। এইক্ষেত্ৰত বিভাগৰ কি পৰিকল্পনা আছে জানিব বিছাৰিছো।

**মাননীয় অধ্যক্ষঃ Hon'ble Minister.**

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)ঃ**-- অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কইছোৰেই যে পৰ্যায় ক্ৰমে আমি সংগত শিশু উন্নয়ন প্ৰকল্প (ICDS Project) তাৰ গৃহ নিৰ্মাণৰ কাৰণে আমি চেষ্টা চলাম। কাৰণ গড়কাপ্তানী বিভাগৰ এটা Global Head আছে। সেই Global Head ৰ পৰা ইতিমধ্যে আমাৰ বিভিন্নধৰণৰ অফিচবোৰো নিৰ্মাণৰ বাবে ব্যৱস্থা কৰা হয়। আমালৈ ইতিমধ্যে বিভিন্ন ঠাই পৰা ICDS Project সমূহৰ পৰা প্ৰস্তাৱ আহিছে। অতি শীঘ্ৰেই আমি Priority কৰি পেলাই এইক্ষেত্ৰত আগবাঢ়ি যাম।

**মাননীয় অধ্যক্ষঃ**- ঠিক আছে। এতিয়া সন্মানীয় সদস্যা শ্ৰীমতী সুমন হৰিপ্ৰীয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, (হাজো)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী ডাঙৰীয়ানীৰ পৰা জানিব বিচাৰিছো আংগনবাদী কেন্দ্ৰ সমূহক ৰূপান্তৰীত কৰিবৰ কাৰণে এটা আঁচনি লোৱা হৈছিলে, Day boarding center, গতিকে সেইক্ষেত্ৰত কিমান দূৰ আগবাঢ়িছে, মাননীয় মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)ঃ**- এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আমাক এটা প্ৰস্তাৱ দিছে যে ৰাজ্যবিলাকত আমাৰ কিছুমান অংগনবাদী কেন্দ্ৰ Creche লৈ পৰিৱৰ্তন কৰিব লাগে, আমি এইক্ষেত্ৰত কাম কৰি আছো।

মাননীয় অধ্যক্ষঃ ধন্যবাদ। এতিয়া Question No, 245 শ্ৰী অজয় কুমাৰ ৰায়। Hon'ble Minister.

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ)ঃ**- উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰী অজয় কুমাৰ ৰায়, (বিজনী)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে আমাৰ বিজনী চহৰ খন ৰজাদিনীয়া চহৰ। কিন্তু ৰজাদিনীয়া চহৰ হ'লেও এতিয়ালৈকে চহৰখনৰ পানী নিষ্কাশনৰ যিটো ব্যৱস্থা, আজিলৈকে হোৱা নাই। অলপ বৰষুণ আহিলে, ৰাতিটো বৰষুণ আহিলেই আমাৰ অলপ ভয় হৈ যায় বিধায়ক হিচাপে যে ৰাতিপুৱা মানুহখিনি ঘৰ পায়হি। প্ৰতিটো ঘৰে ঘৰে পানি সোমাই যায় অলপ বৰষুণ হ'লেই। সেই কাৰণে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বিজনীৰ কাৰণে Drain Master Plan ৰ কিবা ব্যৱস্থা লৈছে নেকি? সেইবিষয়ে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ**- মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, অপৰিকল্পিত ভাৱে চহৰসমূহ আগবাঢ়ি যোৱাৰ কাৰণে অসমৰ প্ৰায়বোৰ চহৰতেই এই একেবোৰ সমস্যা দেখা পোৱা যায়। আজি-কালি প্ৰতিখন চহৰতে এজাক বৰষুণতে কৃত্ৰিম বান পানী সমস্যা দেখা পোৱা যায়, আৰু এই কথাটো প্ৰতি লক্ষ্য ৰাখি এইবাৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশনা মৰ্মে, আমি অসমত সকলো চহৰতে প্ৰৰ্য্যায় ক্ৰমে লাইবাৰ চাৰ্ভে কৰা কাম আৰম্ভ কৰিছো, বিজনী চহৰখনো লাইবাৰ চাৰ্ভে অন্তৰ্ভূক্ত হৈ আছে। আমাৰ এখন এখনকৈ ইতিমধ্যে কেইবাখনো চহৰত লাইবাৰ চাৰ্ভেৰ কাম

কৰা হ'ল আৰু বিজনী এই লাইবাৰ চাৰ্ভে লিষ্টত আছে আৰু এটা সময়ত আমি ১০০ শতাংশ চহৰটো এই লাইবাৰ চাৰ্ৰ্ভে কৰি proper Drain master plan বনাবলৈ চেষ্টা কৰিছো। এই Drainage master plan ৰ জৰিয়তে যাতে Municipality, PWD বা অন্যান্য বিভাগে যদি নলা-নৰ্দমা বনাই, সেই master plan টো Follow কৰি যাতে বনাই। নহ'লে বেচিভাগ চহৰতে নলা-নৰ্দমা বনোৱা ক্ষেত্ৰত Grazing বিলাক চোৱা নহয়, আৰু যধে-মধে নলা বিলাক বনাই দিয়া হয়। কিন্তু নালাবোৰৰ পৰা পানী ওলাই নাজায়, আৰু এইটো আটাইকৈ ডাঙৰ সমস্যা। সেই কাৰণে আমি এটা পৰিকল্পিত ভাৱে প্ৰতিখন চহৰতে master plan কৰি, সেই master plan ৰ জৰিয়তে ভবিষ্যতৰ দিনত কাম কৰিবলৈ পৰিকল্পনা কৰিছো ,আৰু বিজনী চহৰটো এইখিনি কৰা হ'ব মই ইতিমধ্যে তেখেতৰ উত্তৰ জনাইছো। তাৰ লগে লগে ইতিমধ্যে তিনি চাৰিটা কাম চলি আছে, যিহেতু বিজনী চহৰখন BTR ৰ অন্তভূক্ত। গতিকে BTR কৰ্তৃপক্ষৰ কিছুমান কথা জনাত আমাৰ অলপ limitation আছে। গতিকে মই ভাৱো যে তেখেতৰ যিটো ইচ্ছা তাৰ প্ৰতি আগ্ৰহ ৰাখি আমি নিশ্চয় বিভাগৰ ফালৰ পৰা আৰু কিছুমান কাম কৰাৰ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ

**শ্ৰী অজয় কুমাৰ ৰায়, (বিজনী)ঃ** অধ্যক্ষ মহোদয়, বিজনী চহৰত যিহেতু এখন ইতিহাস প্ৰসিদ্ধ চহৰ এই চহৰত মাজ মজিয়াৰ ৰজা দিনৰ পৰা লক্ষ্মীপূজা পৰম্পৰা এটা আছে । বড়োলেণ্ডৰ ভিতৰত আটাইকৈ ডাঙৰ লক্ষ্মীপূজা নলা ভোগেছৰত হয়। বহুসংখ্যক ৰাইজে লক্ষ্মীপূজা চাবলৈ ইয়ালৈ আহে। তেনে বিজনী চহৰৰ মাজ মজিয়াতো যদি এটা ৰাকিং জ'ন কৰি দিয়া হয়, তেনেহ'লে বিজনী ৰাইজে নিশ্চয় উপকৃত হ'ব।

**মাননীয় অধ্যক্ষঃ** Hon'ble Minister.

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই নিজেও এই লক্ষী মন্দিৰলৈ গৈছো বা তেখেতৰ লগত এই পূজাটো অংশগ্ৰহণ কৰিছো খুব সুন্দৰ আৰু সচাঁকৈ তাত কৰিবলগীয়া বহুত খিনি আছে, তেখেতে যিটো আগ্ৰহ প্ৰকাশ কৰিছে আমি এই বছৰতে পুঁজী সাপেক্ষে তেখেতৰ কামখিনি কৰাৰ বাবে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষঃ**-Thank you. Question Number.246 ৰূপক শৰ্মা।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ-** সদনত মজিয়াত উত্তৰসমূহ প্ৰদান কৰা আছে অধ্যক্ষ ডাঙৰীয়া।

**শ্ৰী ৰূপক শৰ্মা, (নগাঁও) ঃ** অধ্যক্ষ মহোদয়, নগাঁও চহৰত নিচেই কাষতে হাঁহিলা বিল খন আছে। এই হাহিলা বিলখন বিভিন্ন পৰিভ্ৰমী চৰাইৰ আশ্ৰয় স্থল আৰু পৰ্য্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। এই বিষয়টো মই আগতেও সদনৰ দৃষ্টি গোচৰ কৰিছিলো। ২০২২ চনত ১১ এপ্ৰিলতে এই বিলখন উন্নয়ন কৰিব কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো। পৰ্য্টন বিভাগৰ বিষয়া সকলক তালৈ গৈ সুন্দৰ ভাৱে চাইছিল আৰু পৰ্য্যবেক্ষণ কৰি যি প্ৰতিবেদন দিছিলে, এখন এখন বৃহৎ ঠাই আৰু এই ঠাইলৈ বিভিন্ন মানুহ যায় মানে আৰু শিক্ষা সম্পৰ্কীয় অনুষ্ঠানো হয়। মই অভিযোগ উত্তৰটো পালো পুঁজী সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰিব পাৰো । মন্ত্ৰী মহোদযক মই অনুৰোধ জনাইছো কেতিয়া পুঁজি হ'ব আৰু কেতিয়া এই বিলখন উন্নয়ন কৰিব।

**মাননীয় অধ্যক্ষ ঃ Hon'ble Minister.**

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে হাহিলা বিল সন্দৰ্ভত আমাৰ বিভাগে পৰ্য্যবেক্ষণ কৰি লক্ষ্য কৰিছে, যিহেতু এই বিষয়টো লৈ আমাৰ ভালেগৰাকী বিষয়াৰ

লগত গৈছো আৰু ৰূপক শৰ্মা ডাঙৰীয়া ইয়াত আছিল। পৰবৰ্তী সময়ত আমাৰ বিভাগে এটা চিন্তা কৰিছো-অসমত অকল হাহিলা বিলেই নহয়, অসমত প্ৰায় ১০০ টাতকৈও অধিক বিল আছে। যদি আমি কাটীয়া বিলৰ কথা এ কওঁ, বৰাকভেলিৰ চক্ৰ বিলৰ কথা এ কওঁ বা পুঠিমাৰি বিলৰ কথা এ কওঁ এনেকুৱাকে প্ৰায় ১০০ টাকৈ অধীক বিল আছে। আমি বিভাগে চিন্তা কৰিছো আমি Circuit বনাই Tourist বিলাক কেনেকৈ Develop কৰিব পাৰিম। কাৰণ এইবিলাক ঠাইলৈ Tourist বিভিন্ন বিদেশৰ পৰা আহে। অসমৰ ভালেকেইখন বিল একেলগে লৈ আৰু হাহিলা বিলটো অন্তৰ্ভূক্ত কৰা কথা আমি ভাবিছো।

**শ্ৰীৰূপক শৰ্মা, (নগাওঁ) ঃ** অধ্যক্ষ মহোদয়, তাত এটা প্ৰজেক্ট কৰাৰ কথা কোৱা হৈছিল আৰু ডিপিআৰো প্ৰস্তুত হৈছিল। জিপিএচ সকলোতে কৰিব ঠিক আছে কিন্তু হাঁহিলা বিলখন যদি বিশেষভাৱে গুৰুত্ব দিয়ে তাৰ বাবে মই অনুৰোধ জনাইছো । এইখন বিধান সভাতে মাননীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই দীপৰ বিলৰ কথা কৈ কৈ টেণ্ডাৰ কৰি পেলালে । গতিকে মই অনুৰোধ কৰিছো যাতে এইখনো সোনকালে কৰে।

**শ্ৰীৰণজিৎকুমাৰ দাস, (মন্ত্ৰী, পৰ্য্যটন বিভাগ ইত্যাদি) ঃ** হাঁহিলা বিলখন নিশ্চয় প্ৰায়োৰিটিত থাকিব। বাৰ্ড চেংচ্যুৰেৰী বা আন প্ৰয়োজনীয় কথা আমি প্লেনিং কৰিছো। আমি ভাবিছো যে, এটা মাষ্টাৰ প্লেন কৰি একেলগে কেইবাটাও বিল ল'ম। ইতিমধ্যে মাননীয় ৰূপক শৰ্মা ডাঙৰীয়াই আবেদন মৰ্মে হাঁহিলা বিলৰ কথাটো গম পোৱাৰ পিচত আমাৰ ওচৰত একেধৰনৰ আৰু কিছু আবেদন আহিছে। যাৰ বাবে আমি সিদ্ধান্ত লৈছো যে - প্ৰথমে আমি হাঁহিলা বিলখন কৰিম আৰু তাৰ লগতে ১০-১৫ খন বিল যাতে আমি কৰিব পাৰো তাৰ পৰিকল্পনা কৰি আছো ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নগাওঁৰ যিটো হাঁহিলা বিলৰ কথা কৈছে এইটো যথেষ্ঠ গুৰুত্বপূৰ্ণ কাৰণ চেমি কনডাক্টৰ প্ৰজেক্ট জাগিৰোডত হৈ আছে । চেমি কনডাক্টৰ ইণ্ডাষ্ট্ৰিৰ কাৰণে বহু ইণ্ডাষ্ট্ৰিয়েলিষ্ট, বিজনেছমেন,পৰ্য্টক, বহু মানুহ বাহিৰৰ পৰা আহিব। গতিকে ১০০ টা আছে এই চিন্তাটো ভালেই কৰিছে কিন্তু যিহেতু চেমি কণ্ডাক্টৰ প্ৰকল্প হৈ আছে গতিকে হাঁহিলা বিলখন অগ্ৰাধিকাৰ ভিত্তিত কৰিব নেকি? দ্বিতীয়তে অধ্যক্ষ মহোদয়, গুৱাহাটীৰ দীপৰ বিল আৰু হাইলাকান্দিৰ সোন বিলৰ কথাটো আহিছে। গুৱাহাটীত গোটেই ভাৰতবৰ্ষৰ লগতে গোটেই পৃথিৱীৰ পৰা মানুহ আহে , গুৱাহাটীত আহিলে তেওঁলোক কামাখ্যাত যায়, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত যায় কিন্তু দীপৰ বিলটো যদি পৰ্য্টনৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু কৰিব পৰা যায় তেন্তে যথেষ্ট পৰিমানে ৰেভিনিউ কালেকশ্যন হ'ব। অধ্যক্ষ মহোদয়, দীপৰ বিলৰ বাবে এশ কোটি টকা দিয়া বুলি কৈছে, যোৱা বাজেটতো ধৰিছিল কিন্তু ছাৰ আজিলৈকে কাম আৰম্ভ হোৱা নাই কিয় ? এইটো মই আপোনাৰ জৰিয়তে জানিব খুজিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, অনাৰেবল্ মিনিষ্টাৰ ।

**শ্ৰীৰণজিৎকুমাৰ দাস, (মন্ত্ৰী, পৰ্য্যটন বিভাগ ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, মই বিষয়টোৰ ক্ষেত্ৰত ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াক সমৰ্থন জনাইছো, সেই কাৰণে আমি কৈছো আমি যদি চেমি কনডাক্টৰকে আদি কৰি তাৰ আশে পাশে থকা জোঙাল বলহুত ইতিমধ্যে আমাৰ কাম চলি আছে আৰু কাম শেষ হোৱাৰ পথত। মাননীয় বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াই যিটো কৈছে আৰু তাৰ লগতে দীপৰ বিলটোও আমি যাতে টুৰিষ্ট এট্ৰেকশ্যন চেন্টাৰ কৰিব পাৰো এইটো নিশ্চয় ভাল হ'ব আৰু নিশ্চিতভাৱে আমি এই প্ৰচেষ্টা চলাম ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে এশ

কোটি টকা দিছে , এইবাৰৰ বাজেটতো ধৰিছে, কিন্তু কাম এতিয়াও আৰম্ভ হোৱা নাই ।

**माननीय অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে উত্তৰ দিলেই, হ'ব বহক ।

**শ্ৰীপ্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ** অধ্যক্ষ মহোদয়, নগাওঁ ৰিলেটেড চাপ্লিমেন্টৰী প্ৰশ্ন এটা মোৰ আছে। অধ্যক্ষ মহোদয়, এই যিটো বিষয় উত্থাপন কৰিছে, পৰ্য্যটকৰ আকৰ্ষণৰ সম্পৰ্কে, আৰু হাঁহিলা বিলৰ যিটো কথা কৈছে ।এই নগাওঁ জিলাতেই গুৰুজনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম স্থান আছে । ইয়াতে মহাপুৰুষ দামোদৰ দেৱৰ জন্মস্থলী আছিলে । ইয়াতে সতী ৰাধিকাৰ জন্মস্থলী আছিলে। তাৰ কাষতে কুঁজিবিল , হৰুৱা বিল , বৌমাৰী বিল, সোনাইকে আদি কৰি কলং আৰু এৰা সুঁতি - এই গোটেই ৰাটাৰবডিখিনি আছে। পৰ্যটকক আকৰ্ষণৰ বাবে বৰদোৱাখনক সুন্দৰকৈ এতিয়া সজোৱা হৈছে কিন্তু হাঁহিলা বিলকে ধৰি তাৰ আশে পাশে থকা এই ৰাটাৰ বডি যিখিনি আছে, এইবিলাক যদি উন্নয়ণ কৰে তেতিয়া হ'লে আমাৰ মহাপুৰুষ জনাৰ জন্মস্থান , দামোদৰ দেৱৰ জন্মস্থান , সতী ৰাধীকাৰ এই জন্মস্থান এখন সুন্দৰ পৰ্যটকৰ আকৰ্ষণস্থলী হ'ব বুলি মই ভাবো । গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা এই ক্ষেত্ৰত কিবা ব্যৱস্থা ল'ব নেকি মই জানিব বিচাৰিছো ।

**শ্ৰীৰূপক শৰ্মা, (নগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা কথা মই যোগ কৰি দিওঁ - ইতিমধ্যে বটদ্ৰবা প্ৰকল্পৰ কাম চলি আছে । আশা কৰিছো সোনকালে শেষ হ'ব । একেসময়তে বটদ্ৰবাৰ কলা ক্ষেত্ৰৰ কাম চলি আছে । মাননীয় বিধায়ক প্ৰদীপ হাজৰিকাই যিটো কথা ক'লে এই সুঁতি আৰু বিলসমূহৰ যদি উন্নয়ন হয় তেন্তে পৰ্য্যটকৰ সুন্দৰ আকৰ্ষণস্থলী হ'ব আৰু তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে , মাননীয় মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পৰ্য্যটন বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক দুগৰাকীয়ে যিটো কৈছে এই নিশ্চিতভাৱে ভাল পৰামৰ্শ । আমি সকলোৱে জানো যে, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত বটদ্ৰবাত যি প্ৰকল্পৰ কাম চলি আছে মই ভাবো যে অমৃতসৰৰ পিছতে ভাৰতবৰ্ষত এইটো দ্বিতীয় এটা পৰ্য্যটনস্থলী হ'ব । সমগ্ৰ ভাৰতবৰ্ষৰ মানুহে তাতে ভ্ৰমণ কৰিবলৈ আহিব। আমিও আশা ৰাখিছো যে, সেইটো কেৱল সাংস্কৃতিক হিচাপে নাৰাখি পৰ্য্যটনস্থল হিচাপে অধিক উন্নত কৰিব পৰা যাব । বিধায়ক প্ৰদীপ হাজৰিকা ডাঙৰীয়াই যিখিনি পৰামৰ্শ দিছে সেইবিলাক ডেভল'প কৰি আমি যাতে সুন্দৰ পৰ্য্যটনৰ ব্যৱস্থা কৰিব পাৰো - এই বিষয়টো লৈ মই আগন্তুক দিনত মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ লগত আলোচনা কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কোৱেশ্যন নং- **২৪৭** কমলাক্ষ দে পুৰকায়স্থ - চাপ্লিমেন্টৰী ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ প্ৰশ্নৰ উত্তৰটো পালো ।ইতিমধ্যে আমি দেখা পালো যে বৰ্ত্তমান চৰকাৰখনে **২০১৬** চনৰ পৰা আজিলৈকে প্ৰায় **২০** লাখ পি এম এ ৱাইৰ ঘৰ সম্পূৰ্ণ কৰিলে । **২০২৪-২৫** চনত আৰু অতিৰিক্ত **৫ ,১৮ ৩৮১** টা ঘৰ চেংশ্যন কৰিছে । অধ্যক্ষ মহোদয়, যোৱা **১৯** তাৰিখে আমি গোটেই কেইজন বিধায়কে সাক্ষী আছিলো যে প্ৰতিটো সমষ্টিতে পি এম এ ৱাই ঘৰৰ ফাৰ্ষ্ট ইনষ্ট'লমেন্ট **৩,৮৮০০০** টকাকৈ ইছ্যু কৰা হৈছে । দেৱব্ৰত শইকীয়া আছে- কিছুমান সমষ্টিত হয়তো বেছিকৈ পাইছে । এতিয়া মাননীয় মন্ত্ৰী মহোদয়লৈ মোৰ প্ৰশ্নটো হৈছে যে কেতিয়াবা কোনো এটা সমষ্টিত গৰু থকা ঘৰ এটা দেখুৱাই পি এম এ ৱাই ঘৰ দিয়া হৈছে । আমি দেখিবলৈ পাওঁ যে কিছুমান ঘৰত ৪ টাকৈ

পৰিয়াল আছে, তাতে এজনে পালে বাকী ৩ জনে নাপায় । এইক্ষেত্ৰত চৰকাৰে যাতে কঠোৰ পদক্ষেপ গ্ৰহণ কৰে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, অনাৰেবল মিনিষ্টাৰ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ মাৰ্গ দৰ্শনত যি সফলতা আমি লাভ কৰিছো - আমাৰ ৰাজ্যখন ভাৰতবৰ্ষৰ ভিতৰতে উল্লেখযোগ্য স্থানত আছে। বিধায়ক পুৰকায়স্থ ডাঙৰীয়াই ইতিমধ্যে জনাইছে যে আমাৰ চৰকাৰে ২০, ৪০, ০০০ ঘৰ প্ৰদান কৰিছে । তাৰ ভিতৰত বৰ্তমান ১৯,৯৬০০০ সম্পূৰ্ণ কৰিছো আৰু অতি সোনকালে বাকী থকা ৪০০০০০ ঘৰো আমাৰ সম্পূৰ্ণ হ'ব । আমাৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই যেতিয়া তৃতীয়বাৰৰ বাবে দায়িত্ব ল'লে তেতিয়া তেওঁ কৈছিলে যে, সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো পুনৰ পি এম এ ৱাই ঘৰ প্ৰদান কৰা হ'ব । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় প্ৰধান মন্ত্ৰীৰ লগত আলোচনা কৰাৰ অন্তত - আমাক প্ৰথম পৰ্য্যায়ত ১৭১০০০ ঘৰ প্ৰদান কৰিছে । পৰৱৰ্ত্তী সময়ত ভাৰত চৰকাৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহান ডাঙৰীয়াই অসমলৈ আহি পুনৰ আমাৰ ৩,৮৮০০০ ঘৰ প্ৰদান কৰিলে । যিহেতু আমাৰ ২৭,০০০০০ ঘৰৰ লিষ্টত নাম আছে গতিকে এতিয়া আমি পুনৰবাৰ পি এম এ ৱাই ঘৰৰ বাবে আবেদন জনাইছো । বৰ্তমান ২৪ লাখ ঘৰৰ কাম চলি আছে বাকী ৩ লাখ ঘৰ আগন্তুক দিনত নিশ্চিতভাৱে দিম বুলি ঘোষণা কৰিছে । আমি যেতিয়া সভা- সমিতিলৈ যাও তেতিয়া বহুতে আমাক কয় যে, আমি ঘৰ পোৱা নাই। ঘৰ নোপোৱাৰ বিষয়টো লৈ যিহেতু ২০১১ চনত তালিকাখন প্ৰস্তুত কৰা হৈছিল সেই প্ৰস্তুত কৰাৰ সময়ত তেওঁলোকৰ ঘৰলৈ গৈ Geo tag নকৰিলে। যাৰ ফলত বহুতো পাবলগীয়া লোক বঞ্চিত হৈছিল। পৰৱৰ্তী সময়ত ২০১৮ চনত পুনৰ চাৰ্ভে কৰিছিলো আৰু চাৰ্ভে আৰম্ভ হোৱাৰ কিছুদিন পিছত ২০১৯ চনত লোকসভা নিৰ্ব্বাচন হ'ল আৰু Code of conduct লাগিল। যাৰ ফলত তেতিয়া কিছু কাম ৰৈ গ'ল। ইয়াৰ বাবে এইবাৰ আমি সিদ্ধান্ত লৈছো আৰু আগন্তুক দিনৰ বাবে তৃতীয়বাৰৰ কাৰণে আমি ইতিমধ্যে চাৰ্ভেৰ কাম আৰম্ভ কৰিছো। আমি অহা ১৬ তাৰিখৰ পৰা জীৱিকা সখী সকলক দায়িত্ব দিছো যাতে তেওঁলোকে ঘৰে ঘৰে গৈ চাৰ্ভে কৰে। আমি সকলোৱে জানো যে অৰুণোদয়ৰ ক্ষেত্ৰত আমাৰ পঞ্চায়ত পৰ্য্যায়ত এখন নোটিফাইড সমিতি আছে। জিলা আয়ুক্ত সকলে এই সমতিখনৰ কথা জানে। জীৱিকা সখীসকলক সহায় কৰিবলৈ যদি আগন্তুক দিনত পুনৰ কৰ্মচাৰীৰ প্ৰয়োজন হয়, তেনে ক্ষেত্ৰত আমাৰ নোটিফাইড সমিতিখনেই হওঁক বা গাওঁৰ মানুহেই হওঁক বা বিধায়ক সকলেই হওঁক সকলোৱে যাতে পাবলগীয়া লোকসকলে ঘৰ পোৱাত সহায় কৰে। ইয়াৰ বাবে মই মাননীয় বিধায়কসকলক আহ্বান কৰিছো। মই আশা কৰিছো এই তৃতীয় চাৰ্ভেৰ পিছত কোনো দুখীয়া লোকে যাতে ঘৰ পোৱাৰ পৰা বঞ্চিত নহয়। আমি যিহেতু ভাৱিছো যে ৩০ তাৰিখে আমি ঘৰ দিব পাৰিম.....

**মাননীয় অধ্যক্ষ ঃ** আৰু পৰিপূৰক প্ৰশ্ন আছে.......interruption........ এতিয়া দ্বিতীয় পৰিপূৰক প্ৰশ্ন।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে দেখা পাইছো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বলিষ্ঠ নেতৃত্বত আমি বহুখিনি ঘৰ পাবলৈ সক্ষম হৈছো আৰু নতুনকৈ Geo tag হৈ আছে। ইয়াৰ বাবে আমি চৰকাৰক ধন্যবাদ জনাইছো। ইয়াৰ লগতে মই আৰু এটা অনুৰোধ কৰিব বিচাৰিছো যে ২০ বছৰ আগতে যিখিনি ঘৰ কৰা হৈছিল,

এতিয়া সেই ঘৰ সমূহ পূৰণা হৈছে আৰু সেইবোৰৰ অৱস্থা অতি বেয়া। সেইবোৰ ঘৰ Geo tag কৰিবলৈ গ'লে Geo tag নহয়, কাৰণ আগতে ঘৰসমূহ নিৰ্মাণ কৰা হৈছে। এইক্ষেত্ৰত কিবা ব্যৱস্থা লোৱা হ'ব নেকি? আৰু এই চৰকাৰে যাতে এই ক্ষেত্ৰত এটা ইতিবাচক চিন্তা কৰে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ঘৰবোৰ পূৰণা হোৱা নাই। কাৰণ আমি ঘৰ দিয়া কাম আৰম্ভ কৰিছো ২০১৬ চনৰ পৰা আৰু মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে দায়িত্ব লৈছে, ২০১৪ চনৰ পৰা। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই অনুভৱ কৰিছিল যে পূৰ্বৰ যি ৭৫ হাজাৰ টকাৰ ঘৰ দিয়া হৈছিল তাত কেৱল এটা ঘৰৰ ষ্ট্ৰাকচাৰহে নিৰ্মাণ কৰিব পাৰি। সেয়েহে মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে ১ লাখ ৩০ হাজাৰ আৰু ২১ হাজাৰ টকা সৰ্বমুঠ ১ লাখ ৫১ হাজাৰ টকাৰ একোটাকৈ গৃহ প্ৰদান কৰিলে। গৃহ প্ৰদান কৰাৰ পিছত তেওঁ দেখিলে যে এইটো ঘৰ হোৱা নাই। কাৰণ ঘৰ হ'বলৈ হ'লে তাত পানী, বিদ্যুৎ আৰু শৌচালয় লাগিব। সেয়েহে মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'লে আৰু he convert house to home. আমি ২০১৬ চনৰ পৰা এতিয়ালৈকে সেই home বোৰ নিৰ্মাণ কৰি আছো। আপুনি বহু ধনী মানুহৰ নাম তালিকাত আছে বুলি কৈছিল। যদি ধনী মানুহৰ নাম আছে ইয়াৰ বাবে দায়ী আমি কাৰণ আমাৰ গাওঁ সভা হৈ থাকে আৰু আমি যদি গাওঁসভাত যদি উপস্থাপন কৰো যে এজন মানুহ পাবলগীয়া নহয়, তেন্তে তেওঁৰ নামটো আমি কৰ্তন কৰিব পাৰো। কিন্তু এখন চিঠি লিখাৰ লগে লগে আমি নামটো কৰ্তন কৰিব নোৱাৰো। সেয়েহে গাওঁসভা পাতি কোনোবা নাপাবলগীয়া মানুহে পাই থকা বুলি যদি কয় আমি তেওঁৰ নামটো কৰ্তন কৰাৰ ব্যৱস্থা আছে। কোনোবা দুখীয়া মানুহৰ নাম যদি থাকি গৈছে তেওঁলোকে নিজে চাৰ্ভে আৰু Geo tagging কৰি ফটো উঠাই দিব পাৰে। এইখিনি ক্ষেত্ৰত আপোনালোকেও যাতে সহায় কৰে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে অন লাইন নাছিল আৰু এতিয়া অন লাইন হোৱাৰ পিছত টকাখিনি একাউণ্ট সোমাই যায়। আগতে এটা এটা ঘৰ পাবলৈ হ'লে বহু কষ্ট কৰিবলগীয়া হৈছিল। কিন্তু এতিয়া সেইটো পৰিৱৰ্তন হৈছে আৰু লোকসকল উৎসাহিত হৈছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য মানব ডেকা ডাঙৰীয়াই কওঁক।

**শ্ৰী মানব ডেকা, (লখিমপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ঘৰৰ ব্যৱস্থা পৰিৱৰ্তন কৰি মাননীয় মন্ত্ৰী মহোদয়ে Self Geo tagging আৰু জীৱিকা সখীৰ জৰিয়তে Geo tagging কৰাই আছে। ইয়াৰ বাবে সময় কম হৈছে। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব বিচাৰিছো যে Geo tagging ৰ সময়-সীমা অলপ বঢ়াই দিব লাগে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ও এই বিষয়টো উপলব্ধি কৰিছো আৰু সেয়েহে নিশ্চিতভাৱে আগন্তুক দিনত আমি সময়-সীমা বঢ়াই দিম।

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সময় বঢ়াই দিয়া সম্পৰ্কত এটা কথা ক'ব বিচাৰিছো যে যদি সময় বৃদ্ধি কৰে তেন্তে পঞ্চায়ত নিৰ্ব্বাচন পাতিব নে নাই?

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কিবা ক'বলগীয়া থাকিলে মাননীয় মন্ত্ৰী ডাঙৰীয়াক লিখিতভাৱে

দিয়ক। এতিয়া মাননীয় সদস্য আব্দুল বাতিন খণ্ডকাৰ।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উঃ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ যিসকল জীৱিকা সখী বাঁচনি কৰি গাওঁসমূহত নিয়োগ কৰা হয়, সেই বাঁচনিৰ ক্ষেত্ৰত কিবা সমিতি আছে নেকি? যদি আছিল সেই সমিতিৰ দ্বাৰা সখীসকলক বাঁচনি কৰা হ'ল নে নাই? ইয়াৰ লগতে এই সদনৰ পৰা এটা স্পষ্ট বাৰ্তা যাব লাগে যে যিকোনো কাৰণতে যোগ্য হিতাধিকাৰী যাতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ পৰা বঞ্চিত নহয়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জীৱিকা সখী বাঁচনি কৰাৰ ক্ষেত্ৰত আমাৰ কোনো সমিতি নাই। আমি সকলোৱে যিহেতু পঞ্চায়ত নিৰ্ব্বাচন বিচাৰিছো আৰু আমি সকলোৱে আশা কৰিছো যে যদি অহা ৫ তাৰিখৰ আগতে নিৰ্ব্বাচন আয়োগে যদি নিৰ্ব্বাচন ঘোষণা কৰে তেন্তে ৪-৫ মে'ৰ ভিতৰত হয়তো নিৰ্ব্বাচন শেষ হ'ব। আমি ১-২ তাৰিখলৈ সময়-সীমা বৃদ্ধি কৰিব পাৰিম বুলি আশা ৰাখিছো। ইয়াৰ বাবে আজিয়েই আমি নোটিফিকেশ্যন ইছ্যু কৰিম। ইয়াৰ লগতে এটা কথা ক'ব বিচাৰিছো যে কোনো জীৱিকা সখীয়ে যদি ইচ্ছাকৃত ভাৱে কোনো মানুহৰ ঘৰত নগৈ তেওঁৰ নামটো Geo tagging ত ৰেজিষ্টাৰ নকৰে, তেনে ক্ষেত্ৰত আমি তেওঁৰ কাৰ্য্য স্থান সলনি কৰিম অথবা কাৰ্য্যৰ পৰা আঁতৰাই দিম। আমি ২৭ তাৰিখে অন্বেষা প'ৰ্টেলটো মুকলি কৰি দিম আৰু এই অন্বেষা প'ৰ্টেলৰ জৰিয়তে আপোনালোকেও যাতে দুখীয়া লোকসকলক সহায় কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-২৪৮। মাননীয় সদস্য ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়া। মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিগত চৰকাৰৰ দিনত মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বত আমাৰ বাগান সমূহত বিশেষকৈ মোৰ সোণাৰি সমষ্টিত ভালে সংখ্যক উন্নয়ণ মূলক কাম কৰি থকা হৈছে আৰু বহুতো আঁচনি ৰূপায়ণৰ কামত গুৰুত্ব দিছে। আমাৰ চাহ বাগানৰ পথসমূহ নিৰ্মাণ কৰিছে, সমূহীয়া সাংস্কৃতিক কেন্দ্ৰ হিচাপে জগন্নাথ মন্দিৰ নিৰ্মাণ কৰা হৈছে। আমাৰ সমষ্টিত পি এম এ ওৱাইৰ অধীনত চাহ শ্ৰমিকসকলৰ আৱাস গৃহ নিৰ্মাণৰ বাবেও চেষ্টা কৰা হৈছে। কিন্তু বৰ্তমান আমাৰ সোণাৰি সমষ্টিত কিমান সংখ্যক চাহ বাগিচা লাইনত থকা লোকসকলৰ গৃহ নিৰ্মাণ কৰা হ'ল আৰু কিমান সংখ্যক কৰিবলৈ বাকী আছে, লগতে চাহ বাগানৰ লোকসকলৰ গৃহ নিৰ্মাণৰ ক্ষেত্ৰত কেনেধৰণৰ পদক্ষেপ লৈছে সেই বিষয়ে মই আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমবাৰৰ বাবে অসমৰ ইতিহাসত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আমাৰ বাগান সমূহত যি সমূহ কাম কৰি থকা হৈছে, তাৰ ভিতৰত উল্লেখযোগ্য কামটো হৈছে যে আমাৰ বাগানসমূহ যিহেতু লীজত দিয়া থাকে সেয়েহে পূৰ্বতে আমি বাগান সমূহত কোনো ধৰণৰ নিৰ্মাণৰ কাম কৰিব পৰা নাছিলো। আমি জনো যে যিহেতু বাগান অঞ্চলত দুখীয়া মানুহ থাকে । সেয়েহে সেই দুখীয়া লোকসকলক ঘৰ দিয়াৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী মহোদয় বা মুখ্যমন্ত্ৰী মহোদয়ৰ top priority

থাকে। এই ক্ষেত্ৰত আমাৰ পূৰ্বতে বহু জটিলতা আহিছিল যে বাগান সমূহত মালিক সকলে ঘৰ বনাব নিদিয়ে। তেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সকলো আয়ুক্তসকলৰ জৰিয়তে বাগান Management ৰ লগত কথা পাতে আৰু সেই অনুসৰি আমি বাগানৰ প্ৰতিটো লাইনত গৃহৰ সলনি গৃহ বনাম। যিহেতু গৃহৰ সলনি গৃহ বনাম গতিকে এই ক্ষেত্ৰত আপত্তি কৰিব নালাগে বুলি আহ্বান জনোৱাৰ পিছত সমগ্ৰ অসমৰ বাগান সমূহে আমাক সঁহাৰি জনায়। এতিয়া প্ৰত্যেকখন বাগানত যিমান ঘৰ আছে আগন্তুক দিনত আমি কেঁচা কৰিম। ঠিক তেনেদৰে আমি সোনাৰিত এতিয়ালৈ ৩৪২২ টা বাগান অঞ্চলত প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ বনোৱাটো এক উল্লেখযোগ্য কথা। কাৰণ পূৰ্বতে সমগ্ৰ অসমতে এনেকুৱাকৈ ঘৰ বনাব পৰা নাছিলো। গতিকে এনেদৰে অসমৰ প্ৰতিখন বাগানৰ প্ৰতিটো লাইনত থকা ঘৰ সমূহ আমি পকী কৰা সিদ্ধান্ত গ্ৰহণ কৰিছো আৰু সেইকাৰণে মই বাগানৰ লগত জড়িত বিধায়কসকলক আহ্বান জনাইছো যাতে তেওঁলোকে survey কাৰ্য্যত জড়িত থকাসকলক সহায় কৰে।

**মাননীয় অধ্যক্ষঃ** শ্ৰী দেবব্ৰত শইকীয়া।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ জৰিয়তে তেখেতক আৰু চৰকাৰক, তেখেতসকলে সকলোকে আৱাস দিয়াৰ বাবে যি চেষ্টা কৰি আছে তাৰ বাবে মই ধন্যবাদ জনাইছো। গোটেই ভাৰতবৰ্ষত Ministry of Rural Development য়ে এটা App ব্যৱহাৰ কৰে। তাত জীৱিকা সখী বা পশু সখী বা আন কাকো নালাগে। যাক গৃহ লাহে তেওঁ নিজেই আবেদন কৰিব পাৰে। মুখ্যমন্ত্ৰী মহোদয়ে পলাশবাৰীত এনেকৈ আবেদন কৰিব পাৰিব বুলি ক'লে কিন্তু সেই Appটো অসমত কিয় উপলব্ধ কৰা হোৱা নাই আৰু একমাত্ৰ জীৱিকা সখী সকলৰ যোগেদি কিয় কৰা হৈছে ? এই App টো কেতিয়া আহিব সেইটো জানিব বিচাৰো। বহুত মানুহে ঘৰৰ কাৰণে বৈ আছে। সেইটো স্বীকাৰো কৰিছে। ২০ লাখতকৈ অধিক এতিয়াও দিবলৈ আছে। তেনে ক্ষেত্ৰত যদি কোনোবাই নিজাববীয়াকৈ অলপমান ভেঁটিটোও বনাই লৈছিল, তেনে ধৰণৰ মানুহখিনিয়ে বাকীখিনি আৰু কৰিব পৰা নাই। সেই গতিকে, তেখেতসকলক এনেকুৱা ঘৰলৈ আনিবলৈ যিটো গাইডলাইন আছে সেইটো modify কৰাৰ বাবে পদক্ষেপ ল'ব নেকি, এই কথাও জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, দেবব্ৰত শইকীয়া ডাঙৰীয়াই যিখিনি কথা কৈছে যে পূৰ্বতে এনেকুৱা এটা App আছিল, সেইটো কিয় উপলব্ধ কৰা হোৱা নাছিল, সেই সময়ত এইটো এইকাৰণে কৰা নাছিল যিহেতু আমাৰ প্ৰায় ২৭-২৮ লাখ wait list ত আছিল। আমি সেইবোৰ সম্পূৰ্ণ নকৰাকৈ যদি পুনৰ একোখনকৈ তালিকা বনাও তেতিয়া আমাৰ মাজতে বিসংগতি আহি যাব। সেয়েহে আমি এতিয়া জীৱিকা সখী সকলৰ দ্বাৰা কৰাই আছো কিয়নো জীৱিকা সখী সকল মহিলা, তেওঁলোকে গৈ কথা পাতিব পাৰিব। তাত কোনো ধৰণৰ ৰাজনীতিৰ কথা নাহে। ইয়াৰোপৰি, আমি ২৭ তাৰিখে আমাৰ অন্বেষা নামৰ যি প'ৰ্টেল, সেইটো আমি মুকলি কৰি দিম । সেই প'ৰ্টেলৰ জৰিয়তে আমি আগন্তুক দিনত সকলোকে সকাহ দিব পাৰিম। মই ধন্যবাদ জনাইছো আপোনাক যে আপুনি চৰকাৰৰ কাম-কাজখিনি প্ৰশংসা কৰিছে। আগন্তুক দিনত এটা ঘৰো যাতে এৰি নাযায় তাৰ কাৰণে আৰু ব্যৱস্থা কৰিব লাগিব। Kaccha House ৰ যিটো conecpt ভাৰত চৰকাৰৰ আছে, সেই conecptৰ তালিকাত আমাৰ অসমৰ টিনপাতৰ ঘৰবোৰ পূৰ্বতে নাছিল। আমি যেতিয়া জনালো যে আমাৰ অসমত

যদিও কিছু অতি দুখীয়া মানুহ আছে, সাধাৰণতে ঘৰটো বনাব পৰা ক্ষমতা সকলোৰে আছে। সকলোৱে টিনপাত ব্যৱহাৰ কৰে। পূৰ্বতে ঘৰত টিনপাত থাকিলে Kaccha House ৰ conecpt ত ধৰা নাছিল। আমি ভাৰত চৰকাৰক আহ্বান জনোৱাৰ পিছত অসম আৰু ত্ৰিপুৰাত টিনপাত থকা ঘৰবোৰ Kaccha House ৰ conecpt তআনিলে যাৰ ফলস্বৰূপে অসমৰ কেইবা লাখ মানুহে ঘৰ পাব। কিন্তু, এই ক্ষেত্ৰত এটা condition ধৰি দিছে যে যদি তেওঁলোকৰ half wall বা পকী ৱাল আছে আছে তেন্তে সেইটো Kaccha House ৰ অন্তৰ্গত নহ'ব। কাৰোবাৰ টিনপাতৰ ঘৰ যদিও half wall দিয়া আছে, তেনে ক্ষেত্ৰত তেওঁলোকে ঘৰ নাপাব। ভাৰত চৰকাৰে অসম আৰু ত্ৰিপুৰাক যিহেতু exempt কৰিছে, তেনেক্ষেত্ৰত আমি যদি কওঁ যে যাৰ half wall আছে তেওঁলোকক দিব লাগে, তেন্তে পিছত আমি আকৌ ক'ব লাগিব যে যাৰ full wall আছে, তেওঁলোককো দিব লাগে। সেইকাৰণে আমাৰ এতিয়া এইখিনি হে লওঁক, পৰৱৰ্তী সময়ত আমি আপোনাৰ বিষয়টো চিন্তা কৰিম।

**মাননীয় অধ্যক্ষঃ** শ্ৰী সঞ্জয় কিশান।

**শ্ৰী সঞ্জয় কিশান, (তিনিচুকীয়া) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই এটা জানিব বিচাৰিছো যে চাহ-বাগিচা সমূহত যথেষ্ট ভূমিহীন লোক আছে। তেওঁলোক এই ঘৰৰ পৰা বঞ্চিত হৈছে। দ্বিতীয়তে, বহু এনেকুৱা মানুহ আছে, যিয়ে কোনোমতে grazing land ত আছে। Grazing land বোৰত আচলতে ঘৰ বনাবলৈ দিয়া নহয়। ইয়াৰ বাবে চৰকাৰ তথা মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা ল'ব নেকি ? আনহাতে, আমি সকলোৱে জানো যে বছৰ বছৰ ধৰি যিবিলাক মানুহ লাইন কোৱাৰ্টাৰত আছে, তেওঁলোকৰ মাটিৰ অধিকাৰ নাই। চৰকাৰে ইতিমধ্যে চিন্তা চৰ্চা কৰিছে। সেই লাইন কোৱাৰ্টাৰবোৰত ঘৰ বনাব পৰাৰ বহুত সুবিধা আছে। যদি এই মাটিখিনিৰ মানুহখিনিক পট্টাৰ ব্যৱস্থা কৰি দি সেই এলেকাটো যদি দি দিয়া হয় তেন্তে আমাৰ PMAY ৰ ঘৰ বনাব পাৰিব আৰু তেওঁলোকেও নিজৰ মাটিৰ অধিকাৰ পাবলৈ সক্ষম হ'ব।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন) ঃ** হয় অধ্যক্ষ ডাঙৰীয়া। আমাৰ সঞ্জয় কিষাণ ডাঙৰীয়াৰ কথাষাৰ সত্য কথা। অসমত যিসকল ভূমিহীন লোক তেওঁলোকক মাটি দিয়াৰ বাবে আমি ইতিমধ্যে Circle Officer, DC সকলক জনাইছো। তাৰ আধাৰতে এতিয়া কেইবা হাজাৰ ভূমিহীন ব্যক্তিক ভূমি প্ৰদান কৰা হৈছে। ইয়াৰোপৰি যিসকলক ভূমি দিব পৰা নাযায়, তেওঁলোকৰ বাবে আমি cluster বনাইছো। অসমত আমি ইতিমধ্যে ১৯ টা PMAYৰ cluster বনাইছো। সেই cluster ৰ ভিতৰত ডিব্ৰুগড় জিলাৰ জয়পুৰ cluster টো ভাৰতবৰ্ষৰ ভিতৰত সকলোতকৈ ডাঙৰ cluster । একেলগে ১১৩ টা ঘৰ আছে, তেওঁলোকৰ তাত আমি অমৃত সৰোবৰ বনাই দিছো, 15th Finance ৰ জৰিয়তে পথ বনাই দিছো আৰু তেওঁলোকক বিভিন্ন convergence কৰি ধুনীয়াকৈ PMAY Colony বনাই দিছো। কিন্তু, যিসকল ব্যক্তিয়ে ইচ্ছাকৃতভাৱে shift হ'ব নিবিচাৰে তেওঁলোকৰ পৰা আমি লিখাই লৈছো যে তেওঁলোকক PMAY ৰ ঘৰ নালাগে আৰু সেইকাৰণে তেওঁলোক বেলেগত shift ও নহয়। সেইসকলক আমি দিব পৰা নাই। কিন্তু যিসকল এতিয়াও ভূমিহীন আছে, তেওঁলোকক cluster লৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। অসমত ১৯ টা cluster আছে। গতিকে, নিশ্চিতভাৱে ভূমিহীনসকলে আগন্তুক দিনত cluster ত ঘৰ ল'ব লাগিব। আগন্তুক দিনত line সমূহত আমি ঘৰ বনাম। আমাৰ পোনপটীয়াকৈ যি agreement আছে, সেই অনুসৰি আমি পট্টা দিব নোৱাৰো কিন্তু ঘৰ দিব

পাৰো। যেতিয়া ঘৰ হ'ব automatically তেতিয়া তেওঁলোকৰ ভূমিৰ পট্টা থাকিব আৰু তেনেকৈয়ে আমি সমস্যা সমাধান কৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ২৪৯- শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা। তেখেত অনুপস্থিত।

এতিয়া প্ৰশ্ন নং ২৫০- শ্ৰী মিছবাহুল ইছলাম লস্কৰ।

মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা)ঃ** চাৰ, মোৰ সমষ্টিত দুটা ব্লক আছে। কিন্তু দেখা গৈছে যে এটা ব্লকত ৫ টা আৰু আনটো ব্লকত ৭০ টা rural road scheme লোৱা হৈছে। কিন্তু গাওঁ পঞ্চায়তবোৰ almost common আছে। সালচাপাৰা ব্লকত ৫ টামান ৰাস্তাৰ কাম লোৱা হৈছে আৰু তাত ৫ টা ৰাস্তাৰ কাম লৈছে। এইটো বেছি হ'ব লাগিছিল কাৰণ এই এলেকাটো flood affected এলেকা। সেয়েহে, মই আপোনাক অনুৰোধ কৰিছো যে আপুনি দয়া কৰি বিভাগক যাতে নিৰ্দেশ দিয়ে যে বিশেষকৈ CC Blockৰ ৰাস্তাটো যাতে কৰে। দ্বিতীয়তে, তেওঁলোকে selection কেনেকৈ কৰে? এতিয়াতো গাওঁ পঞ্চায়ত, জিলা পৰিষদো নাই। সেয়েহে এই ক্ষেত্ৰত কিবা নিৰ্দেশ দিলে ভাল হয়।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন) ঃ** অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰে এটা নিয়ম কৰি দিছে যে ongoing কামবোৰ যাতে বেছি হৈ নাথাকে। সেয়েহে প্ৰতিটো পঞ্চায়তত ২০ টাতকৈ বেছি কাম ongoing হৈ থাকিলে অতিৰিক্ত কাম ল'বলৈ মানা কৰিছে। আমি যেতিয়া প্ৰতিটো বিভাগত review কৰো, জিলাসমূহতেই হওঁক বা ব্লকতেই হওঁক, তেতিয়া এইটো কথাতে গুৰুত্ব আৰোপ কৰো যে ২০ টাৰ তলত যাতে কাম কৰিব পাৰো। আমি ২০টাৰ সলনি যদি ১০টা কৰিব পাৰো তেন্তে আমি অতিৰিক্ত ১০ টা কাম তাত দিব পাৰিম। কিন্তু, তেওঁলোকৰ ২০ টা কামেই যদি চলি থাকে তেন্তে সেইখিনি শেষ নোহোৱালৈকে আমি তেওঁলোকক নতুন আঁচনি দিব নোৱাৰিম যাৰ ফলত কিছুমান পঞ্চায়তত তেনেকুৱা সমস্যা হৈছে। ইয়াৰ বাবে মই বিভাগক ইতিমধ্যে কৈছো যে এইকেইদিনত যাতে তৎকালীন ভাৱে নম্বৰটো ক'ব পাৰে কাৰণ এইকেইদিনত জিলা আয়ুক্ত সকলে MGNREGA ৰ আঁচনিসমূহ sanction দি আছে। আপোনাৰ সমষ্টিত যিখিনি কাম আছে সেইখিনিৰ বিষয়ে মই DC ক কৈ দিম। যিখিনি need based কাম আছে আপুনি তাৰ তালিকাখন যদি আজি দি দিয়ে তেন্তে আপোনাৰ সেই পঞ্চায়ত কেইটাত কামখিনি হোৱাৰ বাবে বিহীত ব্যৱস্থা ল'ব পাৰিম।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** Material fund release নকৰাৰ বাবে বহুত সময়ত আধৰুৱা ....interruptions .......

**মাননীয় অধ্যক্ষঃ** সন্মানীয় সদস্য আপুনি প্লীজ বহক। প্ৰশ্নকৰ্তা উঠিছে।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা)ঃ** I am satisfied.

**মাননীয় অধ্যক্ষঃ** শ্বেৰমান ডাঙৰীয়া আপুনি কওঁক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক সেই যিটো বিস্তাৰ চিলিং ৰ কথা কৈছে, এই বিষয়ৰ ক্ষেত্ৰত মই জনাব খোজো যে আমাৰ material fund টো release নোহোৱা কাৰণে বহুত সময়ত বিস্তাৰ চিলিংটো পঞ্চায়তত পাৰ নহয় মানে

কমি নাহে। গতিকে material fund টো বাদ দি বিস্তাৰ চিলিং ৰাখিব পাৰে, এই যে wages compotent হৈ গৈছে। Material fund যিখিনি বাকী আছে সেইকেইটা যাতে বিস্তাৰ চিলিং তোৰ বাহিৰত ৰাখিব পাৰে তেতিয়াহ'লে সুবিধা হ'ব, নহ'লে State Governmentৰ ভুলৰ কাৰণে আপোনালোকে ৩-৪ বছৰ material fund টো নিদিব। পঞ্চায়তৰ বিস্তাৰ চিলিংটো নামি নাহিব।

**মাননীয় অধ্যক্ষঃ** Question Hour over. এতিয়া আছে Short Notice Questions. মাননীয় শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় গৃহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে তেজপুৰ বেবেজীয়া আৰক্ষী চকীৰ অন্তৰ্গত তথা মিছন চাৰিআলি কুমাৰগাওঁ সমীপৰ বাহ আৰু গছ-গছনিৰে ভৰা এখন হাবিৰ ভিতৰত ইংৰাজী ১৬ মাৰ্চ ২০২৫ তাৰিখে অসম চৰকাৰৰ আঁচনিৰ অধীনস্থ বহু সংখ্যক চাউল ভৰ্তি বস্তা পৰিত্যক্ত অৱস্থাত পোৱা যায়।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় সদস্য মই ভাবো আপুনি থিয় দিলে হ'ল আৰু মন্ত্ৰী ডাঙৰীয়াই lay কৰা বুলি ক'লে হ'ব। সন্মানীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে, সেইটো সদনত lay কৰিছো, আপুনি উত্তৰটো পাইছে নিশ্চয়। অধ্যক্ষ ডাঙৰীয়া মই এটা কথা কওঁ, এই বিষয়ে মই SP জনৰ লগত কথা পাতিছো। এইটো ক'ভিডৰ সময়ৰ চাউল। ক'ভিডৰ সময়ত চাউলখিনি বিতৰণ নকৰাৰ বাবে চাউলখিনি বেয়া হৈছে ২০১৯ চনত। গতিকে বিতৰণ নোহোৱা চাউলখিনি পুঁতি থোৱা হৈছিল, কোনোবাই চাউলখিনি উলিয়াই দেখুৱাইছে, যিটো বিষয় আপুনি আনিছে আৰু সেইটো মই লিখিতভাবে দি আছো।

**মাননীয় অধ্যক্ষঃ** আপুনি প্ৰতিটো কৈ দিলে হ'ব, মন্ত্ৰীয়ে lay কৰি দিব।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন নং ৬, যোৱা ১৬ মাৰ্চ তাৰিখে দীঘলীপুখুৰীত দীপশিখা নাথ নামৰ ছোৱালী এজনীৰ মৃতদেহ পোৱা গৈছিল, মেধাৱী ছাত্ৰী আছিল। এই সম্পৰ্কে চৰকাৰে তদন্ত কৰি কি পাইছে বা এই বিষয়ৰ ৰহস্য উদঘাটন হৈছে নে জানিব বিচাৰিম।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় মন্ত্ৰী lay কৰা বুলি ক'লে হ'ল। এইটো discussion নহয়, আপুনিও প্ৰশ্ন কৰিব নালাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো আমি lay কৰি দিছো। সন্মানীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰটো দি দিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, হ'ব।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৭, ৮, ৯ গোটেইকেইটা প্ৰশ্নৰ উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** আপুনি তেখেতৰ যিমান প্ৰশ্ন আছিল lay কৰা বুলি ক'লে হ'ল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৭, ৮, ৯ গেটেই কেইটা lay কৰি দিয়া হৈছে।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা point of order আছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা point of order আছে। *

**মাননীয় অধ্যক্ষঃ** নাই নাই discussion নহয়। please please. আপুনি লিখিত আকাৰত notice দি দিব।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বাৰে বাৰে একে কথাই কৈ থাকো, উত্তৰ বিলাক শুদ্ধকৈ নাহে। মই ক'ব নিবিচাৰো কাৰণ কৈ কৈ আমনি লাগিছে। যোৱাকালি sports বিভাগৰ প্ৰশ্নটো একেটাই হৈছে, মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মই চৰকাৰী পক্ষ লৈ কৈছো, যিখিনি তেখেত সকলে উত্থাপন কৰিছে যে properly উত্তৰ বিলাক নাহে, উত্তৰ বিলাক নিদিয়ে, এইটোৰ ক্ষেত্ৰত আমি যিটো recommend কৰি দিওঁ, এইটো যাতে চাই তদন্ত কৰি দিয়ে কিহৰ কাৰণে এনেকুৱা হৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ specific যিটো প্ৰশ্নৰ উত্তৰ ভালদৰে অহা নাই, সেইটো দিলে আমি যোৰহাটবাসীক ক'ব পাৰিম আৰু তেনেকুৱা ধৰণৰ যিখিনি হয় যিখিনি specific প্ৰশ্ন, সেইখিনি দিলে আমি ভাল পাম।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** অধ্যক্ষ মহোদয় মোৰো এটা প্ৰশ্ন আছিল ভুল উত্তৰ দিয়াৰ কাৰণে ৪৯ ত এটা মই notice দিছিলো। আজি মহোদয় ২০ বছৰ দেখা নাই। আপুনি kindly এইটো allow কৰক মহোদয়, serious matter. অহা Assemblyত হ'লেও এইটো allow কৰিব। সদনক misguide কৰা হৈছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে হ'ব। আপোনালোকে এটা এটাকৈ কওঁক। আপোনালোকে সকলোৱে একে সময়তে কয়, ইমান গণ্ডোগোল না মই বুজি পাওঁ না মই কাৰোবাক attention দিব পাৰো। আপোনালোক সকলোৱে একেলগে নক'ব।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** যোৱাকালি যিটো কাটমোশ্যনৰ education ৰ বিষয় আছিল, সেইটো বহুত important বিষয় আছিল, অধ্যক্ষ মহোদয়। উপাধ্যক্ষ মহোদয়ে এইটো মোশ্যনত উত্থাপন কৰাৰ পিছত দুটা বক্তব্য দিছিল। বুলটিনত দিয়াৰ বাবে হয়তো আপুনি পিছত আলোচনা কৰিব দিয়া নাই। আমি দীৰ্ঘ বিধান সভাত এমাহ অতিক্ৰম কৰিলো, মই educationৰ বিষয়ে ক'ম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, আজি মই আপোনালোকক জনাওঁ যে কিছু সময় পিছত আজি education bill আহিব, তাত আপোনালোকৰ ইয়াৰ বিষয়ে কিবা প্ৰশ্ন থাকিলে নিশ্চয় মন্ত্ৰীয়ে উত্তৰ দিব।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ**ধন্যবাদ অধ্যক্ষ মহোদয়, মই এটা বাক্যতে শেষ কৰিম। আজি চচলত বিভিন্ন সংগঠনে ধৰ্ণা দি আছে। NHM ৰ পৰা আৰম্ভ কৰি অংগনবাড়ী, গোপাল মিত্ৰ সকলে, এই সকলৰ লগত চৰকাৰে আলোচনাত বহিব লাগে। এইখিনি মই আপোনাৰ জৰিয়তে চৰকাৰলৈ দাবী জনাইছো।

---

* Expunged as ordered by the Chair

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া শূন্যকালীন ঘণ্টা, মাননীয় সদস্য শ্ৰী তেৰছ গোৱালা।

**শ্ৰী তেৰছ গোৱালা, (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূণ্যকালীন ঘন্টাত অসমৰ চাহ-শ্ৰমিকৰ মজুৰী বৃদ্ধিৰ সম্পৰ্কে যি অতি গুৰুত্বপূৰ্ণ ৰাজহুৱা স্বাৰ্থজনিত এটা বিষয় উত্থাপন কৰিব দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। অসমৰ চাহ উদ্যোগৰ দুশ বছৰ গৌৰৱ উজ্জ্বল ইতিহাসত ভাৰতবৰ্ষৰ সকলো সচেতন ব্যক্তিয়ে জানে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ৰাজকোষত আগবঢ়োৱা চাহ উদ্যোগৰ বৰঙণি অপৰিসীম। ৰ'দ, বৰষুণ ভোক-পিয়াহ সকলো নেওঁচি কপালৰ কেচা ঘাম আই অসমীৰ বুকুত পেলাই, হাবি-জংঘল কাটি নলা-নৰ্দমা সকলো সমান কৰি চাহ খেতি উৎপাদনত জাড়িত হোৱা চাহ-শ্ৰমিক সকলৰ সামাজিক নিৰাপত্তা আৰু শ্ৰম কৰাৰ বিনিময়ত আইনগত সা-সুবিধা প্ৰদান কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ণ কৰা বাগিছা শ্ৰম আইন ১৯৫১ কে ধৰি বহুখিনি আইন আছে। আইন প্ৰদত্ত কিছু সা-সুবিধা সম্পৰ্কে চাহ-শ্ৰমিক সকল কিছু অৱগত। কিন্তু অসমৰ চাহ বাগিছাত নিয়োজিত চাহ-শ্ৰমিক সকলৰ কঠোৰ পৰিশ্ৰমৰ ফলত পাবলগীয়া নূন্যতম দৈনিক মজুৰি বৃদ্ধিৰ প্ৰক্ৰিয়া সম্পৰ্কে জ্ঞাত নোহোৱাৰ বাবে চাহ-শ্ৰমিক সকল হতাশাত ভূগিব লগা হয়। নিৰক্ষৰ চাহ শ্ৰমিক সকলৰ ন্যূনতম দৈনিক মজুৰি বৃদ্ধিৰ প্ৰক্ৰিয়া আৰু ব্ৰহ্মপুত্ৰ ভেলীৰ চাহ শ্ৰমিক, বৰাকভেলীৰ চাহ শ্ৰমিক আৰু অসম চৰকাৰৰ চাহ নিগমত নিয়োজিত চাহ-শ্ৰমিক সকলৰ দৈনিক মজুৰিৰ পৰিমাণৰ পাৰ্থক্য, এনেবোৰ কথাই বহু সময়ত বিসংগতিৰ সৃষ্টি কৰে।

(Hon'ble Deputy Speaker on the chair)

উপাধ্যক্ষ মহোদয় বিষয়টো এই কাৰণে গুৰুত্বপূৰ্ণ, যিহেতু অন্যান্য উদ্যোগৰ তুলনাত চাহ উদ্যোগত একেবাৰে নিৰক্ষৰ শ্ৰমিকসকল জড়িত থাকে আৰু তেওঁলোকৰ মজুৰি বৃদ্ধিৰ যিটো প্ৰক্ৰিয়া সেইটো মই দেখিছো যে ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ ২০১৬ চনত অহাৰ পাছত চৰকাৰে নিজাববীয়াকৈ জোৰ জবৰদস্তি কৰি কিছু ঠাইত মজুৰি বৃদ্ধি কৰিবলৈ চেষ্টা কৰিছে। কিন্তু social media ত আমি কেতিয়াবা এনেকুৱা ধৰণৰ বক্তব্যবিলাক শুনো যাৰকাৰণে শ্ৰমিক আৰু মালিকৰ মাজত সংঘাত হোৱাৰ সম্ভাৱনা আছে। যেতিয়া মজুৰি বৃদ্ধিৰ দাবী কৰি মালিক পক্ষ বা management ৰ ওচৰত প্ৰতিবাদ সাব্যস্ত কৰিব তেতিয়া আইন শৃংখলা জড়িত পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। মোৰ যোৱা এটা question ত বিভাগে মোক জনাইছে যে ইতিমধ্যে তিনিখন মান চাহ বাগিছা কেইবা বছৰ ধৰি বন্ধ হৈ আছে কেবল মাত্ৰ bonus issue বা শ্ৰমিকৰ মজুৰি issue ৰ বাবে।

গতিকে যিসকল নিৰক্ষৰ লোক তেওঁলোকক আমি আইনগত প্ৰক্ৰিয়াবিলাকো জনাই দিয়াটো মই ভাৱো আমাৰ দায়িত্ব। সেইকাৰণে মই শ্ৰম মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো কাৰণ এইটো এটা খুব sensitive বিষয়। হয়, বিধায়ক হিচাপে মই কোৱাৰ যুক্তি আছে। কিন্তু এনেকুৱা নহয় যে চৰকাৰক ক'লেই যদি কালি শ্ৰমিক মজুৰি বৃদ্ধি কৰি দিওঁ, মজুৰি বৃদ্ধি মইও বিচাৰো। কিন্তু জোৰ জবৰদস্তি কৰাৰ পাছত যিবিলাক খুত বা default burden, মই যিহেতু PF তো জড়িত আছো, এতিয়া বহুখিনি চাহ বাগিছাৰ PF ৰ পইচা দিব পৰা নাই আৰু এইটো যদি বেছি জোৰ জবৰদস্তি কৰা যায়, তেওঁলোকে lockout কৰি দিব, বাগান বন্ধ কৰি গুছি যাব। তেতিয়া শ শ শ্ৰমিকৰ ভৱিষ্যৎ কি হ'ব? গতিকে মই অসমৰ ৰাইজৰ জ্ঞাতাৰ্থে বিশেষকৈ চাহ শ্ৰমিক সকলৰ জ্ঞাতাৰ্থে শ্ৰম মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাব বিচাৰিছো যে চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ প্ৰক্ৰিয়া কি, কোনে কোনে এই মজুৰি বৃদ্ধি কৰিব পাৰে? যিহেতু এইটো এছিয়া মহাদেশৰ largest trade union, যিটো অসম চাহ মজদুৰ সংঘ। মালিক সংস্থাও

আছে, তেওঁলোকৰ মাজত বিগত দিনবিলাকত bilateral agreement ত যেতিয়া মজুৰি বৃদ্ধি হৈছিল, গতিকে মই ভাৰো গোটেই প্ৰক্ৰিয়াটো কেনেকৈ চলে, মজুৰি বৃদ্ধি কেনেকৈ হয়, এই গোটেই কথাখিনি মই জানিবৰ কাৰণে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰূপেশ গোৱালা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ মাধ্যমেদি আমাৰ সন্মানীয় সদস্য তেৰছ গোৱালা ডাঙৰীয়াক ধন্যবাদ জনাইছো। এই বিষয়টো লৈ বিভিন্ন সময়ত বিভিন্ন ধৰণৰ political statement দি বাগিছাৰ ৰাইজৰ মাজত এটা বিভ্ৰান্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰা দেখা যায় যিটো পৰিস্থিতিয়ে সহজ সৰল সাধাৰণ চাহ শ্ৰমিকৰ মনত বিভিন্ন ধৰণৰ অবিশ্বাস, বিভিন্ন ধৰণৰ অসন্তুষ্টিৰ ভাৱ জাগ্ৰত কৰে যিটো মই ভাৰো আমাৰ যিসকল দায়িত্বশীল ব্যক্তি আছো, আমাৰ কাৰণে এইটো কেতিয়াও শোভা নাপায়।

উপাধ্যক্ষ মহোদয়, আচলতে বাগিছাৰ মজুৰি বৃদ্ধিৰ যিটো বিষয় সেইটো সাধাৰণতে যিকোনো কল-কাৰখানা বা উদ্যোগ প্ৰতিষ্ঠানত মজুৰি দুটা পদ্ধতিৰে নিৰ্দ্ধাৰিণ হ'ব পাৰে। এটা হ'ল- দ্বিপাক্ষিক বা ত্ৰিপাক্ষিক। যেতিয়া দ্বিপাক্ষিক হয় তেতিয়া stake holder সকলৰ মাজত নিয়োগ কৰ্তা আৰু শ্ৰমিক এই দুয়োটা পক্ষৰ মাজত আলাপ আলোচনাৰ মাধ্যমেৰে মজুৰি নিৰ্দ্ধাৰিণ হ'ব পাৰে আৰু পৰৱৰ্তী সময়ত সেই মজুৰিটো চৰকাৰে notify কৰিব পাৰে। কিন্তু যেতিয়া দ্বিপাক্ষিকভাৱে বিষয়টো মীমাংসা নহয় তেতিয়া চৰকাৰে হস্তক্ষেপ কৰে আৰু চৰকাৰৰ যিখন আইন আছে Minimum Wages Act 1948, তাৰ section-5 ত স্পষ্টভাৱে লিখা আছে কেনেদৰে মজুৰি নিৰ্দ্ধাৰিণ হ'ব পাৰে। মজুৰি নিৰ্দ্ধাৰিণ হওঁতে Minimum Wage Committee বনোৱা হয় stake holder সকলক লৈ, তাত চৰকাৰৰো মানুহ থাকে, union, management আদিৰ মানুহ থাকে। তাত তেওঁলোকৰ মাজত dialogue হয় আৰু তাৰ পাছত এটা সময়ত চৰকাৰে notify কৰে। প্ৰথম অৱস্থাত সেইটো draft notification হয়, তাৰ পাছত ৬০ দিনৰ সময় থাকে। সেই সময়সীমাৰ ভিতৰত কোনোবাই ইচ্ছা কৰিলে claims and objection কৰিব পাৰে। যদি কোনোবা নিয়োগ কৰ্তাই ভাৱে যে এই wage টো pay কৰাৰ মোৰ capacity নাই, গতিকে মই কোৰ্টত গৈ challenge কৰিব পাৰো বা কোনোবা এজন পাবলগা শ্ৰমিকে যদি ভাৱে যে এইটো কম হৈছে, এই wage টো মই ল'ব নোৱাৰো তেতিয়াও সেই শ্ৰমিকজনৰ প্ৰতিনিধি বা তেওঁ নিজে গৈ কোৰ্টত challenge কৰিব পাৰে।

মই এটা পুৰণি ৰেকৰ্ড আপোনালোকক জনাব খুজিছো। আমাৰ minimum wage ৰ যিটো বিষয় আছিল, ২০১৫ চনতে চৰকাৰে এটা Minimum Wage Committee বনাই দিছিল আৰু তাৰ পিছত এটা interim notification ও হৈছিল। কিন্তু সেইটো সেই সময়তে challenged হ'ল। তাৰ পাছত সেইটো আকৌ দ্বিপাক্ষিকভাৱে কৰা হ'ল আৰু পৰৱৰ্তী সময়ত ২০১৮ চনত কুমাৰ সঞ্জয় কৃষ্ণ ডাঙৰীয়াক দায়িত্ব দি One Man Committee গঠণ কৰা হ'ল আৰু সেই কমিটি মতে ২০১৮ চনত ৩০ টকা মজুৰি বৃদ্ধি কৰা হৈছিল। ৩০ টকা মজুৰি বৃদ্ধি কৰাৰ পাছত পৰৱৰ্তী সময়ত আৰু তিনিবাৰ মজুৰি বৃদ্ধি পালে। কিন্তু interesting কথা ২০২১ চনৰ ২৬ ফেব্ৰুৱাৰী তাৰিখে টো notification হৈছিল ৫০ টকাৰ, election ৰ ঠিক আগে আগে আৰু সেই মিটিংখনত আমিও উপস্থিত আছিলো শ্ৰমিকৰ প্ৰতিনিধি হিচাপে। ৫০ টকাৰ notification হ'ল কিন্তু মালিক পক্ষই গৈ কোৰ্টত challenge কৰিলে আৰু তাৰ পাছত

wage টো hang হৈ গল। তাৰ পাছত যেতিয়া election শেষ হ'ল, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত তেওঁ ১০ মে' তাৰিখে দায়িত্ব ল'লে আৰু ১৮ মে' তাৰিখে মালিক আৰু শ্ৰমিক পক্ষক মাতি out of court settlement কৰিবৰ কাৰণে চেষ্টা কৰিলে আৰু যদিও ৫০ টকা notify হৈছিল, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সকলোকে মাতি বিষয়টো sort out কৰিলে আৰু wages ৩৮ টকালৈ বৃদ্ধি কৰাৰ এটা notification ওলালে। পৰৱৰ্তী সময়ত ২৭ টকাৰ notification হ'ল ২০২২ চনত আৰু ২০২৩ চনত ১৮ টকা হ'ল।

উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা কথা সকলোকে জনাব খুজিছো যে এই যি ২০১৮ চনৰ পৰা ২০২৩ চনৰ ভিতৰত আমাৰ চৰকাৰৰ নেতৃত্বত কেবল মাত্ৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হস্তক্ষেপৰ কাৰণে ১১৩ টকা মজুৰি বৃদ্ধি পাইছে। এই ১১৩ টকা হাজিৰা বৃদ্ধি পোৱাৰ পূৰ্বে বাগিছা ৰাইজৰ হাজিৰা আছিল ১৩৭ টকা। সেইটো ২০১৮ চনৰ পৰা ২০২৩ চনৰ ভিতৰত ১১৩ টকা হাজিৰা বৃদ্ধি কৰি মুঠ ২৫০ টকা কৰা হ'ল। ইয়াৰ উপৰিও তেওঁলোকে বিনামূলীয়া ৰেচন পায় আৰু অন্যান্য ফিজ বেনিফিটবিলাক আছে, যেনে- Fire Wood,dry Tea এনেধৰণৰ বিভিন্ন benifit আছে, যিবিলাক calculate কৰা হয়। আমাৰ কাষৰীয়া ৰাজ্য হৈছে West Bengal, তাতে wage ২৫০ টকা। কিন্তু তাত শ্ৰমিকসকলক ৰেচন নিদিয়ে। গতিকে এই কথাবিলাক মই আপোনাৰ মাধ্যমেৰে সকলোকে অৱগত কৰিলো।

উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে আৰু এটা কথা ক'ব বিচাৰিছো কাৰণ এই কথাটো লৈ ক'ৰবাত নহয় ক'ৰবাত confusion সৃষ্টি কৰাৰ চেষ্টা কৰা হৈছে। শ্ৰমিকসকলে সদায় তেওঁলোকৰ মজুৰি বৃদ্ধি হোৱাটো আশা কৰে আৰু সেইটো আমিও বিচাৰো। এইকাৰণে এই বছৰ মজুৰি বৃদ্ধি কৰাৰ কাৰণে পূৰ্ণ প্ৰস্তুতি কৰা হৈছে আৰু আমি বিশ্বাসী যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত এই বছৰ চাহ শ্ৰমিক সকলৰ মজুৰি পুনৰ বৃদ্ধি পাব।

-------interruption--------

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** ....................................

-----সদনত হুলস্থুল-------

**মাননীয় উপাধ্যক্ষ ঃ** জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াৰ কোনো কথা ৰেকৰ্ডত নাযাব। আপুনি বহক।

--------সদনত হুলস্থুল-------

সকলোৰে বহক মন্ত্ৰীক উত্তৰ দিবলৈ দিয়ক।

**শ্ৰী ৰূপেশ গোৱালা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কেইদিনমান আগত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাজেট বক্তব্যৰ ওপৰত ভাষণ দি আছিল। সেই সময়ত আমাৰ এগৰাকী সন্মানীয় সদস্য, আজি তেওঁ সদনত নাই কিন্তু মই কথাটো উল্লেখ কৰিবলগীয়া হৈছে, তেওঁ মাজতে উঠি twist কৰি ক'লে যে ৫০০ টকা মজুৰি কেতিয়া হ'ব? যিগৰাকী সদস্যই চাহ শ্ৰমিকৰ minimum wage 500 টকা কেতিয়া হ'ব বুলি প্ৰশ্ন কৰিছিল, কালি তেওঁৰ এটা মৌখিক প্ৰশ্ন আহিছে আৰু তাত তেওঁ শুধিছে ৩৫১ টকা কেতিয়া হ'ব? তাৰমানে এসপ্তাহৰ ভিতৰতে তেওঁ reduce হৈ গল। তেওঁ কিয় ৫০০ টকাৰ পৰা reduce হৈ ৩৫১ টকালৈ আহিলে, কাৰ স্বাৰ্থত আহিলে?

গতিকে মই আৰু এইখিনি কথা ক'ব খোজা নাই। সন্মানীয় সদস্য সিকদাৰ ডাঙৰীয়া, আপোনাৰ পিছফালে আপোনাৰ এগৰাকী স্বতীৰ্থ বহে, ভাস্কৰজ্যোতি বৰুৱা ডাঙৰীয়া। তেওঁক শুধিব তেওঁ কেতিয়া ৩৫১ টকা বঢ়াই দিব পাৰিব।

--------সদনত হুলস্থুল--------

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰটো শেষ কৰিবলৈ দিয়ক।

**শ্ৰী ৰূপেশ গোৱালা, (মন্ত্ৰী) ঃ** আপোনালোকৰ চৰকাৰ বহুত দিন আছিল। ১৩৭ টকাৰ ৰেকৰ্ড আছে। ১৯৫২ চনৰ পৰা ২০১৮ চনলৈকে মাত্ৰ ১৩৭ টকা। সেইকাৰণে আপোনালোকে বেছি কথা নক'ব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** আপোনালোকে দিম বুলি কৈছে। সেইকাৰণে কৈছো।

**শ্ৰী ৰূপেশ গোৱালা, (মন্ত্ৰী) ঃ** এই বছৰ মজুৰী বৃদ্ধিৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কোৱা হৈছে। আপুনি ধৈৰ্য্য ধৰি কথাখিনি নুশুনিলে। কিন্তু এইবিষয়টো twist কৰাৰ কাৰণে চেষ্টা কৰিব নালাগে। মই সেই কথাটো অনুৰোধ জনাইছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলৰপতি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিটো কথা ক'লে ধন্যবাদ দিছো। প্ৰকৃততে Plantation Labour Act ত দুয়োটা নিয়মেই আছে, bi-partite অথবা tripartite আগৰচোৱা bipartite হৈ আছিল। কম হৈ আছিল। মাজতে গগৈ চৰকাৰৰ দিনত হস্তক্ষেপ কৰি tripartite কৰি অলপ বঢ়াই দিলে। সেইদিনাখন মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে এইটো ভাস্কৰ বৰুৱাক সুধিব লাগে। চৰকাৰে হস্তক্ষেপ কৰিলে বাবে দায়িত্বটো চৰকাৰৰ আছে। এইটো বঢ়াব ক'ব লাগে। এইটোৱে কথা।

**শ্ৰী ৰূপেশ গোৱালা, (মন্ত্ৰী) ঃ** মাননীয় তৰুণ গগৈ ডাঙৰীয়াৰ দিনত wage বৃদ্ধি হোৱা নাই। তেওঁ minimum wage Advisory Committee constitute কৰিছিল। বঢ়াবলৈ চেষ্টা কৰিছিল। কোৰ্টত চেলেঞ্জ হ'ল।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** সেইটোৱে তেওঁ হস্তক্ষেপ কৰিছিল। আপুনি নিজে জানিব কাৰণ তেখেত ACMS ৰ General Secretary আছিল।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** কংগ্ৰেছ দলে কেৱল ACMS ক ব্যৱহাৰ কৰি কৰি শ্ৰমিক সকলক লুটিলে। আপোনালোকে একো কৰা নাই।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** Deputy Commissioner য়ে circular দিছে লংগাই বাগানখন বন্ধ কৰি দিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কালি VDO Conference কৰি assure কৰিব লগা হৈছে। যিটো registered অসম চাহ শ্ৰমিক ইউনিয়ন তেওঁলোকক নমনাকৈ এটা un-recognised চৰকাৰী পক্ষই। এতিয়া আমাক blame দিছে। তেওঁলোকে নিজৰ গাত চিকুটি চাই লওঁক।

**মাননীয় উপাধ্যক্ষ ঃ** Zero hours ত debate ৰ কোনো স্কোপ নাথাকে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** চাৰ, কথা কৈ দিছে। উত্তৰটো সঁচা হ'ব লাগিব। It should be based on facts.

**মাননীয় উপাধ্যক্ষ ঃ** তেখেতে উত্তৰ দি থাকোতে আপোনালোকে কিয় distrub দি আছে। আপোনালোকে তেনেকুৱা নকৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিহেতুকে চৰকাৰৰ বিপক্ষে কথাটো উত্থাপন কৰিছে। মাননীয় মন্ত্ৰীয়ে ৰিপ্লাইটো দিব বিচাৰিছে। তেওঁলোকে ৰিপ্লাইটো দিবলৈ দিব লাগে। তাৰ আগতে হুলস্থুল কৰিটো লাভ নাই। তেখেতৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা আছে। ACMS ৰ তেওঁ General Secretary. গতিকে তেওঁলোকে কামখিনি কৰে। সেইকাৰণে কথাবিলাক বুজিব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়, zero hour ত উত্তৰ দিবলৈ আপুনি মাত্ৰ ৫ মিনিট সময় পাব। গতিকে আপুনি তেওঁলোকৰ কথা ৰাখি উত্তৰটো ২ মিনিটত শেষ কৰক।

**শ্ৰী ৰূপেশ গোৱালা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ যিখিনি কথা ক'বলগীয়া আছিল আপোনাৰ মাধ্যমেদি হাউচক জনালো। কিন্তু মই এটা কথা ক'ব খুজিছো যে মই যেতিয়া কথাখিনি কৈ আছিলো তেতিয়া মই দুবাৰ কোৰ্ট কেচৰ কথা উল্লেখ কৰিলো। মানে চৰকাৰে ইচ্ছা কৰিলেও willingly decision ল'ব নোৱাৰে। এইটো সকলোকে লৈ collective decision হ'ব। তেতিয়াহে কোনেও কোৰ্টত চেলেঞ্জ নকৰিব। কিবা কাৰণত যদি কোনোবাই কোৰ্টত চেলেঞ্জ কৰে তেতিয়া বিষয়টো hang হৈ যাব। সেইকাৰণে আমি বিৰোধী পক্ষত বহা সদস্যই হওঁক বা ট্ৰেজাৰী বেঞ্চত বহা সদস্যই হওঁক আমি কোনো কাৰণতে নিবিচাৰো যে চাহ শ্ৰমিকৰ বিষয়টো লৈ কেতিয়াওঁ কোৰ্টত যাবলগীয়া যাতে নহয়। কাৰণ তেওঁলোকৰ বিষয়টো যদি কোৰ্টত যায় তেওঁলোকে যথেষ্ট কষ্ট পাব। সেইকাৰণে আমি এনেকুৱা এটা settlement বিচাৰো এনেকুৱা এটা wage বিচাৰো যিটো কোনো ধৰণৰ চেলেঞ্জ নহয়। সকলোৱে ল'বলৈ অসুবিধা নাপায় আৰু মালিক পক্ষই দিবলৈও অসুবিধা নাপায়।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী আব্দুৰ ৰশিদ মণ্ডল।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি শূন্যকালীন ঘণ্টাত এটা জ্বলন্ত সমস্যা উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। যোৱা ২৪ মাৰ্চ, ২০২৫ তাৰিখে 'অসমীয়া প্ৰতিদিন' কাকতত এটা বাতৰি প্ৰকাশ হৈছে - 'প্ৰশ্নকাকত ফাদিল, পৰীক্ষা বাতিল। শিক্ষা পৰিষদৰ অধ্যক্ষ, পৰীক্ষা নিয়ন্ত্ৰকক বৰ্খাস্তৰ দাবী দল-সংগঠনৰ'। মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা ব্যৱস্থা সংস্কাৰৰ কাৰণে অসম শিক্ষা পৰিষদ গঠন কৰা হ'ল। তাত শ্ৰী ৰমেশ চন্দ্ৰ জৈন ডাঙৰীয়াক অধ্যক্ষ ৰূপে নিযুক্তি দিয়া হ'ল। অভিযোগ আহিছে যে তেখেতৰ ইতিমধ্যে ৬৭ বছৰ বয়স হ'ল। তেখেতক আৰু তিনিবছৰৰ কাৰণে extension দিয়া হৈছিল। আজি সদৌ অসম ছাত্ৰ সন্থাকে আদি কৰি অসমৰ সকলো দল-সংগঠন বা ৰাজনৈতিক দল বা শিক্ষাবিদ সকলেও এই বিষয়টো লৈ যথেষ্ট খেদ প্ৰকাশ কৰিছে, যথেষ্ট দুখ প্ৰকাশ কৰিছে। আনকি ইয়াৰ বাবে দায়ী মাননীয় শিক্ষামন্ত্ৰী, মাননীয় মুখ্যমন্ত্ৰী, শিক্ষা সংসদৰ অধ্যক্ষ সকলোৱে পদত্যাগ দাবী কৰিছে। এই সংসদ গঠন কৰাৰ পিছত এইটো বোধহয় প্ৰথম পৰীক্ষা আছিল। হাইয়াৰ চেকেণ্ডাৰী প্ৰথম বৰ্ষৰ mathematics আৰু Economics, দুটা বিষয়ৰ প্ৰশ্নকাকত ফাদিল হ'ল আৰু পৰিস্থিতি এনেকুৱা পৰ্য্যায় পালে যে পৰীক্ষা বাতিল কৰিব লগীয়া হ'ল। লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ শিক্ষা বিভাগে ল'ৰা ধেমালিৰ নিচিনা ব্যৱস্থা কৰিছে। আজি প্ৰত্যেকজন পৰীক্ষাৰ্থীয়ে আহি থকা পৰীক্ষা সমূহতো তেওঁলোকে মাচুল দিব লাগে। ছাত্ৰ-ছাত্ৰীৰ পৰা আমি মাচুল ঠিকে লৈ আছো। এই শিক্ষা বিভাগে বা পৰিষদৰ যি দায়িত্ব আছিল, এই দায়িত্ব সমূহ তেওঁলোকে সততাৰে বা নিষ্ঠাৰে পালন কৰাত ব্যৰ্থ হৈছে। এই বিষয়টো এইবাৰেই প্ৰথম নহয়। জৈন ডাঙৰীয়া ২০১৭ চনত তাৰ চেয়াৰমেন হোৱাৰ দিনৰে পৰা এনেকুৱা ধৰণৰ প্ৰশ্নকাকত ফাদিল

হোৱাৰ ঘটনা ঘটি আহিছে। এই চেয়াৰমেন জন চেয়াৰমেন হৈয়ে আছে। বিভাগে তেওঁৰ প্ৰতি কিয় ইমান মৰম দেখুৱাইছে আৰু তেখেতৰ efficiency ক লৈ ও প্ৰশ্ন আহিছে। সদৌ অসম ছাত্ৰ সন্থাকে ধৰি সকলোবোৰ দল-সংগঠনে এই ঘটনাটোৰ তীব্ৰভাৱে গৰিহণা দিছে। অসমৰ জাতীয় জীৱনৰ লগত জড়িত প্ৰত্যেকজন ব্যক্তিয়ে সদৌ অসম ছাত্ৰ সন্থাক গুৰুত্ব দিয়ে। এই সংগঠনটোৰে আগবঢ়োৱা মন্তব্যক চৰকাৰে কিন্তু গুৰুত্ব দিয়া নাই। আজি যিকোনো বাতৰিকাকতত আপোনালোকে চাওঁক যে সদৌ অসম ছাত্ৰ সন্থাৰ মন্তব্য কি। বিভিন্ন ৰাজনৈতিক দলৰ মতামতক ৰাজনৈতিক দৃষ্টিভঙ্গীৰে চাব পাৰে। কিন্তু বাকী শিক্ষাবিদ সকলৰ যি দৃষ্টিভঙ্গী বা মতামত আহিছে বা সদৌ অসম ছাত্ৰ সন্থাৰ যি মতামত আহিছে এইক্ষেত্ৰত কিন্তু চৰকাৰে যথাযথভাৱে গুৰুত্ব দিয়া দেখা পোৱা নাই। মোৰ মতামতটো হ'ল যে শিক্ষা বিভাগত যিজন চেয়াৰমেন আছে তেওঁক আৰু ইয়াৰ লগত জড়িত হৈ থকা ব্যক্তি সকলক অতি সোনকালে নিলম্বিত কৰিব লাগে আৰু সেই চেয়াৰমেন জনৰ extension টো হ'বই নালাগে, তেখেতক dismiss কৰি দিব লাগে। এনেকুৱা দৃষ্টান্তও আছে যে কৰ'বাত ট্ৰেইন accident হ'লে মন্ত্ৰীয়ে কিন্তু ট্ৰেইন নচলাই বা গাইডও নকৰে। কিন্তু moral responsibility ৰ কাৰণে এই ভাৰতবৰ্ষত ৰিজাইন দিয়াৰ দৃষ্টান্তও আছে। শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এনেকুৱা দৃষ্টান্ত দেখুৱালে অসমৰ কাৰণে এটা গৌৰৱ। কিন্তু তেখেতে সেইটো নকৰে। মই সেইটো কৰিবলৈ নকওঁ, সেইটো তেখেতৰ ইচ্ছাৰ ওপৰত। মই ক'ব বিচাৰিছো যে যদিও মন্ত্ৰী জনে ট্ৰেইন নচলাই বা গাইড নকৰে কিন্তু তেওঁ বিভাগৰ মুৰব্বী হিচাপে তাৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি ৰিজাইন দিয়াৰ দৃষ্টান্ত এই ভাৰতবৰ্ষত আছে। গতিকে এই বিষয়টোৰ ওপৰত কি কৰিব সেইটো মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ ওপৰত নিৰ্দ্ধাৰণ কৰিব। মোৰ দাবী হ'ল যে এই প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে যিসকল লোক দায়ী তেওঁলোকৰ শাস্তি হ'ব লাগে। কোনোবাই সেইদিনা প্ৰাইভেট স্কুলৰ ক্ষেত্ৰত কৈছিল যে তেওঁলোকৰ registration বাতিল কৰি দিয়ক। সেইটো এনেকুৱা কথা নহয় যে দুই-এখন ভেঞ্চাৰ স্কুল বা প্ৰাইভেট স্কুলৰ কাৰণে যদি গোটেই ব্যৱস্থাটোৰেই যদি বেয়া হৈ যায় আৰু পঢ়ি থকা ল'ৰা-ছোৱালীবোৰৰ যদি জীৱন ধ্বংস হৈ যায় তেতিয়াহ'লে তেনেকুৱা প্ৰাইভেট স্কুল বা non government school অসমত থকাৰ প্ৰয়োজন নাই। এই দাবী জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, হয়, ইতিমধ্যে প্ৰশ্নকাকত ফাদিল হোৱা কাৰণে আমাৰ একাদশ শ্ৰেণীৰ পৰীক্ষা যিটো বৰ্তমান বোৰ্ডৰ জৰিয়তে পতা হয় আৰু আগতে এইটো স্কুলতে পতা হৈছিল। এতিয়া এই পৰীক্ষাটো বোৰ্ডৰ দ্বাৰা পতাৰ ব্যৱস্থা কৰা হৈছে। কাৰণ আমি NEP implement কৰিছো আৰু এই NEP implementation ৰ অংশ হিচাপে দশম শ্ৰেণীৰ পৰা উত্তীৰ্ণ হোৱাৰ পিছত একাদশ শ্ৰেণীটোত বোৰ্ডৰ পৰীক্ষা হ'ব আৰু চূড়ান্ত পৰীক্ষা যিটো class 12 ৰ পৰীক্ষা সেইটো বোৰ্ডৰ দ্বাৰা পৰিচালিত হ'ব। ইতিমধ্যে Assam School Education Board য়ে দশম শ্ৰেণীৰ পৰীক্ষা আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিছে। Class 10 আৰু 12 ৰ ক্ষেত্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰা হয় কাৰণ এইটো চূড়ান্ত পৰীক্ষা। এইটো ফাইনেল পৰীক্ষা আৰু সেইকাৰণে ইয়াত প্ৰশ্নকাকত সমূহ আমি থানাত ৰাখো আৰু থানাৰ পৰা কটকটীয়া নিৰাপত্তাৰ জৰিয়তে পৰীক্ষা দিনাখন প্ৰশ্নকাকতৰ টোপোলা বিদ্যালয়লৈ লৈ যোৱা হয়। কিন্তু একাদশ শ্ৰেণীৰ পৰীক্ষাটোত যিহেতু সিমান গুৰুত্ব দিয়া হোৱা নাই আৰু এইটো বিদ্যালয়খনেই পৰিচালনা কৰি অহাৰ পৰম্পৰা আছে গতিকে একাদশ

শ্ৰেণীৰ প্ৰশ্নকাকতখিনি বোৰ্ডে প্ৰস্তুত কৰি যিখন বিদ্যালয়ত পৰীক্ষা হয় তাতেই ৰখা হয়। এতিয়া মূল কথাটো হ'ল এই বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয়ৰ কতৃপক্ষই যিটো examination center তেওঁলোকক বিশ্বাসত ল'ম নে নল'ম, নে নোলোৱাকৈ পুলিচ প্ৰশাসনৰ সহায় লৈ class-X, class -XII ৰ পৰীক্ষা অনুষ্ঠিত কৰো নে একাদশ শ্ৰেণীৰ পৰীক্ষাটো পুলিচ প্ৰশাসনৰ সহায় লৈ পাতিম নেকি? এই কথাটো অহাৰ লগে লগে কাইলৈ এই প্ৰশ্নটোও আহিব যে নৱম শ্ৰেণীৰ পৰীক্ষাটোও পুলিচ প্ৰশাসনৰ সহায় লৈ পাতিম নেকি? এতেকে আমি একাদশ শ্ৰেণীৰ পৰীক্ষা বিদ্যালয় সমূহক আস্থাত লৈয়েই পাতিম। কিন্তু বিদ্যালয় সমূহৰ পৰাই যেতিয়া প্ৰশ্নকাকত ফাদিল হ'ল সেই খবৰটো মই আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়াৰ গৃহ জিলাৰ পৰাই প্ৰশ্নকাকত ফাদিল হোৱাৰ আৰম্ভণি হৈছে। পিছত যেতিয়া গোটেই অসমত বিচাৰ- খোচাৰ কৰা হ'ল আমি ১৫ খন বিদ্যালয় পালো যিসমূহ বিদ্যালয়ে আগদিনাখনেই প্ৰশ্নকাকতৰ টোপোলাটো খুলিছে। এই ১৫ খন বিদ্যালয়ৰ ভিতৰত ১২ খন বিদ্যালয়েই private school. এতিয়া লগে লগেই এই প্ৰশ্নটোও আহিব আৰু whatsapp তো বহুত massage আহিছে যে private school ত পৰীক্ষা কেন্দ্ৰ হ'ব নালাগে। আমি চৰকাৰে খুব সক্ৰিয় ভাৱে এই কথাটো বিবেচনা কৰি আছো যে এতিয়াৰ পৰা private school বা venture school ত আমি পৰীক্ষাৰ কেন্দ্ৰ দিম নে নিদিম! খুব সোনকালে বোৰ্ড বা চৰকাৰে এটা সিদ্ধান্ত ল'ব যে কেৱল চৰকাৰী বিদ্যালয়ত হে এই পৰীক্ষা অনুষ্ঠিত হ'ব। ইয়াৰ লগে লগে অন্যান্য যি সমূহ প্ৰতিযোগিতামূলক পৰীক্ষা আছে সেই প্ৰতিযোগিতামূলক পৰীক্ষাসমূহো ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত অনুষ্ঠিত কৰা হ'ব নে নহয় এই সম্পৰ্কেও আমি এটা সিদ্ধান্ত ল'ব লাগিব আৰু এই গোটেই বিষয়টো আমি পৰীক্ষা কৰি আছো। প্ৰশ্নকাকত School Education Board ৰ পৰা ফাদিল হোৱা নাই। আমি খুবেই স্পষ্ট হোৱা উচিত যে বেমাৰটো য'ত হৈছে তাতেই চিকিৎসা কৰিব লাগিব। বেমাৰ নোহোৱা ঠাইত চিকিৎসা কৰিলে লাভ নহ'ব। আগৰবাৰ বেমাৰটো সৃষ্টি হৈছিল বিদ্যালয় আৰু থানাৰ মাজত। সেইটো চিকিৎসা কৰা হ'ল কিন্তু এইবাৰ বেমাৰটো বিদ্যালয়ত হৈছে আৰু সেই বেমাৰো আমি চিকিৎসা কৰিম। এটা শৃংখলিত পৰীক্ষা ব্যৱস্থা গঢ়ি তোলাৰ কাৰণে আমি আপ্ৰাণ চেষ্টা কৰিছো আৰু ইয়াত সফল হ'ম বুলি আমাৰ দৃঢ় বিশ্বাস আছে । আমি নীতিগত কিছুমান সিদ্ধান্ত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ক্ষেত্ৰত গ্ৰহণ কৰিম। এই তিনিখন provincialised school য়েও টোপোলা আগতীয়াকৈ খুলিছে। গতিকে এই বিদ্যালয় কেইখনৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা ল'ব। ইতিমধ্যে আটাইকেইখন বিদ্যালয়ৰে affiliation suspend কৰা হৈছে। ২০২৫ চনৰ একাদশ শ্ৰেণীৰ admission এই ১৫খন বিদ্যালয়ে ল'ব নোৱাৰিব যাতে বাকী বিদ্যালয় সমূহলৈ যাতে exemplary warning যায় যে নীতিবহিৰ্ভুত ভাৱে এনেধৰণে প্ৰশ্নকাকতৰ টোপোলা খুলি আগতীয়াকৈ ছাত্ৰ-ছাত্ৰীক যোগান ধৰিলে শাস্তিৰ সন্মুখীন হ'ব লাগিব যিহেতু বোৰ্ড এটা স্বতন্ত্ৰীয় অনুষ্ঠান আৰু কালি বোৰ্ডৰ বৈঠক অনুষ্ঠিত হৈ গৈছে আৰু বোৰ্ডে সিদ্ধান্ত লৈছে যে আকৌ পৰীক্ষা অনুষ্ঠিত কৰিব। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পিছত যাতে পঞ্চায়ত নিৰ্বাচনৰ লগত কোনো conflict নহয় আৰু তাৰ পিছতেই একাদশ শ্ৰেণীৰ পৰীক্ষাৰ কাৰ্য্যসূচী ঘোষণা কৰা হ'ব। ধন্যবাদ।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মই মাননীয় মন্ত্ৰী মহোদয়ক যিখিনি action লৈছে তাৰবাবে ধন্যবাদ জনাইছো। private school বা venture school ত পৰীক্ষা কেন্দ্ৰ বাতিল কৰা বা তেওঁলোকৰ school ত নতুনকৈ admission ল'বলৈ নিদিয়াৰ সিদ্ধান্ত লৈছে,

কিন্তু এই school বিলাকক regulate কৰা, control কৰা বা অন্যান্য ক্ষেত্ৰত কাম কৰাৰ কৰ্তৃত্ব বোৰ্ডৰ হাতত থাকে । গতিকে যদি তেওঁলোকক এইটো exemption দিয়া হয় কিন্তু বোৰ্ড যে responsible নহয়, মই এই conception টোৰ সৈতে একমত নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী মৃণাল শইকীয়া।

**শ্ৰী মৃণাল শইকীয়া, (খুমটাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শূন্যকালীন ঘণ্টাত এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব দিয়াৰ বাবে ধন্যবাদ জনালো। বিষয়টো হৈছে কাৰ্বি আংলং জিলাৰ বোকাজান সমষ্টিৰ দেওঁপানী নদীৰ নাতি দূৰত দেওঁপানী থান বুলি এখন থান আছিল। আমাৰ ইয়াৰ বহু সতীৰ্থ হয়তো তালৈ গৈছে। অসমৰ বাহিৰৰ পৰাও দৰ্শনাৰ্থী তালৈ যায়। ইয়াক এটা জাগ্ৰত দুৰ্গা মন্দিৰ বুলি কোৱা হয়। কিন্তু তাত যিবোৰ কীৰ্তিচিহ্ন আছে তাৰ archeological value বহু বেছি। বহুতো archeologist এ কৈছে যে অসমৰ ভিতৰতেই এটা best archeological site আৰু কীৰ্তিচিহ্ন বোৰ archeological survey মতে নৱম দশকৰ পাছত উদ্ধাৰ হৈছে। ১৮৯৭-৯৮ চনত মাটি বিচাৰি ফুৰা গ্ৰুপ এটাই তাত গৈ এই কীৰ্তিচিহ্ন বোৰ উদ্ধাৰ কৰিছিল। লাহে লাহে অলপ অলপকৈ পূজা- পাতল আৰম্ভ কৰিলে যিহেতু ক'ৰবাত মুৰ্ত্তি এটা ওলালে পূজা কৰাতো হিন্দু ধৰ্মৰ এটা পৰম্পৰা। কিন্তু ১৯১০ চনৰ পৰা তাত প্ৰথম ব্ৰাহ্মণ পূজাৰী কনকেশ্বৰ শৰ্মাদেৱে সৰুপথাৰৰ পৰা আহি তাত পূজা- পাতল আৰম্ভ কৰিছিল। তাৰপিছত তেওঁৰ পুতেক আহিল। এনেদৰে একাদিক্ৰমে পূজা-পাতাল চলি আছিল। কিন্তু সেই সুদীৰ্ঘ সময়ছোৱাৰ মাজতেই মাটিখিনি এটা চাহ জনগোষ্ঠীয়ে দেওঁপানী বাগানৰ নামত অন্তৰ্ভুক্ত কৰি লয়। ১৯৯৪ চনত হঠাতে সেই বাগান গোষ্ঠীয়ে ঘোষণা কৰিলে যে সেইখিনি তেওঁলোকৰ নিজা সম্পত্তি আৰু তাৰ পিছত তেওঁলোকে দখল কৰি নিজৰ সম্পত্তিৰ দৰে ব্যৱহাৰ কৰি আহিছে। মাননীয় উপাধ্যক্ষ মহোদয় , archeological survey মতে সেই কীৰ্তিচিহ্ন সমূহ বিকৃত কৰিব নোৱাৰে, কিন্তু তাত ৰং সানি মেলি ধুনীয়া দেখুৱাবলৈ যত্ন কৰিছে । ১৯৯৪ চনতেই স্থানীয় ব্ৰাহ্মণ সম্প্ৰদায়ৰ পূজাৰীকো তাৰ পৰা উচ্ছেদ কৰিলে আৰু বাহিৰৰ পৰা পূজাৰী আনি সকলো ঠিক ভাগ কৰি নিজৰ কৰি পেলালে। এতিয়া কথাটো হ'ল যে দেওঁপানী থানৰ স্থানীয় মানুহখিনিয়ে তেতিয়াৰ পৰাই প্ৰতিবাদ কৰি আহিছে, বিভিন্ন স্থানত দৰ্খাস্ত কৰি আহিছে যে মাটিখিনি কেনেদৰে বাগানৰ নামত গ'ল আৰু কেনেকৈ মন্দিৰটো নিজৰ সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিছে। হাজাৰ হাজাৰ মানুহৰ লাখ লাখ টকাৰ তাত লেনদেন হয় আৰু মালিক গোষ্ঠীয়ে নিজৰ বেংকত জমা থকাৰ নিচিনাকৈ টকা উঠাই লৈ যায়। ১৯৯৫ চনতে তাৰ revenue officer এ to the Secretary, Archeology revenue Karbi Anglong Autonomous District ক কৈছিল যে এই পট্টাটো review কৰিব লাগে আৰু মাটিখিনি থান কমিটিলৈ আনিব লাগে । তাৰ পিছত সেইখিনি কি হৈছে নাজানো। বিধানসভাৰ জৰিয়তে মই আগ্ৰহ প্ৰকাশ কৰিম যে আমাৰ চৰকাৰে বিহিত ব্যৱস্থা ল'ব লাগে, মালিক পক্ষক মাতি আনি কথা পাতিব লাগে যে তেওঁলোকে কিয় মালিকীস্বত্ব লৈ আছে আৰু অতি সোনকালে সেইখিনি চৰকাৰী কৰি থান কমিটিক মন্দিৰটো চলাবলৈ দিব লাগে যাতে সুকলমে চলি যায় কাৰণ এটা পৌৰাণিক মন্দিৰ য'ত প্ৰত্নতাত্বিক value বহুত আছে। এটা পৌৰাণিক মন্দিৰ মালিকানাগোষ্ঠীক লৈ কেতিয়াও ৰাখিব নোৱাৰে, কাৰণ তেওঁলোকে বাগানৰ নামতে পট্টা কৰি মাটিখিনি নিজৰ নামত কৰি লৈছিল। সেয়ে চৰকাৰে গুৰুত্ব সহকাৰে এই বিষয়টো ল'ব লাগে আৰু stake holder ৰ লগত আলোচনা কৰি থান কমিটিক এই মন্দিৰটো চমজাই দিব লাগে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এটা ৰাজহুৱা পৱিত্ৰ ধৰ্মীয় অনুষ্ঠান কেতিয়াও ব্যক্তিগত গোষ্ঠীৰ হাতত থাকিব নোৱাৰে। মই দুবাৰ এই বিষয়ত বিধান সভাত প্ৰশ্ন আনিছিলো আৰু আপুনিও এইবাৰ আনিছে। গতিকে এইক্ষেত্ৰত যাতে এটা সঠিক সিদ্ধান্ত হয় তাৰ ব্যৱস্থা কৰিব লাগে। Archeological Survey মতে Pala dynasty বা Barman dynasty ৰ সময়ৰ হ'ব এই থান খন কিয়নো 1000 A.D. ত এই মন্দিৰটো স্থাপন কৰা হৈছিল আৰু archeological নিয়ম মতে তাত ৰং কৰিব নোৱাৰে। গতিকে মন্ত্ৰী মহোদয়ে এই কেইটা বিষয়ৰ ওপৰত ধ্যান ৰাখি উত্তৰটো দিব।

**শ্ৰী দুৰ্গাদাস বড়ো, (কলাইগাঁও) ঃ** Macncill Magor ৰ Atri Muni Ashram ৰ লগত কথা পাতোতে তেওঁলোকে মাটিটো এৰি দিছে । গতিকে তেনেকুৱা উদাহৰণ দিব পাৰে ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী।...

**শ্ৰীবিমল বড়া, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক মৃণাল শইকীয়া ডাঙৰীয়াই এটা উল্লেখযোগ্য বিষয়ৰ ওপৰত নিয়ম ৫০ ৰ অধীনত এটা প্ৰশ্ন উত্থাপন কৰিছে। হয়, আমাৰ দেওঁপাহাৰ, দেওঁপাহাৰ ভাৰতৰ আমাৰ অসম ৰাজ্যৰ গোলাঘাট জিলাৰ সেই বিশেষ অঞ্চলটোত অৱস্থিত। এই দেওঁপানী মন্দিৰৰ কথা তেখেতে উল্লেখ কৰিছে। এটা ঐতিহাসিক তথ্য, এই ঐতিহাসিক তথ্য অনুসৰি ১৮৯৭ চনত ৭জন ব্যক্তিয়ে এই মন্দিৰটো আৱিস্কাৰ কৰিছিল। এই মন্দিৰটোৰ বিষয়ে এগৰাকী প্ৰখ্যাত লিখক এতিয়া পুৰাতত্ব বিষয়ৰ ওপৰত যথেষ্ট চৰ্চা কৰা ৰাজমোহন নাথৰ দেওঁপানী ধ্বংসাৱশেষ তাতো উল্লেখ আছে। পৰৱৰ্তী সময়ত আৱিস্কাৰ হোৱাৰ পিছত গাঁৱৰ মানুহে মন্দিৰ চৌহদৰ ভিতৰত এক অৰ্ধস্থায়ী গঠন তেখেত সকলে নিৰ্মাণ কৰিছিল। আৰু পিছলৈ ১৯৩০ চনত তাত দেওঁপানী চাহবাগিচা স্থাপন হয়। ১৯৪৪ চনত দেওঁপানী চাহ বাগিচাত কাৰখানা, কল ঘৰো তাত স্থাপন হয়। আমি এই ন'টিচ পোৱাৰ লগে লগে জিলা উপায়ুক্ত ডাঙৰীয়াক এই বিষয়ে জনাবলৈ আহ্বান জনাইছিলো। তেখেতে যি প্ৰতিবেদন আমাক দিছে, এই প্ৰতিবেদন অনুযায়ী চিলঙীজান, দেওঁপানী চাহ বাগিচাৰ মন্দিৰটো থকা মাটিকে ধৰি ১৯৯৭ চনৰ পৰা শ্ৰী দেৱৰাজ ৰয় নামৰ এজন ব্যক্তিৰ নামত প্ৰায় ১০ বিঘা চিঠা ৰেকৰ্ডত পোৱা গৈছে আৰু পৰৱৰ্তী সময়ত, পৰৱৰ্তী বংশধৰ সকলে মন্দিৰটো ব্যক্তিগত সম্পত্তি বুলি তেওঁলোকে দাবী কৰিছিল। অভিযোগ কৰা হৈছে যে সুৰেন্দ্ৰ নাথ ৰয়ে। মন্দিৰৰ মাটি দখল কৰি স্থায়ী মণিকুট নিমাৰ্ণ কৰিছিল। ফলত তাত ৰাজহুৱা বিবাদৰো সৃষ্টি হৈছিল বুলি তথ্যই জনাইছে। পৰৱৰ্তী সময়ত তেওঁৰ বংশধৰ সকলে মন্দিৰৰ নিয়ন্ত্ৰন লৈ মন্দিৰৰ পৰিচালনা কৰি থকা বুলি কোৱা হৈছে, আৰু তথ্য অনুসৰি মন্দিৰৰ যি সকল লোকে মন্দিৰটো পৰিচালনা কৰি আছে, ওচৰৰ দোকানকে ধৰি যথেষ্ট পৰিমাণৰ কৰ এই নিৰ্মাণ প্ৰতিষ্ঠান সমূহৰ পৰা সংগ্ৰহ কৰে। এই বিষয়টোৰ সন্দৰ্ভত ১৯৯৪ চনৰ পৰা ২০০৭ চনলৈকে মহামান্য উচ্চ ন্যায়ালয়ত আইনী কাৰ্য্যবৃদ্ধি চলি আছিল। গতিকে এই ইতিহাসৰ ওপৰত আমি নিশ্চয় যাব লাগিব। ইতিহাসে কি কয়, আপুনি ইতিমধ্যে আপোনাৰ বক্তব্যত সবিশেষ আপুনি কৈছে। এই বিষয়টো আমি পৰৱৰ্তী সময়ত সংশ্লিষ্ট সকলো বিভাগক লৈ ভাল ধৰণে চোৱাচিতা কৰি কেনেধৰণে আমাৰ ইতিহাসক আৰু উজ্জীৱিত কৰি তাৰ কাৰণে চৰকাৰে বিশেষ ব্যৱস্থা ল'ম।

**শ্ৰী মৃণাল শইকীয়া, (খুমটাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিষয়টো বহুত চিৰিয়াচ সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হস্তক্ষেপ আমি বিচাৰো, আৰু এইটো এটা স্পেচিফিক টাইমৰ ভিতৰত এই সমস্যাটো সমাধান হ'ব লাগে। নহ'লে এইটো থাকি যাব। বহুত দিনৰ পৰা চলি

আছে, ১৯৯৫ চনত যেতিয়া ৰেভিনিউ অফিচাৰ এজনে লিখিছিল, পাট্টাটো ৰিভিউ কৰিব লাগে। পাট্টাটো টো জন্ম হৈয়ে লাগি অহা নাই এই চাহ কোম্পানীটো মাজত কৰি লোৱা। মন্দিৰ চলি থাকোতেই তেওঁলোকে পাট্টাত নামতো সুমুৱাই লৈছে। চৰকাৰে ইমিডিয়েত ষ্টীক একচন লৈ এই ক্ষেত্ৰত কাৰ্য্য ব্যৱস্থাটো ল'বলৈ মই আহ্বান জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** এইটো আপুৰুগীয়া দূৰ্গা মন্দিৰ, দূৰ্গাৰ মূৰ্তি তাত আছে। গতিকে মই ভাবো মন্ত্ৰী ডাঙৰীয়াই কাৰ্বিআংলং অটোনমাচ কাউঞ্চিল ৰাজহ বিভাগ আৰু যি যি বিভাগ আছে, একেলগে বহি আলোচনা কৰি ব্যক্তিগত খণ্ডৰ পৰা এইটো ৰাজহুৱা, ৰাইজৰ কাৰণে আনিব লাগে আৰু ময়ো তাত সহায় কৰিম, যিহেতু সেইটো মোৰে সমষ্টি।

**শ্ৰী বিমল বড়া, (মন্ত্ৰী) ঃ** হয়, মাননীয় উপাধ্যক্ষ মহোদয়, এই মন্দিৰৰ ইতিহাস আমি সকলোৱে জানো। ভাৰতবৰ্ষৰ বিভিন্ন লোক এই মন্দিৰলৈ শক্তিৰ অধিষ্ঠাত্ৰী দেৱী মা দূৰ্গাৰ আৰ্শীবাদ লʼবলৈ আহে। অসমৰো বহু লোক তালৈ যায় আৰু নামবৰ হাবিৰ কাষত এই ইতিহাস বিজড়িত। এই মন্দিৰ নিশ্চত ভাৱে ব্যক্তিগত খণ্ডৰ পৰা আমি এক ৰাজহুৱা স্থানলৈ যাতে আমি পৰ্য্যবেষিত কৰিব পাৰো নিশ্চিতভাৱে তাৰ কাৰণে উদ্যোগ গ্ৰহণ কৰা হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া ৰুলিং এটা আছে, আমাৰ Direction by the Speaker, Assam Legislative Assembly, Rule-20 Sub- clause-3. If it relates to a matter within the jurisdiction of the Speaker এইটোৰ অধীনত আমিনুল ইছলাম ডাঙৰীয়াই যি Deputy Speaker ৰ বিৰুদ্ধে এটা প্ৰশ্ন আনিছিল, সেই গোটেইখিনি সদনৰ কাৰ্য্যৱলীৰ পৰা expunge কৰা হৈছে। যিহেতু এই সদনত Speaker আৰু Deputy Speaker ৰ বিৰুদ্ধে প্ৰশ্ন কোনেও উঠাব নোৱাৰে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত যিটো চাহ বাগানক লৈ আহিলে, মই যিখিনি দিম তথ্যখিনি শুদ্ধ কৰিবলৈ দিম, এইটো কোনো ব্যক্তিগত বা ৰাজনৈতিক কথা নহয়. সুস্মিতা দেৱ, ৰাজ্য সভাৰ MP য়ে এটা প্ৰশ্ন সুধিছিল , minimum wages of tea workers of Assam, ৰাজ্যসভাত, আপোনাক কঁপি দিম। তাত লিখা আছে, The wages in the major growing states are fixed as per bipartite/ tripartite agreement reached among producer associations, workers unions and the State Government. ছাৰে পূৰ্বতে দ্বিপাক্ষিক হৈ আছিল, চাহ মজদুৰ সংঘ, Register Union আৰু মালিক পক্ষ। তৰুণ গগৈ ডাঙৰীয়াই শেষৰ ফালে tripartite ৰ ব্যৱস্থা কৰিলে, যিটো কথা মন্ত্ৰীয়ে উল্লেখ কৰিলে। মই তেখেতক সেই কাৰণে ধন্যবাদ দিছো যদিও চৰকাৰ পৰিবৰ্তন হ'ল কাৰণে, তেখেতে execute কৰিব নোৱাৰিলে। তাৰ পাছত যিখিনি হৈ আছে, চৰকাৰী হস্তক্ষেপতেই হৈ আছে ছাৰ। এতিয়া কথাটো হ'ল ছাৰ, মোৰ এটা প্ৰশ্ন আছিল, মই সুধিছিলো এই বিধান সভাৰ এই বৈঠকতে যে চৰকাৰৰ Trade Union Act, 1926 ভংগ কৰি আছে নেকি? তাত নহয় বুলি ক'লে, আৰু লেবাৰৰ বিষয় অহা নাছিল কাৰণে মই উল্লেখ কৰা নাই। আজি মই এইটো দিছো যে No member of the Council of ministers or a person holding on office of profit not being an engagement or issuing in the Union or a State shall be a member of the executive or other office bearer of a registered Trade Union. ছাৰ ইয়াতে স্পষ্টতা আছে আৰু সদনত মই যিটো কৈ থাকো ভুল তথ্য দিয়া হৈছে বুলি মই মন্ত্ৰী

মহোদয়ক কৈছিলো, গতিকে এই দুয়োটা কথা আপোনাৰ আগত কৈছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ এই কথাখিনি যিহেতু specifically দিছে, এইখিনি চাব।

**শ্রী দেৱব্রত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিহেতু চাহ বাগানৰ ক্ষেত্রত এতিয়া চৰকাৰে হস্তক্ষেপ কৰে, সেই গতিকে ঘোষণা অনুসৰি কৰাত অসুবিধা নাই। minimum wage যিহেতু ৯ বছৰ ধৰি ৰিভাইচ হোৱা নাই, যিটো হোৱাৰ কথা আছিল, interim দি থৈছে, সেই কাৰণে কমি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্রী কমলাক্ষ দে পুরকায়স্থ (উত্তর শ্রীভূমি) ঃ** কালাইনে ব্যবসায়ীর বাড়ীতে রাত্রে ৩ লাখ টাকা লুঠ ও গুলিবিদ্ধ পড়শী। উপাধ্যক্ষ মহোদয়, বিণয় দেবের বাড়ীতে ডাকাতি হয়েছে এবং বিশ্বজিৎ দেবকে গুলিবিদ্ধ করা হয়েছে। একটা ভয়ঙ্কর পরিবেশ হয় এই বিষয়ে সরকারের দৃষ্টি আকর্ষণ করছি এবং এই ঘটনার উপর যাতে একটা বিহীত ব্যবস্থা নেওয়া হয় তার জন্য সরকারের কাছে অনুরোধ রাখছি।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এইটো point of Order নহয়।

**শ্রী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, ৰুল ৫৪ ৰ অধীনত গড়াখহনীয়া ৰোধ আৰু মথাউৰি নিৰ্মাণ সম্পৰ্কে আলোচনা কৰাৰ সুবিধা দিয়াৰ কাৰণে অধ্যক্ষ মহোদয়ৰ লগতে আপোনাকো ধন্যবাদ জনালো। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মথাউৰি নিৰ্মাণ আৰু গড়াখহনীয়া ৰোধ সম্পৰ্কে আলোচনা কৰাৰ প্ৰাকমুহুৰ্ত টে আপোনাৰ জৰিয়তে মই মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক মোৰ সমষ্টিৰ কেইবাখনো নদীয়ে কি দৰে গড়াখহনীয়াৰ তাণ্ডৱ সৃষ্টি কৰিছে আৰু মথাউৰি যে নাই তাৰে কেইটামান জীয়া আলোক চিত্ৰ তেখেতলৈ প্ৰেৰণ কৰিব বিচাৰিছো। আশা কৰো আপুনি মন্ত্ৰী ডাঙৰীয়ালৈ প্ৰেৰণ কৰিব। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া মই প্ৰতিনিধিত্ব কৰা সৰুক্ষেত্ৰী সমষ্টিৰ মাজেৰে কেইবাখনো নদী বৈ গৈছে। তাৰে ভিতৰত উল্লেখযোগ্য হ'ল পল্লা নদী আৰু সেই পল্লা নদীয়ে কেইবাখনো ৰাজহ গাঁৱৰ মাজেৰে বৈ গৈছে যেনে— কালজা,বৰহোলা, বালাৰভিটা, গুলকাবাৰী পাথাৰ, পাকা বেতবাৰী, খান্দাৰপুৰ, ইটাৰভিতা, কদমগুৰি , দত্তকুছি, দেউৰীকুছি আৰু ৰং কুছিৰ মাজেৰে । ঠিক তেনেকৈ পহুমাৰা নদী বৈ গৈছে, নকুছি গাওঁ , নকুছি পাথাৰ, কৰাগুৰি, কয়াকুছি পাম, কয়াকুছি গাওঁ, কয়াকুছি পাথাৰ, গোমীৰ পাথাৰ,পানী মৰিচা পাথাৰ , পটা গাওঁ, বোকামাৰি, গোৰিহা, মৰিচা । ঠিক তেনেকৈ কালদিয়া নামৰ নদী এখন বৈ গৈছে, বালাপাৰা গাওঁ, কাৱৈমাৰী ২ নং ব্লক, কাৱৈমাৰী ১২ নং ব্লক , কাৱৈমাৰী ১১ নং ব্লক, কাৱৈমাৰী ৯ নং ব্লক , কাৱৈমাৰী ১০ নং ব্লক কাৱৈমাৰী একচিচ এৰিয়া, নলীৰ পাথাৰ, পিথাদি গাওঁ, পিথাদি পাম, জালপাৰা, তেলেৰিয়া, ভেৰাগাওঁ, পানী মৰিচা, গুলিগম্বা,মুলি গাওঁ, হেলেচা, কলিমুৰিচা গাওঁ ইত্যাদি। আৰু এখন নদী মানে টিহু নদী বস্কৰা, ৰঙিয়া নদীৰ পাম , উত্তৰ বস্কৰা, জালপাৰা, নেউলাৰ ভিঠা, বৈঠাভংগা, ইত্যাদি। ইয়াৰোপৰি বুঢ়াদিয়া নদী আৰু বেকী নদী নতুনকৈ হোৱা সমষ্টি পাকা- বেতবাৰীৰ মাজেৰে বৈ গৈছে। এই গাওঁকেইখনৰ মাজেৰে পল্লা, পহুমৰা, টিহু, কালদিয়া, বুঢ়াদিয়া আৰু বেকী নদী বৈ গৈছে। এই আটাইকেখন নদীৰ দুইপাৰে সৰুক্ষেত্ৰী সমষ্টি বা বৰ্তমানৰ পাকাবেতবাৰী সমষ্টিৰ অন্তৰ্গত স্থান বিলাকত দুইপাৰে মঠাউৰি নাই। আৰু এই নদী সমূহৰ গৰাখহনীয়া ইমানে বেছি যে প্ৰত্যেক বছৰে বানপানী আহাৰ লগে লগে আৰু পানী কমাৰ লগে লগে মই ইতিমধ্যে উল্লেখ কৰা ৰাজহ গাওঁ সমূহৰ মানুহৰ ঘৰ দুৱাৰ, চৰকাৰী প্ৰতিস্থান, PWD আৰু P&RD বিভাগৰ ৰাস্তা ঘাট নদীৰ বুকুত জাহ গৈছে। যাৰ ফলত

মানুহৰ স্বাভাৱিক যাতায়তৰ সমস্যা হৈছে। অসমৰ ১২৬ টা সমষ্টিত সৰু বৰ বহুতো নদী উপনদী আছে যদিও মই ভাৱো যে সকলোতকৈ বেছি উপনদী মোৰ সমষ্টি সৰুক্ষেত্ৰী আৰু বৰ্তমানৰ পাকাবেতবাৰী সমষ্টিৰ মাজেৰে বৈ গৈছে। এতিয়ালৈকে এই চৰকাৰ খনে মঠাউৰি নিৰ্মাণৰ বাবে ১ টকাও খৰছ কৰা নাই মোৰ সমষ্টিত। ১০০ মিটাৰো মঠাউৰি নিৰ্মাণ হোৱা নাই আৰু এক মিটাৰো গৰাখহনীয়া ৰোধ হোৱা নাই। এই বিধান সভাত মই বিধায়ক হোৱাৰে পৰা বহুত বাৰ গৰাখহনীয়া ৰোধৰ ক্ষেত্ৰত বহুতো প্ৰশ্ন কৰিছিলো। চৰকাৰক বিভিন্ন মাধ্যমৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিছিলো আৰু অনুৰোধ কৰিছিলো। বিভাগকো এই ক্ষেত্ৰত বহু বাৰ অবগত কৰিছো আৰু চৰকাৰে বিভিন্ন সময়ত বিষয়া সকলক এই বোৰ পৰ্য্যবেক্ষণ কৰাৰ বাবে প্ৰেৰণ কৰে। কিন্তু আজি লৈকে কোনো ধৰণৰ পুঁজি পোৱা নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে এই নদী বিলাকৰ দুইপাৰে মঠাউৰি নিৰ্মাণ কৰিব লাগে। কাৰণ বানপানী ২/৩ বাৰ হয় আৰু তাৰ লগে লগে ভূটানৰ পানী এৰি দিয়াৰ বাবে এই নদী সমূহে খেতি পথাৰ বিলাক বুৰাই পেলায়। মঠাউৰি নিৰ্মাণ হলে বানপানীৰ সময়ত বা ভূটানৰ পানী এৰি দিয়াৰ সময়ত এনেকুৱা ধৰণৰ ক্ষতি নহয়। বানপানীৰ ফলত হোৱা ক্ষতিপূৰণ চৰকাৰে সম্পূৰ্ণ ভাৱে দিয়াটো সম্ভৱ নহয় গতিকে ইয়াত অতি সোনকালে মঠাউৰিৰ ব্যৱস্থা কৰিব লাগে। হয়টো মন্ত্ৰী ডাঙৰীয়াই উত্তৰত ক'ব যে জলসম্পদ বিভাগৰ যি নিয়ম-নীতি আছে যাৰ বাবে আমাৰ এই মঠাউৰি নিৰ্মানৰ ক্ষেত্ৰত কিছু অসুবিধা আছে যদিও কিছু নিয়ম-নীতি শিথিল কৰি বা P&RD বিভাগৰ লগত কথা পাতি তেখেতে নিৰ্দেশ দিয়ে যে আটাইকেইটা নদীৰ দুইপাৰে ৰিংবান্ধ নিৰ্মাণ কৰে তেতিয়া হলে ৰাইজে বহুতো সকাহ পাব। এইখিনি মাত্ৰ মই উদাহৰণে হে দিছো আৰু হাজাৰ হাজাৰ এনেকুৱা সমস্যা আছে। গতিকে আমি গৰাখহনীয়া ৰোধৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে।

**माननीय উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ সদস্য গৰাকীৰ সমষ্টিত কিছু সমস্যা নথকা নহয়। কিন্তু তেখেতে কৈছে যে তেখেতৰ কিছু অঞ্চলত আমাৰ নীতি নিয়ম মথাউৰি বনাব নোৱাৰি। কিন্তু এইটো সচা যে সেই ঠাইলৈ মই আজি লৈকে যোৱা নাই। অসমত বানপানী হলে সকলোতে বানপানী হয় অকল পাকাবেতবাৰীতে বানপানী হয় অন্য ঠাইত নহয়। আমি মঠাউৰি বনোৱাৰ সময় কিছুমান নীতি নিয়ম অনুসৰণ কৰিব লাগে আমি এতিয়া বহুত বেছি মাটি অধিগ্ৰহণৰ ক্ষতিপূৰণ দিব নোৱাৰে। আজি কালি আমি মানুখিনিক বুজাব চেষ্টা কৰো যে বানপানী আহিলে আপোনাৰ ঘৰতো হব। গতিকে আপোনালোকে অলপ মাটি এৰি দিয়ক যাতে আমি মঠাউৰিটো বনাব পাৰো। মই বিধায়ক গৰাকীক অনুৰোধ জনাম যে তেখেতে যদি কেতিয়াবা তেখেতৰ সমষ্টিলৈ মোক মাতি তেখেতৰ যি খিনি জলন্ত সমস্য মোক দেখুৱাই দিয়ে তেতিয়া হলে নিশ্চয় কিবা ব্যৱস্থা গ্ৰহণ কৰিবলৈ চেষ্টা কৰিম। আমাৰ চৰকাৰৰ এইটোয়ে শেষ বছৰ। আগলৈকে নিশ্চয় আমি আহিম আৰু তেতিয়া নিশ্চয় তেখেতৰ সমস্য খিনি সমাধান কৰিব পাৰিম। তেখেতে আজি লৈকে মোক তেখেতৰ সমষ্টিলৈ মতা নাই কিন্তু তেখেতৰ লগৰে ৰাজেদ আলি ডাঙৰীয়াই মাতিছিল তেখেতৰ সমষ্টিলৈ গলো, আব্দুল ৰশিদ আলম ডাঙৰীয়াই মাতিছিল তালকৈও গলো। মই আজি সদনত প্ৰতিশ্ৰুতি দিলো যে মই আপোনাৰ সমষ্টিলৈ যাম অহা বিধান সভাৰ আগতে ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)**ঃ মই আপোনাক সাদৰৰে আমন্ত্ৰণ জনালো।

**শ্ৰী পীযুষ হাজৰিকা মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই নিজে আমন্ত্ৰণ ললো আপুনি আমন্ত্ৰণ জনোৱা নাছিল। মই যেতিয়া গোলোকগঞ্জ লৈ গৈছিলো তেতিয়া তাৰ বিধায়ক চুৰাহান আলী

চৰকাৰ ডাঙৰীয়া উপস্থিত নাছিল। হয়টো তেখেতৰ দলৰ কিবা নিৰ্দেশ আছিল। এই বাৰ মানকাচাৰলৈ যোৱাৰ সময়ত ৱাজেদ আলী ডাঙৰীয়াই মোক জোৰ কৰি ফকিৰগঞ্জলৈ লৈ গ'ল। আৰু তাত গৈ দেখা পালো যে সচাকৈ সেই ঠাইৰ অৱস্থা ভয়াবহ। আমি লগে লগে কামটো আৰম্ভ কৰি দিলো।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (শালমাৰা দক্ষিণ)** ঃ কামটো আৰম্ভ কৰিলে আৰু বন্ধও কৰিলে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, হ'ব মই এইটো চাই দিম, আপুনি আগতে মোক ক'ব লাগিছিল। জাকিৰ হুছেইন ডাঙৰীয়াৰ সমস্যাটো গুৰুত্বপূৰ্ণ সেইটো মই বুজো আৰু তেখেতে নিশ্চয় তেখেতৰ পুৰণা সমষ্টিতোকো মাহীআইৰ দৃষ্টিৰে নিশ্চয় নাচায় আৰু সেই সমষ্টিত আমি ৫.৫ কোটি টকাৰ কাম আমি অলপতে আৰম্ভ কৰিছো আৰু বাকীখিনিও কৰিম তেখেতে যদি মোক অকণমান Field Work খিনি যদি মোক অলপ বুজাই দিয়ে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া নিয়ম ৩০১। আপোনাৰ যদি কিবা কব লগা আছে মন্ত্ৰী ৰুমত গৈ ক'ব ইয়াত সদনত নহয় কাৰণ সদনৰ সময় অতি মূল্য বান। এতিয়া শ্ৰী দিপ্লু ৰঞ্জন শৰ্মা।

**শ্ৰী দিপ্লু ৰঞ্জন শৰ্মা, (চামগুৰি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি ভাৰতৰ প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াক ধন্যবাদ জনাইছো কাৰণ তেখেতে বহুদিন আগতে এটা খুব গুৰুত্বপূৰ্ণ আহ্বান দেশবাসীক জনাইছিল আৰু মই ভাৱো ৰাজনীতিৰ উৰ্ধত গৈ এই আহ্বান টোয়ে সকলোৰে মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তেখেতে কৈছিল যে মানুহক চৰকাৰে কিতাপ উপহাৰ দিয়ক । আৰু এই কথাটোক আগত ৰাখি আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এইবাৰ ২০২৫ বৰ্ষটো কিতাপৰ বৰ্ষ হিচাপে পালন কৰিবলৈ সকলোকে আহ্বান জনাইছে। মই ভাৰতৰ অন্যৰাজ্যত এই দৰে কিতাপৰ বৰ্ষ হিচাপে পালন কৰিবলৈ আহ্বান কৰিছে নে নাই মই নাজানো। কিন্তু মই ভাৱো আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত এটা দৃষ্টান্ত স্থাপন কৰিছে। এইবাৰ আমাৰ যি খন বাজেট এইখন এখন যুগান্তকাৰী বাজেট আৰু এইবাৰ বাজেটতো বৃষ্টিত ভাৱে কিতাপৰ বাবে, গ্ৰন্থ, সংস্কৃতিৰ ক্ষেত্ৰত এটা খুব গুৰুত্বপূৰ্ণ কথা মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে কেইবাটাও বিষয় আনিছে, মই ভাবো যে অসমৰ আগন্তুক ক্ষেত্ৰত এই বিষয়কেইটাই খুব ডাঙৰ প্ৰভাৱ পেলাব আৰু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। যেনে, আমি দেখিছো যে আজিৰ ক্ষেত্ৰত যোৱা কেইদিন মান আগতে সদৌ অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সংস্থাৰ সহযোগত যিখন book fair অসমত অনুষ্ঠিত হৈ গ'ল আৰু আমি জানো যিহেতু এইটো ক্ষেত্ৰত মই অলপ পঢ়া শুনা কৰিছিলো মই দেখিছিলো যে কভিডৰ পিছত ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাত সদৌ অসম প্ৰকাশন পৰিষদ আৰু অসমৰ বিভিন্ন চহৰত আমি এই কেইটা বিভিন্ন সংস্থাৰ নাম ল'ব পাৰি। সদৌ অসম পুথি প্ৰকাশন বিক্ৰেতা সংস্থা, বিভিন্ন ক্ষেত্ৰত উদ্যোগত গঢ় লৈ উঠা গ্ৰন্থ মেলা সমূহে অসমত গ্ৰন্থ সংস্কৃতিৰ বৃদ্ধিৰ ক্ষেত্ৰত এটা অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আৰু মই সেই কাৰণে ভাবো যে মোৰ এখন প্ৰিয় কিতাপ আছে আৰু মোৰ আটাইতকৈ প্ৰিয় লেখক আৰু অসমৰ এগৰাকী স্বনামধন্য সাহিত্যিক হোমেন বৰগোহাই ডাঙৰীয়াৰ যিখন কিতাপ পঢ়াৰ আনন্দ এই কিতাপ পঢ়াৰ আনন্দ কিতাপখনত কিতাপৰ কি গুৰুত্ব, গ্ৰন্থৰ কি গুৰুত্ব তেখেতে খুব সুন্দৰ ভাৱে উল্লেখ কৰিছে। তেখেতে কৈছে যে ছপাশালৰ আৱিষ্কাৰে মানুহৰ সভ্যতাৰ বিপ্লৱ ঘটোৱাৰ বিৰূদ্ধে কিতাপে পৃথিৱীখন শাসন কৰি আহিছে। হোমেন বৰগোহাই ছাৰে কৈছে যে কিতাপে আধুনিক পৃথিৱীখন শাসন কৰি আহিছে আৰু তেখেতে এইটো কথাও কৈছে যে ছপাশালত কিতাপ আৱিষ্কাৰ হৈ যোৱাৰ পিছত আগতে কিতাপ সমূহ দুৰ্লভ আছিল। পৃথিৱীত সভ্যতাৰ দ্ৰুত বিকাশ ঘটিল। হোমেন বৰগোহাই ছাৰে খুব

উল্লেখ যোগ্য ভাৱে গোটেই বিষয়টো উল্লেখ কৰি কৈছে যে ৪ হাজাৰ বছৰীয়া সভ্যতা যিমান দ্ৰুত গতিত আগবাঢ়িল তাতকৈ কিতাপ ছপাশালৰ পৰা ওলোৱাৰ পিছত ৪০০ বছৰ সভ্যতা তাতকৈ অধিক দ্ৰুত গতিত আগবাঢ়িল। এই ক্ষেত্ৰত এটা জাপানৰ উদাহৰণ দাঙি ধৰিছে, কেনেদৰে জাপানে ২০ বছৰত ইউৰোপৰ সমস্ত, প্ৰায়খিনি কিতাপ জাপানিছ ভাষালৈ অনুবাদ কৰি যুৱপ্ৰজন্মক পঢ়াব বিচাৰিছে। মই সেই কাৰণে মাননীয় শিক্ষামন্ত্ৰী মহোদয় আছে, মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানী আছে, দুয়োগৰাকীয়ে নিজৰ নিজৰ ক্ষেত্ৰত কৃতিমান। মাননীয় স্বপ্ন দ্ৰষ্টা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আছে। মোৰ এটা অনুৰোধ আমাৰ যি বিদ্যালয় সমূহত লাইব্ৰেৰী আছে, কাৰণ মই জানো যে কিতাপ পঢ়াৰ যিটো অভ্যাস এই কিতাপ পঢ়াৰ অভ্যাসটো আমি ছাত্ৰ অৱস্থাতে গঢ় দিব লাগিব। তাৰ লগে লগে আজিকালি ডিজিটেল যুগত আহিছে, আমি বহুত গৌৰৱ অনুভৱ কৰো যে আমাৰ সেইটোও ৰাজনৈতিক দলৰ সদস্য ভাৰতীয় জনতা পাৰ্টীৰ, যিটো ৰাজনৈতিক দলৰ ডিজিটেল লাইব্ৰেৰীত ৩ হাজাৰতকৈ অধিক কিতাপ আছে। গতিকে আমি যিহেতুকে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টান্ত অনুকৰণ কৰিছো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত দৃষ্টান্ত স্থাপন কৰিছে। প্ৰত্যেক জিলাত ৫ লাখকৈ টকা book fair অনুস্থিত কৰিবলৈ দিছে। গতিকে মোৰ অনুৰোধ আমাৰ যি বিলাক স্কুলৰ লাইবেৰী আছে এই স্কুলৰ লাইব্ৰেৰী সমূহৰ লগতে প্ৰত্যেক স্কুলত আমি এটা মেণ্ডেটৰী লাইব্ৰেৰী আৱাৰ আমি কৰিব পাৰো নেকি, প্ৰতি সপ্তাহত বা এটা মেণ্ডেটৰী আৱাৰত। তাৰ লগে লগে আমি অনুৰোধ কৰিছো যে সমষ্টিৱাইজ এটা বিধায়কৰ আদৰ্শ লাইব্ৰেৰী কৰি গ্ৰন্থ সংস্কৃতিৰ প্ৰসাৰৰ কাৰণে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিবৰ কাৰণে আগন্তুক অসমত আমি যদি কৰবাত কৈছো জাতি মাটি ভেটি ভাষাৰ, আমি যদি অস্তিত্ব ৰক্ষা কৰিবৰ কাৰণে মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ খনে যি প্ৰয়াস আৰম্ভ কৰিছে, যি যুগান্তকাৰী প্ৰয়াস আৰম্ভ কৰিছে এই যুগান্তৰকাৰী প্ৰয়াসত এই কেইটা পদক্ষেপ সামৰি ললে মই ভাবো অনাগত দিনত ছাত্ৰ অৱস্থাৰ পৰা যুৱ সমাজৰ কাৰণে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীদিপ্লু ৰঞ্জণ শৰ্মা, (চামগুৰি)** ঃ মই আৰু কথা ক'ব বিচাৰিছো, যে আমেৰিকাত এটা ব্যৱস্থা আছে যে 1000 books before kindergarten. ৫ বছৰৰ আগতে এহাজাৰ কিতাপৰ লগত যুৱপ্ৰজন্মক জড়িত কৰে। আমি এনেকুৱা এটা অভ্যাস কৰি এল পি স্কুলৰ পৰা, হাই স্কুলৰ পৰা আৰম্ভ কৰি আমি এই ক্ষেত্ৰত এটা পদক্ষেপ লব পাৰো নেকি মই সেই বিষয়ে আপোনাৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়ালৈ মই এটা প্ৰস্তাৱ প্ৰেৰণ কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ শিক্ষামন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়াৰ আগতে মাননীয় পীযুষ হাজৰিকাই এটা ঘোষণা কৰিব বিচাৰিছে।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, যিটো water resource ৰ ৰিপ্লাই দি আছিলো মোৰ মনত পৰিলে, যে বানপানী যিহেতু অসমত প্ৰত্যেকবাৰ হয় আৰু বানপানী আমি আগতকৈ কমাবলৈ সক্ষমো হৈছো। আমাৰ হাতত porcupine geobag, E C bag আমাৰ বিভাগৰ হাতত ইতিমধ্যে এভেইলেবল থাকে। গতিকে মই বিধায়ক সকলক অনুৰোধ কৰিব খুজিছো কাৰোবাৰ নিজৰ নিজৰ সমষ্টিত যদি তৎক্ষনাত তেম্প'ৰাৰী কামৰ বাবে জিঅ' বেগ, porcupine geobag, E C bag লাগে তেনেহলে তেখেত সকলে আমাক যোগাযোগ কৰিব পাৰিব। আৰু এটা সৰুকৈ কথা কৈ থৈ দিও, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক এটা উপদেশ দিছিল যে আমাৰ অসমত যিমান মথাউৰি আছে ধৰি ললো প্ৰায় ৫৫০০ কি.মিটাৰ মথাউৰি আছে। তাত

আমি ১০ কি.মিটাৰত একোখন একোখন কমিটী গঠন কৰিম। পাব্লিক পাৰ্টিচিপেচন আমাৰ তাত কেইজনমান বিভাগৰ কৰ্মচাৰী থাকিব, দুৰ্যোগ বিভাগৰ কেইজনমান থাকিব আৰু আমাৰ স্থানীয় মানুহৰ অংশ গ্ৰহণ থাকিব, তেওঁলোকে সেই মথাউৰিটো চোৰাচিতা কৰিব। গতিকে এই ক্ষেত্ৰত আপোনালোকৰ পৰা পৰামৰ্শ ল'ম বুলি মই জনাই থলো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় শিক্ষামন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইটো কথা সত্য যে পাঠ্যপুথি কেইখনৰ দ্বাৰাই কোনো ছাত্ৰ-ছাত্ৰীয়ে সমসাময়িক সময়ত নিজৰ সমাজত, দেশৰ বিজ্ঞান আৰু প্ৰযুক্তি সকলো খিনি জ্ঞান আহৰণ কৰিব নোৱাৰে। তাৰ উপৰিঞ্চি কিতাপ প্ৰয়োজন হয় আৰু তাৰ কাৰণে প্ৰত্যেক বিদ্যালয়ত পুথি ভঁড়ালৰ প্ৰয়োজন। আৰু ইয়াৰ কাৰণে আমাৰ সমগ্ৰ শিক্ষাৰ অধীনত আমি এই বিদ্যালয় সমূহৰ পুথি ভঁড়ালৰ কাৰণে আমি পুথি যোগান ধৰি আহিছো। আমাৰ যি বাজেট আছে প্ৰতিখন প্ৰাথমিক বিদ্যালয়ৰ কাৰণে ৫ হাজাৰ টকা, উচ্চ প্ৰাথমিক বিদ্যালয়ৰ কাৰণে ১৩ হাজাৰ টকা, হাইস্কুলৰ কাৰণে ১৫ হাজাৰ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাৰণে ২০ হাজাৰ টকা। এতেকে এই বাজেটৰ অধীনত বিদ্যালয় সমূহত যি কিতাপ যোগান ধৰা হৈছে সেই কিতাপ সমূহ ছাত্ৰ-ছাত্ৰীৰ কাৰণে প্ৰয়োজনীয় কিতাপ, national book trust ৰ কিতাপ, অসম প্ৰকাশন পৰিষদ বা অসম শিশু সাহিত্য ন্যাসৰ পুস্তক আৰু ইয়াৰোপৰি যি বজাৰত উপলব্ধ ছাত্ৰ-ছাত্ৰীৰ কাৰণে প্ৰয়োজনীয় কিতাপ, এই কিতাপ সমূহ ক্ৰয় কৰি বিদ্যালয় সমূহত যোগান ধৰি অহা হৈছে। দ্বিতীয়তে, শেহতীয়াভাৱে যোৱা বছৰটোত আমি প্ৰায় ২৬০০ স্কুলত আমি ডিজিটেল লাইব্ৰেৰীৰ কাৰণে আমি ভৱন নিৰ্মাণ কৰিছো। দুই মাহৰ ভিতৰেত প্ৰায় ২৬০০ ভৱন খুব সফলতাৰে সম্পূৰ্ণ কৰিছো। মাননীয় বিধায়ক সকল, মন্ত্ৰী সকলে এই ভৱন সমূহ উদ্বোধন কৰিছে। এই লাইব্ৰেৰী সমূহ এতিয়া সুন্দৰ ভাৱে চলি আছে। বাহিৰা কিতাপ পঢ়াৰ কাৰণে যাতে ছাত্ৰ-ছাত্ৰীয়ে সময় পায় তাৰ কাৰণে যি খন একাডেমীক কেলেণ্ডাৰ সেই একাডেমীক কেলেণ্ডাৰ খনত এই নিৰ্দ্ধাৰিত কৰি দিয়া আছে যে প্ৰতিটো শ্ৰেণীৰ বাবে প্ৰতিটো সপ্তাহত দুটাকৈ লাইব্ৰেৰী আৱাৰ লাইবেৰী ক্লাছ দিয়া হয়। গতিকে মাননীয় বিধায়ক গৰাকীয়ে যি প্ৰস্তাৱ দিছে যে লাইব্ৰেৰী কিতাপ, লাইব্ৰেৰী আৱাৰ এটা ডেদিকেটেদ লাইব্ৰেৰী আৱাৰ দিব পৰা যায় নেকি, এই ব্যৱস্থাটো ইতিমধ্যে আমাৰ একাডেমীক কেলেণ্ডাৰত আছে যে প্ৰতিক্লাছৰ বাবে প্ৰতি সপ্তাহত দুটা ক্লাছ দুদিন লাইব্ৰেৰী আৱাৰ হিচাপে থাকে। কেইবছৰ মান আগত আমাৰ মাননীয় প্ৰধানমন্ত্ৰীৰ এটা বিশেষ আঁচনী পঢ়ে ভাৰত বঢ়ে ভাৰত আঁচনি ৰূপায়ণ কৰিছিলো। য'ত ১০০ দিন কিতাপ পঢ়াৰ কাৰণে নিৰ্দ্ধাৰণ কৰা হৈছিল আৰু ইয়াক এক অভিযানৰ ৰূপত বিদ্যালয় সমূহত আমি প্ৰয়োগ কৰিছিলো আৰু ইয়াৰ যথেষ্ট সুফল পাইছো আৰু এতিয়া এই বছৰটো যেতিয়া কিতাপৰ বৰ্ষ হিচাপে ঘোষণা কৰা হৈছে আমি এই বিধান সভা অধিবেশনৰ পাছতে আমি প্ৰকাশ কৰিম যে উপৰঞ্চিভাৱে এই কিতাপৰ বৰ্ষটো বিদ্যালয় সমূহত কেনেধৰণে ৰূপায়ণ হ'ব আৰু তাৰ কাৰণে পঢ়ে ভাৰত বঢ়ে ভাৰত আঁচনিৰ অনুৰূপ এক আঁচনি ৰাজ্যিক ভিত্তিত আমি গ্ৰহণ কৰিম যাতে আমি এই বছৰটোত ছাত্ৰ-ছাত্ৰী সকলক পুনৰ বাৰ কিতাপ পঢ়াৰ অভিযানৰ লগত বাহিৰা কিতাপ লাইব্ৰেৰী অধ্যয়ন কৰাৰ ক্ষেত্ৰত আমি সংগঠিত ভাৱে আমি যাতে তেওঁলোকক এটা অভিযান ৰূপত জড়িত কৰিব পাৰো তাৰ কাৰণে এটা কাৰ্যসূচী গ্ৰহণ কৰিম বাকী যি খিনি গুৰুত্বপূৰ্ণ মূল্যবান পৰামৰ্শ মাননীয় বিধায়ক গৰাকীয়ে আগবঢ়াইছে এই গোটেইখিনি শিক্ষা বিভাগে বিবেচনা কৰি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাত প্ৰক্ৰিয়া আৰু নিয়মাৱলী ৩০১ ৰ অধীনত ১৬ মাৰ্চ "অসমীয়া প্ৰতিদিন" কাকত প্ৰকাশিত "মেটেকাৰে ভৰিছে সৰুচলা - বৰচলা বিল"।

মাননীয় উপাধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীত কেইবাটাও বিল, অৰ্থাৎ জলাশয় আছে। এই জলাশয় কেইটাৰ ভিতৰত দুটা অন্যতম জলাশয় আছে, সেই দুটা হৈছে সৰুচলা বিল আৰু বৰচলা বিল। যি দুটা বিল অৰ্থাৎ জলাশয় আছে, এই জলাশয় দুটা যিটো সৰুচলা বিল আছে, এই বিলটোত গুৱাহাটীৰ আমবাৰী, ৰেলৱে কলনি, ফাঁচীবজাৰ, পাণবজাৰ, লাখটকীয়া, ছাত্ৰীবাৰী, এ টি ৰোড, টকৌবাৰী এই গোটেই অঞ্চলৰ পানীখিনি বিভিন্ন নলাৰে গৈ সৰুচলা বিলত পৰিছে। ঠিক তেনেকৈ, গুৱাহাটী ক্লাৱ, শিলপুখুৰী, চান্দমাৰী, নিউ গুৱাহাটী, শৰণীয়া, ৰাজগড়, এই গোটেই পানীখিনি অসমীয়া প্ৰতিদিন কাকতৰ কাৰ্য্যালয়ৰ সন্মুখৰে থকা ৰেল লাইনৰ কাষৰ নলাৰে পল্টন বজাৰৰ নামঘৰ মাজেৰে, পল্টন বজাৰ নেপালী মন্দিৰেৰে বৰচলা বিলত পৰিছে।

গতিকে এই জলাশয় দুটাত গুৱাহাটীৰ বিভিন্ন ঠাইৰ পানী নলাৰে গৈ বৰচলা আৰু সৰুচলা বিলত পৰিছে, এই দুটা আমি reservoir বুলি ক'ব পাৰো। এতিয়া এই যি দুটা বিল আছে, এই বিল দুটা আজি ইমান বছৰে অৱশ্যে ইয়াৰ দায়িত্ব মাননীয় মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই নতুনকৈ পাইছে, গতিকে তেখেতক মই অৱগত কৰিব বিচাৰিছো যে সৰুচলা আৰু বৰচলা আজিলৈকে পৰিস্কাৰ কৰা নহ'ল। সেই বিল দুখন বোকা আৰু মেটেকাৰে পৰিপূৰ্ণ হৈ আছে। তাৰ ফলত সৰুচলা বিলৰ পানীখিনি গৈ ভৰলুত পৰিছে আৰু বৰচলা বিলৰ পানীও আঠগাঁও কৱৰস্থানৰে গৈ ভৰলুত পৰিছে। এতিয়া গুৱাহাটীৰ বিভিন্ন অঞ্চলত থকা বাসিন্দা সকলৰ গোটেই পানী আৱৰ্জনা আজি এই বিলত পৰিছে। গতিকে এই বিল দুটা প্ৰথমতে মেটেকা আৰু বোকাখিনি পৰিস্কাৰ কৰিব লাগে। এই বিল দুটা পৰিস্কাৰ কৰিলে, অঞ্চলসমূহ যে কৃত্ৰিম বানপানী হৈ আছে, তাৰ কাৰণ কি, source কি, সেইটো উৎঘাটন কৰিব লাগে। কাৰণ বোকা আৰু মেটেকাৰে পৰিপূৰ্ণ হোৱাৰ পিছত যেতিয়া নলাৰে পানী যায়, সেই পানীয়ে দমৰ সৃষ্টি কৰে আৰু তাৰ কাৰণে কৃত্ৰিম বানপানীৰ অৱস্থাৰ সৃষ্টি হয়।

এতিয়া এই যে আৱৰ্জনা, পানী নলাৰে গৈ বৰচলা আৰু সৰুচলা বিলত পৰিছে। ইয়াৰ বাবে আজি বহু বছৰ আগতে Sewage Treatment Plant কৰা হৈছিল। এতিয়া Sewage Treatment Plant যিটো কৰা হৈছিল, এটা PIL Case মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত কৰা হৈছিল আৰু মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে ২০২৪ চনৰ আক্টোবৰত সম্পূৰ্ণ কৰিব দিয়া হৈছিল।

(Md. Aminul Islam on the Chair)

মাননীয় সভাপতি মহোদয়, আজিলৈকে Sewage Treatment Plant সম্পূৰ্ণ নহ'ল, এতিয়াও কাম চলি আছে। গতিকে Sewage Treatment Plant ৰ pilot project লোৱা হৈছে, সেইটো সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু ঠিক তেনেকৈ বিল দুটা এতিয়া সম্পূৰ্ণভাৱে প্ৰদুষিত হৈছে। গতিকে প্ৰদুষণ মুক্ত কৰাৰ কাৰণে Sewage Treatment Plant টো অত্যন্ত জৰুৰী।

দ্বিতীয়তে, বিল দুটাত যি বোকা, মেটেকা আছে, এই বিলাক পৰিস্কাৰ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু তাৰ লগে লগে গুৱাহাটীৰ মাজ মজিয়াত wet land দুটা আছে,

তাৰ beautification ৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে, যাতে water sports, boat sports এনেকৈ দি beautification ৰ কাম কৰা যায়, তেতিয়াহ'লে আমি ভাৱো যে সেই বিল দুটা আমাৰ কাৰণে এতিয়া যদিও নকৰপুঞ্জ হৈ আছে, যদি এনেধৰণে কাম কৰে, তেতিয়া হলে এইটো আমাৰ স্বৰ্গলৈ পৰিণত কৰিব পৰা অৱস্থাত আছে।

গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এবাৰ তালকৈ যোৱাৰ কাৰণে মই অনুৰোধ জনাইছোঁ। দুয়োট wet land য়ে তেখেতে চাওঁক, বিল দুটা ২০০১ চনতে wet land হিচাপে ঘোষণা কৰিছে ৰাজ্য চৰকাৰে, সেইটো প্ৰদুষণ মুক্ত কৰাৰ লগতে সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে আৰু গুৱাহাটীত কৃত্ৰিম বানপানীও ইয়াৰ পৰা পৰিত্ৰাণ পোৱাব লাগে। beautification ৰ কাৰণে তেখেতে এই ক্ষেত্ৰত এটা master plan কৰি আজি নহলেও পৰবৰ্তী সময়ত কৰাৰ ব্যৱস্থা কৰিব লাগে।

**মঃ আমিনুল ইছলাম, (সভাপতি)** ঃ ধন্যবাদ। এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (গৃহ আৰু নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় সভাপতি মহোদয়, সন্মানীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰয়ণ কলিতা ডাঙৰীয়াই Rule 301 ৰ অধীনত অসমীয়া প্ৰতিদিন কাকতৰ এটা বাতৰি দৃষ্টি আকৰ্ষণ কৰিছে যে "মেটেকাৰে ভৰিছে সৰুচলা - বৰচলা বিল"। নিশ্চয়কৈ এটা অত্যন্ত গুৰুত্বপূৰ্ণ কথা। কাৰণ সৰুচলা আৰু বৰচলা এই দুয়োটা বিলেই গুৱাহাটীৰ একেবাৰে মধ্য অংশ এটাৰ পানী reservoir ৰ দৰে আৰু সেই বৃহৎ অঞ্চলৰ পানী সৰুচলা আৰু বৰচলা বিলত পৰি তাৰ পিছত ভৰলু নদীৰে ব্ৰহ্মপুত্ৰ নদীলৈ যায়। গতিকে এই বিলসমূহ যদি সঠিকভাৱে চাফ-চিকুন হৈ নাথাকে, সঁচাকৈ পানীটো বেছি হ'ব আৰু কৃত্ৰিম বানপানী বা বানপানীৰ সমস্যাটো বৃদ্ধি হ'ব। সেই কথাটো আগত ৰাখিয়ে সৰুচলা আৰু বৰচলা বিল সময়ে সময়ে GMDA য়ে ইয়াৰ চাফ-চিকুনৰ কাম কৰি থাকে। মই তেখেতক জনাবলৈ পাই সুখী যে ২০২৪ চনৰ আগষ্ট মাহৰ পৰা সৰুচলা বিলৰ চাফ-চিকুনৰ কাম কৰি আছে আৰু এই মাৰ্চ মাহলৈকে ৭৫ শতাংশ কাম সম্পূৰ্ণ হোৱা বুলি মোক জনাইছে। প্ৰায় ১.৪৮ কোটি টকা ব্যয়ৰে এই সৰুচলা বিলৰ চাফ-চিকুনৰ কাম চলি আছে। মই তেখেতৰ জ্ঞাতাৰ্থে কাম কৰা আগৰ আৰু ৭৫ শতাংশ সম্পূৰ্ণ হোৱাৰ পিছত কি পৰ্য্যায় পাইছে, তাৰ ফটো মোৰ ওচৰত আছে, মই আপোনাৰ জৰিয়তে তেখেতক ফটো খিনি দি দিম। গতিকে সৰুচলা বিলত ৭৫ শতাংশ কাম হৈছে আৰু বাকীখিনি কাম চলি আছে। গতিকে মই ভাৱো যে সম্পূৰ্ণ মেটেকা চাফা কৰাৰ কাম চলি আছে আৰু এপ্ৰিল মাহৰ ভিতৰত বা মে মাহৰ আগে আগে আমি গোটেইখিনি কাম কৰিব পাৰিম বুলি আশা ৰাখিছো। যিহেতু মেটেকা প্ৰতিবছৰে আহি থাকে, চাফা কৰি থাকিব লাগে।

দ্বিতীয়তে, বৰচলা বিলৰ ক্ষেত্ৰত আমি চাফ - চিকুনৰ কাৰণে নিবিদা আহ্বান কৰিছিলো আৰু সেই অনুসৰি ১৩-০৩-২০২৫ তাৰিখে নিদিবা দিয়া হৈছে আৰু এই নিবিদাৰ অন্তিম তাৰিখ হ'ল ০৩-০৪-২০২৫। ইয়াৰ কাৰণে আমি ৮৬.৫৮ লাখ টকা ৰাখিছো। এইখিনি টকাৰে আমি বৰচলা বিলৰ পৰিস্কাৰৰ কামটো কৰিব পাৰিম। গতিকে এপ্ৰিল মাহত নিবিদা উঠোৱাৰ লগে লগে কামৰ আৱন্টন দি আমি এই কামখিনি কৰাৰ চেষ্টা কৰিম। সৰুচলা আৰু বৰচলা বিলত মেটেকা পৰিস্কাৰ কৰাৰ যিটো কাম, দুয়োটাতে আমি খুব সোনকালে আৰু তীব্ৰতৰ কৰাৰ চেষ্টা কৰিম। সৰুচলা বিলত ৭৫ শতাংশ কাম হৈছে, বৰচলা বিলত কাম আৰম্ভ হোৱা নাই।

তাৰ লগে লগে, যিটো আমাৰ GMDA ৰ 2 MLD Sewage Treatment Plant, ইতিমধ্যে মই যিখিনি তথ্য পাইছো, ৫.৩৭ কোটি টকা ব্যয়ৰে এইটো আমি পাইলট প্ৰকল্প কৰিছিলো

আৰু প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈছে। ইয়াৰ trial run চলি আছে। মই তেখেতৰ জ্ঞাতাৰ্থে ক'ব খোজো যে মই ইতিমধ্যে আমাৰ বিভাগক নিৰ্দেশ দিছিলো যে অকল উত্তৰ দিলে নহ'ব, geo-tagged photo পঠিয়াব লাগে, কাৰণ ইয়াৰ আগৰবাৰ উত্তৰ দিয়াৰ সময়ত তেখেতে কলে যে practically কামটো চলা নাই বুলি। যোৱা ২২ তাৰিখৰ ফটো তেওঁলোকে geo-tagged কৰি পঠিয়াইছে। গতিকে ফটোত যিটো দেখিছো সুন্দৰভাৱে চলি আছে, pilot run চলি আছে বুলি কৈছে।

লগতে সন্মানীয় সদস্য গৰাকীয়ে অনুৰোধ কৰিছে যে সৰুচলা আৰু বৰচলা বিল দুটা পৰিদৰ্শন কৰি আহিব লাগে। মই তেখেতক ক'ব খোজে যে মই যিহেতু বি বৰুৱাত পঢ়ি থাকোতে বহুদিন hostel ত আছিলো, গতিকে মই সৰুচলা আৰু বৰচলা বিল দুটা ভালদৰে জানো আৰু প্ৰায়ে গৈ থাকো। এতিয়াও সেই ফালৰে অহা যোৱা কৰিলে চকুত পৰি থাকে। কেতিয়াবা আকৌ সন্মানীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা দেৱৰ লগত একেলগে গৈ বিল দুটা চাই আহিম। মই ভাৱো যে 2 MLD ৰ যিটো Sewage Treatment Plant, সেইটো trial run চলি আছে। **ট্ৰায়েল ৰান হোৱাৰ পিচতে এইটো সম্পূৰ্ণ কাৰ্য্যক্ষম হৈ উঠিব। যি কোম্পানীয়ে কাম কৰিছে, তেওঁলোকে কি ধৰনে কাম কৰি আছে, বা কিবা বিসংগতি আছে নেকি, সেইটো চাবলৈ ট্ৰায়েল ৰান কৰি আছে । গতিকে তাৰো ফটো আমি চাইছো যে , ঠিকে আছে । মই মাননীয় ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াক লগত লৈ কিছুদিন পিচত এবাৰ চাবলৈ যাম । ৰমেনদাই যোৱা বিধানসভা বিলাকত যিধৰনে দীপৰ বিল, সৰুচলা বিল, বৰচলা বিল উন্নতিৰ কাৰনে বা ডেভল'পমেন্টৰ কাৰণে যিধৰনে লাগি আছে আমি সকলোৱে তেখেতক ধন্যবাদ দিব লাগিব । বিভিন্ন উপায়ে এই বিলবিলাক কেনেকৈ ডেভ'ল'প কৰিব লাগে আমি তেখেতৰ পৰামৰ্শ লৈয়েই থাকো । গতিকে তেখেতে দীপৰ বিল, সৰুচলা বিল, শিলসাঁকো বিলকে ধৰি খুব সুন্দৰভাৱে এই গুৰুত্বপূৰ্ণ বিষয়বিলাক সদনৰ মজিয়াত আনি সচেতনতা আনে আৰু ময়ো ভাল যে তেখেতৰ সচেতনতাৰ কাৰণে আমাৰো কাম কৰাত আগ্ৰহ বৃদ্ধি হয় । গতিকে মই তেখেতকো ধন্যবাদ জ্ঞাপন কৰিছো ।**

**মঃ আমিনুল ইছলাম, (সভাপতি) ঃ** ধন্যবাদ ...।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা, (পশ্চিম গুৱাহাটী) ঃ** সভাপতি মহোদয়, মই অনুৰোধ কৰিব বিচাৰিছো, **সেইটো ৰৈ গৈছে যে, যিটো নলাৰে পানী পৰে আৰু যিটো নলাৰে ওলাই যায় সেইখিনিত অলপ এনকোৰ্ছমেন্ট হৈছে । আৰু তাৰে ওচৰত বিলটো লাহে লাহে - বেদখল হৈ আছে , সেই খিনিও যাতে লগে লগে কৰে, মই কোৱা নাই যে, গোটেইখিনিকে এভিকশ্যন কৰক । কিন্তু বিলখন সংৰক্ষন কৰাৰ কাৰণে মুখকেইটা অলপ যদি ক্লিয়েৰ কৰে আৰু যদি বিলৰ ওচৰৰখিনিক অলপ উচ্ছেদ কৰে তেতিয়া ভাল হ'ব ।**

**মঃ আমিনুল ইছলাম, (সভাপতি) ঃ আচলতে গুৱাহাটীৰ বানপানীটো এটা ডাঙৰ সমস্যা । আৰু এই ডাঙৰ সমস্যাটো সমাধান কৰাৰ কাৰণে যদি ৱাটাৰ ৰিজাৰ্ভ নাথাকে আৰু পানী ওলাই যোৱা ৰাস্তাটোত যদি এনকোৰ্ছমেন্ট হয়, আপুনি জইন্টলী এটা ভিজিট কৰি এটা সমাধান উলিয়াই ল'ব।**

**শ্ৰীজয়ন্তমল্ল বৰুৱা, (মন্ত্ৰী, গুৱাহাটী উন্নয়ন ইত্যাদি) ঃ মাননীয় সভাপতি মহোদয়, তেখেতে যিটো কৈছে যে, এনকোৰ্ছমেন্টৰ সমস্যাটো গুৱাহাটীত গোটেইকেইটা বিলতে আছে । ইতিমধ্যে আমি শিলসাঁকোত এই ধৰণৰ যি অবৈধ দখল আছিলে এই খিনি সম্পূৰ্ণ মুক্ত কৰাৰ চেষ্টা**

**কৰিছো আৰু অন্যান্য যিখিনি বিল আছে - সৰুচলা , বৰচলা বিল এইখিনিতো যিখিনি এনকোৰ্ছমেন্ট আছে আমি বেদখলমুক্ত কৰিম । যিটো সভাপতি ডাঙৰীয়াই কৈছে যে, আমাৰ ৰিজাৰ্ভাৰ সমূহ যিটো কথা কৈছে - এতিয়া আমি প্ৰায় ৮০০ বিঘা মাটিত এটা ডাঙৰ ৰিজাৰ্ভাৰ শিলসাঁকোত বনাই আছো , ঠিক তেনেধৰনৰ উলুবাৰী এগ্ৰিকালচাৰ অফিচৰ - কাষত আমাৰ বিভিন্ন বিভাগৰ মাটি আছে, তাতো তেনেধৰণৰ এটা ৰিজাৰ্ভাৰ বনোৱাৰ কাৰনে আমি ইতিমধ্যে পৰিকল্পনা কৰি কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াইছো । আমাৰ যিটো শিলসাঁকো বিল আছে তাৰ বাবে হয়তো এটা ভাল পুঁজি আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা এই কেইদিনৰ ভিতৰতে পাম। গতিকে মই ভাবো যে এই যিটো ৪ টা বিল সৰুচলা , বৰচলা , উলুবাৰী এগ্ৰিকালচাৰৰ কাষত ৰিজাৰ্ভাৰ আৰু শিলসাঁকো আৰু তাৰ লগতে দীপৰ বিল এই গোটেইখিনি ৰিজাৰ্ভাৰৰ কাম যদি আমি আগবঢ়াই লৈ যাব পাৰো তেন্তে আমি নিশ্চয় এটা ফলপ্ৰসু সমাধান পাম । তাৰ লগে লগে আমাৰ যিটো নতুনকৈ বৰাগাওঁত গাৰবেজ ট্ৰীটমেন্ট প্লেন্ট চলি আছিল আৰু য'ত আমাৰ ডাম্পিং গ্ৰাউণ্ড আছিল, সেইখন এতিয়া মুক্ত খেল পথাৰলৈ পৰিনত হৈছে । তাত কাম চলি আছে আৰু এই অঞ্চলৰ কাষতে আমি টি ডি আৰ - পলিচিৰ দ্বাৰা কাম চলিছে । মই ৰাইজক আহ্বান জনাইছো যে, তেওঁলোকে যাতে টি ডি আৰ পলিচিৰ বেনিফিট লয় । আমাক সেই মাটিখিনি দিয়ক যাতে তাতে আমি এটা ডাঙৰ ৰিজাৰ্ভাৰ কৰিব পাৰো । সেই ৰিজাৰ্ভাৰবিলাক কৰিলে আচলতে গুৱাহাটীৰ বানপানীৰ সমস্যাটো সমাধান কৰিব পৰা যাব ।**

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ — এতিয়া সুজাম উদ্দিন লস্কৰ ।

**শ্রী সুজাম উদ্দিন লস্কর, (কাটলীচেড়া)ঃ-** মাননীয় সভাপতি মহোদয়, রুল ৩০১ এর মাধ্যমে এই গুরুত্বপূর্ণ বিষয় উত্থাপন করার সুযোগ দেওয়ার জন্য আপনাকে অশেষ ধন্যবাদ জানাই। দৈনিক সাময়িক প্রসঙ্গে প্রকাশিত "বোয়ালিপাড় জিপিতে প্রধানমন্ত্রী আবাস যোজনার তালিকা তৈরিতে অনিয়মের অভিযোগ"হাইলাকান্দি, ১২ মার্চ। হাইলাকান্দির উন্নয়ন খণ্ডের অন্তর্গত বোয়ালিপাড় গ্রাম পঞ্চায়েতে প্রধানমন্ত্রী আবাস যোজনার সুবিধা ভোগীদের তালিকা তৈরিতে ব্যাপক অনিয়মের অভিযোগ উঠেছে। স্থানীয় গরীব ও অসহায় মানুষকে বঞ্চিত করে এই প্রকল্পের সুবিধা ধনী পরিবারের হাতে তুলে দেওয়া হয়েছে বলে অভিযোগ করেছেন এলাকাবাসী। এই ইস্যুতে গোটা গ্রাম উত্তাল হয়ে উঠেছে এবং ক্ষুব্দ জনগন হাইলাকান্দি জেলা কমিশনার ও জেলা পরিষদের মূখ্য কার্য্যবাহী আধিকারিকের কাছে লিখিত অভিযোগ দায়ের করেছেন।

মাননীয় সভাপতি মহাশয়,এই প্রধানমন্ত্রী আবাস যোজনা প্রকল্পটি সমগ্র ভারতের মধ্যে বা আসামের মধ্যে সবচেয়ে গরীব অসহায় বিপিএল শ্রেণীর মানুষের জন্য খুব ভালে প্রকল্প। যেখানে বোয়ালিপাড় জিপি হাইলাকান্দি ডেভেলপমেন্ট ব্লকের আন্ডারে সেই গাঁও পঞ্চায়েতের ২৫০টি ঘর নির্ধারিত হয়েছে। কিন্তু হওয়া সত্বেও যে তালিকা তৈরি হয়েছিল সেই তালিকা আর বর্তমান তালিকার কোন মিল নেই। দুটো তালিকা আমি নিজে আমাদের জেলাধিপতি, জেলা পরিষদের সি.ও, বিডিও তিনজনকে আমি নিজে দিয়েছি। যে সেটা তদন্ত করে কিভাবে সেই তালিকাটি বদল হয়েছে। বিভিন্ন এনজিও, সংস্থা আন্দোলন করছে,আপত্তি আসছে যে গরীব অসহায় মানুষ ছেড়ে ধনী মানুষের নাম উপরে নেওয়া হয়েছে। যে প্রায়োরিটি বেসিসে তালিকা তৈরি হয় নিয়ম আছে ওদের একটি মার্কেট সিস্টেম আছে যখন জিপিসি তালিকা করে। সমগ্র জিপি জনসাধারণরা বলছে যে উৎকোচের মাধ্যমে সেটা ওলট পালট করা হয়েছে। এত ভালো একটা স্কিম। গত বছর এই গাঁও পঞ্চায়েতে আমার জেলার মধ্যে প্রবল ঘুর্ণিঝড় শিলাবৃষ্টি হয়েছিল যার দরুন আমি নিজে

অসহায় পরিবারদের পাশে দাঁড়িয়ে প্রায় ত্রিশ পঁয়ত্রিশটি পরিবারকে পলিথিন বিতরণ করেছি। যৎসামান্য যা পেরেছি সাহায্য করেছি। এদের নাম এই তালিকায় নেই। তাই সভাপতির মাধ্যমে আমি মন্ত্রী মহোদয়কে অনুরোধ রাখছি যে স্টেট লেভ্যাল একটি এনকুয়ারি দিয়ে বের করা হোক যে কিভাবে এই লিস্ট ওলট পালট হয়েছে। প্রায়োরিটি হিসাবে যে বিপিএল শ্রেণীর মানুষরা পাবে অসহায় যাদের ঘর নেই। আর যাদের ঘরের ব্যবস্থা আছে ওরাও যদি পায় আমার আপত্তি নেই কিন্তু প্রথমে গরীব অসহায়রা যাতে পায় আমার অনুরোধ থাকল। আর সেটা অতিসত্বর আমার জেলাতে ৬২টি গাঁও পঞ্চায়েত আছে ৫টি ডেভেলপমেন্ট ব্লক আছে কিছু কিছু জিপিতে আরো কমপ্লেন আসছে যে এরকম হচ্ছে। একটি জায়গায় যদি তদন্ত করে মেইন জিনিষটি বেরিয়ে আসে যে কিভাবে এই লিস্টের আবার ওলট পালট করে উপর নীচ করা হচ্ছে। তাই আমি মন্ত্রী মহোদয়ের কাছে অনুরোধ রাখছি যে একটা ঘোষনা দেবেন কমিশনার লেভ্যালে,জেলাধিপতি লেভ্যালে যে সপ্তাহের ভিতরে এটার যেন চূড়ান্ত সিদ্ধান্ত হয়।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক শ্ৰীসুজাম উদ্দিন লস্কৰ ডাঙৰীয়াই যি অভিযোগ আনিছে, এই অভিযোগটো আচলতে গুৰুতৰ অভিযোগ। কাৰণ কিয় আমাৰ দেশৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ আশীৰ্বাদত যিসময়ত আমাৰ ২৪ লাখ ঘৰৰ কাম চলি আছে আৰু মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ কৰ্ম-সংস্কৃতিৰ আধাৰত ইতিমধ্যে প্ৰায় ২০ লাখ ঘৰ সম্পূৰ্ণ কৰিছো। এনেকুৰা ধৰণৰ অভিযোগ পূৰ্বতে আমি যিটো শুনি আহিছিলো, specific ভাবে নিশ্চিত ৰূপত তেখেতে কৈছে দুখন লিষ্ট বেলেগ বেলেগ যে ইয়াত থকা লিষ্ট বেলেগ, ইয়াত তাত থকা লিষ্ট বেলেগ। যাৰ কাৰণে এই বিষয়টো বাতৰি কাকতত দৃষ্টি আকৰ্ষণ কৰিছিল। বোয়ালিপাৰ জিপিত প্ৰধান মন্ত্ৰী আৱাস গৃহ যোজনা তালিকা অনিয়মৰ অভিযোগ এই যিটো অনিয়মৰ কথা কৈছে সাধাৰণতে যি তালিকা ২০১১ চনত প্ৰস্তুত কৰা হৈছিল, সেই তালিকা কৰা মানুহৰ নাম drop কৰিব নোৱাৰে। যদি হয়, মানুহজন পকীঘৰত থাকে, তেতিয়াহ'লে drop কৰিব পাৰিব। তাকো সেইটো অফিচাৰে পাৰিব কোনো ধৰণৰ নিজা এইবিলাক কৰে। GP Secretary হওঁক বা স্থানীয়ভাৱে কৰিব নোৱাৰে আৰু কৰিবলৈ হ'লে গাওঁসভা পাতিব লাগিব। কিন্তু গাওঁসভা নপতাকৈ মাননীয় বিধায়ক শ্ৰীসুজাম উদ্দিন লস্কৰ ডাঙৰীয়াৰ যিটো অভিযোগ “যে বোয়ালিপাড় জিপিতে প্রধানমন্ত্রী আবাস যোজনা তালিকাতে অনিয়মের অভিযোগ।” গরীব মানুষের ঘর না দিয়ে ধনী মানুষের নাম ঢুকিয়ে দিচ্ছে। লিস্টে থাকার নাম ঢুকেছে না অন্যদিক থেকে ঢুকেছে। এই ব্যাপারে আপনি একটা কাজ করবেন আমি আপনাকে বললাম নিশ্চিত ভাবে আপনি এক সপ্তাহের ভিতরে একটি গাঁও সভা ডাকবেন আপনি নিজেও থাকবেন এই সভাতে। আমি সি.ও কে বলে দেব বি.ডি.ও কে বলে দেব যে গাঁও সভাতে উপস্থিত থাকতে আপনিও উপস্থিত থাকবেন। আমাদের জেলা পরিষদের হাইলাকান্দির সি.ও ওনার একটি লেটারে লিখেছেন নাম্বার ও দিয়েছেন ২০২৩/১৯৮ আমি আপানাকে কপিটি দিয়ে দেব এনকোয়ারির জন্য বলেছে। আমি এই লেটারে সন্তুষ্ট নই কারণ এনকোয়ারি কখন হবে,কখন কি হবে। এক মাসের ভিতরে যাতে এনকুয়ারি হয়। এই ব্যাপারে আজ আমি নির্দেশ দেব আর আপনিও এই ব্যাপারে ব্যবস্থা নেবেন। আমি মনে করি আগামী দিনে হাইলাকান্দি সমষ্টির এই সমস্যার সমাধান হবে। মাননীয় অধ্যক্ষ মহোদয়মাননীয় অধ্যক্ষ ডাঙৰীয়া, যদি সচিবদ্বয়ে যদি এনেকুৰা কৰিছে, নিশ্চিত ৰূপত তেখেতৰ ওপৰত আৰু বিহীত ব্যৱস্থা ল'ম বুলি আজি সদনৰ মজিয়াত কথা দিলো।

**শ্রী সুজাম উদ্দিন লস্কর, (কাটলিছেড়া)ঃ-** আমি মন্ত্রী মহোদয়কে ধন্যবাদ জানাই সুন্দর ডিসিশন দিয়েছেন।

**অধ্যক্ষঃ-** এবং খুব ভালো বাংলায় বলেছেন।

Item No. 5 Hon'ble Parliamentary Affairs Minister on behalf of Chief Minister.

**শ্রীচন্দ্রমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ Transformation and Development Department ৰ ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনখনসদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ Item No.6 Hon'ble Parliamentary Affairs Minister.

**শ্রী চন্দ্রমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ স্থানীয় নিকায়ৰ সন্দৰ্ভত ২০২১-২২ ৰ পৰা ২০২২-২৩ বৰ্ষৰ বাবে অসম চৰকাৰৰ ২০২৪ বৰ্ষৰ প্ৰতিবেদন নম্বৰ -৬ খন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ Item No. 7. শ্ৰী নুৰুল হুদা।

**শ্রীনুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা হিচাপ সমূহৰ সমিতি আৰু অন্যান্য কৰি ১৮৯, ১৯০, ১৯১ আৰু ১৯২ তম্ প্ৰতিবেদন কেইখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ Item No.8. শ্ৰী তেৰছ গোৱালা, দুলীয়াজান।

**শ্রী তেৰছ গোৱালা, (দুলীয়াজান)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ আবেদন সমূহৰ সমিতিৰ ৫১ তম্ প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ Item No.9. শ্ৰীচক্ৰধৰ গগৈ।

**শ্রীচক্ৰধৰ গগৈ, (মৰাণ)** ঃ সন্মানীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ স্থানীয় নিকায় সমূহৰ হিচাপ সমিতিৰ ১১ আৰু ১২ নং প্ৰতিবেদন দুখন সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ Item No.10 . শ্ৰী সুশান্ত বৰগোঁহাই।

**শ্রী সুশান্ত বৰগোঁহাই, (থাওৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ আশ্বাস সমূহৰ সমিতিৰ ৫৯ তম্ প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ Item No.11. "The Assam Coaching Institutes (Control and Regulation) Bill, 2025, Hon'ble Minister.

**শ্রী ৰণোজ পেগু, (শিক্ষা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Coaching Institutes (Control and Regulation) Bill, 2025, বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰস্তাৱটো হ'ল, "The Assam Coaching Institutes (Control and Regulation) Bill, 2025 খন বিবেচনাৰ বাবে লোৱা হওঁক। যিসকলে সপক্ষে আছে কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক নহয় মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া আলোচনা। Hon'ble Members মই সকলোকে জনাইছো কোনেও মোক নাম দিয়া নাই। কিন্তু এই বিলখন সেইদিনা আমি চৰ্চা কৰিম বুলি লোৱা হৈছিল আৰু যোৱাকালি written ত যোৱা কাৰণে Education Departement যিটো

লৈছিল, তাৰ কাৰণে আক্ষেপৰ কথাও কৈ আছে গতিকে এইটো Rule, Rule য়েই হয়। আজি যিহেতু শিক্ষা বিভাগৰ যিখন বিল coaching center ৰ আপোনালোকে শিক্ষা বিষয়ত তাৰ লগত কিবা যদি আছে, আজি সকলোৱে participate কৰিব পাৰিব আৰু সেই হিচাপে নামটো both side চৰকাৰী পক্ষক প্ৰশংসা কৰিব লাগিব চৰকাৰে লোৱা বিষয়টো। গতিকে প্ৰশংসা নকৰিলেতো সেইটো ভাল কথা নহ'ব। গতিকে কোনোবাই যদি কয়, Ruling আমাৰ party ত থকা treasury side থকা লোক সকলেও নামতো দিব লাগে যাতে আমি time টোত access কৰিব পাৰো। এতিয়া শ্ৰী আব্দুল ৰশিদ মণ্ডল ডাঙৰীয়া।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়াক অশেষ ধন্যবাদ জনাইছো। “The Assam Coaching Institutes (Control and Regulation) Bill, 2025 ইয়াৰ সংশোধনীৰ লগতে শিক্ষা বিভাগৰ ওপৰত কালি যি Cut Motion ত কবৰ বাবে আমাক যি সুযোগ দিলে পুনৰবাৰ ধন্যবাদ জনাইছো। প্ৰথমতে এই যিটো Coaching Instititues Bill খনত আমাৰ ফালৰ পৰা কেইবাটাও amemdment খিনি উল্লেখ কৰিছো যে Section-3 ত এটা amendment আছিল যে ৩০ দিনৰ ভিতৰত যিটো ৩০ ক আমি 90 Substitute কৰাৰ কাৰণে proposed কৰিছো আৰু Section -3 ৰ Sub-Section- 3 Sub-Clause এটা insert কৰাৰ কাৰণে proposed কৰিছো। Sub-Clause টো এনেকুৱা, The Number of access with maximum number of students for every curriculum. ইয়াতে দেখা গৈছে যে এই Act খনত কোনো base উল্লেখ নাই। অৰ্থাৎ যিমান student থাকিব, এটা base তে থাকিব যেন লাগিছে. যিখন bill আহিছে, bill ত এনেকুৱা হয় যে, এটা base ত student ৫০ তকৈ বেছি হ'লে অসুবিধা হ'ব পাৰে। যিহেতু এই বিলত বিভিন্ন ঠাইত এনেকুৱাকৈ আছে যে student কিমান হ'ব নোৱাৰিব। তাত যিটো উল্লেখ নাই সেই কাৰণে base উল্লেখ কৰিছো আৰু তেনেকুৱা এটা New Sub-Clause insert কৰাৰ কাৰণে propose কৰিছো। Section- 3 Sub-Clause-4 ত এটা amendment আনিছো ইয়াত আছে The tenure of registration certificate shall be for two years.আৰু এই two years ৰ ঠাইত আমি আমাৰ ফালৰ পৰা amendment proposed কৰিছো 5 years. Section-4 ত Regarding Condition to be fulfilled by the Coaching Instituts ইয়াত Section-4, Sub-section-1, clause-1 after the words Graduation in second line following words shall be inserted mainly from students up to Class X and Post Graduation students from Class XI, XII কাৰণ ইয়াত শিক্ষকৰ যিটো Qualification ৰ কথা Coaching Institute ৰ ক্ষেত্ৰত কোৱা হৈছে। কিন্তু হাইয়াৰ ছেকেণ্ডাৰী পাচ কৰাৰ পিছত Joint Entrance, Medical or Engineering Entrance ৰ preparation ৰ কাৰণে যিখিনি Coaching Institute থাকে, মই ভাৱো যে স্নাতক এজনে কেতিয়াওঁ উপযুক্ত হ'ব নোৱাৰে। দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ Coaching ৰ বাবে শিক্ষক সকল স্নাতক হ'ব আৰু একাদশ, দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে স্নাতকোত্তৰ হ'ব লাগে বুলি আমি ইয়াত insert কৰিবলৈ প্ৰপোজ কৰিছো। এইটো আছিল Sub-Clause-1. Sub-Clause-3 ইয়াত বয়স ১৬ বছৰ কৰা হৈছে। আমি বিধায়ক সকলে জানো যে কিছুমান ছাত্ৰ-ছাত্ৰীক আমি ঘৰুৱাভাৱে টিউশ্যন দিওঁ। ইয়াত যি বয়স ১৬ বছৰৰ তলৰ ল'ৰা-ছোৱালীয়ে নামভৰ্ত্তি কৰিব নোৱাৰে বুলি কৈছে। মই ভাৱো

যে আমি বহুতে আমাৰ ল'ৰা-ছোৱালীসকলক সময় দিব নোৱাৰো আৰু তাৰ বাবে তেওঁলোকক Coaching Institute দিওঁ। তেনেকুৱা ক্ষেত্ৰত এটা বাধা আহিলে অসুবিধা হ'ব। সেইকাৰণে আমি ১৬ বছৰটো প্ৰপোজ কৰিছো। ১৬ বছৰটো ১২ বছৰ কৰিবলৈ প্ৰপোজ কৰিছো আৰু ইয়াৰ ওপৰত এমেণ্ডমেণ্ট বিচাৰিছো। Section-6, Sub-section-2, Clause-D ইয়াত কোৱা হৈছে যে যি District Authority আছে, সেই Authority গঠনৰ ক্ষেত্ৰত One College Principal Member হিচাপে Propose কৰা হৈছে। জিলা এখনত বহু কলেজ থাকে আৰু তাৰ Senior most Principal জনক ইয়াত আমি এমেণ্ডমেণ্টত Propose কৰিছো। In Section-6, Sub-section-2, Clause-E, the word DC shall be substituted by the word District Authority, ইয়াত DC য়ে মেম্বাৰ নিয়োগ কৰাৰ যি Authority ৰাখিছে ইয়াত DC ক নকৈ District Authority ক দিয়াৰ কথা কৈছো। In Section-10, Sub-Section-3 Code of Conduct by the Coaching Institute ইয়াত বয়সৰ কথা আছে। এইটো পুনৰ কোৱা হৈছে। অৰ্থাৎ ১৬ বছৰৰ সলনি ১২ বছৰলৈ কৰাৰ বাবে প্ৰস্তাৱ কৰিছো। Inclusivity and Accessbility Section-12, আৰু Sub-Section-2 Marginalise Group ইয়াত উল্লেখ কৰা হৈছে। আমি বিশেষকৈ ক'ব বিচাৰিছো যে ST, SC, OBC, MOBC, Adivasi, EWS, Students of Char Areas, অৰ্থাৎ তেওঁলোকক Marginalise Group নকৈ word টো substitute কৰিবলৈ propose কৰিছো। Section-17 ত Penalty ৰ ক্ষেত্ৰত এক লাখ টকাৰ Penalty propose কৰিছে। ইয়াত Amendment কৰি দহ হাজাৰ টকালৈ আনিবলৈ Amendment আনিছো। In Section-19, Sub-Section-H, the word Chairman appearing in the first line shall be substituted by the word Appellate Authority. ইয়াত মেম্বাৰ opt কৰিবৰ কাৰণে Chairman ক Authority দিয়া হৈছিল। Chairman ক নিদি Chairman ৰ সলনি যিটো Appellate Authority ক কৰ্তৃত্ব দিয়াৰ কাৰণে প্ৰস্তাৱ ৰাখিছো। মাননীয় অধ্যক্ষ মহোদয়, কালি হেৰুওৱা সুযোগ আপুনি আজি পুনৰ দিয়াৰ কাৰণে ধন্যবাদ দিছো।........

**মাননীয় অধ্যক্ষ ঃ** হেৰুৱা সুযোগ বুলি নহয়,মই কৈছো যে শিক্ষাৰ ক্ষেত্ৰত আপোনালোকে কওঁক। কাৰণ আজি আমি আলোচনাৰ বাবে সময় লৈছো। আপোনালোকৰ আৰু বহুত বক্তা আছে, আপুনি অলপ চমুকৈ কওঁক।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, ( পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অতি চমুকৈ কম। আমাৰ ছেকেণ্ডাৰী এডুকেশ্যন প্ৰভিঞ্চিয়েলাইজেশ্যন এক্ট অসমত প্ৰযোজ্য হৈছিল ১৯৭৭ ত। তাৰ পিছত কিন্তু প্ৰভিঞ্চিয়েলাইজেশ্যনৰ কোনো আইন নাছিল। তাৰ পিছত ২০১১ চনত প্ৰথমবাৰৰ বাবে এই বিধান সভাত ভেঞ্চাৰ স্কুল প্ৰভিঞ্চিয়েলাইজেশ্যনৰ কাৰণে আইন পাচ কৰা হ'ল। যি আইন প্ৰথম বাৰৰ কাৰণে কিছুমান স্বৰ্তত আমাৰ অসমৰ নাগৰিকে আনকি আমাৰ বিধায়কসকলে জানো যে জানো যে স্কুল এখন প্ৰতিষ্ঠা কৰিবলৈ হ'লে আৰু তাত নিয়োজিত লোকসকলক প্ৰভিঞ্চিয়েলাইজ কৰিবলৈ হ'লে কেতিয়া হ'ব লাগিব, কেনেকৈ হ'ব লাগিব সেই কথাবোৰ প্ৰথম ২০১১ চনত চৰ্চিত হয়। কিন্তু সেই ২০১১ চনত চৰ্চিত আইনখন উচ্চ ন্যায়ালয়ে কিন্তু অসাংবিধানিক বুলি ক'লে। ইয়াৰ সাংবিধানিক বৈধতা নাই যাৰ বাবে হাইকোৰ্টে ছয় মাহৰ ভিতৰত আইন অনাৰ বাবে চৰকাৰক নিৰ্দ্দেশ দিছিল। ২০১৭ চনত আইন আহিল আৰু তাৰ

এমেণ্ডমেণ্ট ২০১৮ চনত আহিল। ২০১১ চনত প্ৰথম বাৰৰ বাবে এইখন আইন আহিছিল আৰু ২০০৬ চনক ভিত্তি বৰ্ষ হিচাপে লোৱা বুলি আমি সদায় কওঁ। আনকি বাজেটতো দেখা গৈছে যে মাননীয় বিত্তমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ে নিজৰ ভাষণত প্ৰভিঞ্চিয়েলাইজেশ্যন শিথিল কৰাৰ কথা কৈছে আৰু এই শিথিল যিহেতু কৰা হ'বই মই এই ক্ষেত্ৰত আবেদন কৰিছো যে ২০১৭ চনত পোন প্ৰথমা বাৰৰ যেতিয়া প্ৰাদেশিকীকৰণ এক্ট ইয়াত পাচ কৰা হয় সেই তাৰিখটোকেই ভিত্তি বছৰ হিচাপে লৈ সেই তাৰিখলৈকে যিমান কলেজ আৰু শিক্ষানুষ্ঠান স্থাপিত হৈছে আৰু তাত যিসকলৰ নিযুক্তি হৈছে তেওঁলোকক প্ৰাদেশীকিকৰণ কৰিব লাগে। সেই স্কুল-কলেজসমূহকো প্ৰাদেশীকিকৰণ কৰিব লাগে আৰু সেই স্কুল-কলেজসমূহত কাম কৰা শিক্ষক সকলকো প্ৰাদেশীকিকৰণ কৰিব লাগে। বহুতো প্ৰাদেশীকিকৰণ বিদ্যালয়ত শিক্ষক, অনাশিক্ষক হৈ আছে। তেওঁলোকৰ বিদ্যালয়খন প্ৰাদেশীকিকৰণৰ সময়ত উপযুক্ত অৰ্হতা নাছিল আৰু তেওঁলোকক পি এইছ ডি বা প্ৰফেশ্যনেল ডিগ্ৰী লোৱাৰ বাবে পাঁচ বছৰ সময় দিয়া হৈছিল। পাঁচ বছৰৰ পিছতো সেই উপযুক্ত অৰ্হতা অহাৰ পিছত তেওঁলোকৰ চাকৰি এতিয়াও প্ৰাদেশীকিকৰণ হোৱা নাই। তেওঁলোক টিউটৰ হৈয়েই আছে। কৰবাত প্ৰিঞ্চিপাল, শিক্ষক, গ্ৰন্থাগাৰিক ও টিউটৰ হিচাপে আছে। তেওঁলোকক টিউটৰৰ পৰা আপগ্ৰেড কৰিব লাগে। বহু Non-teaching staff ও তেনেকুৱাকৈ তেওঁলোকৰ চাকৰি প্ৰাদেশীকিকৰণ হ'ল। তেওঁলোকৰ শিক্ষানুষ্ঠানটো প্ৰাদেশীকিকৰণ হ'ল আৰু তেওঁলোকক টিউটৰ হিচাপে ৰখা হ'ল। কিন্তু তেওঁলোকৰ চাকৰিবোৰ নিয়মীয়াকৰণ নহ'ল। আমাৰ পৰামৰ্শ হ'ল যে এই প্ৰাদেশীকিকৰণ চাকৰিয়াল সকলৰ চাকৰি টিউটৰৰ পৰা নিয়মীয়াকৰণ কৰিব লাগে। যাতে তেওঁলোকে পেঞ্চনৰ সুবিধা পায়। আমি আৰু এটা অসুবিধা দেখিবলৈ পাইছিলো যে প্ৰাদেশীকিকৰণৰ সময়ত টিউটৰৰ পদসমূহ Ex-cader post আৰু personal post হিচাপে চেংশ্যন কৰা হৈছিল। যাৰ কাৰণে সেই মানুহখিনি অৱসৰত যোৱাৰ লগে লগে এই সকলোখিনি পোষ্ট abolish হৈ যাব। আমাৰ যিহেতু নাম ভৰ্ত্তিৰ হাৰ বাঢ়ি আছে, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি আছে, তেনে ক্ষেত্ৰত পোষ্টবোৰ abolish হ'লে অসুবিধা হ'ব। নতুনকৈ পুনৰ পোষ্ট ক্ৰিয়েট কৰাতকৈ এই পোষ্টখিনি continue কৰিব লাগে। এই পদসমূহ Ex-cader post ৰ পৰা In-cader post কৰিব লাগে। Ex-cader post ৰ দ্বাৰা সমস্যাৰ সমাধান নহয়। ২০১৮ চনৰ এক্ট অনুসৰি যিসমূহ শিক্ষানুষ্ঠান আৰু মাদ্ৰাছা স্থাপিত হৈছিল, সেই সমূহক বিদ্যালয়লৈ কনভাৰ্ট কৰা হ'ল। তেওঁলোকৰ অৰ্হতা আছে। ২০১১ চনৰ এক্ট অনুসৰি যিসকলৰ প্ৰদেশীকিৰণৰ কাৰণে অৰ্হতা আছে, কিন্তু ২০১৭ চনত চৰকাৰে মাদ্ৰাছা নাথাকে বুলি কোৱাৰ কাৰণে converted মাদ্ৰাছা সমূহৰ streaming বন্ধ কৰিলে। ৰিপিলিং এক্ট অহাৰ কাৰণে এই মাদ্ৰাছাসমূহ এতিয়াও ভেঞ্চাৰ স্কুল হিচাপে আছে। Non Govt. Educational Institution এক্টৰ অধীনত এই বে-চৰকাৰী শিক্ষানুষ্ঠানসমূহক ঠেলি দিয়াৰ যুক্তিযুক্ততা নাই। এই আইন অহাৰ আগতে এই প্ৰাদেশীকিকৰণ এক্টৰ অধীনত এই মাদ্ৰাছা সমূহ ক'ভাৰ কৰিছে। দেখা গৈছে যে নতুনকৈ স্থাপিত প'লিটেকনিক আৰু ইঞ্জিনিয়াৰিং কলেজৰ প্ৰৱক্তাসকলক সেই সময়ত ঠিকা ভিত্তিক চাকৰি দিয়া হৈছিল। সেই সময়ত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে তেওঁলোকৰ চাকৰিৰ সময়তে ঠিকাভিত্তিক আছিল। কিন্তু আমাৰ আৰু চৰকাৰৰ তেওঁলোকক প্ৰয়োজন আছিল। আমাৰ বিপদৰ সময়ত যিখিনি মানুহৰ দ্বাৰা আমি বিপদৰ পৰা উদ্ধাৰ হ'লো তেওঁলোকে সেই সময়ত চাকৰিত যোগদান নকৰিলে এই নতুনকৈ স্থাপন হোৱা প'লিটেকনিক আৰু ইঞ্জিনিয়াৰিং

কলেজসমূহ নহ'লহেঁতেন। তেওঁলোকক নিয়ম মতে যোগ্যতাৰ ভিত্তিত চাকৰি দিয়া হৈছিল। তেওঁলোকৰ চাকৰিৰ যোগদানৰ পিছত তেওঁলোকৰ সকলোখিনি ডকুমেণ্ট বন্ধকত লৈছিল যাতে তেওঁলোক বেলেগলৈ যাব নোৱাৰে। আনকি তেওঁলোকক পি এইছ ডি কৰিবলৈও সুযোগ নিদিলো। তেওঁলোকক প্ৰাদেশীকিকৰণৰ সুযোগ দিব লাগে আৰু তেওঁলোকৰ retrenchment order টো ৰিপিল কৰাৰ বাবে অনুৰোধ জনলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী আমিনুল ইছলাম,(জ্যেষ্ঠ, ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Coaching Institution (Control & Regulation) Bill, 2025 বুলি এখন নতুন বিল আনিব বিচৰা হৈছে। আমি চৰকাৰৰ যিটো উদ্দেশ্য বুজি পাইছো সেই অনুসৰি জধে মধে যি Coaching Centre গঢ় লৈ উঠিছে তাত চৰকাৰে অলপ নাকি লগাব বিচাৰিছে যিটো আমি সমৰ্থন কৰো। কিয়নো আমি দেখিছো যে বহুত Coaching Centre ত, বিশেষকৈ NEET ৰ নামত বহুত অনুষ্ঠান গঢ় লৈ উঠিছে কিন্তু কিছুমানত অত্যাধিক হাৰত মাচুল লোৱাৰ কথা কৈছে। আমি গোটেই বিলখন চালো, চৰকাৰে কিন্তু এই বিলখনত Coaching Centreৰ fee structure টো খুব এটা নিয়ন্ত্ৰণ কৰিব বিচৰা নাই। সেয়েহে আমি ইয়াত দুটামান সংশোধনী প্ৰস্তাৱ আনিছো। প্ৰথম কথাটো হ'ল এই বিলখন যিদিনাৰ পৰা elect হ'ব তাৰে ৩০ দিনৰ ভিতৰত যিখিনি existing Coaching Centre আছে, তেওঁলোকে registration ৰ কাৰণে apply কৰিব লাগিব। আমি ভাৱিছো যে apply কৰিবলৈ যাওঁতে যিখিনি necessary documents তেওঁলোকৰ লাগে, সেইখিনি collect কৰিবলৈ তেওঁলোকক ৩ মাহৰ সময় দিয়াটো ভাল। আনটো আছিল যে -Number of maximum students for every curriculum. এই maximum number টো দিয়াৰ লগে লগে Section 3, sub clause 1 (b) ত তেওঁলোকৰ existing কিমান ল'ৰা-ছোৱালী কোনটো faculty ৰ অধীনত আছে তাৰ ৰিপ'ৰ্টটো include কৰিব দিছো। ইয়াৰ উদ্দেশ্যটো হ'ল যে আজি এই Coaching Centre সমূহ কিয় গঢ় লৈ উঠিছে? বৰ্তমান যি প্ৰতিযোগিতাৰ যুগ, এই প্ৰতিযোগিতাৰ যুগত আমাৰ যিসকল মেধাৱী ল'ৰা-ছোৱালী বা বিশেষকৈ আমি দেখা পাওঁ যিসকল আঢ্যৱন্ত পৰিয়াল তেওঁলোকৰ ল'ৰা-ছোৱালীসকলক উচ্চ শিক্ষা দিব বিচাৰে যাতে তেওঁলোকে জীৱনত এটা ভাল পদবীত চাকৰি পাব পাৰে বা সংস্থাপিত হ'ব পাৰে। এই ক্ষেত্ৰত দেখা যায় যে কিছুমানে নিজৰ ল'ৰা-ছোৱালীক technical লাইনত এটা ভাল stream ত পঢ়াবৰ কাৰণে Coaching Centre সমূহে যিমান বিচাৰে সিমান দিয়ে। এই সুযোগতে Coaching Centre সমূহে লুণ্ঠন চলাবলৈ চেষ্টা কৰে। গতিকে এই ক্ষেত্ৰত মই ভাৱো এই Act খনত যিটো Rule হ'ব, তাত এই কথাটো যাতে চৰকাৰে fix কৰি দিয়ে যে কোন কোন faculty য়ে কোন coaching ৰ বাবে ছাত্ৰ-ছাত্ৰীৰ পৰা maximum কিমান fees ল'ব পাৰিব। আমি সৰুৰে পৰা দেখিছিলো যে ভাল ৰিজাল্ট কৰাৰ বাবে পিতৃ মাতৃয়ে নিজৰ সন্তানক fees ৰ বিনিময়ত private tuition দিয়ে। ইয়াকে আনুষ্ঠানিক ভাৱে coaching centre ৰ ৰূপ দি organized way ত চলোৱা হৈছে। ইয়াৰ concept টো কিন্তু private tuition ৰ পৰাই আহিছে। এই private tuition কৰোৱাৰ প্ৰয়োজন এই কাৰণেই হ'ল যে কিছুমান অভিভাৱকৰ ধাৰণা হয় যে ল'ৰা-ছোৱালীয়ে স্কুলৰ শ্ৰেণীকোঠাত যিমানেই পঢ়ক, private tuition নহ'লে ভাল ৰিজাল্ট কৰিব নোৱাৰে। অৰ্থাৎ private tuition লোৱাৰ ধাৰণা কিছুমান ধাৰ্য্য কৰা হৈছে। এইটো হোৱাৰ কাৰণ, বিশেষকৈ চৰকাৰী বিদ্যালয়ত কিছুমান আঁসোৱাহ

আছে যিখিনি আমি নিয়ন্ত্ৰণ কৰিব পৰা নাই যাৰ বাবে অভিভাৱকৰ মানসিকতাত সোমাই গ'ল যে চৰকাৰী বিদ্যালয়ৰ শ্ৰেণীকোঠাত যি পঢ়া হয়, সেই পঢ়াৰে কিন্তু ল'ৰা-ছোৱালীয়ে ভাল নম্বৰ পাব নোৱাৰে, পাছ কৰিব নোৱাৰে। এই ধাৰণাটো অহাৰো কাৰণ আছে। চৰকাৰী স্কুলত চাব, কিছুমান পদ খালী হৈ থাকে। ২-৩ বছৰলৈ যেতিয়া বিষয় শিক্ষক নাথাকে, তেন্তে ল'ৰা-ছোৱালীয়ে কি কৰিব? ২০১৩ বা ২০১৭ বা ২০২১ চনত provincialized হোৱাৰ পিছত M.E. স্কুলবোৰত ছাত্ৰ-শিক্ষকৰ ratio মিলাই ৩ জনকৈ শিক্ষক লোৱা হৈছিল। কিন্তু, কিছুমান স্কুলত যদি ২০০ বা ৩০০ ল'ৰা-ছোৱালী আছে, তাতো ৩ জন শিক্ষক লোৱা হৈছিল। Ratio অনুসৰি তাত শিক্ষক বেছিকৈ ল'ব লাগিছিল। য'ত বেছি পাব লাগে তাত দিয়া নাই আৰু য'ত কম পাব লাগে তাত বেছি দিয়া হৈছে। এতিয়া কথাটো হ'ল যে ৩ জন শিক্ষক লোৱাৰ ফলত কিছুমানত বিজ্ঞান শিক্ষক, হিন্দী শিক্ষক বা আৰবী শিক্ষক বাদ পৰি গ'ল। গতিকে এই চৰকাৰী বিদ্যালয়ত য'ত শিক্ষাৰ অভাৱ, য'ত ৩-৫ বছৰ ধৰি পদ পূৰণ নহয়, তেতিয়া অভিভাৱকে ল'ৰা-ছোৱালীক private tuition দিয়াৰ কথা ভাৱিবলৈ বাধ্য হয়। এই Coaching Centre ৰ concept টোও তাৰ পৰাই আহিছে। ইয়াৰ লগে লগে আমি এটা কথা আপোনাক কওঁ যে ২০১৭-১৮ ৰ Provincialization Bill ৰ সংক্ৰান্তত যিখিনি পদ প্ৰাদেশিকীকৰণ কৰা হ'ল, তাত কিছু প্ৰধান শিক্ষকক কিন্তু টিউটৰ কৰি ৰখা হৈছে। যিসকল প্ৰধান শিক্ষক টিউটৰ হৈ থাকিল, তেওঁলোকক প্ৰধান শিক্ষকৰ মৰ্যাদা দিয়া নহ'ল। তেওঁলোকক প্ৰধান শিক্ষক বুলি কোৱা নহয়, কিন্তু গোটেই প্ৰধান শিক্ষকৰ কাম তেওঁলোকৰ দ্বাৰা কৰোৱা হয়। তেওঁলোকে তাত প্ৰধান শিক্ষক হিচাপে seal মাৰিব লাগে, draw কৰিব লাগে financial গোটেই হিচাপ দিব লাগে। কিন্তু তেওঁলোকক প্ৰধান শিক্ষক হিচাপে স্বীকৃতি নিদি টিউটৰ বুলি থৈ দিছে। আনহাতে, তেওঁলোকক টেট দিবলৈও বাধ্য কৰা হৈছে। বহুতো শিক্ষকৰ এতিয়া অৱসৰ হ'বলৈ ৬ মাহ, ডেৰ-দুই বছৰ আছে। তেনে স্থলত তেওঁলোকে টেট পৰীক্ষাত বহি পদটো ল'ব লাগিব। সেয়েহে মই ভাৱো যে তেওঁলোকক অন্ততঃ টেট পৰীক্ষাৰ পৰা ৰেহাই কৰি দি তেওঁলোক যাতে নিয়মীয়া শিক্ষক হিচাপে সন্মানেৰে যাব পাৰে তাৰ বাবে যাতে চৰকাৰে বিবেচনা কৰে। শিক্ষা খণ্ডত আমাৰ আৰু কিছুমান কথা আছে। আমাৰ সতীৰ্থ বিধায়ক ড° ৰফিকুল ইছলাম চাহাবে ক'ব। চৰকাৰে সামগ্ৰিক ভাৱে গোটেইখিনিৰ পলিচিগত হিচাপে কি স্থিতি লয় তাৰ বাবে যাতে এটা সদোত্তৰ দিব পাৰে ইয়াকে আশা কৰি মোৰ ক'বলগীয়াখিনি কৈ সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী পৰমানন্দ ৰাজবংশী।

**শ্ৰী পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ)ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ সদনত এক গুৰুত্বপূৰ্ণ বিল উত্থাপন হৈছে। মই নিজেও অনুভৱ কৰিছো যে এই বিলখন বহুত আগতে উত্থাপন হ'ব লাগিছিল। এইবেলি বহু কেইখন গুৰুত্বপূৰ্ণ বিল উত্থাপন হৈছে। আজি এই বিলখনৰ যিখিনি মই পঢ়িলো, সেইখিনি পঢ়াৰ পিছত মই নিজেও অনুভৱ কৰিছো যে এই বিলখন সমান্তকৰণে আমি সকলোৰে ইয়াত সমৰ্থন দিয়াটো গুৰুত্বপূৰ্ণ দিশ। আজি প্ৰায় কেইবা দশক ধৰি অসমৰ শিক্ষা জগতত আমি এটা বিশেষ কথা মন কৰিছো যে আজিৰ পৰা বহু বছৰ আগতে শিক্ষাৰ বিভিন্ন দিশত যেতিয়াই এক অনিয়ন্ত্ৰিত পৰিৱেশৰ সৃষ্টি হৈছিল তেতিয়াই শিক্ষকৰ দৰে পৱিত্ৰ কৰ্মত নিয়োজিত সকলক যিধৰণৰ নিয়োগৰ ব্যৱস্থা কৰিছিল সেই ব্যৱস্থাৰ ফলস্বৰূপে যি দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বহু কৰ্ম সম্পাদিত হৈছিল আৰু তাৰ পিছতেই প্ৰায় ৮০ ৰ দশকৰ পৰা মানুহৰ চৰকাৰী বিদ্যালয়ৰ প্ৰতি অনাস্থা আহিছিল। কিন্তু আমি মন কৰিলো যে এই অনাস্থাৰ দিশটো আৰু অনিয়ন্ত্ৰিত

পৰিৱেশটো সঠিক ৰূপত আনিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আওঁতাত অনাৰ বাবে চৰকাৰ খনে যেনেধৰণৰ বিহীত ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বাবে মই আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষা মন্ত্ৰী মহোদয়ক ধন্যবাদ দিব লাগিব। আজি যদি এই কথাবোৰ ক'বলৈ যাওঁ তেন্তে বহুত সময় যাব। কিন্তু এই বিলখন অনাৰ লগে লগে এক নিয়ন্ত্ৰিত পৰিৱেশৰ সৃষ্টি হ'ব। মই এগৰাকী শিক্ষক হিচাপে নিজেও দেখিছো যে আমি যেতিয়া শ্ৰেণীসমূহত পাঠদান কৰো, তাৰ পিছত দেখো যে বহুত ছাত্ৰ-ছাত্ৰী যেতিয়া ৮ বজাত বা ৯ বজাত আমি যেতিয়া পাঠদান কৰিবলৈ বিদ্যালয় বা মহাবিদ্যালয়লৈ যাওঁ তেতিয়া ছাত্ৰ-ছাত্ৰী সকলৰ অনুপস্থিতিটো আমি অনুভৱ কৰো যে তোমালোক কিয় ইমান দেৰিকৈ আহিছা ? আটাইবিলাকে ক'ব নোখোজে তথাপিও মই গম পাইছো যে দুটা এটাই সঁচা কথা কয় যে আমি private coaching centre বিলাকলৈ গৈছিলো আৰু তাতে আমাৰ কিছু দেৰি হৈছে আৰু তেওঁলোকৰ মুখ বিলাক ক্লান্ত। ৰাতিপুৱা উঠিছে, চাইকেল বা খোজকাঢ়ি গৈছে বা অন্যান্য বাহনেৰে তেওঁলোকে coaching centre লৈ গৈছে আৰু শ্ৰেণী সমূহত আহি উপস্থিত হৈছে আৰু আকৌ আবেলি দেখো ল'ৰা-ছোৱালী শ্ৰেণী সমূহত অহা নাই। তাৎপৰ্য্যপূৰ্ণ ভাবে বহুত coaching centre বিলাক একো একোখন বিদ্যালয়লৈ ৰূপান্তৰিত হোৱা বুলি ক'লেও ভুল নহয়। এই কাৰণে নহয় যে সেই coaching centre সমূহত যি সকলে tutor হিচাপে কাম কৰে তাৰ আকৌ বহুত tutor আমাৰ বিদ্যালয় বা মহাবিদ্যালয় বা অন্যান্য বিদ্যালয়ৰ শিক্ষক সকলেও তাত অংশগ্ৰহণ কৰাটো পৰিলক্ষিত হৈছে। আজি আমি সদায় নিজে ভাৱো যে coaching centre বিলাকে একো একোখন বিদ্যালয়, মহাবিদ্যালয় সমান্তৰাল ৰূপত একেলগে কাম কৰি আছে আৰু ক'ত অনৈতিক ঘটনা সংঘটিত হৈছে আৰু মই উদাহৰণ দিব খোজা নাই এনেকুৱা coaching centre institution হৈছে, একেবাৰে অসমৰ বাহিৰতো যিবিলাকত এতিয়া আমাৰ ছাত্ৰ-ছাত্ৰী সকলে আত্মহত্যা পৰ্য্যন্ত কৰিব লগীয়া হৈছে। তাৰ পৰিবেশ আৰু লগতে অন্যান্য যিবিলাক আনুষংগিক দিশ এই গোটেই দিশ বিলাক ভালদৰে পৰীক্ষা নকৰাৰ কাৰণে আমাৰ নিজৰ ল'ৰা-ছোৱালী Doctor, Engineer বা একো একো গৰাকী আকাশ চুব পৰা ব্যৱস্থাৰ কাৰণে যিটো পিতৃ-মাতৃ সকলৰ যিটো আশা সেই আশাটোৰ কাৰণে আমি সকলোৱে সেই আশাতে বন্দী হৈ এই coaching centre বিলাকৰ যিটো গাঁথনি, সেই গাঁথনিটো অনিয়ন্ত্ৰিত ব্যৱস্থাটোৰ বাবে এনেকুৱা এটা পৰিবেশৰ সৃষ্টি হৈছে। আজি মই এই বিল খনত গোটেই দিশ মই চালো আৰু চাই মই অনুভৱ কৰিছো যে পোন প্ৰথম এই Act খন ইয়াত যিহেতু মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই উত্থাপন কৰিছে আমাৰ সকলো বিৰোধী পক্ষই এই বিলখনত বৰ বিশেষ বিসংগতি নোহোৱাৰ বাবে এই বিল খনক সমৰ্থন জনাব লাগে আৰু কিবা যদি দুই এটা আসোঁৱাহ থাকি যায় তেন্তে পৰৱৰ্ত্তী বিধান সভা আছে শুধৰণি কৰিবলৈ। কিন্তু মই ধন্যবাদ দিছো মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক আৰু আমাৰ শক্তিশালী শিক্ষামন্ত্ৰী ডাঙৰীয়াক, যিহেতু তেখেতে অত্যন্ত ধৈৰ্য্য আৰু সাহসেৰে এই অনিয়ম যিটো পৰিবেশৰ সৃষ্টি হৈছে আজিৰ পৰা প্ৰায় কেইবা দশকৰ আগতে। সেই পৰিবেশটো এটা নিয়ন্ত্ৰিত পৰিবেশ কৰাৰ কাৰণে তেখেতে একেবাৰে সাহসেৰে বুলি ক'লেও ভুল নহয় আৰু মই জানো যে ইয়াৰ পিছত আমাৰ অসমৰ বা ভাৰতৰ শিক্ষা ব্যৱস্থাৰ যি এটা নতুন ধাৰণাৰ সৃষ্টি কৰিছে ,সেয়া হৈছে আপোনালোকে সকলোৱে জানে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি। এই ৰাষ্ট্ৰীয় শিক্ষানীতিত এই Act খনে বহুত ধৰণে আমাৰ এই শিক্ষা ব্যৱস্থাটোৰ প্ৰতি মানুহৰ আস্থা আহিব, এইখিনিকে কৈ মই পুনৰ বিৰোধী পক্ষক যি শুধৰণি আনিছে , সেই শুধৰণি খিনি দিয়াটো তেওঁলোকৰ মৌলিক কৰ্তব্য, তথাপিও কিন্তু মই ভাবো যে আমি বিনা চৰ্তে, বিনা

প্ৰতিবাদে এই Act খন সকলোৱে সমৰ্থন জনাব লাগে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী দুৰ্গাদাস বড়ো।

**শ্ৰী দুৰ্গাদাস বড়ো, (কলাইগাওঁ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বহুত বহুত ধন্যবাদ শিক্ষমন্ত্ৰী ডাঙৰীয়া যে গাৱে ভূঞে সৰু নগৰ আমি গুৱাহাটী মহানগৰ নিচিনা টাউন চহৰ আমাৰ যিমান আছে, আটায়ে অনুভৱ কৰি আছিল এনেধৰণৰ এখন বিল আনি institution সমূহক কিছু নাকি লগাব লাগিব আৰু আজি আপুনি এই বিলখন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আনিবলৈ আপুনি সাহস কৰিছে মই ধন্যবাদ জনাইছো। ইয়াত মই গোটেই কেইটা দিশ আলোচনা কৰাটো সম্ভৱ নহয়। মই যিহেতু বিশেষকৈ আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে ইয়াত যিটো other facilities বুলি ৰাখিছে, এই facilities কেইটা আপুনি কেইটামান অতি উন্নত চিন্তা ইয়াত আনিছে, তাৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। বিশেষকৈ চি চি টিভি কেমেৰাৰ পৰা আৰম্ভ কৰি একেবাৰে Appellate Authority লৈকে বিলখনত আপুনি আনিছে আৰু উপাধ্যক্ষ মহোদয় যিটো Appellate Authority ইয়াত তেখেতে ৰাখিছে, সেই Appellate Authority যিখিনি বিষয়-ববীয়া আৰু সদস্য হৈছে Appellate Authorityত বিশেষকৈ একেবাৰে Senior most Secretary of the Higher Education Department ক Chairman কৰি প্ৰায় ৮ টা অন্য সদস্যৰ সৈতে যিটো Appellate Authority পাতিছে, এই Appellate Authority য়ে যদি কিবা power empower কৰিব লাগে তাত তেওঁলোকে অধিকাৰ দিয়াৰ কাৰণে যিসকলে উৰ্ধতালি কৰিম বুলি ভাৱে institution খুলি তেওঁলোকে উৰ্ধতালিৰ পৰা সাৰি যাব নোৱাৰিব। গতিকে এই বিলখন উচিত সময়ত আনিছে আৰু এটা কথা যদি শিক্ষা বিভাগৰ মন্ত্ৰীয়ে ইফাল সিফাল কৰিব পাৰে, মই অনুৰোধ কৰিম যে graduate বুলি কৈছে, যিবিলাক IAS, ACS ৰ কাৰণে institution আছে, তাত কমেও senior qualification থকা বা master degree থকাটো ensure কৰি দিব লাগে।

দ্বিতীয়তে হৈছে, এই কথাবিলাক নামানিলে বিৰোধী পক্ষৰ বিধায়কে যিটো ১ লাখৰ পৰা ১০ হাজাৰ কৰিব লাগে বুলি কৈছে, মই কৈছো ১ লাখটো ১ লাখে থাকক। সেই কাৰণে ১০ হাজাৰ হলে বহু বাৰ ভুল কৰিব আৰু ভুল কৰি লৰা-ছোৱালীক ক্ষতি কৰিব। গতিকে ১ লাখটো মই তাত থকাটো উচিত বুলি ভাৱো। কিন্তু এটা কথা ভাৱিছো ব্যক্তিগতভাৱে আমি বহুতে লৰা-ছোৱালীক tuition দিওঁ, যিসকলৰ সৰু সৰু লৰা-ছোৱালী আছে, তাত যদি specific বসয় ১৬ বছৰ কৰি flexible কৰি ৰাখিব পাৰি নেকি। কি শব্দ ব্যৱহাৰ কৰিলে flexible হ'ব, সেইটো শিক্ষা বিভাগৰ মন্ত্ৰীৰ ওপৰত থাকিব। flexible নকৰিলে obiviously শুধৰণিৰ সুযোগ পাম next assemblyত। কিন্তু এতিয়াই যদি কৰি থয়, বিতৰ্কৰ পৰা হাত সাৰি থাকিব পাৰিব বুলি মই ভাবো। তাৰোপৰি যিহেতু আমাৰ সেই গোটেই বস্তুটো এটা নিয়ন্ত্ৰণত আনিব কাৰণে কৰা হৈছে মই এইখিনিতে বিল খন সম্পূৰ্ণভাৱে সমৰ্থন কৰি বিলৰ পক্ষত থাকি মই আপোনাক ধন্যবাদ জনাইছো শেষত মই আকৌ পূৰণি কথাকে ক'ব বিচাৰিছো যে এইটো শিক্ষাৰ লগত জড়িত যিহেতু এক দুই শাৰী ক'ব পাৰে বুলি কৈছে আপুনি। মই এটা লাইন ক'ম শিক্ষামন্ত্ৰী ডাঙৰীয়া ব্যক্তিগত ভাৱে যিবিলাক কলেজ নতুনকৈ দিছে অসমত, মই ধন্যবাদ দিছো যে মোৰ তাত এখন science senior কলেজ দিছে আৰু মই অনুৰোধ কৰিছো যে দুখন বা তিনিখন neighbouring science higher secondary যদি নাথাকে পঢ়িব লগীয়া ল'ৰা-ছোৱালী দূৰ-দূৰণিৰ পৰা আহিলে লোকেল ল'ৰা-ছোৱালী বিলাক অলপ বঞ্চিত হ'ব। গতিকে তাত আপুনি

feeder স্কুলটো যাতে আপুনি মনত ৰাখে । ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Assam Coaching Institute (Control and Regulation) Bill, 2025 ইয়াত যিটো Coaching ৰ কথা কোৱা হৈছে, আজি আমাৰ গাওঁ অঞ্চলৰ যিবিলাক শিক্ষানুষ্ঠান আছে, সেই শিক্ষানুষ্ঠান বিলাকত মোৰে সমষ্টিৰ পদুমণি টাউন হাইস্কুলৰ তাত ১২ টা পদ খালী হৈ আছে, বিজ্ঞানৰ পদ খালী, হিন্দীৰ পদ খালী, ঠিক তেনেকৈ সূতীৰপাৰ হাইস্কুল তাতো ১২ টা পদ খালী, বিজ্ঞানৰ পদ খালী, হিন্দীৰ পদ খালী, assistant teacher ৰ পদ খালী, ঠিক তেনেকৈ কাছুৰী হাইস্কুল, যিখন আদৰ্শ হাইস্কুল হৈছে, তাতো ১১ টা পদ খালী। ছাৰ, এই যিসকল বিষয় শিক্ষক, সেইসকল যদি নাথাকে বিজ্ঞান শিক্ষাটো বেলেগ শিক্ষকে দিব নোৱাৰে, হিন্দীটো বেলেগ শিক্ষকে পঢ়াব নোৱাৰে, আৰবী বিষয়টো বেলেগ শিক্ষকে পঢ়াব নোৱাৰে। গতিকে বিষয় শিক্ষকসকল নথকাৰ বাবে, ছাত্ৰৰ guardian সকলে tution দিবলগা হৈছে। গতিকে অসুবিধাবিলাক বুজিব লাগিব। চৰকাৰৰ যিটো ratio আছিল ৩০ঃ১, ৩০ জন ছাত্ৰৰ প্ৰতি এজন শিক্ষকক নিযুক্তি দিলে আৰু শিক্ষানুষ্ঠানৰ যিটো পৰিৱেশ , এই পৰিৱেশটো যদি গঢ় দিয়া হয়,আজি চাওঁক শিক্ষানুষ্ঠানৰ পৰিৱেশ এনেকুৱা হৈছে, এটা room ত ৩ টা class হৈছে, partition নাই। তাৰ পিছত শিক্ষকসকলৰ প্ৰশিক্ষণৰ প্ৰয়োজন আছে। প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ প্ৰয়োজন। Class room বিলাক ধুনীয়া হ'ব লাগে, ছাত্ৰ-ছাত্ৰীসকলে class room ত বহি যাতে পঢ়ি ভাল পায়, মনত আনন্দ লাগে। বাহিৰৰ কোনো শব্দ যাতে ভিতৰত আহিব নোৱাৰে, boundary wall দিব লাগে। এটা ভাল পৰিৱেশ সৃষ্টি কৰিব লাগে। কিছুমান প্ৰাথমিক বিদ্যালয় আছে, ২৫০ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু এজন বা দুজন শিক্ষক- শিক্ষয়িত্ৰী। দুজন শিক্ষকে ২৫০ ছাত্ৰ-ছাত্ৰীক পঢ়াব লাগে, গতিকে এনেকুৱা সমস্যা বহুত আছে। শিক্ষা বিভাগ আমাৰ এটি গুৰুত্বপূৰ্ণ বিভাগ, য'ত নৱ প্ৰজন্মক মানৱ সম্পদ হিচাপে সৃষ্টি কৰি সমাজ তথা দেশ খনক আগুৱাই নিয়াৰ ভৱিষ্যত পৰিকল্পনা অন্তৰ্নিহিত হৈ থাকে। আমাৰ মানৱ জীৱনৰ যি দুটা অধ্যায়, প্ৰথম অধ্যায়টো মাতৃৰ গৰ্ভৰ পৰা আহে আৰু দ্বিতীয়টো শ্ৰেণীকোঠাৰ পৰা আহে। দ্বিতীয় শব্দ যিটো ওলাব শিশুটোৰ, শিশুৱে লগে লগে তাৰ পৰা ভাল পৰিৱেশ পাব লাগিব। প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ দ্বাৰা শিক্ষাটো পাব লাগিব। গুনগত মানদণ্ডৰ শিক্ষা সেই শিশুটোৱে পাব লাগিব যাৰ দ্বাৰা এটা সৎ চৰিত্ৰবান, সু-শিক্ষিত, মানৱ দৰদী, সুস্থ বাতাবৰণৰ মাজত জীৱনত আগুৱাই নিব পৰাকৈ এটা পৰিৱেশ সৃষ্টি কৰিব লাগিব। গাওঁ অঞ্চলত এই পৰিৱেশটো কিন্তু নাই। গতিকে এই পৰিৱেশটো যেতিয়া গঢ় লৈ উঠিব, এই পৰিৱেশটো গঢ় লৈ উঠিলে ছাত্ৰ অনুপাতে শিক্ষকৰ নিযুক্তি যেতিয়া হ'ব, তেতিয়া কোনো টিউচনৰ প্ৰয়োজন নহ'ব। গতিকে টিউটৰ শিক্ষকসকলকো নিয়মীয়াকৰণ কৰিব লাগে। আগতে যিবিলাক শিক্ষকক ৰাজ্য চৰকাৰে নিয়মীয়া শিক্ষক হিচাপে নিযুক্তি দিলে, সেই নিয়মীয়া শিক্ষক সকলে যিখিনি শিক্ষা দান দিয়ে ঠিক তেনেদৰে tutor শিক্ষকসকলো সেই সমানেই শিক্ষা দান দিয়ে। কিন্তু tutor শিক্ষকসকলে মাত্ৰ ১২,০০০ টকা পায়। গতিকে ছাৰ, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো tutor শিক্ষক সকলক নিয়মীয়াকৰণ কৰিব লাগে।

যিসকল unique ID প্ৰাপ্ত TET শিক্ষক আছে, তেওঁলোকৰো চাকৰি নিয়মীয়াকৰণ কৰিব লাগে আৰু স্কুলবিলাকত desk, bench ৰ অভাৱ এতিয়াও আছে। এতিয়াও কিছুমান প্ৰাথমিক বিদ্যালয়ত দেখা যায় যে আমি যেনেকৈ সৰু কালত বস্তা লৈ গৈছিলো ঠিক

তেনেকৈ এতিয়াও মাজে মাজে দেখা যায় বস্তা লৈ যোৱা। Desk, bench ৰ অভাৱ, আচবাব আদিৰ অভাৱ। গতিকে এই অভাৱসমূহ যাতে দূৰ কৰে, এটা সুস্থ বাতাবৰণ যাতে সৃষ্টি কৰে,তাৰ কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জানইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ডঃ ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Assam Coaching Institutions Control and Regulation Bill, 2025, মন্ত্ৰী মহোদয়ে এই বিল আনিছে। বহুত গুৰুত্বপূৰ্ণ বিল বুলি মই ভাবো। যিহেতু বহুত coaching centre হৈছে অসমত আৰু যিখিনি তেখেতসকলে নিয়মবৰ্তাই চলিব লাগে, বহুত চেন্টাৰে সেইটো নকৰে। কিন্তু quality maintain কৰিব লাগে, সেইখিনিও নকৰে আৰু আমাৰ কিছু অভিভাৱক সকলৰ ইচ্ছা থাকে জবৰদস্থি, ল'ৰা-ছোৱালীৰ সেই ধৰণৰ capacity আছে নে নাই,ডক্টৰ বনাবই, Engineer হ'বই লাগিব, UPSC ৰ প্ৰস্তুতি ল'বই লাগিব, এনে কিছু অভিভাৱকৰ মানসিকতা থাকে আৰু আনফালেদি student ৰ ইচ্ছা নাথাকে বা তেনেকুৱা merit ও নাই, number ও পোৱা নাই কিন্তু চাৰিওফালে umbrella ৰ নিচিনাকৈ coaching centre থকাৰ কাৰণে তাতে দি দিয়ে আৰু অঘটনো হয়। আজি কোটাৰ পৰা আৰম্ভ কৰি বিভিন্ন ঠাইত যদি আমি চাওঁ, বহুত suicide rape এইবিলাকত আমি লক্ষ্য কৰিছো। তাৰ বিভিন্ন cause, উপাধ্যক্ষ মহোদয়, আপুনি নিজে ডক্টৰ। এইবিলাক বিশ্লেষণ বিভিন্ন সময়ত হৈছে গতিকে এই coaching centre বিলাকত তেখেতে যিখিনি এটা new regulation আনিছে control কৰাৰ কাৰণে, মই ধন্যবাদ দিছো। কিন্তু কথা হ'ল যে তাতে আমি এইটো লক্ষ কৰিব লাগিব যে যিখিনি student coaching centre ত admission দিলে, সেই লেভেলৰ হয় নে নাই? এতিয়া centre য়ে student বেছি ল'ব লাগিব, ফিজ বেছিকৈ পাব লাগিব, সেইবুলি যাকে তাকে admission দি পিছত এইখিনি আগবঢ়াব নোৱাৰি এই লৰা-ছোৱালীখিনিক বিপদৰ পথত ঠেলি দিব। এই কথাটোৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব আৰু লক্ষ কৰিব লাগিব।

আনফালেদি, তাতে কিছুমান tight condition লগোৱা হৈছে। এইবিলাকো অলপ শিথিল কৰিব লাগিব, understanding ৰ ভিতৰত কাৰণ UPSC is not so easy, গতিকে খেলাধূলাও কৰিব, আৰামত থাকিব, মস্তিত থাকিব আৰু ধূমধাম UPSCপঢ়ি আহিব, সেইটো ইমান সহজ নহয়।

মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি NEET qualify কৰি ডক্টৰ হৈছে। NEET,JEE, UPSC, APSC ৰ নিচিনা exam বিলাক যদি crack কৰিব বিচাৰে,তেতিয়া পঢ়িব লাগিব, সময় দিব লাগিব। তাতে একেবাৰে ঘৰত যেনেকুৱা ক্ৰীম, দৈ, মাখন খুৱাই মৰম কৰি তেনেকৈ আৰামত ৰাখিলে coaching centre বিলাকে এই সুবিধাখিনি দিলেই মুস্কিল। কিন্তু এই দুটাৰ মাজত basic যিখিনি দৰকাৰ coaching centre খিনিত, আপোনাৰ ঠাইত সেইটো লাগিব। এই পৰামৰ্শবিলাক আহিছে প্ৰায়। মই ভাবো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইবিলাকো লক্ষ্য ৰাখিব। মাননীয় উপাধ্যক্ষ মহোদয়, অধ্যক্ষ মহোদয়ে মোক মাতিছিলে ভিতৰত, তেওঁ কৈছে যিহেতু cut-motion ৰ ভিতৰত মোৰ নাম আছিল যে আপুনি ১৫ মিনিট ক'ব পাৰিব, common education ৰ ওপৰত আলোচনা কৰিব। আপুনি সদনত নাছিল, তেখেতে ইয়াতে বহি সেই কথাখিনি কৈ গৈছে আৰু মোক চেম্বাৰতো মাতি নিও কৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি খুব short কৰক।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বেছি নকওঁ মই। এতিয়া মই general education লৈ আহিছো। মই শিক্ষা বিভাগৰ primary education ৰ পৰা যাম। Primary বহুত বিদ্যালয় আছে। Single -Teacher-School এতিয়াও অসমত বহুত আছে। ৪০০ ৰো অধিক স্কুল আছে, য'ত শিক্ষক নাই। তেওঁলোকে retire কৰিছে। কোনো বেলেগ ঠাইৰ পৰা আনি attachment ত দি কাম চলাই আছে কিন্তু তাতে কোনো permanent teacher নাই। হাজাৰৰো অধিক এনেকুৱা বিদ্যালয় আছে, য'ত primary school, single teacher আমি বিদ্যালয়ত যেতিয়া সোমাই যাওঁ, class-(i) আৰু (ii)দুটা শ্ৰেণী একেলগে বহাই দিছে। class-iii,iv ক একেলগে বহাই দিছে কাৰণ শিক্ষক নাই। ছাত্ৰ-ছাত্ৰীক control কৰিব লাগে বুলি একেলগে বহাই দিছে। Class-ii ক পঢ়াই থাকিব আৰু class-iii যাতে খেলাধূলা কৰিব নোৱাৰে constantly যাতে ইহঁতৰ ওপৰত দৃষ্টি ৰাখিব পাৰো। যিসময়ত আমি satellite হোৱাটো বিচাৰিছো, এই সময়ত যদি আমাৰ এনেকুৱা অৱস্থা হয়, এটা শ্ৰেণীত দুটা দুটা class ৰ ছাত্ৰ-ছাত্ৰীক একেলগে বহাই মাত্ৰ লক্ষ ৰাখিব লাগে বুলি সময় পাৰ কৰিব পাৰো, সেইটো justice নহয় আৰু এইবোৰ কাৰণতে আজি student নাই primary school বিলাকত। শ্ৰেণী ৫ টাত minimum ৫ জন শিক্ষকৰ দৰকাৰ। আজি কেৰেলাত ৫ জন শিক্ষক দিছে। আজি ৫০ জন student ক যদি allow কৰিছে যে primary school ত ৫০ জন শিক্ষক--------

------interruption------

মোক ৫ মিনিট সময় দিয়ক, মোক অধ্যক্ষ মহোদয়ে allow কৰিছে। আপুনি please control নকৰিব। মোক তেখেতে চেম্বাৰত মাতিছে, তেখেতৰ পৰা আপুনি যদি স্পষ্ট কৰি আনিব বিচাৰে, আনিব পাৰে। তেখেতে মোক কৈছে আপুনি ১৫ মিনিট ক'ব পাৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি argument নকৰিব, তেনেকুৱা কথা নহয়।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিহেতু শিক্ষাৰ ওপৰত কৈ আছে, গতিকে তেখেতক ক'বলৈ দিয়ক।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই সংক্ষিপ্ত কৰি আনিছো যে primary বিদ্যালয় বিলাকত ৫ টা class হ'লে ৫ টা শিক্ষক কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে ME,High School বিলাকত, শিক্ষক নাই। মোৰ সমষ্টিত বহুকেইখন বিদ্যালয় আছে য'ত লাংলাত ১২ টা পদ খালী। খোলাবাৰীত মাননীয় চেঙা সমষ্টিৰ বিধায়ক তেখেত যি বিদ্যালয়ৰ সভাপতি তাত ৩২ টা পদ খালী। ১২০০ ছাত্ৰ-ছাত্ৰী, ৭ জন শিক্ষক। মোৰ K.K.বাগান হাইস্কুলত ৭ টা পদ খালী, বালকুৰিত ১২ টা পদ খালী। এনেকুৱা বহুত হাইস্কুল, হাইয়াৰ চেকেণ্ডাৰীত বহুত পদ খালী হৈ আছে। মোৰ বৰপেটা জিলাত স্কুল আছে য'ত ৩০০ ছাত্ৰ, ২৫ জন শিক্ষক। অসমৰ বিভিন্ন ঠাইত এনেকুৱা স্কুল আছে। মই জিলা বিলাক নকওঁ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য, আপোনালোকৰ বাকী সদস্য সকলৰ সময়খিনি কাটি দি আপোনাক দিলে হ'বনে? বাকী সকলে নক'লে হ'ব নে?

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** হ'ব চাৰ। মই ক'ম। এই যে ১০,১২,১৪,১৫ ৰ পৰা ৩২ লৈকে হাইস্কুল, হাইয়াৰ চেকেণ্ডাৰী স্কুলৰ পদ যদি খালী থাকে আমাৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এইটোৰ এটা সঠিক ৰিপোৰ্ট লৈ rationalised কৰাৰ ব্যৱস্থা কৰক। ২০১১

চনৰ পৰা আমি বিধান সভাত চিঞৰি আছো যে rationalised কৰি নতুন শিক্ষক নিযুক্তি দিলে অন্ততঃ কোনোবা ঠাইত আছে ২০০ ছাত্ৰ, ২০-২৫ জন শিক্ষক। আজি যদি আমি PTR চাওঁ অসমৰ বিভিন্ন জিলাৰ ৪,৫,৬,৭ শতাংশ আৰু কোনোবা জিলাত ৩০,৩২ শতাংশ। মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে হয়তো সমানেই কৈ দিব যে PTR শতাংশ। এইটো ঠিক। কিন্তু PTR ২০ হ'লে মোৰ ঠাইত বেছি। তাত PTR 80, 90, 100 হৈ আছে। হাইস্কুল বিলাকত আৰু বেছি। গতিকে এইবিলাক যদি ঠিক-ঠাক নকৰে শিক্ষা ব্যৱস্থাটো কেতিয়াও ঠিক নহয়। এইখিনি বিষয়ৰ ওপৰত দৃষ্টি দিব বুলি মই আশা ৰাখিলো। এইটো আছিল আমাৰ চৰকাৰী স্কুলৰ অৱস্থা কলেজলৈকে। মাননীয় উপাধ্যক্ষ মহোদয়, ভেঞ্চাৰ স্কুলৰ শিক্ষক সকলে অতদিনে আন্দোলন কৰি আছে। ২০১৩ চনত আমি কিছু স্কুল provincialised কৰিলো। ইয়াৰ পিছত আকৌ ২০২১ চনত কিছু শিক্ষক আমি ললো। কিন্তু ২০১৩ চনত যিবোৰ কনডিশ্যনৰ ওপৰত ভিত্তি কৰি আমি স্কুলসমূহ লৈছিলো, ২০২১ চনত আমি নিজেই সেইখিনি তাৰ পৰা ব্যতিক্ৰম কৰাৰ সিদ্ধান্ত ললো। তাৰকাৰণে বহুত শিক্ষক বঞ্চিত হৈ আছে। ২০১৩ চনত যিবোৰ স্কুল provincialised হ'ল একেসময়তে তেওঁলোকে স্কুল পাতিছিল। হয়তো ৬ মাহ-১ বছৰ অগাপিছা। সেইসকলে আজি full fledge শিক্ষকৰ দৰমহা পাইছে। মোটামুটি সুবিধাখিনি পাই আছে। তাত থকা non teaching staff সকলৰ post regular হৈছে। কিন্তু ২০১৩ চনত একেসময়তে স্কুল পতা সকল হয়তো কিবা কাৰণে থাকি গ'ল। তেওঁলোকক ২০২১ চনত আমি tutor কৰিলো। LP ৰ পৰা আৰম্ভ কৰি third grade, foorth grade যিসকল non teaching staff আছে, তেওঁলোকক সামান্য মাননি দি কাম কৰোৱা হৈছে। Non teaching ৰ কাৰণে টো extra কোনো qualification নালাগে। যিখিনি লাগে তেখেতসকলৰ সেইখিনি আছেই। কিন্তু তেখেতসকলৰ বাবে Net, Slet, Ph.D, B.Ed একো নাই। কিন্তু তেওঁলোকক ৭ ৰ পৰা ১২ হাজাৰ টকা মাননি দি কাম কৰোৱাটো justice নহয়। এইটো চৰকাৰে বিবেচনা কৰিব লাগে। বাকী থাকিল teaching ৰ কথাটো। যিসকলে tutor হৈ আছে equal pay দি তেখেতসকলক যাতে regulerised কৰা হয়। মাননীয় উপাধ্যক্ষ মহোদয় আৰু যিখিনি ভেঞ্চাৰ স্কুল আছিল ২০০৬ ৰ আগৰ, বহুতৰ এতিয়ালৈকে পোষ্ট হোৱা নাই। ২০০৬ ৰ আগৰ তেখেত সকলৰ বিদ্যালয়। তাৰ পিছতো সেইসকলৰ হোৱা নাই। বিশেষকৈ চিনিয়ৰ মাদ্ৰাছাখিনি। মাদ্ৰাছা এক্ট যেতিয়া ৰিফিল কৰা হ'ল তাৰপিছত তেখেতসকলে ঠাণ্ডা অৱস্থাত গুছি গ'ল। ২০২১ চনত আকৌ তেখেতসকলক ল'ম বুলি বেলেগ এটা ফাইল হ'ল আৰু তাৰপিছত লোৱা নহ'ল। গতিকে এই চিৰিয়েল মাদ্ৰাছা যিখিনি ১-১-২০০০ ৰ আগত recognisation তেখেতসকলে পাইছে, স্কুল হিচাপে কাম কৰি আছে, এতিয়া যিহেতু এক্টখন amend কৰিব, সেই চিনিয়ৰ মাদ্ৰছাখিনিক যাতে লোৱা হয়। ২০২১ চনত যেতিয়া শিক্ষক ললে স্কুল পাৰমিশ্যন দিওঁতে ME school 5+1, 6+1 এনেকুৱা কনডিশ্যন আছিল। 5+, 6+1 নহ'লে পাৰমিশ্যন নিদিয়ে। কিন্তু ২০২১ চনত তিনিজন শিক্ষকৰ পদ provincialised কৰা হ'ল। বাকীখিনিক বাদ দিলে। হিন্দী বিষয়টো compulsory, হিন্দী পঢ়াবই লাগিব। কিন্তু হিন্দী শিক্ষকৰ পদটো লোৱা নহ'ল। সংস্কৃত, আৰবী, ইংলিছ আদি শিক্ষকৰ পদ সমূহ বাদ দিলে। আৰু অন্যান্য বিষয়ৰ শিক্ষক সকলো বঞ্চিত হৈছে। এইবাৰ সংশোধনত যাতে এইসকল বঞ্চিত নহয়। যিহেতু কনডিশ্যন দিয়া হৈছিল যে 5+1, 6+1 নহ'লে পাৰমিশ্যন দিয়া নহয়। তেখেতসকলে কনডিশ্যন fulfill কৰি পাৰমিশ্যন লৈ স্কুল ৰিক'গনেশ্যন হয় আৰু এইবাৰ যাতে তেখেতসকল আহে আৰু বঞ্চিত নহয়। হাইয়াৰ চেকেণ্ডাৰী একাদশ শ্ৰেণীত ৭ জনকৈ শিক্ষক

ললে। বহুত বিষয়ৰ শিক্ষক হাইস্কুল, হাইয়াৰ চেকেণ্ডাৰী পৰ্য্যায়ত বঞ্চিত হৈছে। ছাত্ৰ থকাৰ পিছতো দিয়া নহ'ল বা Enrollment ৰ ওপৰত এটা কনডিশ্যন লগোৱাতো ২০১৩ চনত নাছিল। কিন্তু ২০১৫ চনত এটা বিষয়ত এটা কনডিশ্যন লগালে যে ১৪ জন ছাত্ৰ হ'লেও কোনো এটা বছৰত তেওঁক বঞ্চিত কৰা হ'ল। মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত মাননীয় মন্ত্ৰী মহোদয় আছে। গতিকে তেখেতে এই কথাটো চিন্তা কৰিব যে এজন শিক্ষকে ২০ বছৰ পঢ়ালে আৰু ১৯ বছৰে enrollment ঠিকে আছিল। কোনোবা এটা বছৰত গৈ ১৫ ৰ ঠাইত ১৪ থাকিল। কিন্তু ২০ বছৰে শিক্ষকতা কৰা এই মানুহখিনিৰ শ্ৰম পানীত পেলাই দিয়া এই কথাটো কিন্তু কোনোপধ্যেই গ্ৰহণযোগ্য নহয়। গতিকে এইবোৰ বিষয় অলপ শিথিল কৰি এই enrollment কোনোবা এটা বছৰ বা দুটা বছৰ যিহেতু তেখেতসকলৰ পৰা আমি কাম ললো, তেওঁলোকে যিহেতু ৫ জন হ'লেও বা ১৫ জন হ'লেও বা ৫০ জন হ'লেও পঢ়াইছে বা শ্ৰেণীলৈ আহিবলগীয়া হৈছে আৰু সময় দিছে গতিকে ones for all সকলোবোৰক এই আওঁতালৈ আনি এইসকল শিক্ষকক যাতে সুবিধাবোৰ দিয়া হয় বা বঞ্চিত কৰা নহয়। এইখিনি মোৰ অনুৰোধ থাকিল। কলেজৰ ক্ষেত্ৰত বিভাগ সমূহত concurrance ৰ ক্ষেত্ৰত এটা কনডিশ্যন লগোৱা হ'ল। কলেজ concurrance ১-১-২০০৬, কিন্তু বিভাগ সমূহ বিশ্ববিদ্যালয়ে একেলগে নিদিয়ে। এইবিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে ভালদৰে জানে। পৰ্য্যায়ক্ৰমে বিশ্ববিদ্যালয়ে বিভাগ সমূহ concurrance দিয়ে। এটাৰ পিছত এটা বৈ বৈ ২০০৯-১০ চনলৈ concurrance হৈ গ'ল। কিন্তু ২০০৬ চনৰ পিছত concurrance হোৱা কলেজৰ এই বিভাগ সমূহ শিক্ষক বিলাক এতিয়াও বঞ্চিত হৈ আছে। গতিকে ২০১০-১২ চনৰ আগলৈ যিখিনি বিভাগে concurrance পালে সেইখিনি কলেজৰ শিক্ষকসকলে ২০-২৫ বছৰ শিক্ষাদান দিছে। গতিকে তেখেতসকলক যাতে বঞ্চিত কৰা নহয় সেই concurrance ৰ এইটো শিথিল কৰি তেখেত সকলেকো যাতে অনা হয় তাৰবাবে মোৰ অনুৰোধ থাকিল। যিখিনি tutor আমি ললো তাৰে বহু শিক্ষকে ইতিমধ্যে TET qualify কৰিছে আৰু তেখেতসকলৰ ডি.এল.এড আৰু বি.এড ও qualify কৰিছে আৰু এবছৰ tutor হিচাপে ললো আৰু চাৰিবছৰৰ পৰা তেখেতসকলৰ ফাইল এতিয়াও বিত্ত বিভাগত আবদ্ধ হৈ আছে। এইবোৰ কেতিয়াবাই হৈ যাব লাগিছিল। তেখেতসকলে ২০ বছৰ পেটত গামোচা বান্ধি কাম কৰিছে। তেখেতসকলে কনডিশ্যন fulfill কৰিছে। গতিকে এতিয়া এই TET শিক্ষকসকলৰ যিসকলে কনডিশ্যন fulfill কৰিছে আৰু কলেজৰ যিসকল শিক্ষকে NET, SLET fulfill কৰিছে তেওঁলোকক verification ৰ নামত বন্ধ নাৰাখি তেওঁলোকক যাতে দিয়ে। বাহিৰৰ university ৰ বুলি verification নকৰি বছৰ বছৰ ধৰি ফাইল আবদ্ধ হৈ আছে। এই গোটেই খুটি-নাতিবোৰ চাই আৰু লগতে verification বোৰ অলপ শিথিল কৰি এই মানুহখিনিক যাতে ন্যায় দিয়া হয় আৰু এইখিনি কৰিলেহে আমাৰ বিভাগ সমূহ ভাল হ'ব। এইখিনি কৈ মোৰ বক্তব্য সামৰনি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী দিপায়ন চক্ৰবৰ্তী।

**শ্ৰী দিপায়ন চক্ৰবৰ্তী, (শিলচৰ)ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনে মাননীয় শিক্ষা মন্ত্ৰী একটি বিল উত্থাপন করেছেন "The Assam Coaching institutes control and regulation bill 2025" এটি একটি সময়োপযোগী ও গুরুত্বপূর্ণ বিল বলে আমি মনে করি। যার জন্য প্রথমেই আমি এই বিলকে সমর্থন করার জন্য সকল সদস্যের কাছে অনুরোধ রাখছি।

মাননীয় উপাধ্যক্ষ মহোদয়, আমরা লক্ষ্য করেছি ২০২১ ইংরেজিতে মাননীয় মূখ্যমন্ত্ৰী

ড॰ হিমন্ত বিশ্ব শর্মার সরকার শিক্ষা বিভাগের উপর গুরুত্ব দিয়ে ও তার বিভিন্ন দিক পর্যালোচনা করে এই রাজ্যের ছাত্র-ছাত্রীদের ভবিষ্যত চিন্তা করে অনেক কিছু পরিবর্তন করে এগিয়ে নিয়ে যাওয়ার চেষ্টা করেছেন তার জন্য আজ এই বিল আনা হয়েছে। আমরা লক্ষ্য করেছি রাজ্যে অনেক কোচিং সেন্টার রয়েছে। এই সেন্টার গুলোকে কন্ট্রোলে আনা বা তার একটি গাইড লাইন তৈরি করার জন্য সরকারের সিদ্ধান্ত নেওয়া প্রয়োজন এই কথা মাথায় রেখে আজ এই বিল উত্থাপন করা হয়েছে। আসামের মনানীয় মূখ্যমন্ত্রী ড॰ হিমন্ত বিশ্ব শর্মা মহোদয়ের উদ্দ্যোগে আজ শিক্ষা বিভাগে এক বৈপ্লবিক পরিবর্তন আনার উনি চেষ্টা করছেন। আমরা দেখেছি যে এডুকেশন্যাল ইনস্টিটিউটগুলো বিশেষ করে সরকারি বিদ্যালয়গুলো যেভাবে গড়ে উঠেছিল কিন্তু পরবর্তীকালে তার ইনফ্রাস্ট্রাকচার ডেভেলপমেন্টের জন্য বিগত দিনের সরকার কিন্তু চিন্তা করেনি।এই রাজ্যের সরকারি বিদ্যালয়গুলো থেকে অনেক ছাত্র-ছাত্রী উচ্চ শিক্ষায় শিক্ষিত হয়েছিলেন। এখান থেকে সাইনটিস্ট, ইঞ্জিনিয়ার , ডাক্তারও হয়েছেন। কিন্ত পরবর্তীকালে আমরা লক্ষ্য করি যে আমাদের অভিবাবকরা সরকারি বিদ্যালয়ের ক্ষেত্রে কেন যেন তাদের অনীহা চলে আসে আর বেসরকারি বিদ্যালয়ের দিকে আকৃষ্ট হয়েছেন। যার জন্য রাজ্যে যে বেসরকারি বিদ্যালয় রয়েছে সেইগুলোর ইনফ্রস্ট্রকচার দেখে যারা আকৃষ্ট হয়েছেন তাদের ছাত্র-ছাত্রীদেরকে দিচ্ছেন। কিন্তু রাজ্যে যারা গরীব শ্রেণীর লোক রয়েছেন যাদের বেসরকারি স্কুলে পড়ানোর মত সামর্থ নেই তাদের কথা চিন্তা করে মাননীয় মূখ্যমন্ত্রী মহোদয় সরকারি বিদ্যালয়গুলোর উন্নত মানদন্ড ও পরিকাঠামো গড়ে তোলার জন্য গোটা রাজ্যে বিভিন্ন স্কুলগুলির পরিকাঠামো বদল করার জন্য ৭ কোটি, ৮ কোটি টাকা ব্যয় করে এই বিদ্যালয়গুলো তৈরি হচ্ছে। যাতে বেসরকারি বিদ্যালয়গুলোর পরিকাঠামোর সাথে কম্পেয়ার হয় আর সেখানে যাতে আবারও সরকারি বিদ্যালয়ের প্রতি আকৃষ্ট হয় ছাত্র-ছাত্রীকে আকৃষ্ট করা যায় তার জন্য এই পরিকাঠামো তৈরির চেষ্টা করে যাচ্ছেন। আমাদের বরাক ভ্যালিতে বা কাছাড় জেলার আমার সমষ্টিতে দেখেছি যে নরশিংহ হায়ার সেকেন্ডারি স্কুল,পাবলিক হায়ার সেকেন্ডারি স্কুল, শরৎ চন্দ্র বিদ্যাপীঠ স্কুল সহ বিভিন্ন স্কুলের পরিকাঠামো আজকের দিনে চেঞ্জ হয়েছে। কংগ্রেস শাসিত সরকারের সময় আমরা লক্ষ্য করেছি যে বিদ্যালয়ে টয়লেটের চরম পরিস্থিতি ছিল, ক্লাসরুমের করুণ পরিস্থিতি ছিল। টিচারস কমনরুম ছিল না। বৃষ্টি হলে জল পড়ত এরকম অনেক বিদ্যালয় আছে। সেই কথা চিন্তা করে আজকের দিনে এই কাজ মাননীয় মূখ্যমন্ত্রী করে যাচ্ছেন। আমরা আজকে এই বিলকে সমর্থন করা উচিৎ কারণ এই বিলের অনেক গাইড লাইন বেঁধে দেওয়া হয়েছে যে গাইড লাইনের ভিতরে আছে, যারা প্রাইভেট কোচিং করতে চাইবেন তাদেরকে লাইসেন্স দেওয়া হবে তারজন্য উল্লেখযোগ্য একটি বিষয় এখানে উল্লেখ করা হয়েছে যে দিব্যাঙ্গদের পড়ানোর জন্য যে ফেসিলিটি আছে কোচিং সেন্টারে থাকতে হবে। মাননীয় মূখ্যমন্ত্রীর সরকার এই বাজেট অধিবেশনে বাজেটে বিদ্যালয় শিক্ষা বিভাগে ১৮,৭৩৩ কোটি টাকা ও উচ্চশিক্ষা বিভাগে ৩,৭৯৭ কোটি টাকা বরাদ্দ করেছেন। আর এই শিক্ষা বিভাগকে গুরুত্ব দিয়ে আরোও অনেক উল্লেখযোগ্য ঘোষনা এই বাজেটে উল্লেখ করা হয়েছে। অধ্যক্ষ মহোদয় রাজ্যে শিক্ষাগত পরিবেশ উন্নত করার জন্য মাননীয় মূখ্যমন্ত্রী মহোদয় ও আমাদের শিক্ষা মন্ত্রী ড০ রনোজ পেগু মহোদয় রাজ্যবাসীর নিকট প্রতিশ্রুতিবদ্ধ। আমরা লক্ষ্য করেছি যে বাল্য বিবাহ রোধ করতে বা মেয়েদের উচ্চ শিক্ষায় উৎসাহিত করতে আমাদের এই বাজেটে ধার্য্য করা হয়েছে যে একাদশ শ্রেণীতে তালিকাভুক্ত হওয়া প্রতিটি ছাত্রীকে ১০০০ টাকা করে মাসে অর্থাৎ ১০,০০০ টাকা পাবে। স্নাতক স্তরে প্রথম বর্ষে তালিকাভূক্ত হওয়া প্রতিটি ছাত্রী মাসে ১২৫০ টাকা করে

১২,৫০০ টাকা ও স্নাতকত্তোর স্তরে প্রথম বর্ষের তালিকাভূক্ত প্রতিটি ছাত্রী মাসে ২৫০০ করে অর্থাৎ ২৫,০০০ টাকা সরকারি অনুদান পাবে। আমরা মনে কবি, এই অনুদানগুলির পাশাপাশি বিনামূল্যে ভর্তি, সাইকেল, স্কুটি এগুলো দিয়ে মননীয় মূখ্যমন্ত্রী মেয়েদের উচ্চশিক্ষার প্রতি উৎসাহিত করার জন্য যে পদক্ষেপ নিয়েছেন সেটা অত্যন্ত গুরুত্বপূর্ণ, অত্যন্ত প্রশংসনীয়। সেই ক্ষেত্রে আমি আশা রাখি যে আজকের দিনে শিক্ষার ক্ষেত্রে ড্রপ আউটের হার কমাতে আমরা সক্ষম হব।শৈশব শিক্ষার উপর গুরুত্ব আরোপ করে এই সরকার ৫০০০ অঙ্গনওয়াড়ি সেন্টার তৈরি করার জন্য সিদ্ধান্ত নিয়েছেন এটা একটা গুরুত্বপূর্ণ ঐতিহাসিক পদক্ষেপ বলে আমরা মনে করি। আমরা লক্ষ্য করেছি শহীদ কনকলতা বরুয়া উনি একজন স্বাধীনতা সংগ্রামী। এই শহীদ কলকলতার নামে স্টেট ইউনিভার্সিটি স্থাপন করার জন্য এই বাজেটে ৪০০ কোটি টাকা বরাদ্দ করা হয়েছে। এই বৈপ্লবিক পরিবর্তনের জন্য মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা মহোদয়কে ধন্যবাদ জ্ঞাপন করছি আর এই বিলকে আমি সম্পূর্ণ সমর্থন করে আমার বক্তব্য শেষ করছি। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী আব্দুৰ ৰহিম আহমেদ। তেখেত অনুপস্থিত। শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি শিক্ষা মন্ত্ৰী মহোদয়ৰ লগতে সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো । এই বিলখন সময়োপযোগী তথা সময়ৰ আহ্বান আছিল। "The Assam Coaching Institutes (Control and Regulation) Bill, 2025" এইবিলখন খুবেই গুৰুত্বপূৰ্ণ। আজি যদি চোৱা যায় অধিকতৰ dropout ৰ সংখ্যা লাহে লাহে কমিছে । আজি দেখা গৈছে যে চৰকাৰী বিদ্যালয়ত এদিন আগৰ পৰাই নামভৰ্ত্তিৰ বাবে শাৰী পাতিছে। এই যিটো সুন্দৰ পৰিৱেশ, মোৰ মৰিয়নী সমষ্টিত বহু বছৰলৈকে NEET, APSC পাছ কৰা দেখা নাছিলো আৰু বাগান অঞ্চলতো APSC পাছ কৰাপোৱা নাছিলো। কিন্তু বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃতাধীন চৰকাৰৰ যি স্বচ্ছ নিযুক্তি তাৰ ফলত ২০২২ চনত মৰিয়নীৰ পৰা মাচি শ্ৰী তপ্ন ইতিমধ্যে APSC ত উত্তীৰ্ণ হৈ ধুবুৰীত Assistant Commissioner হৈ আছে । মোৰ মৰিয়নী সমষ্টিৰ একেবাৰে বাগানৰ লাইনত জন্মগ্ৰহণ কৰা Shri Crushon Bhumij আজি স্বচ্ছ নিযুক্তিৰ বাবে বৰ্তমান হাইলাকান্দিত DSP হ'বলৈ সক্ষম হৈছে। অৰ্থাৎ ই ৰেগুলেশ্যন আৰু নিয়ন্ত্ৰন আনিব হয় কিন্তু লাহে লাহে coaching institute বোৰেও নিজে নিজে আঁতৰি যাবলৈ ধৰিব। এই বিল খনৰ জৰিয়তে coaching institute বিলাকে সেৱাভিত্তিত নলৈ ব্যৱসায়িক ভিত্তি হিচাপে লোৱাটো কমি আহিব। এতিয়া যদি আমি RTI Act চাওঁ, 2009 part-II section I, chapter-4 (28) তাত স্পষ্টকৈ কোৱা হৈছে যে শিক্ষক সকলে নিজৰ ঘৰৰ কাষতে বা নিজৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক coaching institute ত শিক্ষাদান কৰিব নোৱাৰে। ইয়াত স্পষ্টকৈ যিটো mention কৰি দিলে non-teaching শিক্ষকেহে শিক্ষাদান কৰিব পাৰিব। অৰ্থাৎ বৰ্তমান কৰ্মৰত শিক্ষকে শিক্ষাদান কৰিব নোৱাৰিব। আজি দুখ লাগে যে অভিভাৱক সকলে কিছুদিন আগত মোক এই ক্ষেত্ৰতপত্ৰ দিব লগীয়া হৈছিল। আজি দিব্যাংগ সকলক গুৰুত্ব দিয়া এই বিলখনৰ জৰিয়তে ইয়াত counselling psychologist ও ইয়াত অন্তৰ্ভুক্তকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা , penalty ৰ ক্ষেত্ৰত কেইবাজনো বিধায়কে কৈছে যে এইটো বঢ়াই দিব লাগে , আমিও ক'ম যে penalty টো বঢ়াই নুন্যতম ৫ ৰপৰা ১০ লাখ টকা কৰিব লাগে কোনোবাই যদি violate কৰে। আজি মই ধন্যবাদ জনাম মাননীয় মন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়াক আৰু লগতে মাননীয় মুখ্যমন্ত্ৰী

হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াকো ধন্যবাদ জনাম যে পোনপ্ৰথম বাৰৰ বাবে অসম-নাগালেণ্ডৰ সীমামুৰীয়া মৰিয়নী সমষ্টিৰ চাহ বাগান অঞ্চল, গ্ৰাম্যাঞ্চলেই হওঁক বা পাহাৰীয়া অঞ্চল, পূৰ্বৰ কংগ্ৰেছ চৰকাৰে কোনো দিনেই গুৰুত্ব দিয়া নাছিল। বৰ্তমান NDA চৰকাৰৰ দিনত আমি মহিলা বিশ্ব বিদ্যালয়, law college আৰু আধ্যাত্মিক বিশ্ববিদ্যালয় পালো আৰু আমি দ্বিতীয় খন আশা কৰি আছো টিয়কত। ' আৰোহণ' নামৰ যি আঁচনি গ্ৰহণ কৰিলে তাৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সলাগ লৈছো। 'শিক্ষাসেঁতু' ৰ যি ব্যৱস্থা গ্ৰহণ কৰিলে তাৰ বাবে শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ সলাগ লৈছো। আজি চাহবাগান অঞ্চলত Model School নিৰ্মান কৰা হৈছে, আমি কেতিয়াও সেইটো ভৰা নাছিলো। ২০০৫ চনৰ পৰা আজি ২০ বছৰ হ'ল মই বিধায়ক হৈ থকা, আমি কেতিয়াও ভৰা নাছিলো Digital Classroom পাম। চাহবাগান, আনকি ভিতৰুৱা গ্ৰামাঞ্চলবোৰতো আজি NDA চৰকাৰৰ দিনত আমি Digital Classroom পালো আৰু যদি চাওঁ আজি আন্দোলন কৰা শিক্ষকসকলকো আপোন পোহৰ আঁচনি দি সন্মান জনোৱা হৈছে। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ওৱাজেদ আলি চৌধুৰী ।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী ডাঙৰীয়াই যিখন বিল উত্থাপন কৰিছে তাক কেন্দ্ৰ কৰি আজি চৰ অঞ্চলত শিক্ষাৰ যিটো দুৰৱস্থা সেই সম্পৰ্কে মই অলপ ক'ব বিচাৰিছো। ২০০৩ চনত প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰ খনে চৰ অঞ্চলৰ শিক্ষাৰ ওপৰত এটা survey কৰাইছিল। সেই survey ত পোৱা গৈছিল যে চৰ অঞ্চলৰ শিক্ষাৰ হাৰ মাত্ৰ ১৯% আৰু সেই সময়ত অসমৰ শিক্ষাৰ হাৰ আছিল ৫৬%। তাতোকৈ গুৰুত্বপূৰ্ণ কথা সেই সময়ত মহিলাৰ শিক্ষাৰ হাৰ আছিল মাত্ৰ ৩%। তেনেকুৱা এটা অৱস্থাৰ পৰা সৰ্বশিক্ষাৰ জৰিয়তে বা বিভিন্ন অনুষ্ঠানৰ জৰিয়তে শিক্ষাৰ হাৰ যদিও বঢ়োৱা হৈছে, কিন্তু এতিয়ালৈকেও আমাৰ চৰ অঞ্চলৰ শিক্ষাৰ হাৰ বহুত কম। সেই অঞ্চলত এখন এখন স্কুলত ২০০ ৰ পৰা ৩০০ পৰ্য্যন্ত ছাত্ৰ -ছাত্ৰী আছে, যদিও শিক্ষক মাত্ৰ এজন বা দুজন। শিক্ষকৰ অভাব, চৰ অঞ্চলৰ ভেঞ্চাৰ স্কুল বিলাকে ইমান দিন তেওঁলোকে শিক্ষা দান কৰি আছিল, কিন্তু ভেঞ্চাৰ স্কুলো লাহে লাহে চৰকাৰে বন্ধ কৰাৰ পথত। যাৰ ফলত ভেঞ্চাৰ স্কুল বিলাকত মধ্যাহ্ন ভোজনৰ ব্যৱস্থাও বন্ধ কৰি দিয়া হৈছিল। গতিকে বহুত ভেঞ্চাৰ স্কুল এতিয়া চলা নাই। দ্বিতীয় বিষয়টো হৈছে, coaching । চৰ অঞ্চলত ৰাইজৰ তেনেকুৱা অৱস্থা নাই। তেওঁলোকে coaching দিব, বা coaching ক্লাছ কৰাই ল'ৰা-ছোৱালীক শিক্ষা দান কৰিব। আজি মই ভাবো বিশেষকৈ মোৰ সমষ্টিৰ ৮০ শতাংশ ঠাই চৰ অঞ্চলৰ। তাতে বহুত পঞ্চায়তত এম ই স্কুল পৰ্যন্ত নাই, হাইস্কুল টো নাইয়ে। দুখন চৰ অঞ্চল মিলি এখন জুনিয়ৰ কলেজ আছে, সেইখনো ভেঞ্চাৰ। গতিকে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে শিক্ষাৰ ক্ষেত্ৰত যিসকল টেট শিক্ষক চৰ অঞ্চলত নিযুক্তি দিছিল, কিন্তু দেখা গ'ল ক্ৰমান্বয়ে সেই শিক্ষক সকলক বদলি কৰি নিজৰ নিজৰ জিলালৈ লৈ গ'ল with post.গতিকে চৰ অঞ্চলত যিটো শিক্ষাৰ দুৰৱস্থা, দুৰৱস্থাই ধৰি আছে। আজি বাগিছা অঞ্চলত হাইস্কুল স্থাপন কৰি শিক্ষাৰ হাৰ যথেষ্ট বঢ়াইছে আমি ভাল পাইছো। তেনেকৈ চৰ অঞ্চলৰ ক্ষেত্ৰত গুৰুত্ব দি চৰ অঞ্চলত যদি নতুনকৈ শিক্ষা প্ৰতিষ্ঠান গঢ়িব নোৱাৰে, কমপক্ষেও যিকেইখন ভেঞ্চাৰ স্কুল আছে, এই ভেঞ্চাৰ স্কুলখিনিও যদি এইবাৰ ২০০৬ চনৰ আগৰ তেওঁলোকৰ মাটিৰ নথি-পত্ৰ আছে, আৰু অন্যান্য নথি-পত্ৰ আছে। সেই স্কুল বিলাক বহুত পুৰণা, কিন্তু এটা মাত্ৰ dise code ৰ reference ত তেওঁলোকৰ স্কুল বিলাক বাদ পৰিছিল। dise code টো

অন্য চনৰ আছে ২০০৭-০৮ নাই কিন্তু ২০০৮-০৯ আছে, ২০০৯-১০ আছে, ২০১০-১১ আছে। গতিকে সেই স্কুল বিলাক যাতে বিবেচনা কৰি আৰু এটা মাত্ৰ জুনিয়ৰ কলেজ যিখন আছে, এই কলেজ আৰু স্কুল বিলাক চৰকাৰীকৰণ কৰিব বুলি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। মোৰ বক্তব্য সামৰণি মাৰিলো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কৃষ্ণ কমল তাঁতী, আপুনি তিনি মিনিটত শেষ কৰিব।

**শ্ৰী কৃষ্ণ কমল তাঁতী, (ৰঙাপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Assam Coaching Institutes (Control and regulation) Bill, 2025.মই ভাবো এই বিলখন অতিকৈ প্ৰয়োজনা আছিল। কাৰণ আমি দেখিবলৈ পাইছো, আজি কালি এনেকুৰা কিছুমান Coaching Institutes গা কৰি উঠিছে, য'ত আচলতে ছাত্ৰ-ছাত্ৰী সকলক বা অভিভাৱক সকলক ভাল মাৰ্কচ দিয়াম বুলি বা ভাল rank দিয়াই দিম বুলি নামভৰ্তি কৰাবৰ বাবে তেওঁলোকে ব্যৱস্থা কৰাইছে। সেই কাৰণে প্ৰলোভন দি যি নাম ভৰ্তিৰ ব্যৱস্থা কৰিছে, সেই বিলাক বন্ধ কৰিবৰ কাৰণে এইখন বিলৰ অতিকৈ প্ৰয়োজন আছে। সেই কাৰণে মই ভাবো এইখন অতি প্ৰয়োজনীয় আৰু এটা কথা আমি দেখিবলৈ পাইছো, ইয়াত আছে, Academic qualification of the teacher যিটো দিছে,যে Non-Governmental Institution ৰ লগত Teachers নহ'লে বা Retired teachers সকল হে involve হ'ব পাৰিব। তাৰ পৰা আমি ধৰি ল'ব পাৰিছো যে যি সকলে কোনোবা বেলেগ Institution ত শিক্ষকতা কৰি আছে, কিন্তু তেওঁলোকে গৈ Coaching Institution ত তেওঁলোকে পঢ়াবলৈ চেষ্টা কৰিছে তেওঁলোক ইয়াৰ পৰা বিৰত থাকিব। সেইটো এটা ভাল । আমি আৰু এটা দেখিবলৈ পাইছো,ইয়াত ১৬ বছৰৰ তলৰ ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তি কৰিব নোৱাৰিব, হায়াৰ ছেকেণ্ডাৰী পোৱাৰ পাছতহে তেওঁলোকে নাম ভৰ্তি কৰিব পাৰিব। এই কেইটা সঁচাকৈয়ে অতি প্ৰয়োজনীয়। আৰু এটা কথা আমি দেখিছো ছাত্ৰ-ছাত্ৰী সকলে যদি কোনোবা এটা Institution ত নাম ভৰ্তি কৰি ৰাখিছে বা স্কুলত, তেওঁলোকে ক্লাছৰ সময়ত এই Coaching Institutes খন চলাব নোৱাৰিব বা তাত তেওঁলোকে ক্লাছ দিব নোৱাৰিব। এই কেইটা অতিকৈ প্ৰয়োজনীয় আছিল। ইয়াৰ লগে লগে মই এটা কথা উল্লেখ কৰিব বিচাৰিছো, এটা উক্তি মই ইয়াতে পঢ়ি দিব বিচাৰিছো, "Education makes a people easy to lead but difficult to drive, easy to govern, but impossible to enslave." এইটোৱেই চাগে কাৰণ, যাৰ কাৰণে হয়টো বাগিচাত হাইস্কুল নিৰ্মাণ কৰা নাছিল কোনেও ভৰা নাছিল যে আজি অন্ততঃ বি জে পি চৰকাৰ অহাৰ পাছতয়ে এই মানুহখিনি যে slave কৰি ৰাখিব নালাগে,তেওঁলোকক ensure কৰাৰ নালাগে, তাৰ কথা চিন্তা কৰি বি জে পি চৰকাৰে আজি হাইস্কুল নিৰ্মাণ কৰিছে বাগিচাই বাগিচাই তাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো, আমাৰ শিক্ষামন্ত্ৰীৰ লগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক। আৰু এট কথা মই ইয়াতে উল্লেখ কৰি দিব বিচাৰিছো, যে নৱম মান শ্ৰেণীত আচলতে এটা বানিজ্যৰ বিষয় আছে। কিন্তু আমি দেখিবলৈ পাইছো যে বিদ্যালয় সমূহত বানিজ্যৰ শিক্ষক তেনেকুৰা নাই। তাৰ কাৰণে হয়তু বহু ছাত্ৰ-ছাত্ৰী তেওঁলোকে নাম ভৰ্তি কৰিও হয়তু শিক্ষকে তেওঁলোকক পঢ়াব পৰা নাই সেই কাৰণে অকনমান এই কথাটো লক্ষ্য কৰিব লাগে। ইয়াৰ লগে লগে এল পি স্কুলৰ বিষয় এটা মই ইয়াতে উনুকিয়াই দিব বিচাৰিছো। বাগিচাত আজি আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় হ'ল। কিন্তু বাগিচাৰ যি প্ৰাথমিক বিদ্যালয় সমূহ আছে, আন্তঃগাথনি একেবাৰে বেয়া, তাৰ কাৰণে অলপ দৃষ্টি নিক্ষেপ কৰিবৰ কাৰণে আমাৰ মাননীয় শিক্ষা মন্ত্ৰীক উনুকিয়াই দিব বিচাৰিছো আৰু এটা কথা মোৰ সমষ্টিৰ চাহ বাগিচাৰ এখন বিদ্যালয়

সোনাজুলী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়। তাত প্ৰায় ৪৫০ জন ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তি কৰিছে, কিন্তু মাত্ৰ ৫ জন শিক্ষক আছে। অকনমান শিক্ষা মন্ত্ৰী ডাঙৰীয়াই বিষয়টো চাই দিবৰ কাৰণে মই অনুৰোধ জনাইছো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া জাকিৰ হুছেইন সিকদাৰ,আপুনি ৩ মিনিটত শেষ কৰিব, উত্তৰটো ল'বলৈ ভাল হ'ব তেতিয়া।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, The Assam Coaching Institutes (Control and regulation) Bill, 2025 ৰ ওপৰত ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। যিহেতু সময় একেবাৰে কম বহলাই কথাখিনি ক'বলৈ বিছৰা নাই। আজি Coaching Institute ৰ ওপৰত বা প্ৰাইভেট বিদ্যালয়ৰ ওপৰত বিল আনিবলৈ চৰকাৰ যে বাধ্য হৈছে, কিয় বাধ্য হৈছে? ইয়াৰ নেপথ্যত কি? আজি Coaching Institute কিয় হ'ব লগা হ'ল? প্ৰাইভেট বিদ্যালয় কিয় হ'ব লগা হ'ল এই কথাখিনি শিক্ষা বিভাগে অনুধাৱন কৰিছেনে নাই। এই কথা বিলাকৰ ওপৰত চিন্তাচৰ্চা কৰিছেনে নাই? চৰকাৰখনে এই বিষয়ে চিন্তাচৰ্চা কৰিছেনে নাই। মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়া যেতিয়া তেখেতে প্ৰাথমিক বিদ্যালয়ত অধ্যয়ন কৰিছিল, যেতিয়া হাইস্কুলত তেওঁ অধ্যয়ন কৰিছিল। সেই সময়ত তেখেতৰ গৃহ জিলাত কিমান প্ৰাথমিক বিদ্যালয় আছিল। কিমান Coaching Institute আছিল। গোটেই অসমখনত লাহে লাহে যে প্ৰাইভেট বিদ্যালয়ৰ সংখ্যা বৃদ্ধি হ'ল, Coaching Institute ৰ সংখ্যা বৃদ্ধি হ'ল ইয়াৰ কাৰণ কি? আমি যেতিয়ালৈকে এই কাৰণখিনিৰ মুল কথা বিলাকৰ মাজলৈ নাযাম কেৱল ইয়াক যদি আমি নিয়ন্ত্ৰণ কৰিব বিচাৰো, ইয়াক যদি আমি কেৱল নাকী লগাব বিচাৰো, শাসকীয় বিধায়ক এজনে কৈছে, তেনেহ'লে এই কথা ঠিক নহ'ব। কাৰণ আজি অসম খনত যিমান প্ৰাইভেট বিদ্যালয় হৈছে, যিমান Coaching Institute হৈছে, ইয়াৰ মুলত হৈছে, চৰকাৰী ভাৱে পৰিচালিত হোৱা চৰকাৰৰ শিক্ষা বিভাগৰ আওতাত থকা বিদ্যালয় সমূহৰ শিক্ষাৰ গুণগত মান দিনে দিনে কমি আহিছে। উপাধ্যক্ষ ডাঙৰীয়া যেতিয়া HSLC পৰীক্ষাৰ ৰিজাল্ট দিয়ে, যেতিয়া উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ৰিজাল্ট দিয়ে, যেতিয়া UPSCৰ ৰিজাল্ট দিয়ে , যেতিয়া APSCৰ ৰিজাল্ট দিয়ে, তেতিয়া আমি দেখিম চৰকাৰী বিদ্যালয়ৰ তুলনাত ব্যক্তিগত বিদ্যালয়ৰ দপদপনি বেছি। ব্যক্তিগত বিদ্যালয়ে বেছিসংখ্যক আসন লাভ কৰিছে। চাৰকাৰী বিদ্যালয়ে লাভ নকৰা বুলি কলেও ভুল কৰা নহয়। গতিকে এনেকুৱা এটা সময়ত চৰকাৰে আমাৰ ব্যক্তিগত বিদ্যালয়ক নাকী লগোৱাৰ পৰিবৰ্তে চৰকাৰী বিদ্যালয়ত শিক্ষাৰ মান কেনেকৈ ভাল কৰিব পাৰি তাৰ বিষয়ে চিন্তা কৰিছেনে নাই। শিক্ষাৰ অধিকাৰ আইন ২০০৯ আহিল। সকলোকে শিক্ষা দিব লাগিব, শিক্ষা দিয়াৰ নামত আজি এইখন অসমত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ সংখ্যা কম। আজি এইখন অসমত চৰকাৰী বিদ্যালয়ত আন্তঃগাথনিৰ অৱস্থা বেয়া। আজি একোখন বিদ্যালয়ত একেটা শ্ৰেণীকোঠাতে তিনিটা শ্ৰেণীক পাঠদান দিব লগা হয় । উপাধ্যক্ষ ডাঙৰীয়া, যিহেতু এইখন সদনত আহিছো, ২০১৬ চনৰ পিছৰ পৰা। প্ৰত্যেকজন বিধায়কে ক'ব লগা হৈছে মোৰ সমষ্টিৰ অমুক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক নাই। গতিকে এই বিলাক প্ৰাইভেট বিদ্যালয়ক নাকী লগোৱাৰ পৰিৱৰ্তে আমাৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থা কেনেকৈ ভাল কৰিব পাৰি তাৰ কাৰণে চৰকাৰী ভাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই, মন্ত্ৰী বিধায়কৰ পৰা মুখ্য সচিব লৈকে আমোলা সকল আৰু বেছিভাগ চৰকাৰী বিষয়া কৰ্মচাৰীৰ লৰা-ছোৱালীয়ে ব্যক্তিগত স্কুলত অধ্যয়ন কৰে আৰু বহুত মানুহে তেওঁলোকৰ লৰা ছোৱালীক চৰকাৰী স্কুললৈ

পঠাব নিবিচাৰে। কাৰণ তেওঁলোকে ভাৱে যে চৰকাৰী স্কুলত তেওঁলোকে ভাল ফলাফল কৰিব নোৱাৰিব। এই যিখন বিধেয়ক আনিছে সেইটো ভাল কথা আৰু মইও ভাৱো যে এখনো ব্যক্তিগত বিদ্যালয় থাকিব নালাগে আৰু এখনো Coaching centre থাকিব নালাগে। চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰি মানব সম্পদ গঢ়লৈ উঠক আৰু অসমক বিশ্বৰ বুকুত উজলাই তোলক। অলপ আগতে ৰশিদ ডাঙৰীয়াই গোৱালপাৰা জিলাৰ চৰ অঞ্চলৰ সোনাৰী মহাবিদ্যালয়, পশ্চিম গোৱালপাৰা মহাবিদ্যালয় যিবোৰ Venture মহাবিদ্যালয় আছে সেইবোৰক প্ৰাদেশীকিকৰণ কৰিব লাগে। আৰু মোৰ কয়াকুচিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বানিজ্য শাখা আছে তাক প্ৰাদেশীকিকৰণ কৰিব লাগে। আৰু যিবোৰ Venture স্কুল আছে সেইবোৰক প্ৰাদেশীকিকৰণ কৰিব লাগে কিন্তু চৰকাৰে ২/৪ খন স্কুলক প্ৰাদেশীকিকৰণ কৰিলে কিন্তু সকলোবোৰকো প্ৰাদেশীকিকৰণ কৰিব লাগে সেইবোৰ হিন্দী শিক্ষকে হওক বা আৰবিক শিক্ষকে হওক। গতিকে শিক্ষাৰ কথা আহে তাত কোনো শাষক বিৰোধী বুলি কথা নাই। গতিকে শিক্ষা বিভাগটো কেনেকৈ আগবাঢ়ি যাব তাত আমি সহযোগ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। কিন্তু এটা গুৰুত্বপূৰ্ণ কথা হৈছে যে চিকিৎসা মহাবিদ্যালয় আৰু আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ক্ষেত্ৰত কোনো ল'ৰা-ছোৱালীয়ে ব্যক্তিগত খণ্ডত পঢ়িব নিবিচাৰি তেওঁলোকে চৰকাৰী মহাবিদ্যলয় বা প্ৰতিস্থানলৈ যাব বিচাৰে। এতিয়া শ্ৰী মনোৰঞ্জন তালুকদাৰ ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যিখন বিল ইয়াত উত্থাপন কৰা হৈছে "The Assam Coaching Institutes (Control and Regulation) Bill, 2025 এই খনক মই এটা ভাল পদক্ষেপ বুলি আদৰণি জনাইছো। এতিয়া কাঠফুলাৰ দৰে যিবোৰ Coaching Institutes গঢ়ি উঠিছে ইয়াক নিয়ন্ত্ৰণ নকৰিলে ৰাজহুৱা শিক্ষা ব্যৱস্থাটো ধংস হৈ যাব। এইবোৰ এনে দৰে নিয়ন্ত্ৰন কৰিব লাগে, যাতে এইবোৰ খুলিব নোৱাৰে আৰু আমাৰ ৰাজহুৱা শিক্ষা ব্যৱস্থাটো উন্নত কৰাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া হ'লে আমাৰ লাভ হ'ব। ইয়াত Faculty ৰ সম্পৰ্কে মোৰ এটা কথা ক'বলগীয়া আছে যে ইয়াত যিটো উল্লেখ কৰা আছে at least Graduate হ'ব লাগে। কিন্তু Specialize বিষয়ৰ ক্ষেত্ৰত Specialize হ'ব লাগিব। যেতিয়া চিকিৎসা বা Engineering ৰ কাৰণে Coaching কৰিব তেতিয়া তাত Engineering বা Medical Graduate হব লাগিব সেইটো চৰকাৰে লক্ষ্য ৰখাটো উচিত। এনেয়ে Graduate শিক্ষকৰ নামত যধে মধে নিযুক্তি দি লাভ নাই। এই বিলখন এখন অসমৰ কাৰণে গুৰুত্বপূৰ্ণ বিল। মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা October মাহতে এটা ৰায় প্ৰদান কৰিছিল যে Tutor আৰু fixed pay ত কৰ্মৰত কৰ্মচাৰী সকলক নিয়মীয়া হাৰত অন্য কৰ্মচাৰীৰৰ দৰে দৰমহা দিয়াৰ বাবে ৰায় প্ৰদান কৰিছিল আৰু ইয়াক ৬ মাহৰ ভিতৰতে কাৰ্য্যকৰী কৰিব দিছিল। কিন্তু এইটো এতিয়া লৈকে হোৱা নাই আৰু Tutor ৰ যিটো সমস্যা তাত এটা চৰ্ত দিয়া হ'ল যে যদি তেওঁলোক Qualified হয়, তেতিয়া হ'লে তেওঁলোকক শিক্ষক হিচাপে নিযুক্তি দিব। কিন্তু বহুত Qualified Tutor যি সকলে DELED Degree আদি ল'লৈ, কিন্তু তেওঁলোকক এতিয়ালৈকে শিক্ষক হিচাপে নিযুক্তি দিয়া হোৱা নাই। গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া ৰায়টো এতিয়া লৈকে কাৰ্য্যকৰী কৰা নাই। গতিকে বিভাগে এই ক্ষেত্ৰত তাৎক্ষণিক ভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ যি বোৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় উন্নীতকৰণ কৰিলে তাত অতি কমেও ৪ জন স্নাতকোত্তৰ ডিগ্ৰী থকা শিক্ষক থাকিব লাগিব। কিছু উচ্চতৰ মাধ্যমিক বিদ্যালয় উন্নীতকৰণ হ'ল মোৰ সমষ্টিটো হ'ল কিন্তু সেইবোৰক এটা বিষয়ৰে ৪

জন স্নাতকোত্তৰ শিক্ষক আছে কিন্তু তেওঁলোকে ৬ টা বিষয় শিকাব লাগিব। গতিকে ৬টা বিষয় শিকাব পৰা ৬ জন শিক্ষক থাকিব লাগিব। ২০২৩ চনৰ ডিচেম্বৰ মাহত LP আৰু UP ৫,৫০০ টা পদৰ বিজ্ঞাপন দিয়া হৈছিল আৰু Merit list ত নিৰ্বাচিত হৈছিল, কিন্তু এতিয়া লৈকে সেই কামবোৰ হোৱা নাই। ২০০৫ চনত আকৌ ৪৫০০ পদৰ বিজ্ঞাপন প্ৰকাশ কৰিছিল কিন্তু এতিয়ালৈকে Merit list প্ৰকাশ হোৱা নাই আৰু যদি তেওঁলোকক নিযুক্তি দিয়া নহয়, তেতিয়া হ'লে যি সকলে নিৰ্বাচিত হ'ব তেওঁলোকে ইয়াতো আবেদন কৰিব আৰু তেতিয়া একোটা পদতে ২জন মানুহে নিযুক্তি পাব। গতিকে এইটো এতিয়া লৈকে কিয় কৰিব পৰা নাই সোনকালে এইটো কৰক আৰু প্ৰাদেশীকিকৰণ আইনখন সংশোধন কৰাৰ ব্যৱস্থা কৰক।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শ্ৰী গোবিন্দ বসুমতাৰী ।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী, (ওদালগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি অসমত মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই "The Assam Coaching Institutes (Control and Regulation) Bill, 2025", যি বিলখন আনিছে, সেইটো এটা ভাল পদক্ষেপ। এই Coaching Institutes বিলাক নিয়ন্ত্ৰন কৰাটো অতিকে দৰকাৰ। আমাৰ ইয়াত অসমৰ Coaching Institutes ৰ লগতে বাহিৰৰ পৰাও কিছুমান Coaching Centre য়ে ইয়াত শাখা স্থাপন কৰিছিল, যেনে আকাশ, চানক্য আদি। ইয়াৰোপৰি আমাৰ অসমৰ বহুতো Coaching Institutes আছে সেইবোৰক নিয়ন্ত্ৰন কৰাটো অতিকে দৰকাৰ। এইটো হয় যে আমাৰ বিভিন্ন প্ৰতিযোগিতা মূলক পৰীক্ষাৰ বাবে Coaching Institutes ৰ প্ৰয়োজন আছে । আমাৰ অসম চৰকাৰে চৰকাৰী ভাৱে Coaching Centre পাতিব পৰা নাই তাৰ বাবে ব্যক্তিগত Coaching Centre ৰ প্ৰযোজন অনুভৱ কৰো। ইয়াৰোপৰি এটা বা দুটা Coaching Centre ৰ থাকিলে তাত Monopoly হোৱাৰ সম্ভাৱনা থাকে। গতিকে বিভিন্ন ব্যক্তিগত Coaching Centre ৰ প্ৰয়োজন আমি অনুভৱ কৰো যাতে সমাজত এটা প্ৰতিযোগিতা আহে। কিন্তু কথা হ'ল যে এইবোৰক নিয়ন্ত্ৰণৰ অতি প্ৰয়োজন। বহুসময়ত দেখা পাওঁ যে Coaching Centre বোৰে নিজৰ ইচ্ছা মতে Fee আদি গ্ৰহণ কৰে আৰু ব্যৱসায়িক ভিত্তিত এইবোৰ চলায়। গতিকে শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এইবোৰ নিয়ন্ত্ৰণৰ বাবে যি আইন আনিছে তাক সমৰ্থন জনাইছো। তদুপৰি এই Coaching Centre সমূহৰ স্বাস্থ্য জনিত দিশটো চৰকাৰে চাব লাগিব। আৰু তেওঁলোকৰ শিক্ষাৰ মানদণ্ড কেনেকুৱা এইবোৰ চাব লাগিব আৰু যদি এইবোৰ তেওঁলোকে Maintain কৰিব পৰা নাই তেতিয়া হলে তেওঁলোকক বন্ধ কৰি দিব লাগে। ইয়াৰোপৰি Coaching Centre বিলাকত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক আছে নে নাই চাব লাগিব। যদি নাই, তেতিয়া হ'লে তেওঁলোকক Close down কৰিব লাগিব। গতিকে চৰকাৰে যি বোৰ ব্যক্তিগত Coaching Centre য়ে এইবোৰ কৰিব পৰা নাই তেওঁলোকক বন্ধ কৰি দিব লাগে আৰু যিবিলাক Coaching Centre ঠিক মতে চলি আছে তেওঁলোকক বাহাল ৰাখিব লাগে। মই ভাৱো যে চৰকাৰী ভাৱে Coaching Centre গঠন কৰি আমাৰ ল'ৰা ছোৱালী বিলাকৰ উপকাৰ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই যিখন বিল আনিছে Coaching Institutes (Control and Regulation) এই বিষয়ে মোৰ এটা ধাৰণা আছিল যে এনেকুৱা এখন বিল আহিব। আৰু আজি সেই বিল খন আহিছে। আমাৰ ৰাজ্যখন যদি আগবঢ়াই নিব লাগে তেতিয়া আমাক শিক্ষাৰ এটা পৰিবেশ লাগিব। তাৰ বাবে মই মুখ্য মন্ত্ৰী

মহোদয়ক ধন্যবাদ জনাইছো। মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আৰু আমাৰ শিক্ষামন্ত্ৰীৰ সহযোগত এনে এটা পৰিৱেশ হৈছে। উপাধ্যক্ষ মহোদয়, মই এটা কথা বিচাৰিছো, যোৱা কালি এটা বস্তু চাইছো, বিশ্ববিদ্যালয়ৰ ধৰ্মৰ ওপৰত এটা ক্লজত অনা হৈছে। ঠিক আছে এইটো ভাল কথা, আমি কোনো জাতি ইফাল সিফাল হ'ব নালাগে, যাতে আমাৰ প্ৰত্যেকৰ ধৰ্ম যাতে অক্ষুন্ন থাকে। কালি এটা বস্তু চালো, আমাৰ কংগ্ৰেছ ইতিমধ্যে একদম জাঙোৰ খাই উঠিছে, আমাৰ এইটো বস্তু ৰাখিব নালাগে। তাৰমানে ধৰ্মান্তৰ হ'ব লাগে নেকি? এনেকুৱা পৰিৱেশ হ'ব নালাগে উপাধ্যক্ষ মহোদয়। আচলতে কথাটো হৈছে কি।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ উপাধ্যক্ষ মহোদয়, এইটো বিলৰ ওপৰত বা শিক্ষাৰ ওপৰত ।

....................(সদনত হুলস্থুল)..................

**মাননীয় উপাধ্যক্ষ** ঃ Please. আপোনাক এক মিনিট সময় দিয়া হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ আগতে কথাত কথাটো বাঢ়ে। কথাটো হৈছে শিক্ষক নাই, কথা হৈছে ক্লাছৰুম নাই, মূল কথাটো হৈছে ২০০১ চনৰ পৰা যদি আপুনি চাই প্ৰত্যেক হাইস্কুলত ৮ কোটিকৈ গৃহৰ কাৰণে আজি সেই পৰিৱেশটো নাই।

.....................(সদনত হুলস্থুল)..................

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ উপাধ্যক্ষ ডাঙৰীয়া।

**মাননীয় উপাধ্যক্ষ** ঃ Please. আপুনি এটা নটিছ দিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ আজি এনেকুৱা এটা পৰিৱেশ কৰিলে যে নিযুত মাইনা, ২০০১ ৰ পৰা কৈ আছে আপোনালোকে, এনেকুৱা এটা পৰিৱেশ কৰিলে যে স্কুটি ২০০৩ ৰ পৰা দি আছে, এনেকুৱা এটা পৰিৱেশ কৰিলে যে এচ আই পি ৰ জৰিয়তে এই হাইস্কুলৰ ঠিকাভিত্তিক শিক্ষক আপোনালোকে দি দিলে কিন্তু তেখেত সকলক পাৰ্মেনেন্ট কৰা নাই। এই খিনি আমাৰ বৰ্তমানৰ শিক্ষামন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰীৰ তৎপৰতাত সেইখিনি পাৰ্মেনেন্ট হ'ল। এইটো এটা এতিয়া পৰিৱেশ সৃষ্টি হ'ল। এই বোৰ কথা আপোনালোকে নকয়। আপোনালোকে কি কথা কয় যে কয় আমাৰ শিক্ষক নাই, আজি এমেলগেমেচনৰ যোগেদি যি এটা বাতাবৰণৰ সৃষ্টি কৰা হ'ল এই কথাখিনি মানিব লাগিব। সময় নিদিয়ে, দিলে বহুত কথা আছিল, সময় দিব লাগে উপাধ্যক্ষ মহোদয়। কথাটো হৈছে কি ২০১১ চনত আমাৰ টোটেল literacy rate আছিল ৭২.১৯। আৰু বিশেষকৈ আমি যদি মহিলাৰ ক্ষেত্ৰত literacy rateটো চাও তেনেহলে ৬৬ শতাংশ। আজিৰ দিনত সেইটো ৮৫.৯ শতাংশ হৈছে। এতিয়া কথাটো হৈছে কি ধুবুৰীৰ লগত যদি তিনিচুকীয়াক মিলাই সেইটো কেনেকৈ হ'ব? ধুবুৰীৰ literacy rate যিটো আছে, আজি মহিলা বিলাকৰ ক্ষেত্ৰত কম আছে। সেইখিনিক আমি যাতে আগবঢ়াই লৈ যাব পাৰো সেইটোৰ কাৰণে আপোনাক এটা অভিযোগ কৰিব পাৰো।

**মাননীয় উপাধ্যক্ষ** ঃ হ'ব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ আমাৰ শিক্ষামন্ত্ৰী, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এটা পৰিৱেশ আনিলে। মই ভাৰো যে ভাৰতবৰ্ষৰ ভিতৰত এনেকুৱা এটা চিচটেম।

**মাননীয় উপাধ্যক্ষ** ঃ হ'ব। এতিয়া শ্বেৰমান আলী আহমেদ, আপোনাৰ সময় ১ মিনিটত আপোনাৰ পইন্টটো ৰাখক।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা ব্যৱস্থাটো ভাল কৰিবলৈ হলে শিক্ষকৰ নিযুক্তি যেতিয়ালৈ নহ'ব তেতিয়ালৈ শিক্ষা ব্যৱস্থাৰ বাকী কাম কৰি থাকিলে শিক্ষাৰ উন্নতি নহ'ব। মই just specifically মন্দিয়া ব্লকৰ দুটামান কথা কব খুজিছো। ২০১১ চনৰ চেনচাচ মতে মন্দিয়া ব্ল'কৰ literacy rate মাত্ৰ ৩৮ শতাংশ। এই মন্দিয়া ব্ল'কৰ literacy rate ইমান কম হোৱাৰ কাৰণ আগতে বহুবাৰ মাননীয় শিক্ষা মন্ত্ৰী থাকোতে যোৱা ৫ বছৰে কৈ আহিছো ইয়াত পৰ্য্যাপ্ত শিক্ষকৰ অভাৱ। আজি মোৰ তাত মন্দিয়া ব্ল'কত আপোনাৰ ৩৯ খন এল পি স্কুল আজিৰ দিনত এজনীয়া শিক্ষক। ৩৬ খন এল পি স্কুল য'ত পি টি ৰেচিঅ' অত্যাধিক হাই ৫০ বা তাতোধিক এই মন্দিয়া ব্ল'কত। মানিকপুৰ জে কে হাই স্কুলৰ ১০ টা ক্লাছত মাত্ৰ ৪ জন শিক্ষক। ৰামাপাৰা হাইস্কুলত ১০ টা ক্লাছত মাত্ৰ ৪ জন শিক্ষক। কদমটলা হাইস্কুলত enrollment হৈছে ১০১৫ টা আৰু শিক্ষক মাত্ৰ ১২ জন। উজিৰা চৰ হায়াৰচেকেণ্ডাৰী স্কুলত প্ৰথমৰ পৰা দ্বাদশলৈ শ্ৰেণী আছে। য'ত মাত্ৰ ৭ জন শিক্ষক আছে। উলুৰাচল এম ই স্কুল আপোনাৰ ১১ খন ৰাজহ গাঁৱৰ মাজত মাত্ৰ এখনে এম ই স্কুল আছে। আৰু তাত মাত্ৰ ৩ জন শিক্ষক আছে। এই এম ই স্কুল যি খন চৰত আছে ১১ খন ৰাজহ গাঁও ২০ কি.মিটাৰৰ ভিতৰত অন্য কোনো এম ই স্কুল নাই। অথচ আমাৰ ১৪ খন এল পি স্কুল আছে। Feeder M E School মাত্ৰ এখন। একেধৰণে ১৪১৩ মৰিগাঁও এম ই স্কুলত ৮ টা ক্লাছত মাত্ৰ ৩ জন শিক্ষক আছে। তেনেদৰে দেউলদি এম ই স্কুল য'ত ৮ টা ক্লাছত মাত্ৰ ৩ জন শিক্ষক আছে। এই ধৰণৰ অৱস্থা যদি থাকে, ছাৰ, তেনেহলে বাকী কথাবোৰ পাতি লাভ নাই। শিক্ষা ব্যৱস্থাৰ উন্নতি নহ'ব। মই আৰু মাত্ৰ পইন্ট কম, শিক্ষা ব্যৱস্থাৰ আমাৰ যিটো efficiency আমাৰ মন্ত্ৰী মহোদয়ে যথেষ্ট শিক্ষিক মানুহ ডাক্তৰ মানুহ, মই বৰ আশাবাদী আছিলো তেখেতে মন্ত্ৰীত্ব লোৱাৰ পাছত যে আমাৰ শিক্ষা ব্যৱস্থাৰ যথেষ্ট উন্নতি হ'ব। ক্ৰমান্বয়ে আমি আশা কৰি বহি থাকিলো। মই এটা উদাহৰণ দিব খুজিছো এজন শিক্ষক মহিৰুদ্দিন তেওঁ ৮ এপ্ৰিলৰ পৰা ৬ মে' লৈ এমাহ জেলত থাকিলে, for moral turpitude, for sexual harassment of his children. ইয়াতকৈ বেয়া কথা থাকিব পাৰে নেকি? এমাহ জেলত থকাৰ পিছতো তেখেতক চাচপেণ্ড কৰা নাই। জেলৰ পৰা ওলোৱাৰ পিছত ৬ মাহলৈকে তেখেতক দৰমহা দি থকা হৈছে। জেলত থকা সময়খিনিতো দৰমহা পাইছো। মই প্ৰশ্ন যেতিয়া কৰিলো তেতিয়া ২০২৪ চনৰ ফেব্ৰুৱাৰী অৰ্থাৎ ৯ মাহ পাছত তেখেতক চাচপেন্ট কৰিলে। How could this happen? মই যেতিয়া প্ৰশ্ন কৰিলো মন্ত্ৰী মহোদয়ৰ নটিছত আহিল। First and foremost D O জনক appointing Authority ক চাচপেণ্ড কৰিব লাগিছিল, তেওঁক discharge কৰিব লাগে। যি জন শিক্ষক moral turpitudeত নিজৰ ছোৱালীৰ লগৰ ছাত্ৰীৰ লগত sexual harassment কৰাৰ বাবে জেলত এমাহ থাকে তেওঁ কেনেকৈ দৰমহা পাই আছে?

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি ৰিপিট কৰি আছে, অনুগ্ৰহ কৰি চমু কৰক। বাৰ্তাটো গৈছে। এতিয়া মাননীয় সদস্য গনেশ কুমাৰ লিম্বু। একেবাৰে চমুকৈ কথাখিনি ৰাখিব। শ্বেৰমান আলী আহমেদ ডাঙৰীয়া আপুনি অনুগ্ৰহ কৰি বহক। আপোনাৰ পইন্টটো আমি লৈছো আৰু বুজিও পাইছো। মন্ত্ৰী ডাঙৰীয়াই নোট কৰিছে, আপুনি ইয়াৰে উত্তৰটো পাই যাব। এতিয়া আপুনি বহক।

**শ্ৰীগনেশ কুমাৰ লিম্বু, (বৰচলা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ শিক্ষাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ বিষয়ত মোৰ মন্তব্য ৰাখিবলৈ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো।

মোৰ সমষ্টিত বৰচলাত এখন মডেল ডিগ্ৰী কলেজ নিৰ্মাণ কৰি থকা হৈছিল কিন্তু Delimitationৰ ফলত সেই কলেজ খন অন্য সমষ্টিত অন্তৰ্ভূক্ত হোৱাত আজি যি বৰচলা এই বৃহৎ সমষ্টিত উচ্চ শিক্ষাৰ কাৰণে একমাত্ৰ যি non-provincialised যি দুখন ডিগ্ৰী কলেজ আছে মিছামাৰী আৰু বৰুৱা নাহৰবাৰী ডিগ্ৰী কলেজ। এই দুখন কলেজত এক হাজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে আৰু ইয়াৰোপৰি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ৰাইজৰ আহ্বানৰ প্ৰতি সহাঁৰি জনাই বিহগুৰি অঞ্চলত চন্দনা শৰ্মা নামাকৰণৰে এখন মহাবিদ্যালয় নিৰ্মাণ কৰাৰ প্ৰস্তুতি দিয়া আছে। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক বিষয়টো অতি গুৰুত্বসহকাৰে লবলৈ অনুৰোধ জনাইছো। ইয়াৰোপৰি মোৰ সমষ্টিত গড়মাৰা বুলি এখন হাইস্কুল আছে যি খন ১৯৭৮ চন স্থাপন কৰা হৈছিল আৰু ১৯৯৩ চনত recognised হৈছে। কিন্তু সেই সময়ত আমাৰ চৰকাৰৰ যি সকল বিষয়া আছিল তেওঁলোকৰ একমাত্ৰ গাফিলটিৰ কাৰণে দুটা মিডিয়াম একেলগে থকাৰ কাৰণে বড়ো আৰু অসমীয়া মিডিয়াম একেলগে থকাৰ কাৰণে সেই স্কুল খন প্ৰভিনচিলাইজ লিষ্টত থকা স্বত্বেও প্ৰভিনচিলাইজ নহ'ল। আৰু এটা জেনেৰেচন যি সকল শিক্ষক আছিল সেই শিক্ষক সকল অৱসৰ হৈ গ'ল কোনো ধৰণৰ চৰকাৰী সুবিধা নোপোৱাকৈ। মই যিহেতু এই স্কুল খন প্ৰভিনচিলাইজ হৈছিল ১৯৯৩তত তথাপিও বঞ্চিত হোৱাৰ কাৰণে এই বিষয়টো অতি গুৰুত্বসহকাৰে আমাৰ শিক্ষামন্ত্ৰী মহোদয়ক বিবেচনা কৰাৰ বাবে মই অনুৰোধ জনাইছো। অধ্যক্ষ মহোদয়, মই বিভিন্ন ডিভাইচত এই বিষয়বিলাক উপস্থাপন কৰি আহিছো। যেনেকৈ আমাৰ গুৱাহাটী ইউনিৰ্ভাচিটি , কৃষ্ণ কান্ত সন্দিকৈ ষ্টেট ইউনিৰ্ভাচিটি , বড়োলেণ্ড ইউনিৰ্ভাচিটি , নেপালী বিষয়ত ৰেগুলাৰ শিক্ষক হ'ব লাগে । তেনেকৈ ১৬ খন কলেজ আছে , যি কলেজত নেপালী বিষয়ত শিক্ষক নিযুক্তিৰ বাবে ইতিমধ্যে আমাৰ শিক্ষা বিভাগলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে । এই সকলো বিষয় আপোনাৰ জৰিয়তে মই অনুৰোধ জনাইছো যাতে আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে অতি গুৰুত্বপূৰ্ণভাৱে লয় এইটো মই আজি আশা ৰাখিছো

**মাননীয় উপাধ্যক্ষ ঃ** অনাৰেবল্ মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলখনৰ যিকেইটা নিৰ্দিষ্ট সংশোধনী প্ৰস্তাৱ আছে, সেই প্ৰস্তাৱকেইটাৰ ওপৰত মই বক্তব্য ৰখাৰ আগতে আজি সাধাৰণভাৱে শিক্ষাক লৈ যিকেইটা প্ৰশ্ন উত্থাপিত হৈছে - এই ক্ষেত্ৰত মই কিছু কথা ক'ব বিচাৰিছো । শিক্ষকৰ নাটনিৰ বিষয়টো উত্থাপিত হৈছে । আমি সকলোৰে জানো যে আমাৰ ষ্টেটৰ পি টি আৰ ভাল । কিন্তু নিৰ্দিষ্ট কিছুমান স্কুলৰ পি টি আৰ বেয়া । ছাত্ৰ- ছাত্ৰীৰ অনুপাতে শিক্ষক নাই । ইয়াৰ কাৰণে ৰেশ্যনেলাইজেশ্যনৰ প্ৰক্ৰিয়া লোৱা হৈছে । ৰেশ্যনেলাইজেশ্যনৰ দ্বাৰা আমাৰ তথ্যমতে আমি শিক্ষক নাটনিৰ বহুখিনি সমস্যা সমাধান কৰিবলৈ সক্ষম হৈছো । প্ৰতিখন জিলাৰ জিলা আয়ুক্তৰ লগত এজন অতিৰিক্ত জিলা আয়ুক্ত - ইনচাৰ্জ এডুকেশ্যন থাকে । জিলা শিক্ষা বিষয়াসকলো আছে । মই মাননীয় বিধায়কসকলক অনুৰোধ জনাম যে নিৰ্দিষ্ট কোনো বিদ্যালয়ত যদি শিক্ষকৰ নাটনি আছে জিলা আয়ুক্তসকলক অৱগত কৰিব আৰু প্ৰয়োজন সাপেক্ষে তাৰ ব্যৱস্থা নিশ্চয় ল'ব।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ) ঃ** ছাৰ, মই মাজতে কেৱল এটা কথা ক'ব বিচাৰিছো । উপায়ুক্তক দিয়াৰ পিচতো হোৱা নাই ।

**মাননীয় উপাধ্যক্ষ ঃ** প্লিজ শ্বেৰমান আলি ডাঙৰীয়া - এতিয়া নহয় । মিনিষ্টাৰৰ ৰিপ্লাই শুনক। **Please address the chair...you cannot ask directly to the Minister..... Please address the Chair...... please seat down... Nothing will go on record...... this is not the Rule** ৰিপ্লাইৰ মাজত আপুনি উঠি কিবা ক'ব- ডিষ্টাৰ্ব কৰিব , কি এইবোৰ , এনেকৈ নহয় । সদন অকল আপোনাৰ বাবে নহয় - ইয়াত তেনেকৈ নহ'ব ।

- সদনত বাদ -বিবাদ - কিছু অস্পষ্ট বাক্যবাণ..........

**মাননীয় উপাধ্যক্ষ ঃ Sherman Ali, please seat down.... I will be compelled to suspend you.... Are you challenging the Chair. Sit down.......this is not the way.......**এইটো নিয়ম নহয়, **Answer** দি থকা সময়ত আপুনি মাজে মাজে উঠি কি **disturb** কৰি থাকে। সদনখন অকল আপোনাৰ নহয়। সকলোৰে **Answer** দিছে। ইয়াত এনেকুৱা নহ'ব। **You cannot challenge the Chair.....**শ্বেৰমান আলি ডাঙৰীয়াক **suspend** কৰা হ'ল আজিৰ দিনটোৰ বাবে। **You can't challenge the Chair... you are suspended for the day.**

বিৰোধীৰ পক্ষৰ আসনৰ পৰা উফৰি অহা উক্তি ঃ ছাৰ আমাৰ চেয়াৰৰ প্ৰতি সন্মান আছে । আপুনি পোলাইট হ'ব লাগে- ধম্‌কি নহয়- আমি ছাত্ৰ নহয় । ইউ আৰ নট এ প্ৰিঞ্চিপাল।

(সদনত বাদ -বিবাদ - কাৰো মাত বুজা নাযায়)

..................সদনত কেইবাটাও উফৰি অহা মন্তব্য..............

* বুলি কিয় ক'ব। তেখেতৰ ওপৰত ব্যৱস্থা হ'ব লাগে। **Chair** ক * বুলি কব পাৰে নেকি ?

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে সেইখিনি **already expunged** কৰা হৈছে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা, (পশ্চিম গুৱাহাটী) ঃ** শ্বেৰমান আলি ডাঙৰীয়া , মাননীয় উপাধ্যক্ষ মহোদয় চেয়াৰত আছে । আপোনাক বহিব কৈছে , আপোনাক ৰুলিং দিছে , আপুনি ৰুলিংটো মানিব লাগে । সদনৰ মৰ্য্যদা ৰাখিব লাগে ।

(সদনত বাদ -বিবাদ - কাৰো মাত বুজা নাযায়)

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব .. হ'ব । এডুকেশ্যনৰ ওপৰত ডিচকাচ হৈ আছে । মিনিষ্টাৰে ৰিপ্লাই দি আছে । এতিয়া শুনক... অনাৰেবল্ মিনিষ্টাৰ কন্টিনিউ প্লিজ ।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষকৰ নাটনি কিয় হয়। আজি এল পি স্কুলত ২০ জন ছাত্ৰ ছাত্ৰীৰ বিপৰীতে ১ জন শিক্ষক আছে কিন্তু তাৰ পিছতো কিছুমান বিদ্যালয়ত শিক্ষকেই নাই । তাৰ মানে আমাৰ শিক্ষকসকলে কিছুমান পিছপৰা অঞ্চল বা দূৰ্গম অঞ্চলত শিক্ষকতা কৰিবলৈ যাব নিবিচাৰে । দ্বিতীয় কথাটো হ'ল যে, আমাৰ শিক্ষকৰ পদটো আৰু কেডাৰটো জিলা ভিত্তিত - গতিকে শিক্ষকজনক বদলি কৰণৰ বাবে এখন জিলাৰ পৰা আন এখন জিলালৈ সচৰাচৰ নহয় । পুলিছৰ পদটো ষ্টেট কেডাৰ । তেওঁলোকৰ পোষ্টিং শদিয়াৰ পৰা ধুবুৰী লৈ হ'ব পাৰে । কিন্তু শিক্ষকৰ চাকৰি জিলা ভিত্তিত হোৱা বাবে এখন জিলাৰ পৰা আন এখন জিলালৈ বদলিকৰণ কৰাত আইনগত যিহেতু বাধা আছে তাৰ কাৰণে শিক্ষক বদলিকৰণ ২০১৭ চনত এখন বিল আনিব লগা হয় আৰু তেতিয়া এখন আইন আহিলে যিখন আইনৰ অধীনত যদি শিক্ষক বা শিক্ষয়িত্ৰী গৰাকীয়ে এখন জিলাত ১০ বছৰ সম্পূৰ্ণ কৰে তেতিয়া হ'লে

---

*** Already expunged as ordered by the Chair**

তেখেতে ঘৰৰ জিলাখনলৈ বা ওচৰৰ জিলালৈ বদলি হ'ব পাৰে । মাননীয় উপাধ্যক্ষ মহোদয়, এটা অনলাইন পোৰ্টেলৰ জৰিয়তে কোনো ফাইল নোহোৱাকৈ ৩৫ হাজাৰ শিক্ষকৰ ইতিমধ্যে বদলিকৰণ সমাপ্ত কৰিছে । এতিয়া ধুবুৰী - মানকাছাৰ - বৰপেটা আদি জিলাত কৰ্মৰত শিক্ষকসকল ১০ বছৰ সম্পূৰ্ণ কৰিছে তেওঁলোকৰ অন লাইন পোৰ্টেল যদি খোলা যায় তেন্তে তাত দেখা পাব , তাত লিখা আছে ট্ৰেন্সফাৰ এপ্ৰোভড কিন্তু শিক্ষকজনৰ ৰিলিজটো হ'ব চাবজেক্ট টু ৰিপ্লেছমেন্ট । কাৰণ আজি গোৱালপাৰা হওক, ধুবুৰী, কাছাৰ আৰু মানকাছাৰ তাত পি টি আৰটো হাই । হাই মানে ছাত্ৰ - ছাত্ৰী অনুপাতে শিক্ষকৰ সংখ্যাটো ক'ম । সেই কাৰণে মই বহু শিক্ষকক বদলিকৰণৰ অনুমোদন দিয়াৰ পাছতো তেওঁলোকৰ ৰিলিজ অৰ্ডাৰটো দিয়া নাই । যেতিয়া তেওঁলোক ৰিপ্লেছমেন্ট পাব অৰ্থাৎ নতুন শিক্ষক আহিব তেতিয়াহে তেওঁলোকে ৰিলিজ অৰ্ডাৰ লৈ তাৰ পৰা যাব পাৰিব । গতিকে এই গোটেইখিনি সমস্যা মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক জনাইছো । যে মই শিক্ষকক বদলিত এপ্ৰোভ কৰিছো কিন্তু ৰিলিছ কৰিব পৰা নাই কাৰণ তাত বিকল্প শিক্ষক এজনক নিযুক্তি আমি এতিয়া দিব পৰা নাই । দ্বিতীয় এটা সমস্যা হ'ল শিক্ষকসকল দূৰ্গম অঞ্চলত যাব নিবিচাৰে । এনে বহু অঞ্চল আছে তাত কোনো শিক্ষকে বদলি হৈ যাব নিবিচাৰে । গতিকে সৰ্ব্ব শক্তি প্ৰয়োগ কৰে - বিভিন্ন ধৰনৰ প্ৰচেষ্টা চলায় যাতে তেখেতৰ বদলি চৰ অঞ্চলত নহয় । মাননীয় মুখ্যমন্ত্ৰীৰ লগত সেইদিনা আলোচনা কৰিছো , তেখেতে কৈছে এটা উপায় আছে যে আমি চৰ অঞ্চল- দূৰ্গম অঞ্চলত স্কুল কেডাৰ কৰি পেলাব লাগিব । অৰ্থাৎ যদি বিদ্যালয় খন যদি আলোপতি চৰৰ হয় - সেই বিদ্যালয়খনৰ বাবে পদ সৃষ্টি কৰিম । তাত শিক্ষক নিযুক্ত হৈ তেওঁ কোনো বেলেগ বিদ্যালয়ত বদলি হৈ যাব নোৱাৰে । অথবা এটা চৰত এটা ক্লাষ্টাৰ কৰিম , তেওঁ সেই চৰটোৰ ভিতৰতে এখন স্কুলৰ পৰা আন এখন স্কুললৈ যাব পাৰিব কিন্তু তেওঁ ধুবুৰী টাউনলৈ ওলাই আহিব নোৱাৰে । যদি ওলাই আহিব বিচাৰে তেন্তে তেওঁ পদত্যাগ কৰি চাকৰিটো এৰি থৈ আহিব লাগিব। এনেধৰণৰ কঠোৰ ব্যৱস্থা যদি আমি নলওঁ তেনেহ'লে অসমৰ ভিতৰুৱা অঞ্চলবিলাকত শিক্ষক শিক্ষয়ত্ৰী নিযুক্ত কৰাটো আমাৰ বাবে এটা দূৰূহ কাম হৈ পৰিব । মাজতে আমি পৰিকল্পনা কৰিছিলো যে আমি অসমৰ বিদ্যালয়সমূহক সুগম অঞ্চল- দূৰ্গম অঞ্চল বুলি ভাগ কৰিম । আৰু প্ৰত্যেকেই দূৰ্গম অঞ্চলত ৫ বছৰ বা ১০ বছৰ চাকৰি কৰিবই লাগিব । কিন্তু তাতো যিহেতু এই অৱকাশতো থাকিব, তেখেতে transfer হৈ ওলাই আহিব পাৰে। সেই পৰিপ্ৰেক্ষিততে মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক উপদেশ দিছে যে, আপুনি একো একোটা দুৰ্গম অঞ্চলৰ Cluster ভিত্তিক cader সৃষ্টি কৰক আৰু সেই cluster তেই শিক্ষকজনৰ posting হ'ব আৰু তাৰ পৰা তেওঁ বদলি নহয়। দ্বিতীয় এটা পৰামৰ্শ, যিহেতু এই কথাখিনি চৰ্চা হৈ আছে আমাৰ মাজত আপোনালোকৰো কিবা পৰামৰ্শ থাকিলে জনাব। ইয়াতে আজি শিৱসাগৰৰ শিক্ষকে ৰূপহীত চাকৰি কৰি আছে। যোৰহাটৰ শিক্ষক গৈ মানকাছাৰত চাকৰি কৰি আছে। মানকাছাৰতেই কিয় শিক্ষক নোলায় ধুবুৰীতেই কিয় শিক্ষক নোলায়। এইবাৰ আমি এনেকুৱা কথাও ভাবিছো যে এই back-ward area চৰ অঞ্চলৰ কাৰণে cluster ভিত্তিক যি নতুন শিক্ষকৰ cader আমি সৃষ্টি কৰিম তাতে সেই অঞ্চলৰ কোনো আৱেদনকাৰী প্ৰাৰ্থী থাকে, সেই প্ৰাৰ্থীক ৫ নম্বৰ বা ১০ নম্বৰ extra number দিয়াৰ কাৰণে ব্যৱস্থা কৰিম যাতে সেই অঞ্চলৰ ল'ৰাই চাকৰি পায়, এই দুৰ্গম অঞ্চলৰ ল'ৰাই যাতে চাকৰি পায় তেওঁ নিজৰ গাঁৱৰ, নিজৰ অঞ্চলত তেওঁ যাতে শিক্ষকতা কৰে। যাৰ জৰিয়তে আমি এই শিক্ষকৰ নাটনিৰ সমস্যা দূৰ কৰাৰ কাৰণে চেষ্টা কৰিছো। আন এটা সমস্যা শিক্ষা বিভাগৰ যে শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়া দীঘলীয়া, সেইটো স্বাভাৱিক। যিকোনো নিয়মীয়া নিযুক্তিৰ পৰীক্ষা আজি বিজ্ঞাপন দি কালি নিযুক্তি দিব নোৱাৰো। স্বচ্ছ নিকাভাৱে তাত পৰীক্ষা

অনুষ্ঠিত কৰিব লাগিব। পৰীক্ষা অনুষ্ঠিত কৰাৰ পাছত আমি documents verification কৰিব লাগিব। কোন সিংঘানীয়া ইউনিভাৰচিটি , ক'ত এইখন তেখেতে অনা B.Ed ৰ certificate genuine হয় নে নহয়, University পাছ কৰা চাৰ্টিফিকেটখন genuine হয় নে নহয় এইটো পৰীক্ষা কৰিব লাগিব। সেই অনুষ্ঠানৰ লগত যোগাযোগ কৰি কৰ্ণাটক, তামিলনাডুৰ শিক্ষানুষ্ঠানৰ লগত যোগাযোগ কৰি Authenticity আমি prove কৰিব লাগিব। এই প্ৰক্ৰিয়াটো দীঘলীয়া। কিন্তু যেতিয়া vacancy থাকে, এনেকুৱা দীঘলীয়া নিযুক্তি প্ৰক্ৰিয়া চলি থাকিলে vacancy ৰ বিপৰীতে আমি ঠিকাভিত্তিক নিযুক্তি কেতিয়াবা আগতে দিছিলো। কিন্তু এতিয়া ঠিকাভিত্তিক নিযুক্তি দিবলৈ এনেকুৱা ভয় হৈছে যে ঠিকাভিত্তিক নিযুক্তি আগদিনা দিব, পিছদিনাখনেই এটা union গঠন হয় আৰু তাৰ পাছত তেওঁলোকে high court ত গৈ কেছ কৰে আৰু কেছ কৰি তেওঁলোকে নিয়মীয়াকৰণৰ দাবী কৰে আৰু নতুন নিযুক্তিৰ প্ৰক্ৰিয়াটোত stay order লগাই দিয়ে। আজি politechnic ৰ কথা ইয়াত উল্লেখ কৰিছো। আজি শিক্ষা বিভাগৰ কাৰণে কওঁ যে high court ৰ কেছৰ কাৰণে ২০১৭ চনৰ পৰা ২০২৪ চনলৈকে এজনো শিক্ষক নিযুক্তি দিব নোৱাৰা অৱস্থা এটা হৈ গ'ল। আজি high court case আমাৰ সপক্ষে আহিলে এতিয়া লগে লগে গোটেই নিযুক্তিবিলাক দি দিছে। গতিকে contractual ঠিকাদাৰ বা ঠিকাভিত্তিক চাকৰি নিযুক্তি দি নিয়মীয়া নিযুক্তি প্ৰক্ৰিয়াটো বন্ধ হৈ যোৱাৰ যি আশংকা থাকে, সেই আশংকাৰ কাৰণে আমি ঠিকাভিত্তিক নিযুক্তি দি শিক্ষক নাটনিৰ সমস্যাটো দূৰ কৰা option আছে। সেই option টোৰ পৰা আঁতৰি আহিছো। এতিয়া এটা বেলেগ option লৈ যাব বিচাৰিছো। ৰাষ্ট্ৰীয় শিক্ষানীতিত internship ৰ ওপৰত বহুত গুৰুত্ব দিছে। এতেকে আমি বিশ্ববিদ্যালয়ৰ লগত কথা পাতিছো যে আপোনালোকে আমাৰ স্কুলবিলাকত আপোনালোকৰ যিসকল post graduate student আনকি graduate student যিসকল আছে, তেওঁলোকক internship কেনেকৈ দিব পাৰি। তাৰ বিনিময়ত আমি কিবা এটা মাননীও দিম। গতিকে internship ৰ জৰিয়তে আমি কিছু intern পাব পাৰো নেকি? যিসকলে বিদ্যালয়ত সাময়িকভাবে শিক্ষাদান কৰিব। আন এটা option নো আমি ভাবিছো যে higher education institution ত যিসকল থাকে, তেওঁলোকৰ কাৰণে এটা এবছৰীয়া এটা fellowship সৃষ্টি কৰিম। Assam Education Fellowship, যিটো fellowship ৰ অধীনত যিহেতু এইটো fellowship পূৰ্ণাংগ teacher post নহয়। গতিকে তাত TET, D.ELEd. B.Ed. এই যিখিনি mandatory requirement আছে, requirement খিনি তাত প্ৰযোজ্য নহ'ব। তেওঁলোক উচ্চ শিক্ষা অনুষ্ঠানৰ পৰা পাছ কৰি ওলাই আহিছে, নতুন post graduate student তেওঁলোকে এবছৰৰ কাৰণে এটা fellowship কৰিব কোনোবা এখন বিদ্যালয়ত শিক্ষাদান কৰিব। ইয়াৰ দ্বাৰাও আমি এই শিক্ষকৰ নাটনিৰ সমস্য দূৰ কৰা কথা ভাবিছো। Provincilisation যিখন আইন ২০২১ চনত আমি কাৰ্য্যকৰী কৰিলো, এই আইন খন ২০১১ চনৰ আইনৰ ধাৰাবাহিকতা ৰক্ষা কৰিয়েই এই আইনখন প্ৰস্তুত কৰিছে আৰু এই আইনখন বহু চিন্তাচৰ্চা কৰাৰ পাছত সৃষ্টি হৈছে। ০১-০১-২০০৬ এই তাৰিখটো compromise কৰিব এই কাৰণে নোৱাৰে যে ২০০৬ চনত Assam Non-Government Educational Institution Act Bill খন পাছ হৈছে। অৰ্থাৎ ২০০৬ চনৰ পাছত কোনো বিদ্যালয় খুলিবই নোৱাৰে। ২০০৬ চনৰ পাছত কোনোবাই বিদ্যালয় খুলিলে এই Non-Government Educational Institution Act ৰ অধীনত খুলিব লাগিব আৰু Non-Government Educational Institution Act ৰ অধীনত খুলিছে যদি

provincialisation ৰ আওঁতালৈ কেতিয়াও নাহে। এতিয়া ০১-০১-২০০৬ এই তাৰিখটোৰ ক্ষেত্ৰত আমি আগতে যি recognition বা concurrance ৰ কথা কৈছিলো, তাক আমি শিথিলতা আনি আমি প্ৰস্তাৱ কৰিছো যে Government য়ে যদি NOC দিছিল, Government য়ে যদি permission দিছিল আমি সেই permission recognition টোকো ০১-০১-২০০৬ আগৰ বুলি আমি গণ্য কৰিলো। University য়ে যদি affiliation দিছিল, সেই সময়ৰ Assam Higher Secondary Education Council য়ে যদি affiliation দিছিল, সেই affiliation টোকো চৰকাৰে গ্ৰহণ কৰিব আৰু তাৰ ভিত্তিত আমি বিদ্যালয় প্ৰদেশীকিকৰণ আৰু এঢাপ লৈ যাম। বাকী যি conditions আছে, সেই conditions বিলাক থাকিব। মাটিৰ সমস্যাৰ কাৰণে বহু বিদ্যালয় প্ৰাদেশীকৰণ নহ'ল। এতেকে যিবিলাক NC Village, PGR Village, VGR বা Forest Land ইত্যাদি য'ত ভূমি পট্টন হোৱা নাছিল, কিন্তু তেওঁলোকৰ occupation আছিল, তেওঁলোকৰ possession আছিল। গতিকে জিলা আয়ুক্তৰ অফিচৰ পৰা আমি যদি possession certificate খন সেই সময়ৰ possession certificate আছিল বুলি certificate পাওঁ, তাকো আমি বিবেচনাৰ কাৰণে আনিবলৈ চেষ্টা কৰিছো আৰু ইয়াৰ জৰিয়তে আমি এই provincilisation হয়তো আগুৱাই লৈ যাব পাৰিম। High School ৰ ক্ষেত্ৰত আগতে class-VIII টো high school আছিল। কিন্তু যেতিয়া Right to Education Act আহিল, class-VIII লৈকে Elemantary হৈ গ'ল। IX, X হে secondary education হ'ল। Act খনে IX ৰ permission বিচাৰিছে যে class IX ক যদি চৰকাৰে permission দি থৈছে, তেনেহ'লে আমি সেই high school খনক আওঁতাৰ ভিতৰলৈ আনিম। কিন্তু সেই high school বিলাকৰ IX ৰ permission নাই। কাৰণ তেওঁলোকে high school খুলোতে permission লৈছিল VIII ত। গতিকে এইটো চৰকাৰে বিবেচনালৈ আনিছে আমি VIII ৰ permission টোকো বিবেচনা কৰি এই school সমূহকো আইনৰ আওঁতাৰ ভিতৰলৈ আনিম নে নোৱাৰিম। সকলোৱে জানে যে আইন এখন বিধান সভাত অনাৰ কাৰণে আমি Inter Departmental Consultation আমাক লাগে। আমাৰ Personnel Department, Finance Deparment, Legislative, Judicial Department ৰ opinion লাগে। গতিকে মই এতিয়ালৈকে Bill খন আনিব পৰা নাই। তাৰোপৰি Cabinet Sub Committee এখনো হৈছে আৰু বিভিন্ন সংগঠন সমূহৰ লগতো মই আলোচনা কৰিছো। যিমান দূৰ পাৰো আমি আটাইবিলাক সমস্যা সমাধান কৰিবৰ কাৰণে যিখিনি যুক্তি সংগত সেইখিনি সমাধান কৰাৰ কাৰণে চেষ্টা কৰিছো। Tutor সকল teacher লৈ উন্নীত হ'ব পাৰে। যদি ৫ টা বছৰৰ ভিতৰত তেওঁলোকে professional qualification আয়ত্ব কৰে. এতিয়া professional qualification আয়ত্ব কৰিছে। আজি এটা proposal, কালি দুটা proposal batch by batch হৈছে। আমি বিত্ত বিভাগৰ লগত আলোচনা কৰিছো যে গোটেইখিনিক একেলগে সামৰি লৈ ৫ টা বছৰ হৈ যোৱাৰ পিছত এইটো বিবেচিত নহ'ব। ৬ নম্বৰ বা ৭ নম্বৰ বছৰটোত যদি কোনোবাই professional qualification আয়ত্ব কৰে, তেনেহ'লে আইন সংশোধন নকৰাকৈ তেওঁ Teacher হ'ব নোৱাৰিব। Teacher হ'বলৈ হ'লে ৫ টা বছৰৰ ভিতৰতে professional qualification আয়ত্ব কৰিব লাগিব আৰু যিসকলে আয়ত্ব কৰিছে স্বাভাৱিকভাৱে শিক্ষা বিভাগ যিটো ceritificate ৰ জালিয়াতি আগতেবহুত ধৰা পৰিছে যিহেতু, সেই কাৰণে আমি verification টো কৰাৰ পাছত teacher লৈ উন্নীতকৰণটো হৈ যাব,

উন্নীতকৰণৰ ক্ষেত্ৰত চিন্তা কৰিবলগীয়া নাই। বাকী আন এটা কথা মই ক'ব বিচাৰো যে আমাৰ Higher Secondary বিদ্যালয়ৰ সংখ্যা ১১০০। এই সংখ্যাটো বঢ়াব বিচাৰিছো। ইতিমধ্যে কেইবাখনো প্ৰায় আঢ়ৈশ খন হাইস্কুলক আমি Higher Secondary School লৈ উন্নীত কৰিলো। এতিয়া এই Higher Secondary বিদ্যালয় সমূহত পদ সৃষ্টি কৰাৰ প্ৰস্তাৱ আহিছে যিখিনি আমি বিবেচনা কৰি আছো যে পদ rationalisation ৰ জৰিয়তে এই সমস্যাটো সমাধান কৰিব পাৰো নেকি ? লগতে বিজ্ঞান শাখা খোলাৰ প্ৰস্তাৱ আহিছে। মই যোৱাকালি এখন VC কৰি এইটো যিটো academic session, এই academic session তেই নাম ভৰ্তি কৰিব পৰাকৈ যিখিনি আমাৰ need base আছে high school, higher secondary লৈ up-grade কৰিব লাগে আৰু need base যিটো feeder school ৰ কথা কৈছে যে scince college খন আছে কিন্তু ওচৰে-পাজৰে high secondary school বিলাকত science নাই। এই বিষয়ে মাননীয় সদস্য দূৰ্গা দাস বড়ো ডাঙৰীয়াই উল্লেখ কৰিছিল। গতিকে বিজ্ঞান কলেজৰ আশ-পাশে থকা হাইয়াৰ ছেকেণ্ডাৰী স্কুলত বিজ্ঞান শাখা খোলা প্ৰস্তাৱটো মই স্কুল পৰিদৰ্শকসকলৰ পৰা আজি বা কালিৰ ভিতৰত বিচাৰিছো। এই শিক্ষা বৰ্ষৰ ভিতৰতে আমি তেওঁলোকক যাতে আপগ্ৰেডেশ্যনৰ বাবে অনুমতি দিব পাৰো। তেওঁলোকে এই শিক্ষা বৰ্ষতে যাতে নাম ভৰ্ত্তি কৰিব পাৰে। তাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া দুপৰীয়া দুই বাজিছে। মাননীয় মন্ত্ৰী মহোদয়, আমাৰ আজিৰ কাৰ্য্যসূচী বাকী থকাৰ বাবে সদনৰ অনুমতি সাপেক্ষে সময় বঢ়াই লৈছো।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰাদেশীকিকৰণৰ যি খন আইন আছে, সেই আইনৰ আওতাত নপৰা কিছু দাবী আপোনালোকে উত্থাপন কৰিছে। এইখিনি শিক্ষা বিভাগে বিবেচনা কৰিব নোৱাৰে। যিখিনি হৈ গ'ল সেইখিনি হ'ল। যিখিনি নহ'ল, সেইখিনি নহ'ল। এতিয়া যিখিনি হ'বলগীয়া আছে তাত এই আইনখনৰ কেইটামান মাইলৰ পোষ্ট সাল-সলনি নহয়, ০১-০১-২০০৬ বৰ্ষটো সলনি নহয়। শিক্ষক জন যে তাত কৰ্মৰত হৈ আৰু তাত নিৰ্দ্দিষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী আছিল তাৰ আমাক এটা প্ৰমাণ লাগিব। একমাত্ৰ প্ৰমাণটো হ'ল যে U Dice. U Dice ত যদি ৰেকৰ্ড নাই তেন্তে আমি অন্য প্ৰমাণৰ দ্বাৰা গ্ৰহণ কৰিব নোৱাৰো। গতিকে U Dice ৰ তথ্য ভাৰত চৰকাৰে প্ৰস্তুত কৰে আৰু এবাৰ কৰাৰ পিছত তাক ছীল কৰি দিয়ে যাতে তাত কোনেও U Dice ৰ তথ্য সাল-সলনি কৰিব নোৱাৰে। গতিকে U Dice ৰ তথ্য ভিত্তিতে প্ৰাদেশীকিকৰণৰ আওতাৰ ভিত্তিতে যিখিনি বিদ্যালয় পৰিছে আমি সেইখিনি আগুৱাই লৈ যাম। তাৰ অন্যথা আমি একো কৰিবলৈ সক্ষম নহয়। এইটো আমি কোনেও কৰিব নোৱাৰো। আন্তঃগাঁথনিৰ যিখিনি সমস্যা আছে, এপদ এপদকৈ সেইখিনি সমাধান কৰিছো। ২০২৪ বৰ্ষৰ এই কাৰ্য্যকালতেই ৪ হাজাৰ অতিৰিক্ত শ্ৰেণীকোঠা আমি নিৰ্মাণ কৰিছো। এই ২০২৪-২৫ বিত্তীয় বৰ্ষত ৩৯৫ খন হাইয়াৰ ছেকেণ্ডাৰী স্কুল ৭ ৰ পৰা ৮ কোটি ব্যয় সাপেক্ষে নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছে। অহা বছৰ আৰু ৫০০ খন বিদ্যালয়ত আন্তঃগাঁথনি গঢ়াৰ পৰিকল্পনা আছে। ঠিক তেনেকৈ এম ই স্কুলতো আমাৰ পৰিকল্পনা আছে। গুণগত শিক্ষাৰ ক্ষেত্ৰত আমাৰ গুণোৎসৱৰ ফলাফল সমূহে এইটোৱেই প্ৰতিয়মান কৰিছে যে অসমৰ বিদ্যালয় শিক্ষা ক্ৰমাগতভাৱে উন্নত হৈ আহিছে। যোৱা বছৰতকৈ এইবছৰ ফলাফল বেছি ভাল হৈছে। অহা ২৭ তাৰিখে ১১ঃ৩০ বজাত গুণোৎসৱৰ ফলাফল মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ঘোষণা কৰিব। যোৱা বছৰ যিসমূহ বিদ্যালয়ে A+ পাইছিল, সেই বিদ্যালয় সমূহলৈ ২৫,০০০ টকাৰ এককালীন সাহৰ্য্য আমি বিতৰণ কৰিম।

মই সকলো মাননীয় বিধায়ক- বিধায়িকাক এই গুণোৎসৱৰ ফলাফল কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিবৰ বাবে অনুৰোধ জনাইছো। এতিয়া মই "দ্যা আসাম ক'চিং ইনষ্টিটিউটচ্ (কণ্ট্ৰোল এণ্ড ৰেগুলেশ্যন ) বিল, ২০২৫" এইখনৰ ওপৰত কম। আমি সকলোৱে জানো যে যিকোনো অনুষ্ঠানেই ৰেগুলেটেড হ'ব লাগে। আমাৰ যিখিনি বিদ্যালয় আৰু মহাবিদ্যালয় আছে, সেইখিনি নিৰ্দ্দিষ্ট আইনৰ অধীনত ৰেগুলেটেড হয়। প্ৰতেক্যকখন বিশ্ববিদ্যালয় ৰেগুলেট কৰাৰ কাৰণে এই বিধান সভাই আইন পাচ কৰিছে। একেধৰণে আমাৰ যি ক'চিং চেণ্টাৰ সমূহ ব্যাপক হাৰত বৃদ্ধি পাইছে, তাক নিয়ন্ত্ৰণ কৰাটো অতি প্ৰয়োজনীয়। লগতে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে যাতে ন্যায় পায় তাৰ এটা ব্যৱস্থা গঢ়ি তুলিব বিচৰা হৈছে। যদি ক'চিং চেণ্টাৰ এটাত দুৰ্নীতি হৈছে, কোনোবা অভিভাৱকে যদি অন্যায়ৰ সন্মুখীন হয় তেওঁ ক'ত যাব? তেওঁ কোন আইনৰ অধীনত আবেদন কৰিব? ছাত্ৰ-ছাত্ৰীসকলে কাৰ ওচৰত অভিযোগ দাখিল কৰিব? গতিকে "দ্যা আসাম ক'চিং ইনষ্টিটিউটচ্ (কণ্ট্ৰোল এণ্ড ৰেগুলেশ্যন ) বিল, ২০২৫" বিল এখন অনা হৈছে য'ত কিছুমান এমেণ্ডমেণ্ট আহিছে। আমি প্ৰস্তাৱ কৰিছো যে যিদিনাখন আমি আইনখন নোটিফাই কৰিম, তাৰ ৩০ দিনৰ ভিতৰতে সকলোৱে আবেদন কৰিব লাগিব। সংশোধনী আনিব বিচৰা হৈছে যে ৩০ দিন নহয়, ৯০ দিন কৰিব লাগে। আমি এই শিথিলতা কিয় কৰিব বিচাৰিছো? এই শিথিলতাটো কৰিলে কি লাভ হ'ব? এইটো কোনো জটিল আবেদন প্ৰক্ৰিয়া নহয়। এইটো অতি সহজ-সৰল আৰু সম্পূৰ্ণৰূপে অন লাইন আবেদন প্ৰক্ৰিয়া। আমি ইতিমধ্যে প'ৰ্টেল বনোৱা কাম আৰম্ভ কৰিছো। তেওঁলোকে তেওঁলোকৰ নিজৰ তথ্যখিনি প'ৰ্টেলত দিব। তাৰ কাৰণে মই ভাৱো যে ৯০ দিন সময়ৰ প্ৰয়োজন নাই, এই ৩০ দিন সময়েই যথেষ্ট। মাননীয় বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া আৰু মাননীয় সদস্য আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়াই কেইটামান সংশোধনী আনিছে। য'ত আমি কৈছিলো যে Maximum number of students for every curriculum. ইয়াত সংশোধনীটো আনিছে যে number of batches. প্ৰতিটো batch অনুসৰি Maximum number কৰিব লাগে। মই এই সংশোধনীটো গ্ৰহণ কৰিছো আৰু সংশোধনীটো অন্তৰ্ভুক্ত হ'ব। আন এটা প্ৰস্তাৱ আহিছে গ্ৰেজুৱেট সম্পৰ্কত। শিক্ষকতা কৰিবলৈ হ'লে মিনিমাম গ্ৰেজুৱেট হ'ব লাগিব। সংশোধনীটো আহিছে যে নিৰ্দ্দিষ্ট বিষয়ত গ্ৰেজুৱেট হ'ব লাগিব। নিৰ্দ্দিষ্ট বিষয়ত গ্ৰেজুৱেট হ'বলৈ হ'লে কেইটামান অসুবিধা আছে। এইখন বিল অনাৰ আগতে আমি ক'চিং চেণ্টাৰৰ গোটেইখিনি খা-খবৰ লৈছো। ক'চিং চেণ্টাৰ সমূহত যথেষ্ট ইঞ্জিনিয়াৰিং গ্ৰেজুৱেট আছে। এই ইঞ্জিনিয়াৰিং গ্ৰেজুৱেট সকলে ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান আৰু গণিত বিষয়ত পাঠদান কৰে। ইঞ্জিনিয়াৰিং গ্ৰেজুৱেট সকলে JEE পাচ কৰি গ্ৰেজুৱেট হৈছে আৰু তেওঁলোকক ভাল শিক্ষক বুলি কোৱা হয়। গতিকে তেওঁলোকৰ ক্ষেত্ৰত যদি আমি নিৰ্দ্দিষ্ট বিষয় বুলি কওঁ তেন্তে গণিত পঢ়াবলৈ ইঞ্জিনিয়াৰিং গ্ৰেজুৱেট জনে নোৱাৰিব। কিন্তু আমি যিহেতু অ'পেন কৰিছো সেয়েহে ইঞ্জিনিয়াৰিং গ্ৰেজুৱেট সকলেও ক'চিং চেণ্টাৰত শিক্ষকতা কৰিব পাৰিব। মাননীয় সদস্য আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়াই এটা সংশোধনী আনিছে যে দশম শ্ৰেণীলৈ গ্ৰেজুৱেট আৰু দ্বাদশ আৰু দ্বাদশ শ্ৰেণীৰ পিছত স্নাতকোত্তৰ হ'ব লাগে বুলি কৈছে। ইয়াতেও একেটা কথা আহি পৰিছে। ইঞ্জিনিয়াৰিং গ্ৰেজুৱেট এজনে একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে ক'চিং কৰে। ইয়াত যদি স্নাতকোত্তৰ বুলি সীমাবদ্ধ কৰি দিওঁ তেন্তে এই শিক্ষসকলে নোৱাৰিব। এজন গণিতৰ ভাল শিক্ষকে নৱম-দশম আৰু দ্বাদশ একাদশ শ্ৰেণীতো ভালকৈ পঢ়াব পাৰে। আমাৰ অন্য এটা সংশোধনী আহিছে যে ১৬ বছৰতকৈ কম বয়সৰ ল'ৰা-ছোৱালী ক'চিং ইনষ্টিটিউটত আহিব নালাগে। উদ্দেশ্যটো হৈছে যে নৱম-দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ

ক'চিং চেণ্টাৰলৈ যাব নালাগে। নৱম-দশম শ্ৰেণীলৈ চৰকাৰী আৰু বে-চৰকাৰী স্কুল সমূহে শিক্ষাৰ দায়িত্ব ল'ব লাগে। দশম শ্ৰেণী পাচ কৰা পিছত তেওঁ যেতিয়া ১৬ বছৰ হ'ব তেতিয়া তেওঁ ক'চিং চেণ্টাৰত ক'চিং লৈ যাব পাৰিব। তেওঁলোকে ১৬ বছৰৰ ঠাইত ১২ বছৰ কৰিব লাগে বুলি এমেণ্ডমেণ্ট আনিছে। আমি সেই ৰেষ্ট্ৰিকশ্যনটো এইকাৰণেই ৰাখিছো কাৰণ ক'চিং চেণ্টাৰৰ প্ৰৱণতাক লৈ আমাৰ মাজত বিতৰ্ক আছে। আপোনালোকে দিছে যে আমি আমাৰ ছেকেণ্ডাৰী স্কুল ব্যৱস্থাটো শক্তিশালী কৰিব লাগে। যাতে ক'চিং চেণ্টাৰ গঢ় লৈ নুঠে। কিন্তু ক'চিং চেণ্টাৰ সমূহ নিৰ্দ্দিষ্ট কিছুমান ক'ৰ্চৰ কাৰণে হয় যেনে- JEE, NEET আদিৰ কাৰণে হয়। লাহে লাহে দেখিবলৈ পোৱা গৈছে যে আইনৰ কাৰণে যিটো Common Law Admission Test হয়, তাৰ বাবেচেণ্টাৰ গঢ় লৈ উঠিব। এতিয়া আমাৰ পূৰ্বৰ যি ২ বছৰীয়া B.Ed course আছিল, তাৰ ঠাইত 4 year integrated B.Ed course আৰম্ভ হৈ গ'ল। যদি 4 year integrated B.Ed course আৰম্ভ নহয় আমিতো 4 year Degree course আৰম্ভ কৰি লওঁ। তাৰ মানে ছাত্ৰ-ছাত্ৰীয়ে ডিগ্ৰী ল'বৰ কাৰণে ৪ বছৰ পঢ়িব লাগিব, তাৰ পাছত B.Ed ল'বলৈ আকৌ ২ বছৰ পাঢ়িব লাগিব। মুঠ ৬ বছৰ। এতিয়া ৬ বছৰটো কাটি compact কৰি ৪ বছৰত যাতে B.A.B.Ed বা B.Sc.B.Ed বা B.ComB.Ed ল'ব পাৰে তাৰ কাৰণে 4 year integrated B.Ed course ইতিমধ্যে আৰম্ভ হ'ল। এই বছৰ আমি অসমত প্ৰায় ১৭ খন কলেজত এই 4 year integrated B.Ed course আৰম্ভ কৰাৰ কাৰণে অনুমতি পাইছো। এই বিধান সভাৰ জৰিয়তে, মাননীয় উপাধ্যক্ষ মহোদয় তথা মাননীয় বিধায়কসকলৰ জৰিয়তে মই ৰাইজক জনাব বিচাৰো যে এই 4 year integrated B.Ed courseৰ পোনপটীয়া admission কলেজ-বিশ্ববিদ্যালয়ে দিব নোৱাৰে। তাৰ কাৰণে All India ভিত্তিত এটা National Common Entrance Test ৰ বাবে আবেদন পত্ৰ ইতিমধ্যে গ্ৰহণ কৰা হৈছে। আমাৰ কলেজসমূহত আসন সৃষ্টি কৰা হৈছে কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰীয়ে যদি এই পৰীক্ষাত সফলতা অৰ্জন নকৰে তেন্তে বাহিৰৰ পৰা ছাত্ৰ-ছাত্ৰী আহিব। গতিকে, আমাৰ ছাত্ৰ-ছাত্ৰীয়ে এই 4 year B.Ed Course যদি পাব লাগে তেনেহ'লে National Common Entrance Test for integrated teacher education programme নামৰ প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব আৰু ইয়াৰ কাৰণেও হয়তো private tuition ৰ প্ৰয়োজন হ'ব। মই কৈছো যে এই Coaching Centre আইনৰ অধীনত আমাৰ যিসকল ঘৰুৱা tuition বা সৰু সৰু tuition centre আছে, সেইসমূহক সামৰি ল'ব বিচৰা নাই। কিন্তু যিসকলে commercially ইয়াক এটা Coaching Institute হিচাপে গঢ় দিছে, তাত যাতে বিদ্যালয়ত কৰ্মৰত চৰকাৰী শিক্ষকে গৈ পাঠদান কৰিব নোৱাৰে সেইটো regulate কৰিব বিচৰা হৈছে। কোনো চৰকাৰী বিদ্যালয়ৰ শিক্ষকে গৈ Coaching Institute ত শিক্ষকতা কৰিব নোৱাৰে, তাত শিক্ষকতা কৰিবলৈ হ'লে তেওঁ non-government হ'ব লাগিব অথবা তেওঁ retired teacher হ'ব লাগিব। মই ১৬ বছৰৰ কথাটো ক'লোৱেই। যিখন appellate authority, তাত এজন Principal ৰখাৰ কথা আমি কৈছো। 'Senior most Principal' বুলি সংশোধনী আনিব বিচৰা হৈছে কিন্তু Senior most বুলি ক'লে fixed এজন হ'ব। হয়তো তেওঁ অনিচ্ছুক বা তেওঁৰ যথেষ্ট বয়স হৈছে, তেওঁ সিমান dynamic নহ'ব, তেখেতৰ বেমাৰ-আজাৰৰ অলপ অসুবিধা থাকিব পাৰে। যিহেতু আমি dynamic মানুহ এজন বিচাৰিছো, এইটো Senior most বুলি restrict কৰি দিয়াটো কোনো পধ্যেই ঠিক নহয়। সেইকাৰণে মই এইটো গ্ৰহণ কৰিব বিচৰা নাই। আন এটা সংশোধনী দিছিল

যে আইনখনত লিখা আছে যে Coaching Institute য়ে marginalized group ৰ প্ৰতি দায়ৱদ্ধ হ'ব লাগিব। Marginalized group কোনবোৰ বুলিলে আমি সকলোৱে জানো যে SC, ST, OBC, Minority, Women, Dibyanga সকল। ইয়াৰ ক্ষেত্ৰত কিছু flexibility আছে। আমি ইয়াক restrict কৰিব বিচৰা নাই। আপোনালোকে সংশোধনী দিছে SC, ST, OBC, MOBC, Tea Tribe, Adivasi, EWS, students of Char areas সম্পৰ্কত । Linguistic minority টো থাকি গ'ল। আকৌ তেনেকৈ কিবা এটা থাকি যাব। আমি সকলোৱে জানো যে marginalized group ত অলপ flexibility থাকিব। কিন্তু institute টো তাৰ প্ৰতি দায়ৱদ্ধ হ'ব লাগিব। শেষৰ সংশোধনী যিটো appellate authority ৰ Member, Chairman জনে co-opt কৰি ল'ব পাৰিব বুলি আমি লিখিছো আৰু Chairman জন senior most Secretary of Education Department হ'ব। কিন্তু, কোৱা হৈছে যে appellate authority কে দিব লাগে। Appellate authority ৰে member select কৰিম। Appellate authority ৰ আকৌ Committee বহুৱাই meeting কৰি তাতে resolution লৈ কৰিলে, ই এটা জটিল প্ৰক্ৰিয়া হ'ব। সেইকাৰণে মই এইটো সংশোধনী গ্ৰহণ কৰিব পৰা নাই। মই শেষত জনাওঁ যে মাননীয় সদস্য দেবব্ৰত শইকীয়া আৰু অন্যান্যই Clause 3, sub-clause (d) the number of batches with maximum number of students for every curriculum, যি সংশোধনী আনিছে, মই সেইটো গ্ৰহণ কৰিছো। এইখিনি বক্তব্য দি অনুৰোধ জনাওঁ যে মই ইতিমধ্যে যি ব্যাখ্যা দাঙি ধৰিলো সেই ব্যাখ্যাৰ ভিত্তিত সকলোৱে বিলখন লৈ সমৰ্থন আগবঢ়াব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাওঁ)ঃ** উপাধ্যক্ষ মহোদয়, teaching staff graduate হোৱাৰ কথা কৈছে। Coaching centre বুলিলে ACS, IAS ৰ বাবে যিবোৰ Coaching centre হয়, সেইবোৰ ইয়াত অনা নাই নেকি? আৰু যদি আনিছে তেতিয়াহ'লে qualification টো আৰু অলপ ওপৰলৈ যাব নালাগিব জানো?

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** ইয়াত সকলো ধৰণৰ Coaching centre য়েই অন্তৰ্ভুক্ত হ'ব। JEE, NEET, Civil service সকলোখিনি অন্তৰ্ভুক্ত হ'ব। আমি qualification যিটো দিছো সেইটো minimum দিছো। Maximum টো খোলা ৰাখিছো। Minimum graduate হ'ব লাগিব। তাৰ ওপৰত Ph.D, Double MA হয়, তাত আমাৰ কোনো restriction নাই।

(Hon'ble Speaker in the Chair)

**ড° ৰফিকুল ইছলাম (জনীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে ভেঞ্চাৰ স্কুলসমূহৰ ক্ষেত্ৰত যিখিনি কথা কৈছে, বহুখিনি positive কথা কৈছে। মই ভাৱো আজি ভাল মেছেজ এটা যাব। এটা কথা মই ক'ব বিচাৰিছো। এদিন মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ আমাৰ লগত মিটিঙো হৈছিল। MSDP ৰ পৰা ১৬-১৭ টা মান স্কুল বনাই থোৱা আছে। দুবছৰমান হৈ গ'ল। এইখিনিৰ স্কুল বা কলেজ পতাৰ বাবে আপুনি ভাৱিছে আৰু প্ৰচেষ্টাও হাতত লৈছে। কিন্তু এই বিদ্যালয়সমূহ খালী হৈ থকাৰ বাবে জনসাধাৰণে আমাক সুধি থাকে আৰু আন্দোলনো কৰি থাকে। মোৰ জনিয়া সমষ্টিত এখন বিদ্যালয় ৩০ কোটি টকা ব্যয় সাপেক্ষে এটা ধুনীয়া বিল্ডিং বনোৱা হৈছে। গতিকে ইয়াক এই session ৰ পৰা আৰম্ভ কৰাৰ পৰিকল্পনা কৰাৰ বাবে আপোনাক

অনুৰোধ জনাইছো।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, MSDP ৰ অধীনত যিসমূহ residential বিদ্যালয় নিৰ্মাণ হ'ল, মই শাসক বিৰোধী সকলো বিধায়কৰ পৰা মতামত গ্ৰহণ কৰিছো যে ইয়াক স্কুল হিচাপে প্ৰতিষ্ঠা হোৱাটো বিচাৰে নে বিকল্প কিবা আছে? ইয়াত বিভিন্ন ধৰণৰ প্ৰস্তাৱ আহিলে। এইখিনি এতিয়া under process আৰু খুব সোনকালে ইয়াৰ সিদ্ধান্ত হ'ব। আমাৰ দৃষ্টিগোচৰ হৈ আছে, এইখিনি খুব মূল্যৱান asset। আমি ইয়াত খুব সোনকালে শিক্ষানুষ্ঠান আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টি বৰক্ষেত্ৰীৰ এখন স্কুলৰ বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ক video conference ৰ জৰিয়তে অৱগত কৰিছিলো । সেইখন স্কুলত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল যে MSDP ৰ বিল্ডিংটো কলেজ কৰিব আৰু মই কমাৰ্চ শাখাটো হোৱাটো বিচাৰিছিলো। তাত কিবা development আছে নেকি?

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** আপোনালোকে যেনেকৈ বিচাৰিছে ই under process হৈ আছে। ইয়াক আৰম্ভ কৰিবলৈ আমি post create কৰিব লাগিব, নিযুক্তি কৰিব লাগিব। সেয়েহে, ই process ত আছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, ( পশ্চিম গোৱালপাৰা)ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে শিক্ষাৰ ওপৰত আগবঢ়োৱা বক্তব্যত বহুকেইটা সিদ্ধান্ত আৰু চৰকাৰী নীতিৰ বাবে তেওঁক আন্তৰিক ধন্যবাদ জনাইছো। বিশেষভাৱে, তেওঁ কৈছে যে দুৰ্গম এলেকাৰ বাবে school cadre বা district cadre ত শিক্ষক নিযুক্তি পৰিকল্পনাই নামনি অসমৰ জিলা সমূহত PTR টো বেছি হোৱাত নিশ্চিতভাৱে ই তাত সহায় হ'ব। এটা কথা, ০১-০১-২০০৬ তাৰিখে Non-Govt. Education Institution Act অহাৰ বাবে স্কুলসমূহত প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত strict হোৱা দেখা গৈছে। সেয়েহে, ইয়াক শিথিলতাৰ ফালে অনাৰ বাবে পুনৰবাৰ চৰকাৰক বিবেচনা কৰাৰ বাবে মই অনুৰোধ জনালো। বিলৰ এটা সংশোধনী গ্ৰহণ কৰাৰ বাবে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আৰু আলোচনা আৰম্ভ কৰিব নালাগে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)ঃ** অধ্যক্ষ মহোদয়, বয়সৰ ক্ষেত্ৰত যিটো restriction, আমিও বিচাৰো Coaching Institute বাঢ়ক কিন্তু practically স্কুলীয়া ছাত্ৰ-ছাত্ৰীবোৰে যেতিয়া Coaching Institute লৈ যাব এই Act খন অহাৰ ফলত আমি অযথা নতুনকৈ সমস্যাৰ সন্মুখীন হ'ম নেকি সেই কথাখিনিও দৃষ্টি দিবলৈ মই অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা কথা ক'ম বিলৰ কথা ক'ব লগা একো নাই। আমাৰ যিখিনি tutor আছে, তেওঁলোকৰ দৰমহা বৃদ্ধিৰ বাবে কিবা সিদ্ধান্ত লোৱা হৈছে নেকি?

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, tutor সকলৰ দৰমহা সময়ে সময়ে বৃদ্ধি কৰাৰ ব্যৱস্থা আছে আৰু এতিয়াও tutor সকলৰ মাননীটো বৃদ্ধি কৰাৰ প্ৰস্তাৱ চৰকাৰৰ

ওচৰত বিবেচনাধীন হৈ আছে। বাকীখিনি আপুনি আবেদন কৰিছো, মই শুনিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব। দফা নং ২ ত সংশোধনী প্ৰস্তাৱ আছে শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ, তেখেত অনুপস্থিত। সেয়ে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব।

প্ৰশ্নটো হ'ল দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'

যিসকল বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৩ ত , সংশোধনী প্ৰস্তাৱ আছে, শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী শ্ৰী হাফিজ বচিৰ আহমেদ ডাঙৰীয়া, তেখেতৰ সহযোগী শ্ৰী অখিল গগৈ ডাঙৰীয়া, তেখেত অনুপস্থিত। গতিকে আপোনালোকে এইটো উঠাই লৈছে নে?

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, পশ্চিম গোৱালপাৰা মহাবিদ্যালয়ৰ বিজ্ঞান শাখা, সোণাৰী মহাবিদ্যালয় প্ৰাদেশীকৰণ আৰু Phd সম্পূৰ্ণ কৰা tutor প্ৰফেচাৰ, tutor Principal, tutor librarian যিখিনি বিষয় চৰকাৰৰ বিবেচনাধীন হৈ আছে, তেওঁলোকৰ verification complete হৈ গৈছে regularization ৰ বাবে। এইখিনি জনালো আপোনাৰ জৰিয়তে।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এইটো উঠাই লৈ আছো মাত্ৰ এটা point মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো- ০১-০১-২০০৬ ঠিক ৰাখিও কলেজৰ concurrence ৰ কাৰণে কিছুমান বিভাগৰ শিক্ষক বাদ পৰিছে, কিছুমান লগ হৈছে। ০১-০১-২০০৬ৰ পিছতো ২০০৭ বা ২০০৮ চনত হয়তো concurrence পাইছে, এনেকুৱা কিছু শিক্ষক হৈছে, কিছু শিক্ষকহে বাদ পৰিছে। কিন্তু কলেজ খন concurrence পাইছে। এইটো বিবেচনাৰ কাৰণে অনুৰোধ এটা থাকিল।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Clause no. ৩ আৰু ২ (d) টো সেইটো মানি লৈছে, এতিয়া

যিসকল Amendment ৰ সপক্ষে আছে, কওঁক 'হয়'

যিসকল বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

সংশোধনীটো গৃহীত কৰা হ'ল।

এতিয়া ৩নং দফাটো সংশোধনীসহ বিধেয়ক খনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'

যিসকল বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা নং ৩ সংশোধনীসহ বিধেয়কখনৰ অংশ হ'ল।

দফা নং-৪ ত সংশোধনী প্ৰস্তাৱ আছে, মাননীয় শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়া আৰু সহযোগী সকল উঠাই লৈছে নে?

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** অধ্যক্ষ মহোদয়, আমি উঠাই লৈছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে উঠাই লৈছে। গতিকে

৪ নং  দফাটো বিধেয়ক খনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ৪ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৫ ত সংশোধনী প্ৰস্তাৱ নাই, সেয়েহে
দফা নং ৫ বিধেয়ক খনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ৫  বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৬ ত সংশোধনী প্ৰস্তাৱ আছে, সংশোধনীটো উঠাই ল'লে সেয়েহে
৬ নং দফা  বিধেয়ক খনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
৬ নং দফা  বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৭ ত সংশোধনী প্ৰস্তাৱ আছে,  শ্ৰী অখিল গগৈ ডাঙৰীয়া, তেখেত অনুপস্থিত। সেয়েহে
৭ নং দফা  বিধেয়ক খনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ৭  বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৮ আৰু ৯ ত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া
দফা নং ৮ আৰু ৯ বিধেয়ক খনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ৮ আৰু ৯ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১০ ত সংশোধনী প্ৰস্তাৱ আছে, কিন্তু প্ৰস্তাৱটো  উঠাই ল'লে, সেয়েহে সংশোধনী
সংশোধনী ১০  বিধেয়ক খনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ১০  বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১১ ত সংশোধনী প্ৰস্তাৱ নাই।
দফা নং ১১ বিধেয়ক খনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক ‘হয়’
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ১১ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ১২ ত সংশোধনী প্ৰস্তাৱ আছে। কিন্তু উঠাই ল’লে । সেয়েহে,

দফা নং ১২ বিধেয়ক খনৰ অংশ হ’ব।
যিসকল সপক্ষে আছে, কওঁক ‘হয়’
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ১২ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ১৩ ৰ পৰা ১৬ লৈ সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে,

দফা নং ১৩ ৰ পৰা ১৬ লৈ বিধেয়ক খনৰ অংশ হ’ব।
যিসকল সপক্ষে আছে, কওঁক ‘হয়’
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ১৩ ৰ পৰা ১৬ লৈ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ১৭ ত সংশোধনী প্ৰস্তাৱ আছে। কিন্তু প্ৰস্তাৱ উঠাই ল’লে । সেয়েহে,

দফা নং ১৭ বিধেয়ক খনৰ অংশ হ’ব।
যিসকল সপক্ষে আছে, কওঁক ‘হয়’
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ১৭ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ১৮ ত সংশোধনী প্ৰস্তাৱ নাই। গতিকে,

দফা নং ১৮ বিধেয়ক খনৰ অংশ হ’ব।
যিসকল সপক্ষে আছে, কওঁক ‘হয়’
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ১৮ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ১৯ ত সংশোধনী প্ৰস্তাৱ আছে। কিন্তু সংশোধনী প্ৰস্তাৱ উঠাই ল’লে । সেয়েহে,

দফা নং ১৯ বিধেয়ক খনৰ অংশ হ’ব।
যিসকল সপক্ষে আছে, কওঁক ‘হয়’
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ১৯ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ২০ ত সংশোধনী প্ৰস্তাৱ শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ আছে। কিন্তু তেখেত অনুপস্থিত। সেয়েহে,

দফা নং ২০ বিধেয়ক খনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ২০ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ২১ ত সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে,
দফা নং ২১ বিধেয়ক খনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ২১ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে
দফা নং ১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ
শিৰোনাম বিধেয়ক খনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ১ অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ
শিৰোনাম বিধেয়ক খনৰ অংশ হ'ল।

এতিয়া সন্মানীয় মন্ত্ৰী। ডাঃ ৰণোজ পেগু ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে The Assam Coaching Institute (Control and Regulation) Bill, 2025, খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওঁক।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া আছে কাৰ্য্যসূচী নং ১২ The Assam Veterinery and Fishery University (Amendment) Bill, 2025. এতিয়া সন্মানীয় মন্ত্ৰী শ্ৰী কৃষ্ণেন্দু পল।

**শ্ৰী কৃষ্ণেন্দু পাল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই The Assam Veterinery and Fishery University (Amendment) Bill, 2025, বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল The Assam Veterinery and Fishery University (Amendment) Bill, 2025, খন বিবেচনাৰ বাবে লোৱা হওঁক।
যিসকল সপক্ষে আছে, কওঁক 'হয়'

যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া সাধাৰণ আলোচনা। কাৰোবাৰ কিবা ক'বলগীয়া আছে নেকি অতি চমুকৈ ক'ব।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়, The Assam Veterinery and Fishery University (Amendment) Bill, 2025, ইয়াত আমাৰ সৰু সৰু দুটা সংশোধনী আছে। প্ৰথম সংশোধনীটো আছিল Section-III ইয়াত যিটো Chancellor ক advisory board ৰ সদস্য nominate কৰাৰ যিটো কৰ্তৃত্ব দিয়া হৈছে, কিন্তু আমাৰ প্ৰস্তাৱটো এনেকুৱা আছিল যে এইটো management boardক দিয়া হওঁক, য'ত management board ৰ Chairman, Vice-Chancellor জন নিজেই আৰু Vice-Chancellor জনক অকলে কৰ্তৃত্ব নিদিয়াকৈ management board ক কৰ্তৃত্ব দিয়াৰ বাবে আমি প্ৰস্তাৱ ৰাখিছিলো। দ্বিতীয় সংশোধনীটো আছিল Section-VIII ত committee to settle the bifurcation of the Colleges and Institution ইয়াতে যিটো Committee কৰা হৈছে কাৰণ ইয়াতে বহুতো বিত্তীয় কথাও থাকিব। ইয়াত দেখুওৱা হৈছে যে Chief Secretary- Chairman, Agricultural Production Commissioner -Member, Registrar, Assam Agriculture University -Member,Dean, Veterinary College -Member, Dean, Fishery College -Member and Senior most Secretary, Veterinary Department - Member Secretary.যিহেতু Finance Department ৰ বহুতো কথা ইয়াত জড়িত থাকিব, আমি প্ৰস্তাৱ কৰিছো যে Finance Secretary এই কমিটিৰ সদস্য হিচাপে থাকক। এইটো আমাৰ সংশোধনী আছিল।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়,Veterinary College ৰ পৰা আমি University পালো, এইটো এটা ভাল পদক্ষেপ। কিন্তু কথা হ'ল যে Veterinary ৰ যিবিলাক graduate আছে গোটেই অসমত, তেওঁলোকৰ চাকৰি বাকৰি নাই। আমাৰ Veterinary sub-centre যিবিলাক আছে, সেইবিলাকৰ অৱস্থা পুতৌলগা। পশুধন খিনিৰ চিকিৎসাৰ কাৰণে এই যিবিলাক hospital বা ব্যৱস্থাপনা আছে তাত পৰ্য্যাপ্ত সা-সুবিধা নাই আৰু ডক্টৰো নাই। গতিকে এতিয়া যিহেতু আমি কলেজৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে পাইছো, যিবিলাক ডাক্টৰৰ এতিয়ালৈকে চাকৰি বাকৰি নাই আৰু hospital বিলাকত বহুত পদ খালী হৈ আছে, গতিকে এই বিষয়ে চৰকাৰে দৃষ্টি দিব লাগে। যিসকল Veterinary ৰ graduate আছে তেওঁলোকৰ নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। যিবিলাক Veterinary hospital আছে বা sub-centre আছে গোটেই অসমত, সেইবিলাকৰ অৱস্থা ঠিকঠাক কৰি তাত doctor আৰু staff নিযুক্তি দি ভাল কৰিব লাগে, নহ'লে অকল University পাতিলে কি লাভ হ'ব? গতিকে যিহেতু বিলখন আনিছে, সেইখিনি কথা মই আপোনাৰ যোগেদি চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** The Assam Veterinary and Fishery University (Amendment) Bill,2025,যিটো উদ্দেশ্যৰে অনা হৈছে, আমি যি বুজি পাইছো

সেইটো আগতে Agriculture University, Jorhat ৰ অধীনত চলিছিল খানাপাৰা Veterinary College, ৰহা বিশ্ববিদ্যালয়। Fishery, Agriculture আৰু Veterinary, এই তিনিটা বিভাগৰে কলেজবিলাক Agriculture University, Jorhat ৰ অধীনত চলিছিল। চৰকাৰে এতিয়া ভাগ কৰি Veterinary and Fishery University বেলেগ আৰু Agriculture University টো বেলেগ কৰা হ'ল। এই বিলখনৰ জৰিয়তে মূলত আগতে যিহেতু এখন University ৰ under ত আছিল, এতিয়া কোন কলেজ, কোন asset বিলাক Agriculture University ৰ under ত থাকিব আৰু কোন কলেজ, কোন asset বিলাক Veterinary and Fishery University ৰ under ত থাকিব চৰকাৰে এই বিষয়ে এটা স্পষ্ট ভাগ বিতৰণ কৰিব বিচাৰিছে। এতিয়া ভাগ বিতৰণ কৰিব যাওঁতে আমি দেখিছো এইটো ঠিকেই আছে যিহেতু University টো change হ'ল। এতিয়া পৈত্ৰিক ভেটিৰ পৰা যেতিয়া ভাগটো পৃথক কৰিব গতিকে কোনে কি সম্পত্তি পাব এইটো ভাগ কৰিবই লাগিব। এইটো চৰকাৰৰ দায়িত্ব। আমি ইয়াত মাত্ৰ দুটা সংশোধনী প্ৰস্তাৱ আনিছো। ইয়াক ভাগ বিতৰণ কৰাৰ কাৰণে যিটো কমিটি কৰি দিয়া হৈছে যে এই কমিটিয়ে চাব যে কোনটো property কোনটো University ৰ অধীনত যাব আৰু কোনবোৰ আগৰ Agriculture University ৰ অধীনত থাকিব। এই যিখন কমিটিয়ে ভাগ বিতৰণ কৰিব, সেই কমিটিয়ে আকৌ যিটো ক'ব সেইটো দুয়োখন University যে মানি ল'ব। এই কমিটিখনক লৈ যাতে কোনেও প্ৰশ্ন উত্থাপন নহয় সেইকাৰণে আমি ইয়াত এটা প্ৰস্তাৱ আনিছিলো। Chief Secretary, Assam তেখেতক Chair Person এইটো কৰিলে ভাল কাৰণ Chief Secretary সকলো বিভাগৰে মূল মালিক। এখেতে ভাগ বিতৰণ কৰিলে দুয়োপক্ষই মানিব। Chief Secretary- Chairman, Agricultural Production Commissioner -Member, Registrar, Assam Agriculture University -Member,Dean, Veterinary College -Member, Dean, Fishery College -Member. এইখিনি ঠিকেই আছে। ইয়াত ৬ নম্বৰত যিটো আছে Senior most Secretary of Veterinary Department ইয়াত আমি এটা শুধৰণি দিছো যে Veterinary Department ৰ পৰা যদি Secretary জনক লোৱা হ'ল, তেতিয়াহ'লে Senior most Secretary Fishery Department ৰ জনকো লোৱা হওঁক।

আমাৰ আৰু এটা সংশোধনী আছিল যে ইয়াৰ vice chancellor ৰ নিযুক্তিৰ কাৰণে আমি কৈছিলো Fishery বা Veterinary কলেজৰ পৰা retired principal বা বিভাগৰ বৃহৎ পদ তেওঁলোকৰ মাজৰ পৰা হ'লে ভাল হয়। এই দুটা amendment মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Veterinary and Fishery University (Amendment) Bill,2025,এখন অতিকৈ গুৰুত্বপূৰ্ণ বিল আৰু The Assam Veterinary and Fishery University অত্যন্ত গুৰুত্বপূৰ্ণ। ৰাজ্যখনৰ বাঢ়ি অহা নিবনুৱা সংস্থাপনৰ যথেষ্টখিনি ইয়াত থল আছে আৰু ৰাজ্যখনৰ যিটো আৰ্থিক অৱস্থা, লাহে লাহে বেছিকৈ ঋণ ল'বলগা হৈছে চৰকাৰখনে। গতিকে অসমৰ উৎপাদন ক্ষমতা বৃদ্ধিৰ ক্ষেত্ৰতো University ৰ ওপৰত যথেষ্টখিনি নিৰ্ভৰ কৰিব যদি ভালকৈ পৰিচালিত হয়। অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ আগতে আমি দেখিছো যে শিক্ষাখণ্ডত বহু University ৰাজ্য

চৰকাৰখনে কৰিছে, এইটো আমি ভালেই পাইছো কিন্তু দেখা যায় যে মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়, এখন মহাবিদ্যালয়ৰ Sign Board ত মহাটো কাটি বিশ্ববিদ্যালয় লগত দি কেবল নামাকৰণ কৰিলহে নহ'ব, তাৰ ভিতৰত আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি, শিক্ষা ব্যৱস্থাৰ পৰা আৰম্ভ কৰি, বাজেটৰ ধন দিয়াৰ পৰা আৰম্ভ কৰি সকলোখিনি গুণগত দিশ চাব লাগিব। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি আহ্বান জনাওঁ যে The Assam Veterinary and Fishery University (Amendment) Bill,2025 যিখন আনিছে, এই বিলৰ জৰিয়তে কেবল বিলখনৰ কথাই নহয়, এই Veterinary and Fishery University খনক সৰলীকৰণ ভালকৈ কৰিব লাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, বিত্তমন্ত্ৰী ডাঙৰীয়াণীয়ে ইয়াক গুৰুত্ব দিব লাগে কাৰণ এই University ৰ জৰিয়তে অসমৰ ভৱিষ্যৎ ভাল হোৱাৰ যথেষ্টখিনি সুযোগ আছে। Amendment আনিছে, ঠিকে আছে কিন্তু ইয়াৰ গ্ৰহণযোগ্যতা কেনেকৈ বঢ়াব পাৰি, ইয়াৰ পৰিসৰ কেনেকৈ বৃদ্ধি কৰিব পাৰি, ইয়াৰ আসনৰ সংখ্যা কেনেকৈ বৃদ্ধি কৰিব পাৰি আৰু ইয়াৰ জৰিয়তে Veterinary and Fishery বিভাগক research কৰি কেনেকৈ ভাৰত আৰু আন আন দেশত এই বিভাগটো আগবাঢ়ি গৈছে সেইসমূহৰ লগত আমি এটা বুজাবুজিৰ চুক্তিৰে আহি থকা সময়খিনিত এই Veterinary and Fishery University আৰু বেছি শক্তিশালী কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ।

**শ্ৰী কৃষেন্দু পাল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Veterinary and Fishery University (Amendment) Bill,2025, ইয়াৰ মূল উদ্দেশ্যটো হ'ল Assam Agriculture University আৰু Assam Veterinary and Fishery University ৰ মাজত সম্পদৰ বুজাবুজিৰ কাৰণে এখন কমিটি গঠন। তাৰকাৰণে কেইটামান amendment আনিছে। Amendment-2,11,13, 24,35, 36, 50, 54, 55,56 আৰু 67. আকৌ আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যি উদ্যোগ যে Veterinary sector বা প্ৰত্যেকটো বিভাগ সুচাৰুৰূপে আগবাঢ়ি যায় আৰু এটা শক্তিশালী ৰূপত অসম যাতে গঢ়ি উঠে। ইয়াত যি কেইটা Amendment আহিছে যে clause-3, sub-clause-1 and proposed sub-section-1, the word 'Chancellor' in line 2, substitute by 'board of management'. তাত ইতিমধ্যে এই 'board of management' তাত vice chancellor appointment হ'ব। তাতে যি board ৰ amendment আছে section 13 ত লিখা আছে যিটো advisory body আৰু Advisory Body ত shall process three members it shall be nominated by the Chancellor. এজন Chancellor য়ে nominate কৰিব। এজন Executive Council Assam Animal Husbandry Fishery University ৰ পৰা এজন nominate হ'ব আৰু State Government ৰ পৰা এজন nominate হ'ব। The Chancellor shall appoint one of them as the chairman of the Advisory Board. Chancellor মহোদয়ে ইয়াত এজন চেয়াৰমেন হিচাপে মনোনীত কৰিব। আমি ভাবো যে যিহেতু Chancellor আছে তাত substitute ৰ কোনো প্ৰয়োজন নাই। ইয়াত আমাৰ মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) আৰু তেখেতৰ AIUDF ৰ সদস্য সকলৰ পৰা যিটো সংশোধনী আহিছে যে in clause 4 ত কোৱা হৈছে যে retired principal of Fishery College or one retired principal of Assam

Veterinary college Khanapara  or Director, Department of Veterinary ইয়াত ইতিমধ্যে লিখাই আছে যে amendment 11 ত In the field of Veterinary, Animal Husbandry, Diary and  the Fishery senses. তাৰপৰা যি বেছি experience হ'ব তেখেতক ইয়াত মনোনীত কৰা হ'ব। ইয়াত আমাৰ মাননীয় বিৰোধী দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই Clause 8 ত যিটো amendment আনিছে যে- In sub-clause 2 after the serial numbers 6,  a new serial number shall be added as 7, Secretary Finance Deprtment member. আমি ভাবো যিহেতু মাননীয় Cheif Secretary আমাৰ এই কমিটিৰ চেয়াৰমেন, গতিকে ইয়াত আৰু প্ৰয়োজন নাই তেতিয়াহ'লে crop কৰিব পাৰে। ৪ নং আনিছে শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), শ্ৰী আশ্ৰাফুল হুছেইন আৰু তেওঁলোকৰ দলৰ সদস্য সকলে। In Clause 8, in sub clause 2, after the serial no. 6 a new serial no. shall be added as the senior most Secretary Fishery Department member. এইটোত আমি ভাবিছো যে ইয়াত যিহেতু তিনিখন Veterinary College, Fishery আৰু Animal Husbandry মিলাই এখন independent university হ'ব সেয়েহে এইটো accept কৰা হ'ব। Fishery Department ৰ পৰা senior most  Secretary ক ইয়াত আৰু এজন সদস্য লোৱা হ'ব। এইটো হৈছে মূল উদ্দেশ্য আৰু আমাৰ মাননীয় ৰফিকুল ইছলাম ডাঙৰীয়াই যিটো কথা ক'লে যে আমাৰ Animal Husbandry আৰু Veterinary Department ৰ appointment ৰ কথা। যোৱা ১৬ ফেব্ৰুৱাৰীত ৯৬ ডাক্তৰক নতুনকৈ নিযুক্তি দিয়া হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আগ্ৰহত এই Animal Husbandary আৰু Veterinary Department য়ে যাতে খুব ভালকৈ actively কাম কৰিব পাৰে। আৰু আমাৰ মাননীয় শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই কৈছে যে এইটোত বহুত স্কোপ আছে। এইটো সত্য যে তাত বহুত স্কোপ আছে। তাৰকাৰণে economic upliftment, skill human resources, specific যদি আমি ভাবো যে department ৰ কাৰণে প্ৰত্যেক কেইটা section যাতে আমি ভালকৈ আগবঢ়াই লৈ যাব পাৰো তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ব্যৱস্থা হাতত লৈছে। এইবাৰ বাজেটত আপোনালোকে দেখিছে যে Animal Husbandry আৰু Veterinary Department ৰ কাৰণে ৬৫০ কোটি টকাৰ ওপৰত বাজেট ৰাখিছে। তাৰকাৰণে এই Assam Veterinary আৰু Fishery University ৰ যি amendment bill আনিছে এইটো আমাৰ কাৰণে খুব ভাল এটা ব্যৱস্থা হ'ব। অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আগ্ৰহত Animal Husbandry আৰু Veterinary Department টো যাতে খুব ভালকৈ আগবাঢ়ি যায় আৰু attractively কাম কৰি যায় তাৰকাৰণে যি উদ্দেশ্য লৈছে মই ভাবো এই বিলখনৰ খুব মান্যতা আছে আৰু যিসকলে ইয়াৰ সংশোধনী আনিছে তাৰ মই বিশ্লেষণ দিলো। আৰু এটা আমি ইতিমধ্যে মানি লৈছো।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কমিটিৰ ক্ষেত্ৰত যিটো উত্তৰ দিছে তাত মই সিমানখিনি যুক্তিসংগত হোৱা বুলি ভবা নাই। Verification ৰ কাৰণে কমিটি বনাইছে তাত Chief Secretary, chairman আছে সেইটো ঠিকে আছে। আমাৰ ফালৰ পৰা কেৱল বিত্ত বিভাগৰ সচিবক এই সমিতিখনত সংযোগ কৰিব কৈছো। AIUDF ৰ ফালৰ পৰা যিটো সংশোধনী আনিছে ফিচাৰী বিভাগৰ সচিবকো এই সমিতিৰ সদস্য কৰিব লাগে। মই তেওঁৰ কাৰণে সংশোধনীক সমৰ্থন জনাইছো। সমিতিখনত Chief

Secretary আছে ঠিকে আছে কিন্তু বিভাগৰ secretary জনে বিভাগটোৰ বিষয়ে যিমানখিনি কথা জানিব এইক্ষেত্ৰত Chief Secretary জন সিমানখিনি অৱগত নহ'ব পাৰে। মাননীয় মন্ত্ৰী মহোদয়ে এইবিষয়ত মন্তব্য ৰাখিছে আৰু গৃহীতও হ'ব কিন্তু মোৰ কথাটো হ'ল যে যদি সম্ভৱ হয় মই কোৱা কথাটোও একো ডাঙৰ জটিলতা নহ'ব কাৰণ গোটেইখিনি বিষয়াই হয় যাতে এই গোটেইখিনি কথা সুন্দৰভাৱে হয় আৰু এইটো কৰিলে আপোনালোকৰে ভাল হ'ব। ফিচাৰী বিভাগৰ সচিব থাকিল আৰু বিত্ত বিভাগৰ সচিব থাকিলে মিটিঙত সকলোবোৰ কথা ধুনীয়া হৈ যাব। এইবিষয়টো অসমৰ মুঠ জনসংখ্যাৰ ৮০ শতাংশ লোকেই প্ৰত্যক্ষভাৱে চুই যোৱা বিভাগ। গতিকে এই বিভাগটো সঠিকভাৱে চলিবলৈ হ'লে সঠিক সিদ্ধান্তৰ প্ৰয়োজন।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কৃষ্ণেন্দু পাল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমাৰ মুখ্য সচিব এই সমিতিখনৰ চেয়াৰমেন আৰু যদি মুখ্য সচিবে ভাৱে যে তেতিয়াহ'লে বিত্ত বিভাগৰ পৰা crop কৰিব পাৰে। যিহেতু মুখ্য সচিব আছে মই ভাবো একো অসুবিধা নহ'ব।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, ( পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আইনত কিন্তু এই ব্যৱস্থাটো ৰখা নাই। গতিকে এই crop কৰা শব্দটো দি দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক। দফা নং ২ ত সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল-

দফা নং ২ বিধেয়কখনৰ অংশ হ'ব
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে,
দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৩ ত সংশোধনী প্ৰস্তাৱ আছে, মাননীয় শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী আব্দুৰ ৰশিদ মণ্ডল আৰু তেখেতসকলৰ সহযোগী সকল। তেখেত সকলে সংশোধনী প্ৰস্তাৱটো উঠাই লৈছে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি উঠাই লৈছো কিন্তু আমাৰ সমিতিলৈ Secretary Finance ৰ concern টো আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি পিছত কথাটো পাতি ল'ব।

এতিয়া দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে,
দফা নং ৩ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৪ ত সংশোধনী প্ৰস্তাৱ আছে, মাননীয় বিধায়ক শ্ৰীআমিনুল ইছলাম, শ্ৰী আশ্ৰাফুল হুছেইন আৰু তেখেতসকলৰ সহযোগী সকল। তেখেত সকলে সংশোধনী প্ৰস্তাৱটো উঠাই লৈছে। গতিকে এতিয়া দফা নং ৪ বিধেয়কখনৰ অংশ হ'ব।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সংশোধনীটো উঠাই লৈ আছো। কিন্তু মই এটা কথা ক'ব বিচাৰিছো যে মাননীয় শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়া যেতিয়া তেখেত মন্ত্ৰী হোৱা নাছিল তেতিয়া বিধান সভাৰ মজিয়াত কৈছিল যে যদি গৰু, ম'হ আদি

পোহনীয়া জীৱজন্তুৰ বাক অধিকাৰ থাকিলে হয় তেতিয়া গোটেই অসমৰ বিলাক আহি জনতা ভৰনত ধৰ্ণা দিলে হেঁতেন। এইটো বিভাগীয় ভাৱে অলপ চোৱাৰ বাবে অনুৰোধ জনাই আমি সংশোধনীটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** দফা নং ৪ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে,

দফা নং ৪ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৫ ৰ পৰা ৭ লৈকে কোনো সংশোধনী প্ৰস্তাৱ নাই। গতিকে দফা নং ৫ ৰ পৰা ৭ লৈ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে,

দফা নং ৫ ৰ পৰা ৭ লৈ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৮ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া, শ্ৰী আব্দুৰ ৰশিদ মণ্ডল আৰু তেখেতসকলৰ সহযোগী সকলৰ। কিন্তু ইতিমধ্যে সংশোধনীটো মানি লৈছে। গতিকে যিসকলে এই সংশোধনী প্ৰস্তাৱৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয়'

যিসকলে বিপক্ষে আছে তেওঁলোক কওঁক 'নহয়'

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে

সংশোধনী প্ৰস্তাৱটো গৃহীত হ'ল।

গতিকে ৮ নং দফা সংশোধন সহ বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক 'হয়'

যি সকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপক্ষে

সংশোধনী প্ৰস্তাৱটো গৃহীত হ'ল।

দফা নং ৮ সংশোধনসহ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৯ ৰ পৰা ১২ লৈ সংশোধনী প্ৰস্তাৱ নাই।

প্ৰশ্নটো হ'ল যে দফা নং ৯ ৰ পৰা ১২ লৈ বিধেয়ক খনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে কওঁক 'হয়'

যি সকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপক্ষে

সংশোধনী প্ৰস্তাৱটো গৃহীত হ'ল।

দফা নং ৯ ৰ পৰা ১২ লৈ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ১ ৰ অধীনৰ সূত্ৰ, প্ৰস্তাৱনা আৰু বিলৰ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১ ৰ অধীনৰ সূত্ৰ, প্ৰস্তাৱনা আৰু বিলৰ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কৃষ্ণেন্দু পাল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে "The Assam

Vaterinary and Fishery University (Amendment) Bill, 2025" পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওঁক।

যি সকল সপক্ষে আছে কওঁক 'হয়'

যি সকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো হয় সপেক্ষে, হয় সপেক্ষে, হয় সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া Item No. 13 under Rule 131, শ্ৰী দেৱব্ৰত শইকীয়া ।

**শ্ৰী দেৱব্ৰত শইকীয়া , (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ১৩ নং কাৰ্য্যসূচী অনুসৰি " অসম চৰকাৰে আৰম্ভ কৰা অৰুণোদয় আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত সংঘটিত ব্যাপক দুৰ্নীতি নিৰ্মূলৰ বাবে সুনিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু আঁচনিৰ পৰিসৰত থকা উপযুক্ত দৰিদ্ৰ, বিধৱা মহিলা, বিবাহ বিচ্ছেদ হোৱা মহিলা আৰু বিশেষ ভাৱে সক্ষম ব্যক্তি সকলক অন্তৰ্ভুক্ত কৰিব লাগে বুলি সদনৰ পৰা এটা প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক।" মহোদয়, যোৱাবাৰতকৈ প্ৰথম, দ্বিতীয়, তৃতীয় অৰুণোদয়ৰ ক্ষেত্ৰত আমি দেখা পাইছো চৰকাৰে বিলখিনি আগতকৈ আৰু ভাল কৰিছে সেই কথাটো মই স্বীকাৰ কৰিছো। প্ৰথম অৱস্থাত ইমান নাছিল কিন্তু এইবাৰ যথেষ্ট ভাল কৰিছে । লগতে জনপ্ৰতিনিধি সকলক প্ৰতিনিধিৰ প্ৰতিটো পুলিং ষ্টেচনত দিব বুলি যেতিয়া মুখ্যমন্ত্ৰীয়ে video conference ত কৈছিল আৰু সকলোকে সংযুক্ত হ'বলৈ কৈছিল তেতিয়া মই এটা কথাই উল্লেখ কৰিছো কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা পালো যে ওপৰৰ পৰা যিটো নিৰ্দেশ দিয়া হ'ল কিন্তু নিম্ন পৰ্য্যায়ত সেই নিৰ্দেশটো মনা নহ'ল। বিশেষকৈ মোৰ সমষ্টিৰ এটা অংশত কোনো প্ৰতিনিধি প্ৰত্যেকটো পুলিং ষ্টেচনত দিব নোৱাৰিলো। তথাপি যিসকলে দিছে তেওঁলোকে নিয়ম অনুসৰি কৰিব বুলি বিশ্বাস ৰাখিছো আৰু District Level Committee ত আমি সদস্য সেয়ে এই বিষয়ে মাননীয় অভিভাৱক মন্ত্ৰীৰ উপস্থিতিত আলোচনা কৰিছো। কিন্তু মহোদয় যিহেতু মই এইটো আগতেই দিছিলো কিন্তু আজিৰ দৈনিক অসম বাতৰি কাকতত হিতাধিকাৰী নিৰ্বাচনত ব্যাপক অনিয়মৰ অভিযোগ, অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত মহিলাৰ প্ৰতিবাদ, বিশেষকৈ গোলাঘাট জিলাৰ গোলাঘাট পশ্চিম উন্নয়ন খণ্ড, বোকাখাটৰ ৰঙামটি, কৈৱৰ্ত গাঁও অঞ্চল, মেৰাপানীৰ গমাৰীগুৰি উন্নয়ন খণ্ডৰ কাৰ্য্যালয় তথা অন্যান্য অঞ্চলতো অভিযোগ উঠিছে যে এই ক্ষেত্ৰত বিভিন্ন ধৰণৰ বৈষম্য কৰা হৈছে। অনুৰূপ বাতৰি আজি অগ্ৰদূত কাকতত প্ৰকাশ পাইছে। চাৰিটা বিভিন্ন অঞ্চলৰ বাতৰি তেওঁলোকে এটাকৈ প্ৰকাশ কৰিছে " বিজেপি নেতাৰ গৃহত অৰুণোদয়ৰ তালিকা প্ৰস্তুত, ৰাজ্যজুৰি প্ৰতিবাদ, ধেমাজী, দোটমা, কাকজান, লাইজগৰ। এইখিনি বেলেগ বেলেগ অঞ্চলৰ হয় আৰু যোৰহাট জিলাৰ টীয়কতো আজি একাংশ মহিলাই অৰুণোদয় আঁচনি বিচাৰি প্ৰতিবাদ কৰিছে। তাত উল্লেখ কৰিছে যে বিবাহিতা মহিলা,অবিবাহিতা মহিলা, বিশেষভাৱে সক্ষম মহিলাৰ বাবে চৰকাৰে ঘোষণা কৰিছিল অৰুণোদয় আঁচনি। পৰৱৰ্ত্তী সময়ত দৰিদ্ৰ মহিলাক অন্তৰ্ভুক্ত কৰা হৈছিল কিন্তু অৰাজক পৰিস্থিতিৰ সৃষ্টি হৈছে। এনেদৰে বিভিন্ন অঞ্চলৰ পৰা ক্ষোভ প্ৰকাশ হৈছে। বৰক্ষেত্ৰী সমষ্টিতো বোধকৰো বিকলাংগ আৰু বিশেষভাৱে সক্ষম সকলে প্ৰতিবাদ কৰিছিল আৰু বাচনি প্ৰক্ৰিয়াটোক লৈ কিছু সন্দেহৰ সৃষ্টি হৈছে। যিহেতু গোটেই পুলিং ষ্টেচন কমিটি পঞ্চায়ত সমূহৰ ভিত্তিত কৰা হৈছিল আৰু যিহেতু পঞ্চায়ত কাৰ্য্যালয় বিলাক হৈছে আমাৰ স্থায়ী কাৰ্য্যালয় গতিকে সেই বিলাকত নগৈ কোনো বিশেষ ৰাজনৈতিক ব্যক্তি বা দলৰ ঘৰৰ পৰা

এই আঁচনিবোৰ তৈয়াৰ কৰা বুলি বিভিন্ন অভিযোগ আহিছে সেই কাৰণে আমি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু অন্যান্য সদস্য সকলোকো দু-আষাৰ বক্তব্য ৰাখিব দিব বুলি আশা ৰাখিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অতি গুৰুত্বপূৰ্ণ এটা বিষয় সদনত উত্থাপিত হৈছে। আক্ষেপৰ কথা এইটোৱেই যে আগতে যিসকলে অৰুণোদয় পাই আছিল, যেতিয়া প্ৰত্যেক এলেকাত politically তিনি জন বা চাৰি জনকৈ Member দিয়া হৈছে, তেওঁলোকে পুৰণি আৰু নতুন সকলোবোৰ লগ লগাই খেলিমেলি কৰি দিছে। তেওঁলোকে বাচনি কৰোতে আগৰপৰা পাই থকা বহুত বিধৱা, শাৰিৰীক ভাৱে অক্ষম ব্যক্তিসকল বাদ পৰি গ'ল। গতিকে এইবোৰ সম্পূৰ্ণ politically হৈছে। সিদিনাখন মই মোৰ বাজেট বক্তব্যত কৈছিলো যে মই এঠাইত আধাৰশিলা স্থাপন কৰিবলৈ যাওঁতে হুইলচেয়াৰত দৰিদ্ৰ, শাৰিৰীক ভাৱে অক্ষম ছোৱালী এজনী মোৰ আগত আনি কৈছে যে ছাৰ, এখেতে আগতে অৰুণোদয় পাই আছিল কিন্তু এতিয়া নাম নাই। নাম কাটি দিলে। মই বাকৰুদ্ধ হৈ গৈছো যে এতিয়া কি কৰিম! এনেধৰণৰ বহু কেচ আছে। আগতে যিসকল বিধৱা মহিলাই অৰুণোদয় পাই আছিল এতিয়া কিন্তু তেওঁলোকৰ নাম কাটি দিয়া হৈছে। আগতে গাঁও পঞ্চায়ত বহি এটা system ৰ মাজত আনিছিল কিন্তু এতিয়া কমিটি বনাই দিয়াৰ পিছতো যদি যধে-মধে মানুহ ভৰাই দিয়ে সেইটো ভাল নহ'ব। যিসকলে মানুহ চিনি নাপাই কেৱল মাত্ৰ politically বেলেগ ঠাইত তেওঁলোকক Member বনাই দিয়া হৈছে। মোৰ সমষ্টিত দাতিয়ালবড়ী আৰু উলুবাৰী পঞ্চায়তত প্ৰায় ২০০০ মানুহে প্ৰতিবাদ কৰাৰ বাতৰি পোৱা গৈছে। যিখন গাঁৱত এজনো হিন্দু মানুহ নাই তালিকাত ৩০-৪০ জন হিন্দু মানুহৰ নাম আহিছে আৰু য'ত এজনো মুছলমান মানুহ নাই তাত মুছলমান মানুহৰ নাম আহিছে। আগতে গুজৰাটত হোৱা খেলিমেলিৰ দৰে খেলিমেলি হৈছে একমাত্ৰ politically কিছু অনভিজ্ঞ মানুহক ইয়াৰ দায়িত্ব দিয়াৰ কাৰণে। আগতে অৰুণোদয়ত বিকলাংগ, বিধৱা, দৰিদ্ৰ, ভিক্ষাবৃত্তি অৱলম্বন কৰা, দৰিদ্ৰ সীমাৰেখাৰ তলত থকা যিসকলে সকাহ পাইছিল এতিয়া কিন্তু সেই মানুহখিনিৰ সংখ্যা আগতকৈ বেছি বাদ পৰি গ'ল আৰু যাৰ ঘৰত tractor, পাৱাৰটিলাৰ, চাৰিচকীয়া বাহন, পকীঘৰ, ১৫-২০ বিঘা মাটি আছে সেই ধনী মানুহবোৰ অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত হ'ল। চৰকাৰে ভাৱিছিল যে পুৰণিখিনিক একেলগ কৰিব দি অসমত এইবাৰ ৩০- ৪০ লাখক অৰুণোদয় দিছো বুলি অহা নিৰ্বাচনত ক'ব পাৰিব কিন্তু এইবাৰ যি হৈছে সম্পূৰ্ণ উল্টা হৈ গ'ল যে আগতে পোৱা বিলাকক বাদ পেলাই ধনী মানুহৰ নাম ভৰাই যি এটা অৰাজক পৰিস্থিতিৰ সৃষ্টি কৰিছে অহা নিৰ্বাচনত কিন্তু চৰকাৰে ভৰাটোৰ উল্টাহে হ'ব। গতিকে নতুন তালিকাত ধনী মানুহ খিনিৰ নাম কৰ্তন কৰি আগৰবোৰক দিয়াৰ বাবে যাতে চিন্তা চৰ্চা কৰে তাৰবাবে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আব্দুল বাতিন খণ্ডকাৰ।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (অভয়াপুৰী উত্তৰ) ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতি মহোদয়ে যিটো প্ৰস্তাৱ আনিছে অৰুণোদয় ৰূপায়ণ সম্পৰ্কত সেই প্ৰস্তাৱৰ সমৰ্থনত দু-আষাৰ ক'ব বিচাৰিছো। অৰুণোদয় আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত আৰম্ভণিৰে পৰাই অলপ বিসংগতিয়ে দেখা দিছে। PSY ক যি কমিটি বনাবলৈ দিয়া হ'ল, কমিটিবোৰ অভিভাৱক মন্ত্ৰীয়ে বনালে আৰু এটা বিশেষ ৰাজনৈতিক দলৰ লগত যদি তেওঁৰ সম্পৰ্ক আছে তেওঁহে membership পালে।

তাত যদি এনেকুৱা থাকিলে হয় যে retired teacher এ পাব বা social worker type ব্যক্তিয়ে পাব ইত্যাদি এনেকুৱা ধৰণৰ যদি guideline থাকিলে হয় তেতিয়া ভাল আছিল। গতিকে বাচনি কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ politically হৈছে আৰু ৰাজনৈতিক দলৰ সদস্য হোৱাৰ বাবে অলপ অসুবিধা হৈছে। তালিকা preparation ৰ ক্ষেত্ৰত তেওঁলোকক দায়িত্ব দিয়া হোৱা বাবে এনেকুৱা দেখা গ'ল যে এগৰাকী ব্যক্তি ৫-৭ টা বাচনি সমিতিৰ সদস্য হৈ আছে আৰু এঠাইৰ মানুহ এঠাইলৈ গৈ বাচনি সমিতিৰ সদস্য হৈ আছে। গতিকে এটাই কথা যে সকলোবিলাক political consideration ত হ'ল। এই political consideration ত সদস্য খিনিক Selection Committee বনোৱাৰ কাৰণে আমাৰ বাচনি প্ৰক্ৰিয়াত প্ৰথম দুৰ্বলতা হ'ল যে ৰাজনৈতিক ভাৱে সক্ৰিয় পৰিয়ালৰ পৰাহে হিতাধিকাৰী নিৰ্ব্বাচিত হ'ল বা এটা পৰিয়ালতে একাধিক হিতাধিকাৰীয়ে পাবলৈ সমৰ্থ হ'ল, এইটো Political লাইনত ভুল হৈ গ'ল, আৰু কিছুমান ক্ষেত্ৰত দেখা গ'ল যে ধনৰ লেনদেন হ'ল। ধনৰ লেনদেন কৰি এঠাইৰ মানুহৰ নাম বেলেগ ঠাইত দিছে, তেওঁৰ কোনো সামাজিক দায়বদ্ধতা নাই, তেওঁ য'তে ধন পাইছে, যি হিতাধিকাৰীৰ পৰা টকা লৈছে তাকে লিষ্টত নাম সুমুৱাইছে। তাৰ মানে এঠাইৰ মানুহ বেলেগ ঠাইত লৈ দিয়া হৈছে। তেনেকুৱাকৈ কৰাৰ কাৰণে দুটা Political চাইদত অলপ Political affiliation থাকিলে হিতাধিকাৰীয়ে পাবলৈ সক্ষম হ'ল, আৰু এটা হ'ল ধনৰ বিনিময়ত হিতাধিকাৰী দিয়া হ'ল। ইয়াৰ ফলত কি হ'ল যে যেতিয়া অৰুনোদয় -২ লৈকে যি সকল প্ৰকৃত হিতাধিকাৰী বিধৱা, বিচ্ছেদিত মহিলা,বিশেষ ভাৱে সক্ষম লোক সকল, তেওঁলোকে ইতিমধ্যে পাই আছিল। তেখেত সকলে ইতিমধ্যে এই আঁচনিৰ সুবিধা পাই আছিল, আৰু as per guideline তেওঁলোকেই প্ৰকৃত হিতাধিকাৰী। কিন্তু, তেওঁলোকৰ নাম কৰ্তন হৈ গ'ল সমাজত এটা সামাজিক অস্থিৰতাৰ সৃষ্টি হ'ল। ক'বলৈ গলে, চাৰিও দিশে আন্দোলন হ'ল। অৰুনোদয় বাচনি নিয়ম মতে হোৱা নাই, অনিয়ম হৈছে। গতিকে পূৰ্বতে অৰুনোদয় ২.০ ত যি সকল প্ৰকৃত বিধৱা, বিচ্ছেদিত মহিলা আৰু বিকলাংগ সকলৰ নাম আছিল তেওঁলোকক বাদ দিয়া হৈছে, সেইটো যাতে কোনো পধ্যেই বাদ নপৰে তাৰ কাৰণে আমাৰ চৰকাৰৰ তৰফৰ পৰা এটা ব্যৱস্থা লোৱা হওঁক। এইটো অনুৰোধ ৰাখি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ সন্মানীয় সভাপতি গৰাকীয়ে এটা গুৰুত্বপুৰ্ণ বিষয় উপস্থাপন কৰিছে। কিন্তু মই ক'ব লগা কথাটো হ'ল যে বিষয়টো আপোনালোকে generalize কৰিব খুজিছে। এতিয়া আপোনালোকে যি দোষাৰোপ কৰি আছে চৰকাৰখনক। এইটো সময় নহয়ে এইটো মাত্ৰ আৰম্ভণি। এতিয়া আপোনালোকে DLMC বহিব, DLMC ত আলাপ আলোচনা কৰিব, আপোনালোক নিজেই প্ৰত্যেকজন বিধায়কে তাৰ সদস্য। আপোনালোকে নিজেই তাত চাব পাৰিব যে কোন সোমাইছে, কোন ওলাইছে, এইখিনি আপোনালোকে গোটে ইখিনি ক'ব পাৰিব, আৰু তাক নিজে নিৰ্বাচন কৰিব পাৰিব। তাকে নকৰি এতিয়া আপোনালোকে হিন্দু, মুছলমান, অমুক, তমুক এইবিলাক কথা কোৱা অনুচিত। আমি এইবোৰ কোৱা নাই মোৰ তাত ৮,১০ টা মান ভোট কেন্দ্ৰ আছে, অকল মুছলমান মানুহ অধ্যুষিত। তাতটো আমি সকলো মানুহক দি আছো। আপোনালোকে এই বিলাক sensitive কথাবিলাক সদনৰ মজিয়াত আনি আনি কেৱল ৰাজনৈতিক মুনাফা আদায় কৰাৰ কাৰণে কৈ থাকে। আপোনালোকৰ যাক দৰকাৰ আপোনালোকৰ সমষ্টিত আপুনিয়েই দিব লাগিব। আপোনাৰ সমষ্টিত গৈ বেলেগ এজন মানুহে

দিব নোৱাৰে। নগাওঁ, ধিং, ৰূপহীত কোনে দিব? আপোনালোকৰ মানুহেটো দিব ,আপোনালোকৰ মানুহখিনিক আপোনালোকে ভৰাই ল'ব। আমাৰ ক'ব লগা কি আছে? আপোনালোকে generalize নকৰিব , যিবিলাক সমষ্টিত বেয়া হৈছে আপোনালোকে শুধৰাই লওঁক। কিন্তু আমাৰ সমষ্টিত খুব ধুনীয়াকৈ কাম হৈ আছে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক যেনেকৈ পৰামৰ্শ দিছে, বিভাগীয় মন্ত্ৰীয়ে যেনেকৈ পৰামৰ্শ দিছে,আমি তেনেকে কৰি আছো। আৰু লক্ষ্য লক্ষ্য মানুহক ইয়াত অন্তৰ্ভুক্ত কৰিব যাওঁতে অধ্যক্ষ মহোদয়, ক'ৰবাত দুই এটা কিবা সৰকি যাবও পাৰে, সেইটোক আপুনি generalize কৰি দিলে গোটেই আঁচনিখনে আঁতৰি নাযাব। কাৰণ ই দুখীয়া, কৃষক, শ্ৰমিক মানুহৰ যিটো সূৰ্য্য। অৰুণ মানে সূৰ্য্য। এই সূৰ্য্য আপোনালোকৰ দিনত ডুব গৈছিল আৰু তাক আমি উদয় কৰিবৰ কাৰণে অৰুনোদয় কৰিব লগা হৈছে। গতিকে উদয় হ'বলৈ দিয়কচোন। উদয় হ'বৰ সময়তে কিয় ডাৱৰ দি ঢাকিব খোজে? গতিকে অধ্যক্ষ মহোদয়, মই শইকীয়া ডাঙৰীয়াক বিষয়টো উত্থাপন কৰাৰ বাবে ধন্যবাদ জনাইছো। কিন্তু generalize কৰাৰ কাৰণে মই তাৰ প্ৰতিবাদ কৰিছো। গতিকে এইটো কৰিব নালাগে, আপোনালোকে সহযোগিতা কৰক। অৰুনোদয় সকলো মানুহে যাতে পাবৰ কাৰণে সক্ষম হয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, ৰফিকুল ইছলাম।

**ডº ৰফিকুল ইছলাম, (জনিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সৰ্ব প্ৰথমে আমাৰ মাননীয় বিৰোধী দলৰ দলপতি দেবব্ৰত শইকীয়া ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে তাৰ সমৰ্থনত মই দুই আষাৰ কম। আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই যিটো কথা কৈছে, তেখেতে উদাহৰণ দিছিল যে এখন গাৱত এজনো হিন্দু জনসংখ্যা নাই। কিন্তু লিষ্টত হিন্দু মানুহৰ নাম আছে, আৰু এনেকুৱা গাওঁ আছে য'ত এজনো মুছলমানৰ জনসংখ্যা নাই, হিন্দু গাওঁ তাতে মুছলমান মানুহৰ নাম আহিছে। এই কথাটো তেখেতে কৈছে। তেখেতে এইটো কোৱা নাই যে হিন্দু, মুছলমানক দিছে, গতিকে এইটো মই শুধৰণি কৰিলো। যিকি নহওঁক অৰুনোদয় আঁচনিৰ যিটো লিষ্ট হৈছে, আগতে যি সকলে অৰুনোদয় পাই আছিল, গাইড লাইন দিছে যে সেই মানুহখিনিক, তেখেত সকল যদি উপযুক্ত হয়, থাকিব। চাকৰি-বাকৰি কৰা কাৰোবাৰ যদি হৈ গৈছে, চাৰিচকীয়া আছে, ঠিক তেনেধৰণৰ পুৰণা মানুহ যদি আছে, সেইখিনি বাদ পৰিব আৰু বাকীখিনি কিন্তু থাকিব। কিন্তু আমি লক্ষ্য কৰিছো, এতিয়া যিটো লিষ্ট ওলাইছে, আগতে পোৱা যথেষ্টখিনি মানুহ বাদ পৰিছে। আমাৰ বৰপেটা জিলাটো হৈছে. মোৰ জনীয়া সমষ্টিটো হৈছে, বিভিন্ন পঞ্চায়তৰ পৰা ৰিৰ্পোট আহিছে, যে তেখেত সকলে আগতে পাই আহিছিল, তেওঁলোক genuin , কাৰ্ড হল্ডাৰ হয় তেখেত সকল আৰু বি পি এল হয়, তেখেত সকলৰ ঘৰত চাকৰিও নাই, গাড়ী ঘোৰাও নাই। আগতে বছৰে বছৰে পাই আছিল কিন্তু এতিয়া নাই পোৱা। এনেকুৱা বহুত হৈছে। গোটেই অসমতে এনেকুৱা ৰিৰ্পোট আমি পাই আছো। এইখিনি চৰকাৰক আপোনাৰ যোগেদি আমাৰ আবেদন থাকিব। যিখিনি মানুহে পাই আছিল, বিধৱা, অবিবাহিত মহিলা, বিশেষ ভাৱে সক্ষম, দুখীয়া পাই থকা মানুহখিনি যাতে এজনো বঞ্চিত নহয় এতিয়া চৰকাৰে পাই থকা মানুহখিনিতকৈও target বঢ়াইছে। কিন্তু নতুন যিটো tentative target মোৰ বৰপেটা জিলাৰ কথা কৈছো, আগতে পাই থকা মানুহখিনিয়ে, আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়া আছে, সেইখিনি aprove দিছে। নতুনকৈ যিখিনি পাব সেইখিনি এতিয়ালৈকে মিটিং কৰি আপলোড দিয়া নাই। গতিকে মই আজি এইটো আহ্বান ৰাখিম যে নতুনকৈ যিটো tentative target দিয়া হৈছে, সেই target পাবলৈ নতুন মানুহখিনিয়ে পাব সেই সকলৰ সেই লিষ্টটো যাতে district Committee পাতি সেইখিনি অতি সোনকালে আপলোড

দিয়া হয়, এইটোৰ এটা ব্যৱস্থা যাতে সোনকালে কৰে আৰু এটা কথা কৈ মই শেষ কৰিম অধ্যক্ষ মহোদয়, অৰুনোদয় যেতিয়া দিব, সূৰ্য্য উদয়ৰ কথা কৈছে, ভাল কথা কিন্তু বহুটো সূৰ্য্য অস্ত গৈ আছে। পাই আছিল, কাটি গৈছে এতিয়া বা দুখীয়া বহুত মানুহ কিছুমানে পাব কিছুমানে নাপাব। গতিকে সেই সকলৰ সূৰ্য্য যাতে অস্ত নাযায়। গোটেই অসমত যি সকল বি পি এল আছে, যি সকল মানুহ এ পি এল নহয় গাড়ী নাই, তেনেকুৱা পৰিয়ালৰ প্ৰত্যেকজন মহিলাক target লৈ লোৱাৰ কাৰণে আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো। এইটো আজিৰ চৰকাৰে যিটো target লৈছে, তাতকৈ যদি ৫ লাখ বাঢ়িও যায় বা ১০ লাখ বাঢ়িও যায়, যিহেতু দিবই, এনেধৰণৰ স্কীম যেতিয়া চৰকাৰে ল'বই, ল'ব যেতিয়া, গতিকে ৫, ১০ লাখৰ কাৰণে যাতে সেইখিনি বি পি এল দুখীয়া মানুহ বঞ্চিত নহয়, as a whole অসমৰ এই গোটেইখিনি মানুহ সাঙুৰি লৈ সেই ব্যৱস্থাখিনি যাতে কৰে আৰু সঠিক ভাবে সোনকালে যাতে এই কামখিনি হয়, সেইখিনি আপোনাৰ জৰিয়তে আবেদন ৰাখি তেওঁৰ সমৰ্থনত মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় অৰুনোদয় আঁচনিখন আমি ভালেই পাইছো। কিন্তু এই যিবিলাক আসোঁৱাহ আছে, আমি districtৰ member আৰু আমাৰ সমষ্টিটো পাইছো। কিন্তু কিছুমান ক্ষেত্ৰত কিছু সমস্যা হৈছে যে বোধহয় প্ৰত্যেক জিলাতে ৪ জনীয়া কমিটি কৰি দিছে আৰু যেতিয়া আপলোড হ'ল তেওঁলোকক মাতিলে, বহুতে নাজানেও আচলতে যে কম্পিউটাৰৰ অমুকত গৈ সেইটো ক্লিক কৰিব লাগে। অলপ খেলি-মেলি এটা হৈছে। সেই কাৰণে মই এটা clear instruction বিচাৰিছো। বিশেষকৈ আমাৰ যিটো দেবব্ৰত শইকীয়া ডাঙৰীয়াই আনিছে যে বিধবা বা একেবাৰে বিয়া নোহোৱা ছোৱালী এইখিনি যাতে বাদ পৰি নাযায়। আমি নিজেও চাম এইখিনি। কিন্তু এটা কথা হৈছে, মই সকলোকে কৈছো যে এজন মেম্বাৰহে পাইছো চাৰিজনৰ ভিতৰত। গতিকে majority সেই ফালে গুছি গৈছে। তথাপিও মই পৰামৰ্শ দিম DCকো ক'ম এই কথাটো, আজি মই সদনটো কৈছো, যাতে আমাৰ যিখিনি মানুহ, কোন দল আমি চাব নালাগে, নাচাওঁ এইবিলাক। যে যিখিনি মানুহৰ প্ৰয়োজনীয়তা আছে, সেই মানুহে পাব লাগে। আৰু এটা সমস্যা হৈছে, আগতে এটা target আছিল ২০০ বা আগতে বেছিকৈ আছিল। এইবাৰ target টো কমি গ'ল। কমি যোৱাৰ লগে লগে যিখিনি আগৰ মানুহে পাইছিল, কিছুমানে নতুনকৈ আবেদন কৰিবলগীয়া হ'ল অৰুণোদয় -৩ ত। মাননীয় অধ্যক্ষ মহোদয়, মোক এজন মানুহে ফোন কৰি কৈছে যে আমি কিয় আৰুণোদয় নাপাওঁ। কিন্তু তেখেত গাওঁবুঢ়া কিন্তু তেখেতে কৈছে মই গাওঁবুঢ়া হলেও কিয় নাপাম। মই কলো যে নিয়মতে আপোনালোকে নাপায়? কিন্তু তেওঁলোকে নুবুজে হুলস্থুল কৰি দিয়ে। সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিছো যে এই ক্ষেত্ৰত এটা Clear Instruction থাকিব লাগিব। ইয়াৰোপৰি আগতে যি বিলাক মানুহে পাই আছিল এতিয়া তেওঁলোকে নোপোৱাৰ বাবে বহুত গালি-গালাজ কৰে। গতিকে মই ভাৱো অৰুণোদয়ৰ ক্ষেত্ৰত Allocation টো অলপ বঢ়াই দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী কমলাক্ষ দে পূৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সতীৰ্থ দিগন্ত দাই ভাল কথাই কৈছে যে Allocation টো বঢ়াই দিব লাগে। আমাৰ আগৰ বক্তাবোৰে অৰুণোদয় বিষয়ে কলে আৰু দুজন মান বিধায়কে কলে যে নিৰ্বাচনৰ পিছত অৰুণোদয় বন্ধ হৈ যাব। এতিয়ালৈকে অৰুণোদয় ১.০, ২.০ আৰু এতিয়া ৩.০ চলি আছে। ৩৭ লাখ মানুহৰ বাবে অৰুণোদয় লোৱা হব।

ইয়াৰোপৰি মহিলাৰ উদ্যমিতা, CMAAA আৰু ২.৭ কোটি মানুহক ৰেচন কাৰ্ড দিয়া হৈছে। এই কাম বিলাকক আমি সমৰ্থন কৰিব লাগে। এই ৰেচন কাৰ্ড পোৱাৰ লগে লগে অৰুণোদয় পাই, উজ্বলা পাই PMAY ৰ ২০ লাখ ঘৰ ইতিমধ্যে সম্পূৰ্ণ হৈছে। বিদুৎৰ ক্ষেত্ৰত ১২০ ইউনিট ওপৰত ১ ইউনিট কৈ বিনামূলীয়া কৈ পাব। মই আমাৰ LOP লৈ এটা অনুৰোধ কৰিম যে আৰতি চক্ৰবৰ্তী স্বামী শ্ৰী বিজয়া কৃষ্ণ চক্ৰবৰ্তী কাটিগড়া তৃতীয় খণ্ডগ্ৰামৰ তেওঁ নিয়মতে অৰুণোদয পায় কাৰণ তেওঁৰ স্বামী কৰ্কত ৰোগী। সেইকাৰণে মই আপোনাক অনুৰোধ কৰিছো যে আপুনি গৈ এবাৰ চাই আহিব। শ্ৰী জয়শ্ৰী দাস বয়স ২৫ বছৰ, লক্ষ্মীৰানী ৰায়, বিজয়লক্ষ্মী, শান্তিৰক্ষিত এইবোৰ মানুহৰ ঘৰলৈ আপুনি চাবলৈ যাব তেতিয়া আপুনি গম পাব যে তেওঁলোকৰ কাৰণে অৰুণোদয় কিমান গুৰুত্বপূৰ্ণ। গতিকে আমি আশা কৰো যে অৰুণোদয় টো বাহাল থাকক আৰু চৰকাৰে যাতে এনেকুৰা কাম কৰি যায় তাৰ বাবে মই অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী জাকীৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ বিৰোধী দলৰ দলপতিয়ে অৰুণোদয় সম্পৰ্কে যি এক প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি দুআষাৰ কম। এই আঁচনি সম্পৰ্কে আমাৰ বিৰোধী দলৰ দলপতিয়ে আৰু দুজন মান বিধায়কে ইতিমধ্যে কৈছে আৰু তেখেত সকলৰ কথা খিনি সমৰ্থন জনাই মই মাত্ৰ দুটামান কথা কব বিচাৰিছো। অৰুণোদয় কোনে পাব তাৰ কাৰণে ৰাজ্য চৰকাৰে এখন Guideline দিছে। যেনেকৈ বিধবা মহিলা, বিবাহ বিচ্ছেদ হোৱা মহিলা, বিশেষ ভাৱে সক্ষম ব্যক্তি আৰু অবিবাহিত বয়স্ক মহিলা, দুখীয়া লোক আৰু ইয়াত কিছুমান বেমাৰ ধৰি দিছে যিবিলাকত আক্ৰান্ত হলে এই আঁচনি খনৰ সুবিধা পাব। ইয়াৰ লগতে এখন কমিটিও কৰি দিছে যে অৰুণোদয়ৰ কোন সময়ত প্ৰ-পত্ৰ বিলাব, কোন সপ্তাহত গাওঁসভা হব, জিলা পৰ্যায়ত সভা কেতিয়া হব এনেকৈ নিয়ম নীতি বান্ধি দিছে। আৰু চৰকাৰী ভাৱে যি খিনি Guideline দিছে সেইখিনি মানি যদি আমি তালিকা প্ৰস্তুত কৰো তেতিয়া হলে ইয়াত কোনো আসোৰহ নাথাকে। কিন্তু কথা হল ইয়াৰ আগতে অৰুণোদয় ১.০,২.০ এনেকৈ নিয়মৰ মাজেৰে চলিছিল। অধ্যক্ষ ডাঙৰীয়া আপোনাৰ সমষ্টিৰ লগতে আমাৰ বিধায়ক সকলৰ সমষ্টি বিলাকলৈ যদি চাও এনেকুৰা নিয়ম নীতিৰ মাজেৰে চলিছিল কিন্তু তাৰ মাজতো আমি দেখা পাওঁযে যি সকলে প্ৰাপ্য তাৰ ভিতৰৰ কিছুমান ব্যক্তি বাদ পৰি গৈছে। আমি যেতিয়া বিভিন্ন কাৰ্য্যসূচী লৈ বিভিন্ন ঠাইলৈ যাওঁ তেতিয়া য'ত এজন প্ৰাপ্য ব্যক্তি ইয়াৰ পৰা বঞ্চিত হৈছে আৰু এজন ধনী মানুহে পাইছে আৰু এই কথাবোৰ যেতিয়া আমাক ৰাজহুৱা ভাৱে অভিযোগ দিয়ে তেতিয়া আমি এজন বিধায়ক হিচাপে লাজ পাওঁ। গতিকে ১.০ আৰু ২.০ ত ইমান নিয়ম নীতি থকাৰ পিছটো বহুতো পাব নলগীয়া ব্যক্তিয়ে ইয়াৰ সুবিধা পাইছে। গতিকে আমাৰ অনুৰোধ চৰকাৰলৈ, বিত্ত মন্ত্ৰী ডাঙৰীয়ানীলৈ এইবাৰ অৰুণোদয় ৩.০ ত যি পদক্ষেপ লৈছে তাৰ পৰা যাতে কোনো এজন যোগ্য ব্যক্তিয়ে পাই আৰু বেলেগ মানুহে যাতে নাপায় তাৰ বাবে উপযুক্ত ব্যৱস্থা লোৱাৰ লগতে অৰুণোদয় ২.০ ত যি সকল পাব নলগা ব্যক্তিয়ে পাইছে, তেওঁলোকক কোনে দিলে সেই মানুহখিনিৰ ওপৰত কোনো ধৰণৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা দেখা নগল। গতিকে মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানিলৈ অনুৰোধ জনাম যি সকল ইয়াৰ লগত জড়িত বিষয়া, সদস্য বা যদি কোনো বিধায়কো জড়িত যাৰ জৰিয়তে কোনো স্বচ্ছল ব্যক্তিয়ে অৰুণোদয়ত অন্তৰ্ভূক্ত হয় তেওঁলোকৰ ওপৰত শাস্তি মূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো। আমাৰ বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ লগত আমি ইতিমধ্যে কেইবাখনো মিটিং কৰিছো আৰু যি সকলে আগৰ

পৰাই বৰপেটা জিলাত অৰুণোদয় পাই আছে তেওঁলোকে এই আঁচনিৰ সুবিধা পাব কাৰণ অভিভাৱক মন্ত্ৰী ডাঙৰীয়াৰ সভাপতিত্বত এই বিষয়টো পাচ হৈ গৈছে। গতিকে মই তেখেতক ধন্যবাদ জনাইছো। আৰু এই আঁচনিৰ যি নতুন তালিকা হব তেখেতৰ Gurdainship ত সেইখিনি চোৰা চিতা কৰাত আমিও সহযোগ কৰিম। মই এটা কথা কব বিচাৰিছো যে, BJP ৰ মাননীয় বিধায়ক চক্ৰধৰ গগৈয়ে এটা কথা কৈছে যে সূৰ্য্য অস্ত হৈছে কংগ্ৰেছৰ দিনত আৰু অৰুণোদয়ৰ জড়িয়তে সূৰ্য্য উদয় হৈছে। এইটো ভাল কথা কিন্তু যেতিয়া অৰুণোদয় লৈ বাতৰি কাকতৰ শিৰোনামা দখল হয় যেনে BJP নেতাৰ ঘৰত অৰুণোদয়ৰ তালিকা প্ৰস্তুত, তাৰ বাবে বহুতে প্ৰতিবাদ কৰিছে। গতিকে চৰকাৰক আমি অনুৰোধ কৰিছো যে আপোনালোকে অৰুণোদয়ৰ তালিকা প্ৰস্তুত এনেকুৱা ঠাইত কৰ'ক যাতে বাতৰিৰ শিৰোনামা দখল কৰিব লগা নহয়, প্ৰতিবাদ নহয়। সূৰ্য্য বিচাৰি যাতে প্ৰতিবাদ কৰিব লগা নহয়।

**মাননীয় অধ্যক্ষ ঃ** হব আপোনালোকে বহক একে কথা

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাত সমষ্টি ভিত্তিত যিটো Target ভাগ কৰা হৈছে তাত বহুত খেলি মেলি দেখা পাইছো। কোনোবা সমষ্টিত জনসংখ্যাৰ ২৫ শতাংশ আৰু কোনোৱা সমষ্টিত জনসংখাৰ ১২ শতাংশ দিয়া হৈছে। এনেকুৱা হব নালাগিছিল এই যিটো Discriminition amongst the constituencies regarding the allocation of target of Arunodoi, এই কথাটোৰ প্ৰতি মাননীয় মন্ত্ৰীয়ে দৃষ্টি ৰাখিব বুলি মই আশা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বিৰোধী দলৰ দলপতিয়ে যিটো প্ৰস্তাৱ আনিছে আৰু বিভিন্ন সদস্য সকলে ইয়াত অংশ গ্ৰহণ কৰিছে এই বিষয়ে মই দুআষাৰ কবলৈ বিচাৰিছো। আজি সদনত এইটো কথাই প্ৰতিফলিত হৈছে যে বৰ্তমান ৰাজ্যখনত অৰুণোদয় আঁচনিখন এক জনপ্ৰিয় আঁচনি হিচাপে পৰিগণিত হৈছে। আমাৰ প্ৰত্যেক জন বিধায়কে বিচাৰিছে যে এই আঁচনিখন আৰু সম্প্ৰসাৰণ হ'ব লাগে আৰু অধিক নিকা ভাৱে আঁচনিখন ৰূপায়ন হব লাগে। এই আঁচনিখনৰ পটভূমি মই সংক্ষেপে আপোনালোকক জনাইছো যে ২০২০-২১ বৰ্ষৰ বাজেটত বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই আঁচনিখন আনিছিল। তেতিয়াৰ পৰাই আজিৰ দিনটোলৈকে এই আঁচনিখনে অতি জনপ্ৰিয় আঁচনি হিচাপে ৰাজ্যখনত পৰিগণিত হৈছে। ইয়াৰ প্ৰমাণ হিচাপে আমি প্ৰথম প্ৰৰ্য্যায়ত ১৮ লাক লোকক এই আঁচনিত লৈছিলো, দ্বিতীয় পৰ্য্যায়ত প্ৰায় ২৪ লাখ আজিৰ দিনটোলৈকে এই আঁচনিখনত সামৰি লোৱা হৈছে। আমাৰ লক্ষ্য আছে ৩৭ লাখ এইটো আপোনাক কবলৈ ভাল পাইছো যে এই আঁচনিখন অসমতে নহয় আজি ভাৰত বৰ্ষৰ বিভিন্ন ৰাজ্যয়ে আমাৰ অনুকৰণত এই আঁচনি গ্ৰহণ কৰিছে। পাঞ্জাৱক আমি এখন আগবঢ়া ৰাজ্য বুলি কঁও, আপুনি জানি ভাল পাব যে পাঞ্জাৱৰ অতিৰিক্ত মুখ্যসচিবে আমাৰ Commissioner of Financeলৈ এখন চিঠি লিখিছে যে আমাৰ অসমৰ যিবিলাক ভাল প্ৰেকিটিছ আছে DIDS যিটো পৰ্টেলত আমি এই অৰুণোদয় আঁচনি খন আপলোড কৰি আছো এখন তেওঁলৈও গৈছে। যে ভাল লিকেজ নথকা পৰ্টেলত এখন ভাল আঁচনি আৰু পাঞ্জাৱে আমাৰ অসমৰ পৰা বেছপ্ৰেকটিছ শিকিবৰ কাৰণে তেওঁলোকে কেনেধৰণে শিকিব পাৰে তাৰ কাৰণে আমাৰ পৰা সহায় বিচাৰিছে। গতিকে এনেকুৱা ধৰণে আমি এই আঁচনি খন নিব বিচাৰিছো যে প্ৰথম পৰ্য্যায়ত আমি যেতিয়া এই আঁচনিখন প্ৰৱৰ্তন কৰিছিলো তাৰ পিছৰ পৰ্য্যায়ত আমাৰ দেৱব্ৰত শইকীয়া ডাঙৰীয়াই আগৰ

সদন বিলাকত তেখেতে কিছুমান পৰামৰ্শ আগবঢ়াইছিল। এটা কথা কৈছিল যে এচেচমেন্ট বোৰ হ'ব লাগে। এখন আঁচনি যেতিয়া ৰূপায়ণ হয় তাৰ সময়ৰ লগে লগে যেতিয়া পৰিৱৰ্তন হয় তেতিয়া আঁচনি খনৰ ৰূপায়ণৰ এটা এচেচমেন্ট হ'ব লাগে। প্ৰথম পৰ্য্যায়ত ২০২০-২১ ত যেতিয়া আমি ১৮ লাখ মানুহ ইয়াত অন্তৰ্ভুক্ত কৰিছিলো আমি তাৰ পিছত চিন্তা কৰিলো যে এই আঁচনি খনৰ এটা ৰূপায়ণ সঠিক হৈছে নে নাই সঠিক ভাৱে এই আঁচনি খন প্ৰবৰ্তন হৈছে নে নাই, লাভলাভ পাইছে নে নাই, সেই কথা খিনি আমি চিন্তা কৰি ২০২২ বৰ্ষত আমি অৰুণোদয় ২.০ এটা এচেচমেন্ট কৰিলো। আপোনালোকৰ মনত আছে আমাৰ সদস্য সকলৰ আমি এটা অৰুণোদয় মাহ পাতিছিলো তাত SSG আৰু এনেকুৰা ধৰণৰ ব্যক্তি আমি তাত অংশ গ্ৰহণ কৰাইছিলো যি বোৰ আছিল কিছুমান এন জি অ' ৰ মানুহ আৰু আমাৰ সমাজৰ লগত জড়িত হৈ থকা ছাত্ৰ-ছাত্ৰী সকল, শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী সকল, যাৰ এনেকুৰা সামাজিক কাম-কাজ কৰিবলৈ আগ্ৰহ আছে। তাৰ পিছত অধ্যক্ষ মহোদয়, সেইখিনি সময়ত আগৰ যি ১৮ লাখ beneficiary আছিল তাৰে ১ লাখ beneficiaryৰ নাম আমি কৰ্তন কৰিছো। সেইখিনি সময়ত আমি কিছুমান অনুপযোগী মানুহৰ নাম আমি পাইছিলো, যাৰ এই আঁচনিখনৰ গাইড লাইন হিচাপে তেখেত লোকক সামৰিব নালাগিছিল। আমি একেবাৰে স্বচ্ছ ভাৱে এই আঁচনিখন কৰিব বিচাৰিছো এই কাৰণে যে প্ৰথম পৰ্য্যায়ত ২.০ ত আমি এক লাখ মানুহৰ নাম কৰ্তন কৰিলো তাৰ পিছত আপোনালোকে জানে যে আৰু আমাৰ বিধান সভাৰ সদস্য সকলেও জানে যে ১৮ লাখৰ পৰা ২৪ লাখলৈ অনা হ'ল। এই যে অন্তৰ্ভুক্ত হ'ল অধ্যক্ষ মহোদয়, আজি মই আপোনাক গৌৰৱৰে কব বিচাৰিছো যে অৰুণোদয় আঁচনিক আমি অৰুণোদয় দিন হিচাপে তেওঁলোকক সন্মান জনাই প্ৰত্যেক মাহৰ ১০ তাৰিখে আমি এই সকলক পুঁজিটো continuously তেতিয়াৰ পৰা দি আছো। সেইটো এটা সফলতা কোনো ব্ৰেক হোৱা নাই। আমি ১৮ লাখৰ পৰা প্ৰায় ২৪ লাখ ৩৫ হাজাৰ লোকক সামৰিছো। এতিয়া আপোনালোকে চাব কাৰো বেংক একাউন্টত খেলিমেলি নাই। Completely DBT আঁচনিত তেওঁলোকলৈ গৈছে। কেতিয়াবা বেংক একাউন্ট নম্বৰৰ খেলিমেলি হলে দুজন এজন মানুহে নাপায়। আমাৰ তেনেকুৰা এটা পোৰ্টেল আছে য'ত আমাক তেওঁলোকে জনাব পাৰে আমি completely monitor কৰি আছো, ডি চি আৰু আমাৰ টিম সকলে constant মনিটৰ কৰি আছে। তাৰ ফলত আজি জিৰো বেলেন্স অৰুণোদয় আঁচনিৰ এই প্ৰায় ২৪ লাখ মানুহে এই পইচাখিনি পাই আছে। তাৰ পিছত আমি চিন্তা কৰিলো যে নতুন অন্তৰ্ভূক্ত কৰা মই যোৱা বাজেটত কৈছিলো যে এই আঁচনিখনৰ অধিক সম্প্ৰসাৰণ কৰিম, মুখ্যমন্ত্ৰী ডাঙৰীয়াও বিভিন্ন অঞ্চলত ভ্ৰমণ কৰিছিল তাৰ দৰিদ্ৰ মহিলা আৰু ব্যাক্তি সকলে কৈছিল যে আমাকো অন্তৰ্ভূক্ত কৰিব লাগে আৰু তাৰ ফলশ্ৰুতিত আমি বাজেটত এইবাৰ কলো যে ৩৭ লাখ, আমি আঁচনিখন নতুনকৈ সম্প্ৰাদায় কৰি ৩৭ লাখলৈ আগবাঢ়ি যাম। এতিয়া দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কৈছে যে এইবাৰ আমি ইমান স্পষ্ট নিৰ্দেশনা দিছো যে ইয়াত আপোনালোকে চাব আমি যদি কোনো ধৰণৰ অযোগ্য ব্যক্তি ইয়াত নোসোমাই বা অন্তৰ্ভূক্তি নহয় তাৰ কাৰণে আমি এটা ক্ৰাইতএৰিয়া দিছো। যিটো আপোনালোকে চাব the basic condition to become a beneficiary for Arunodoi 3.0 is that the individual must be enrolled under National Food Security Act. ৰ সেইটো এটা prima facie condition. National Food Security Act. ৰ আণ্ডাৰত কাৰ্ড হোল্ডাৰ হ'ব লাগিব। প্ৰথম পৰ্য্যায়ত সেইটো নাছিল। আমি এইটো ইয়াত অনা এটাই কাৰণ যে কাৰোবাৰ ঘৰত যদি এখন ৰেচন কাৰ্ড থাকে সেই মানুহ জনক

আমি দৰিদ্ৰ ব্যক্তি বুলি কওঁ। সেই পৰিয়ালটোক আমি দৰিদ্ৰ ব্যক্তি বা যুগ্য ব্যক্তি বুলি ভাৱো। সেই কাৰণে আমাৰ prima facie pre condition টো হ'ল যে এখন ৰেচন কাৰ্ড থাকিব লাগিব। এতিয়া সমস্যাটো ক'ত আহিল, যে কিছুমান প্ৰক্ৰিয়াটো আমি চলাইহে আছো কোনো finalization হোৱা নাই। বিধায়ক সকলে জানে যে আমি কেৱল প্ৰক্ৰিয়াটোহে চলাই আছো। প্ৰথম কনডিচনটো আমি যিটো ভাৱি কৰিছিলো আৰু এতিয়া আমি আপোনাক কবলৈ পাই ভাল পাইছো যে শুদ্ধভাৱে আমি এই কনডিচনটো অন্তৰ্ভুক্ত কৰিছো এক নম্বৰতে। ইয়াত সম্পূৰ্ণ গাইড লাইন বোৰ দিয়া আছে যে The new phase of Arunodoi will have the provision of automatic Aadhar seeding of the beneficiaries. Aadhar seeding হৈ যোৱাৰ লগে লগে আমি মানুহ জনৰ গোটেই পৰিয়ালটোৰ কথা গম পাই যাম। গতিকে এইটো এটা proven method হ'ল, Automatically Aadhar seeding হৈ গ'ল। যিহেতু অসমত আমাৰ Aadhar seedingৰ সংখ্যা যথেষ্টখিনি আমাৰ ভাল। Affidavite ৩ নম্বৰৰ পৰা বৰ্তমান অধ্যক্ষ মহোদয় আমি কি কৰিছো safe Affidavit এখন দিছো। ইয়াত Affidavit খনত আপোনালোকে নিজেই চাব যে Affidavit খন আমি ইতিমধ্যে পঠাই দিছো সেই Affidavit খনত গোটেই কনডিচন বিলাক দিয়া আছে। মই এইটোৱে কব পাৰো যে আজিলৈকে কোনো এখন আঁচনিত ইমান full proof চিন্তা চৰ্চা কৰি এই আঁচনি বিলাক তৈয়াৰ কৰা হোৱা নাছিল। প্ৰথম বাৰৰ বাবে ৰাজ্য খনত যিহেতু আমি যথেষ্ট সংখ্যক আমাৰ চৰকাৰী ধন তাত ব্যায় হ'ব তাত খৰচ খিনি যিখিনি ব্যায় কৰিম সঠিক ভাৱে যদি সেই ব্যায় হয় অৰুণোদয় ৩.০ ত এখন safe declaration form ও দিছো। আমাৰ বহুতো সদস্যই কৈছে যে ইয়াত সম্পূৰ্ণ ধৰণৰ full proof হ'ব লাগে। এতিয়া এখন safe declaration form আছে, এইটোত কি কি তেওঁলোকে যদি কৰে I am a permanent resident of Assam গোটেইখিনি ক্লছ ইয়াত দিয়া আছে। মানে যি খিনি তেওঁ অন্তৰ্ভূক্ত নোহোৱা যিখিনি ক্লছ থাকে Exclusion criteria গোটেইখিনি ইয়াত এটা এটাকৈ দিয়া আছে। তাৰ পিছত আমি তাত কি কি লিখিছো ইয়াত লিখিছো যে that in-keeping with the above terms and condition it Act. at any point of time, if I am found to be violating all the Guidelines, The Government reserve the Right to initiate criminal proceedings against me for any such violations. মানুহ জনে যদি কিবা violation কৰে, যদি কোনোবা চৰকাৰী চাকৰিয়ালে পাই গাওঁবুঢ়াৰ পত্নীয়ে বিচাৰিলেও নাপায়, এইটোতো লেখিদিছো এটা terminal proceeding তেওঁৰ বিৰুদ্ধে হ'ব। এই খিনি কথা কব লাগিব অধ্যক্ষ মহোদয়, আমাৰ উদ্দেশ্যটো কি আমি হাউচত সকলোৰে কৈছো যে যোগ্য ব্যক্তিয়ে পাব লাগে। কোনোবাই যদি জোৰজবদস্তি কৰে তেওঁকটো আমি আঁচনি দিব নোৱাৰিম। তেওঁৰ যোগ্যতা আছেনে নাই সেই চোৱাৰ দৰকাৰ, awareness build কৰাৰ দৰকাৰ। সেই কাৰণে আমি ইয়াত প্ৰত্যেক খন দেখিব পাম যদি কোনোবাই ফ্ৰম ফিলআপ কৰিব আগতে যিটো নাছিল এইবাৰ safe declaration form আছে। ইয়াৰ আগত আমি Affidavit দিছিলো এখন। Affidavit দিওতে দেখিলো যে উকিলৰ ওচৰত যাব লাগে, পইচা কেইটামান খৰচ কৰিব লাগে, কাৰণ দুখীয়া জনসাধৰণক আমি বিশ্বাসত ৰাখিব লাগে কাৰণ মানুহক বিশ্বাসটো কৰিবই লাগিব। আৰু সেই কাৰণে এইবাৰ আমি বিশ্বাসত দিছো তেওঁলোকে আৰু আমি আশা কৰিছো এইটো আমাৰ হাতত আছে কাগজ। এইখন কোনোবাই যদি ভৱিষ্যতে violation কৰে তেওঁলোকক criminal

procedure দিয়া হ'ব। গতিকে এই গোটেইখিনি আমি ফুলপ্ৰুফ কৰিছো। এইবাৰ কোনো ধৰণৰ একো ৰখা নাই। আমি সম্পূৰ্ণ ধৰণৰ ফুলপ্ৰুফ কৰিছো আৰু তাত মনিটৰিং কমিটীও আছে DLMC (District Level Monitoring Committee) আছে য'ত আপোনালোক সদস্য সকল আপোনালোকে অন্তৰ্ভুক্ত হৈ আছে। তাৰোপৰি as per the guide lines the grievances related to the schemes will be handled by the Arunodoi Nodal Officer at the district level. If any complains recieved at the state level it will be forwarded to the chairperson DLMC District Commissioner who are responsible for taking enquiries and taking corrective measures as needed. আমি কোনো ধৰণৰ ইয়াত flaw ৰখা নাই। আমি এই আঁচনিখন full-proof কৰিছো, তাত সেইকাৰণে কৈছো যে ৩৭ লাখ মানুহ যিহেতু অন্তৰ্ভুক্তকৰণ হ'ব সেই কাৰণে এই গাইডলাইনচ খিনি ইয়াত দি দিছো। আৰু এতিয়া আমাৰ আঁচনি খন প্ৰস্তুত হৈ আছে। তাত কাম খিনি চলি আছে কিন্তু সম্পূৰ্ণ হোৱা নাই। গতিকে মই সকলোকে অনুৰোধ জনাইছো যে আমি এইটো আশা কৰিছো যে ১০০ শতাংশই যোগ্য ব্যক্তিয়ে ইয়াত অন্তৰ্ভুক্ত হ'ব লাগে আৰু ইয়াত কেইজনমান বিধায়কে লিখিছে যেনে আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে এইখন আঁচনি হিতাধিকাৰী সৃষ্টিৰ আঁচনি নহয়, এইখন সচাঁ অৰ্থাৎ মহিলাসকলক সবলিকৰণ কৰা আঁচনি। দৰিদ্ৰ ব্যক্তিক দৰিদ্ৰতাৰ পৰা সকাহ দিয়াৰ এখন আঁচনি আৰু অসমক সামাজিক ভাৱে socio-economic development ৰ inclusionৰ এখন আঁচনি। সেই কাৰণে আজি এই আঁচনি খন বহুত মানুহে পাবলৈ বিচাৰে। অসুবিধাতো এটায়ে মই কৈছো যে আমি এতিয়া পৰ্য্যায়ক্ৰমে survey কৰি আছো, scrutiny আৰু monitor কৰি আছো, completely এটা টিমেৰে। মই কলো যে প্ৰথম foundation বা clauseটোৱে হ'ল যে এখন ৰেচন কাৰ্ড থাকিব লাগিব। বহুত মানুহে কি কৰিছে যে বেলেগৰ ৰেচন কাৰ্ডখন ব্যৱহাৰ কৰিছে। মই বিধায়ক সকলক সেই কথাখিনি চাবলৈ অনুৰোধ জনাইছো। মই আজি তথ্যখিনি নানিলো। আপোনালোকক আমি সেই গোটেইখিনি দি দিছো। ডি চি সকলে আপোনালোকক জনাইছে। কোনোবা যদি এই আঁচনিখন পোৱাৰ যোগ্য নহয় তেতিয়া তেওঁলোকে দাবোল ৰেচন কাৰ্ড ব্যৱহাৰ কৰিছে। এজন মানুহৰ এখন ৰেচন কাৰ্ড আছে কিন্তু তেওঁ দুটা অধিক মানুহৰ ঘৰৰ নামত এপ্লাই কৰিছে। সেইজন মানুহ ভেলিড নহ'ব। গতিকে সেইখিনি সাবধনতা আমি অৱলম্বন কৰিছো, সেইবিলাক আমি scrutiny কৰি আছো। আমি গোটেইখিনি constantly monitoring কৰি আছো। **এতিয়ালৈ ডিক্স বিলাক ফাইনেল হৈ অহা নাই । ইনচাৰ্জ মিনিষ্টাৰ বিলাকক আমি দায়িত্ব দিছো আৰু তেখেতসকলক সময়ে সময়ে মিটিং বিলাক আপোনালোকৰ লগত কৰি আছে আৰু মিটিং কৰি এখন শুদ্ধ তালিকা তেওঁলোকে তৈয়াৰ কৰিব পৰা অৱস্থাত তেওঁলোকে আছে । গতিকে আপোনালোকক সকলোৱে হাউচত আছে — এইটোৱে হাউচত মই এনচিওৰ কৰিব বিচাৰিছো যে, – ৩৭ লাখ মানুহে ইয়াত অৰ্ন্তভুক্ত হ'ব । পিছৰ পৰ্য্যায়ত হয়তো বহুখিনিয়ে আমাক হয়তো ভৱিষ্যতে আপোনাকো আমাক আবেদন কৰিব, তাৰ কাৰনে আমি প্ৰস্তুত আছো । আগলৈ যিসকল লোকে নাপাব তেওঁলোকৰ কাৰণে আমি আঁচনিখন যিমান পাৰো আমি পুঁজি সাপেক্ষে সামৰি ল'বলৈ চেষ্টা কৰিম । গতিকে মই এল ও পি ডাঙৰীয়াই যিটো মোশ্যন আনিছে ,আপোনালোকে যিটো কৈছে,আমি এইটো নিজেই বিচাৰিছো। গাইডলাইন খনত ট্ৰেন্সপাৰেন্টলী কোৱাই আছে । আপোনালোকে যিখিনি কথা আনিছে, সেই গোটেই কথাখিনি আপোনালোকে**

দেখিব যে ইনক্লুজন ক্ৰাইটেৰীয়াত আমি কি লিখিছো — If any of the following criteria is observed in case of an applicant it will be sufficient for inclusion under Arunodoi 3.0, No.1 তে আছে widow, unmarried, above the age of 45 years, divorced and destitute woman. No.3 ত পাৰ্চন উইথ ডিচএব্লিটি । গোটেইখিনি কথা ইয়াত সোমাই আছে । এই কেইটা ক্ৰাইটেৰীয়া ফুলফিল কৰাৰ পিচত যিখিনি তেওলোকৰ কোটাটো ৰৈ যাব, সেইখিনি কাক দিব লাগিব, এই খিনি দিব লাগিব যে, অন্তদ্যয়া অন্ন যোজনা ৰমেন বেনেফিচিয়াৰীক । তেওঁলোকক আপোনালোকে দিব পাৰে । - Woman in the household of composite income which is less than 2 Lakh per annum — এই কথাটো আমি স্পষ্টভাৱে কৈছো যে, – পুৱৰেষ্ট অব দ্য পুৱৰ । যিখিনি বেলেন্স থাকিব সেইখিনি সকলোতকৈ একদম বেছি দুখীয়া এজন, যিগৰাকী ব্যক্তিয়ে আপোনালোকৰ লগতে সমাজৰ দৃষ্টিত বেছি দুখীয়া হ'ব । হয়তো সেইটো ক্ৰাইটেৰীয়াত ৪ - ৫ গৰাকী অৰ্ন্তভূক্ত হোৱাৰ কাৰণে তেওঁলোক বিবেচিত হ'ব । কিন্তু আমি বিবেচনা কৰিব লাগিব, পুৱৰেষ্ট অব দ্য পুৱৰ । গতিকে এই গোটেইখিনি কথাই , এক্সক্লুশ্যন ক্ৰাইটেৰীয়া ইয়াত দিয়া আছে , সম্পূৰ্ণ ভাবে । আমি এম এল এ - এম পি , চি এম , ই এম এইবিলাকৰ ঘৰ মানুহ বা পৰিয়াল ইয়াত অৰ্ন্তভূক্ত নহয় । গোটেইখিনি ক্ৰাইটেৰীয়া দিছো - গাইডলাইনৰ কপি দিছো - আপোনালোকৰ লগত আছে । প্ৰায়োৰিটি ক্ৰাইটেৰীয়াও আমি দিছো । ডিষ্ট্ৰিবিউশ্যন ক্ৰাইটেৰীয়াত গোটেইখিনি আছে । ডিচক্ৰিশ্যনাৰী - কোটাৰ পৰা আৰম্ভ কৰি গোটেইখিনি সম্পূৰ্ণভাৱে ইয়াত আমি ফুল প্ৰুভ গাইডলাইনচ বিলাক আমি দি দিছো । আমি কেতিয়াবা অভিযোগ বিলাক শুনো , আমি লগে লগে একশ্যনো লওঁ - এবাৰ আমি দেখিছিলো যে, আমাৰ যিটো ইনকাম চাৰ্টিফিকেট, গাওঁবুড়াৰ পৰা ল'ব লাগে । আমি শুনিছিলো গাওঁত কোনোবাই চাৰ্টিফিকেট ল'বলৈ গৈছিল তেতিয়া কিছুমান তাত বিসংগতি হোৱা শুনিছিলো । আমি লগে লগে পেপাৰত এডৰ্ভাটাইজমেন্ট দিছো যে আসাম গৰ্ভমেন্ট ক্লেৰীফাইচ নো ইনকাম চাৰ্টিফিকেট ৰিকোৱাৰ্ড ফৰ অৰুণোদয় ৩.০ , আমি লগে লগে ব্যৱস্থা লৈছো । এইটো নহয় যে আমি গ্ৰিভান্সেছ বিলাক এড্ৰেছ কৰা নাই । এইখন পোৱাৰ লগে লগে আমি নিজেই দেখিলো , হোৱাটছ আপ গ্ৰুপত বিষয়াবিলাকক মই নিজেই শুধিছো , গতিকে প্ৰত্যোকটোত আমি ফল্ট আমি যেতিয়া দেখিছো লগে লগে আমি ইয়াক নাইকীয়া কৰিবলৈ চেষ্টা কৰিছো । অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সকলো মাননীয় বিধায়কক মই অনুৰোধ জনাইছো যে আমাৰ ভাৰতবৰ্ষৰ ভিতৰতে অৰুণোদয় আঁচনি এখন ভাল আঁচনি ৰূপে পৰিগণিত হৈছে । ২৪ লাখৰ লৈকে আমি অৰ্ন্তভূক্ত কৰিছো , ২৪ লাখে সুন্দৰভাৱে পইচাখিনি পাই আছে কোনো চিংগুল কম্পপ্লেন্ট নোহোৱাকৈ গতিকে মই আশা কৰিছো সেই স্পিৰিটেৰে আমি আৰু ভবিষ্যতে বেছি অৰ্ন্তভূক্তিকৰণ হ'ব। কিন্তু এই আঁচনি সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে কৰিবলৈ সকলোৰে কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ কৰিব লাগে এইটোৱে মই আহ্বান জনাইছো । সকলোৰে সহযোগিতা মই বিচাৰিছো - মই আশা কৰিছো এই আঁচনিৰ কাৰনে মই বাজেটত ৫ হাজাৰ কোটি টকা ধৰিছো । দিছইছ বিগেষ্ট এমাউন্ট এভাৰ । গতিকে স্বাধীনতাৰ ৭৫ বছৰ পিচত দৰিদ্ৰতা নাইকীয়া কৰিবৰ কাৰণে মহিলা সৱলীকৰণৰ বাবে অৰুণোদয় যিখন আঁচনি আনিছো আমি সকলোৰে বিচাৰিছো সঁচা অৰ্থত ই দৰিদ্ৰ পৰিয়াললৈ সূৰ্য্যৰ পোহৰ আহিব লাগে । আমি আশা কৰিম আপোনালোকে যিটো মোশ্যন আনিছে আপোনালোকে এই গোটেইখিনি গাইডলাইনত আছে । আৰু কোনোধৰনৰ মোশ্যনৰ প্ৰয়োজনীয়তা নাই । বিৰোধী দলৰ পৰা

মাননীয় এল ও পিক অনুৰোধ জনাইছো যে, মোশ্যনটো যাতে তেখেতসকলে উইড্ৰ' কৰি লয় ।

**শ্ৰীদূৰ্গাদাস বড়ো, (কলাইগাওঁ) ঃ** অধ্যক্ষ মহোদয়, তেখেতে উত্তৰখিনি দিছে কিন্তু মই তেওঁৰ পৰা এটা এচুৰেন্স বিচাৰিছো ইতিমধ্যে আমাৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই কৈছে - অধ্যক্ষ মহোদয়, আপুনি বিটিচিৰ পৰা নিৰ্বাচিত হৈছে । ইয়াৰ আগতে এক আৰু দুই অৰুণোদয় গোটেই অসমতে হৈছে কিন্তু বিটিচিত হোৱা নাই । স্পেচিফিকলী ক'ব নেকি যে কিয় হোৱা নাই আৰু কেতিয়া হ'ব ?

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, আমি এই বিষয়টো লৈ ব্যৱস্থা গ্ৰহণ কৰি আছো ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া অনাৰেবল লিডাৰ অব দি অপজিশ্যন ।

**শ্ৰীদেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী মহোদয়াই গোটেইখিনি কথা ভালকৈয়ে কৈছে । আমিও বিচাৰো যে, দূৰ্নীতি মুক্ত আৰু স্বচ্চতাৰে হওঁক । যিসকলে পাবলগা আছে তেওঁলোকে পাওঁক , তেখেতে আমাক এই কথাখিনি আশ্বাহ দিছে - গান্ধীজীৰ এটা বাণী আছিলে - চকুৰ আগত দেখা আটাইতকৈ দূৰ্ব্বলজনক নিজৰ কৰ্মৰ যোগেদি যদি সহায় কৰিব পাৰো সেইটোৱে কাম কৰিব লগা বিষয় গতিকে প্ৰিঞ্চিপুলটো যাতে সকলো বেনেফিচিয়াৰীয়ে চিলেকশ্যন কমিটিয়ে ফলো কৰে তাৰ বাবে তেখেতসকলে মণিটৰিং কৰিব বুলি আশা ৰাখি মই মোশ্যনটো উইড্ৰ' কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** যিহেতু প্ৰস্তাৱটো উঠাই ল'লে এতিয়া প্ৰশ্নটো হ'ল প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাত সদনৰ সন্মতি আছেনে ? যিসকল সপক্ষে আছে কওক 'হয় ' , যিসকল বিপক্ষে আছে কওঁক ' নহয়' , মই ভাবো 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে ,- প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমাৰ এটা ঘোষণা আছে - ৰাজহুৱা হিচাপসমূহৰ সমিতিলৈ নিৰ্বাচিত হ'বলগা সদস্যৰ সংখ্যা আৰু আবেদনকাৰীৰ সংখ্যা ক'ম সংখ্যক হোৱা হেতুকে মই শ্ৰীবিজয় মালাকাৰক সমিতিৰ বাকীথকা কাৰ্য্যৰ সদস্য হিচাপে নৱনিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো । ইয়াৰ পিচত অসম বিধান সভাৰ প্ৰাক কলন সমিতিৰ সাময়িকভাৱে খালি হোৱা সদস্যৰ পদটো একল সংক্ৰমনীয় ভোটেৰে প্ৰতিনিধিত্বৰ নীতি অনুসৰি শ্ৰীকৃষ্ণকমল তাঁতীক প্ৰাক কলন সমিতিৰ সদস্য নৱনিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো । তেখেতে সমিতিৰ কাৰ্য্যকালৰ বাকী থকা সময়ছোৱাৰ বাবে তৎকালীনভাৱে কাৰ্য্যকৰী হোৱাকৈ কাৰ্য্যনিৰ্বাহ কৰিব । ৰাজহুৱা উদ্যোগসমূহৰ সমিতিৰ নিৰ্বাচিত হ'ব লগা সদস্যৰ সংখ্যা আৰু আবেদনকাৰীৰ সংখ্যা ক'ম সংখ্যক হোৱা হেতুকে মই মাননীয় সদস্য শ্ৰীপ্ৰমোদ বৰঠাকুৰক সমিতিৰ বাকী থকা কাৰ্য্যকালত সদস্য হিচাপে সাৰ্বজনীনমতে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো । অসম বিধান সভাৰ অন্যান্য পিছ পৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছ পৰা শ্ৰেণী সমূহৰ কল্যাণ সমিতিলৈ নিৰ্বাচিত হ'ব লগা সদস্যৰ সংখ্যা আৰু আবেদনকাৰীৰ সংখ্যা ক'ম সংখ্যক হোৱা হেতুকে মই মাননীয় সদস্য শ্ৰীসঞ্চয় কিষাণ ডাঙৰীয়াক অন্যান্য পিছ পৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছ পৰা শ্ৰেণী সমূহৰ কল্যাণ সমিতিলৈ বাকী থকা কাৰ্য্যকালৰ সদস্য হিচাপে সৰ্ব্বসন্মতভাৱে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো । মই এতিয়া বড়ো লেণ্ড বিশ্ববিদ্যালয় পৰিচালনা পৰিষদলৈ সদস্য নিৰ্বাচন আৰু ফলাফল ঘোষণা কৰিবলৈ লৈছো । পদ আৰু প্ৰাৰ্থীৰ সংখ্যা একেই হোৱাত সাত গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদন্দিতাৰে নিৰ্বাচিত হয় । এই বিশ্ববিদ্যালয়ত নিৰ্বাচিত হোৱা মাননীয় সদস্য নিম্নলিখিত সাত গৰাকীৰ নাম ঘোষণা কৰা হ'ল । শ্ৰীঅজয় কুমাৰ ৰায়, শ্ৰীগোবিন্দ বসুমতাৰী , শ্ৰীজলেন দৈমাৰী , শ্ৰীজীৱন বসুমতাৰী

**, শ্ৰীজাকিৰ হুছেইন শিকদাৰ, শ্ৰীযাদৱ স্বৰ্গীয়াৰী আৰু শ্ৰীআমিনুল ইছলাম। এতিয়া মই কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় পৰিচালনা পৰিষদলৈ সদস্য নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিবলৈ লৈছো । পদ আৰু প্ৰাৰ্থীৰ সংখ্যা একেই হোৱা বাবে দুয়োগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদন্দিতাৰে নিৰ্বাচিত হয় । এই বিশ্ববিদ্যালয় পৰিচালনা পৰিষদলৈ নিৰ্বাচিত হোৱা নিম্নলিখিত মাননীয় দুগৰাকী সদস্যৰ নাম ঘোষণা কৰা হ'ল - শ্ৰীৰূপক শৰ্মা আৰু শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ ।**

**মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যসকল নিশ্চয় অৱগত যে , যোৱা ৫ মাৰ্চ্চ তাৰিখে শ্ৰী অশোক সিংঘলৰ বিৰুদ্ধে কিছু অভিযোগ উত্থাপন কৰি বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই ভৰ্ৎসনা সূচকৰ প্ৰস্তাৱৰ নিচিনা এখন জাননী প্ৰেৰণ কৰিছে উক্ত জাননীখন কংগ্ৰেছ বিধায়িনী দলৰ সদস্যসকলেও সমৰ্থন কৰিছিলে ।- প্ৰনিধানযোগ্য যে, ৰাজ্যখনৰ কোনো মন্ত্ৰী বা সদনৰ কোনো সদস্যৰ বিৰুদ্ধে সদনৰ মজিয়াত কোনোধৰণৰ অভিযোগ উত্থাপন কৰিব বিচাৰিলে উক্ত অভিযোগৰ সৈতে জড়িত কৰিব খোজা মন্ত্ৰী বা বিধায়কজনৰ পৰা বিষয়টোৰ সন্দৰ্ভত কোনোধৰণৰ বুজ নোলোৱাকৈ এনে বিষয় সদনত উত্থাপন কৰাটো নীতিবিৰুদ্ধ । অৱশ্যে বিগত ৫ মাৰ্চ্চ তাৰিখে বিষয়টো সদনত উত্থাপিত হ'ল আৰু বিষয়টোৰ সম্পৰ্কত মতামত দাঙি ধৰিবলৈ মই জাননী প্ৰদান কৰিবলৈ মন্ত্ৰী ডাঙৰীয়াক জাননী প্ৰেৰণ কৰাৰ বাবে আমাৰ কাৰ্য্যলয়ক নিৰ্দেশ প্ৰদান কৰো । এই সন্দৰ্ভত মন্ত্ৰীৰ মতামত ইতিমধ্যে লাভ কৰা হৈছে । মাননীয় মন্ত্ৰী শ্ৰীঅশোক সিংহল ডাঙৰীয়াই মহাপুৰুষ শ্ৰীমন্ত শংকদেৱে প্ৰৱৰ্ত্তন কৰা কৃষ্টি সভ্যতাৰ চাণেকী সন্দৰ্ভত বিৰূপ মন্তব্য কৰা বুলি উত্থাপিত অভিযোগ প্ৰত্যাখান কৰিছে । মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই সেই অভিযোগৰ সমৰ্থনত কোনোধৰণৰ প্ৰমাণিত তথ্য বা নথি সংলগ্ন কৰা নাছিল ।** নথি অথবা তথ্য সংলগ্ন কৰা নাছিল আৰু সংবাদ প্ৰতিষ্ঠানৰ দ্বাৰা বাতৰিক ভিত্তি কৰি ইয়াৰ সত্যতা চালি-জাৰি নোচোৱাকৈ অভিযোগটো উত্থাপন কৰিছিল।

এটা সম্প্ৰদায়/ একাংশ নাগৰিকৰ বিৰুদ্ধে মন্তব্য কৰাৰ অভিযোগ সন্দৰ্ভত মন্ত্ৰী গৰাকীয়ে কয় যে তেখেতৰ বক্তব্য সমগ্ৰ সম্প্ৰদায়/ অঞ্চলটোৰ সমগ্ৰ নাগৰিকৰ বিৰুদ্ধে নাছিল আৰু সেই সম্প্ৰদায়ৰ ব্যক্তি/ নাগৰিকসকলে তেওঁলোকৰ উৎসৱ-পাৰ্বনত আমাৰ যুৱক সকলক ভাগ ল'বলৈ অনুমতি প্ৰদান কৰা-নকৰা সম্পৰ্কহে আছিল।

মাননীয় সদস্যসকল, এগৰাকী মন্ত্ৰীৰ ওপৰত ন্যস্ত চৰকাৰী দায়িত্ব ভূল-ত্ৰুটি পৰিলক্ষিত হ'লেহে তেখেতৰ বিৰুদ্ধে ভৰ্ৎসনা প্ৰস্তাৱ উত্থাপন কৰিব পৰা যায়। তাৰোপৰি তেখেতৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সদনৰ মজিয়াত সংঘটিত হোৱা নাছিল আৰু সদনৰ বাহিৰতহে সংঘটিত হোৱা এক ঘটনা আছিল। উত্থাপিত অভিযোগটো সম্পূৰ্ণ ব্যক্তিকেন্দ্ৰীক হ'ব পাৰে কিন্তু ভৰ্ৎসনা প্ৰস্তাৱৰ উপযোগী নহয়। এনে পৰিপ্ৰেক্ষিতত মই জাননীখন অগ্ৰাহ্য কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যসকল, মই মাননীয় বিৰোধী দলৰ দলপতি তথা আন ১৬ গৰাকী সদস্যৰ পৰা মাননীয় মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ এখন জাননী লাভ কৰিছিলো। জাননীখনত মাননীয় মুখ্যমন্ত্ৰীয়ে 'অধ্যক্ষৰ উদ্যোগ' শিতানৰ আলোচনাৰ উত্তৰ প্ৰদান কৰা সময়ত অৱলোকন কৰি কোৱা কিছু প্ৰসংগই বিশেষাধিকাৰ ভংগ কৰিছে বুলি উল্লেখ কৰিছে।

মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই সদনত বিশেষাধিকাৰ ভংগৰ প্ৰস্তাৱ উত্থাপন কৰাৰ অনুমতি প্ৰদান কৰিবলৈ মোক অনুৰোধ জনাইছিল।

মাননীয় সদস্যসকল, বিশেষাধিকাৰ ভংগৰ প্ৰশ্নটো তেতিয়াহে উত্থাপন হয়- যদি কোনো এগৰাকী মন্ত্ৰীয়ে সম্পূৰ্ণ জ্ঞাতসাৰে ইচ্ছাকৃতভাৱে সদনক ভূল পথে পৰিচালনা কৰিবৰ বাবে বিবৃতি

প্ৰদান কৰে। সেই হেতুকে এগৰাকী মন্ত্ৰীয়ে প্ৰদান কৰা মন্তব্যই সকলো ক্ষেত্ৰত বিশেষাধিকাৰ ভংগ কৰাটো নুবুজায়।

মাননীয় বিৰোধী দলৰ দলপতিয়ে তেখেতৰ জাননীখনত মুখ্যমন্ত্ৰীয়ে বিশেষাধিকাৰ ভংগ কৰা বুলি কোনো পতিয়নযোগ্য ব্যাখ্যা আগবঢ়াব পৰা নাই। যদি মাননীয় বিৰোধী দলৰ দলপতি গৰাকীয়ে মাননীয় মুখ্যমন্ত্ৰীয়ে 'অধ্যক্ষৰ উদ্যোগ' শিতানৰ আলোচনা কালত অৱলোকন কৰি কোৱত কথাখিনিত একমত নাছিল, তেতিয়াহ'লে তাৰ প্ৰতিবিধানত যুক্তি উত্থাপন কৰিবলৈ বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীত অলেখ অৱকাশ আছিল।

সেয়েহে, মই জাননীখনৰ গ্ৰহণযোগ্যতা নাকচ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যসকল, মই মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়াৰ পৰা "সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্থাপিত ভ্ৰষ্টাচাৰৰ অভিযোগৰ তদন্ত কৰিবলৈ গঠিত এজনীয়া তদন্ত আয়োগৰ প্ৰতিবেদনৰ সন্দৰ্ভত বিধান সভাৰ নিয়মাৱলীৰ নিয়ম ৫০ ৰ অধীনত" অনুষ্ঠিত হোৱা আলোচনাৰ কালছোৱাত মাননীয় মুখ্যমন্ত্ৰীয়ে অশুদ্ধ তথ্য প্ৰদান কৰি বিশেষাধিকাৰ ভংগ কৰা বুলি এখন জাননী লাভ কৰিছিলো। মাননীয় সদস্যসকল, এজন মন্ত্ৰী বা সদস্যই সদনত প্ৰদান কৰা অশুদ্ধ অথবা অসত্য তথ্যই সকলো ক্ষেত্ৰতে/ সততে সদনক ভুল পথে পৰিচালনা কৰা বুলি গণ্য কৰা নাযায় কিয়নো তেনেকুৱা অসত্য তথ্যৰ শুধৰণি কৰাৰ প্ৰতিবিধান আছে । ইচ্ছাকৃতভাৱে সম্পূৰ্ণ জ্ঞাতসাৰে সদনত অশুদ্ধ অথবা অসত্য বিবৃতি প্ৰদান কৰা বুলি প্ৰমাণ কৰিব পাৰিলেহে সদনক অবমাননা কৰা বা বিশেষাধিকাৰ ভংগ কৰা বুলি গণ্য কৰা হয় । সাম্প্ৰতিক ঘটনাটোত ন্যায়াধীশ বি কে শৰ্মা তদন্ত আয়োগৰ সন্দৰ্ভত নিয়ম ৫০ ৰ আওতাত অনুষ্ঠিত হোৱা আলোচনাৰ কালছোৱাত মুখ্যমন্ত্ৰীৰ দ্বাৰা বিতৰ্কিত তথ্য যোগান সম্পৰ্কে— মাননীয় সদস্যসকল অৱগত যে ন্যায়াধীশ শৰ্মা আয়োগৰ সেই প্ৰতিবেদনখন ১৭ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে সদনত দাখিল কৰা হৈছিল। সদনত ভুল আৰু অসত্য তথ্য প্ৰদান কৰা সদস্য বা মন্ত্ৰীগৰাকীয়ে নিশ্চয় বুজি পায় যে তেখেতে কোৱা কথাখিনি ইতিমধ্যে সদনত উপলব্ধ কৰা প্ৰতিবেদনত নাই বুলি আন সদস্যসকলে আঙুলিয়াই দিব পাৰে । সেয়েহে, সম্পূৰ্ণ জ্ঞাতসাৰে ইচ্ছাকৃতভাৱে আৰু জানি বুজি প্ৰতিবেদনত উপলব্ধ নোহোৱা কথা উদ্ধৃত কৰি সদনক ভুল পথে পৰিচালনা কৰা বুলি গণ্য কৰাটো যথোচিত নহ'ব। কোনো মন্ত্ৰী বা সদস্যই অজানিতে তেখেতসকলে কোৱা কথাখিনি ৰাজহুৱা ডমেইনত ইতিমধ্যে উপলব্ধ হোৱা কোনো নথিত উল্লেখ আছে বুলি প্ৰকাশ কৰিলেই এনে ঘটনাক বিশেষাধিকাৰ ভংগৰ দৃষ্টিৰে গণ্য কৰিলে সদনৰ গৰিমা লাঘৱ হোৱাৰ আংশকা কৰা যায়। ভুল বুজাবুজি বা আন কোনো আনুসংগিক কাৰণত এনেধৰণৰ অশুদ্ধ বা অসত্য তথ্য অৱতাৰণাৰ ঘটনা হ'ব পাৰে । সেয়েহে, মই এই জাননীখন অগ্ৰাহ্য কৰিলোঁ। আপত্তিটো নাই। ঠিকে আছে।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনি Ruling দিছে, মানিব লাগে, মানি লৈছো। মন্ত্ৰীয়ে পঢ়ি আহিছিল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য সকল, অতি দুখ আৰু বেদনাষিক্ত হৃদয়েৰে মই কালি সদনৰ ভিতৰে বাহিৰে সংঘটিত হোৱা অতি দুৰ্ভাগ্যজনক কিছু ঘটনাৰ বিষয়ে দুআষাৰ ব্যক্ত কৰিব বিচাৰিছো।

মাননীয় সদন, আমি সকলো অসমৰ কোটি কোটি জনতাক প্ৰতিনিধিত্ব কৰা একো একোজন জনপ্ৰতিনিধি আৰু এই সদন শতকোটি জনতাৰ আশা ভৰষাৰ একমাত্ৰ পুণ্যস্থল অথবা গণতান্ত্ৰিক প্ৰমূল্যবোধৰ উপাসনাস্থলী। অসমৰ প্ৰতিগৰাকী জনতাই নিৰ্বাচিত কৰি দিয়া জনপ্ৰতিনিধি জনৰ

জৰিয়তে তেওঁবিলাকৰ সামাজিক সমস্যাসমূহ সদনৰ মজিয়াত চৰকাৰৰ আগত দাঙি ধৰি আশু সমাধানৰ আশাৰে বাট চায় ৰয়। আমি সকলোৱে অৱগত যে গণতান্ত্রিক প্রক্রিয়াত সদনৰ মান হৈছে সৰ্ব্বোচ্চ আৰু বিশেষ উচ্চ গৰিমা বিশিষ্ট। সদন সুনির্দিষ্ট নিয়ম আৰু পৰম্পৰাৰে পৰিচালিত হয়। সদনৰ সদস্য সকলৰ আচৰণ সন্দৰ্ভত সদনৰ নিয়মাৱলীৰ নিয়মত সুনির্দিষ্টকৈ উল্লেখ কৰা আছে। এইটো অনস্বীকাৰ্য্য যে, সদনৰ সদস্যসকলৰ আচৰণে সদনৰ গুণগত মান নিৰ্ধাৰণ কৰে। সদন পৰিচালনাৰ নীতি-নিয়ম সমাজৰ সকলো পৰ্য্যায়ৰ অনুষ্ঠানতকৈ পৃথক আৰু সৰ্ব্বোচ্চ মানদণ্ডৰ। শতবৰ্ষৰ ফালে বিৰাজমান হোৱা অসম বিধান সভাৰ এক উচ্চ গৰিমাময়ী সোণোৱালী ইতিহাস আৰু সুনাম আছে আৰু মোৰ বিশ্বাস মোৰ দৰে সকলোৱে সদনৰ এনে সুনাম অক্ষুন্ন ৰখাটো কামনা কৰে। কিন্তু বিগত কিছু দিনত ঘাইকৈ কালি যি ঘটনা সংঘটিত হ'ল - যাৰ পৰিণতিত সদন পৰিচালনাৰ বাবে অগ্রসৰ হোৱা মাননীয় উপাধ্যক্ষ ডাঙৰীয়া এক অনাকাংক্ষিত পৰিস্থিতিৰ সন্মুখীন হৈ আঘাটপ্রাপ্ত হ'বলগীয়া হ'ল, যি নিত্যান্তই দুৰ্ভাগ্যজনক। জনপ্রতিনিধিৰ এনে আচৰণে সদনৰ গৰিমাত আঘাট হানিলে আৰু আমি সকলোৱে সদনৰ সুনাম ৰক্ষা কৰাত ব্যৰ্থ হলো যেন বোধ হয়।

সদন পৰিচালনাৰ ক্ষেত্রত অধ্যক্ষ, উপাধ্যক্ষকে আদি কৰি নিৰ্বাচিত সভাপতিমণ্ডলীয়ে সবাটোকৈ গুৰুত্বপূৰ্ণ ভূমিকা প্ৰদান কৰে। অধ্যক্ষ, উপাধ্যক্ষকে আদি কৰি নিৰ্বাচিত সভাপতিমণ্ডলীৰ উপস্থিতি অবিহনে সদনৰ কাম-কাজ পৰিচালনা কৰাটো সম্ভৱপৰ নহয়। কিন্তু কালিৰ ঘটনাত - অধ্যক্ষ আৰু উপাধ্যক্ষৰ সদনৰ প্ৰৱেশৰ বাট ৰুদ্ধ কৰি যি পৰিৱেশৰ সৃষ্টি কৰা হ'ল ই এক সম্পূৰ্ণ অশোভনীয়, অসংবিধানিক তথা সদন পৰিচালনা নিয়মাৱলীৰ নিয়মৰ পৰিপন্থী এক নজিৰবিহীন ঘটনা হিচাপে প্রতিষ্ঠিত হ'ল।

মাননীয় সদস্য সকল, কালি দিনটোত সদনত বহু কেইখন গুৰুত্বপূৰ্ণ বিধেয়ককে ধৰি বহু গুৰুত্বপূৰ্ণ কাৰ্য্যসূচী সম্পন্ন হ'ল। কিন্তু সকলো ইতিবাচক কাৰ্য্যক তল পেলাই কালি সদনৰ ভিতৰে বাহিৰে সংঘটিত হোৱা ঘটনা সমুহে আগস্থান লাভ কৰিলে- সৰ্বত্ৰ চৰ্চা লাভ কৰিলে। আমি সকলোৱে আমাৰ আচৰণৰে এই পবিত্র উপাসনাস্থলীক নিন্দিত কৰি তুলিলো। সদনৰ ভিতৰত সংঘটিত হোৱা এটা দুৰ্ভাগ্যজনক ঘটনাৰ আচিলাৰে সংঘটিত হোৱা এই আচৰণে জনসাধাৰণক হতচকিত কৰি তুলিলে। মই ব্যক্তিগত ভাৱে অনুভৱ কৰো যে এজনে কৰা এটা কাৰ্য্যক ভুল বুলি জানিও তাৰ প্ৰতিকাৰ স্বৰূপে সেই ভুলৰ পুনৰাবৃত্তি কৰাজনৰ কাৰ্য্যহে অধিক গুৰুতৰ বা দৃষ্টিকটু হয়।

উপাসনাস্থলী সমুহত প্ৰৱেশ কৰোতে যেনেদৰে জোতা চেণ্ডেলকে আদি কৰি বিভিন্ন বৰ্জনীয় সামগ্ৰীসমুহ পৰিত্যাগ কৰি পবিত্র মনেৰে প্ৰৱেশ কৰা হয় ঠিক তেনেদৰে গণতন্ত্ৰৰ এই পবিত্ৰস্থলী সদনৰ চৌহদত প্ৰৱেশ কৰোতেও নিৰ্দিষ্ট নীতি-নিয়ম পালন কৰি পৱিত্ৰতাৰে প্ৰৱেশ কৰা উচিত। তাৰ বিপৰীতে জেউৰা, লাঠি আদিৰ দৰে আনাকাংক্ষিত পৰিৱেশৰ সৃষ্টি কৰিব পৰা সামগ্ৰী লৈ প্ৰৱেশ কৰাটো কিমান সমীচিন সেইটো আমি সকলোৱে বিবেচনা কৰা উচিত। জনগণে আমাক তেওঁবিলাকৰ সমস্যাসমূহ সবলভাৱে উত্থাপন কৰিবলৈ নিৰ্বাচিত কৰি পঠিয়াইছে। সদনলৈ প্ৰৱেশ কৰা বাট ৰুদ্ধ কৰি সদনৰ কাম - কাজ অচল কৰি জন গণে নিজ সমস্যাসমূহ উত্থাপন কৰিবলৈ নিৰ্বাচিত কৰি পঠিওৱা জনপ্রতিনিধিক তেওঁলোকৰ সমস্যা সমূহ উত্থাপন কৰাৰ পৰা বঞ্চিত কৰাটো কিমান সমীচিন, সেই প্ৰশ্নটো মই মাননীয় সদস্যসকলৰ ওপৰত এৰিলো।

মাননীয় সদন, অধ্যক্ষৰ এই আসন নীতি-নিয়মেৰে পৰিবেষ্টিত আৰু পৰিচালিত। এই আসনে সদনৰ কাম-কাজ সুচাৰুৰূপে নিৰ্দিষ্ট নিয়মৰ ভিতৰত সম্পন্ন হোৱাটো সুনিশ্চিত কৰে। দেখাত

কেতিয়াবা এই আসনৰ নির্দেশ একপক্ষীয় যেন লাগিলেও প্রকৃতার্থত তেনেকুৱা নহয়। সকলো দিশ চালি-জাৰি চাই এক সিদ্ধান্ত প্রদান কৰোতে কোনো এজন অসন্তুষ্ট হোৱাটো অস্বাভাৱিক নহয়। কিন্তু সেইবুলি এই আসনৰ মৰ্য্যদাক প্রশ্ন কৰাটোও সমীচিন নহয়।

কালি সংঘটিত হোৱা ঘটনাই সদনৰ মান মৰ্য্যদা, গৰিমা তথা সুনামত আঘাত হানি এক মচিব নোৱাৰা যি অশুভ পৰম্পৰাক সৃষ্টি কৰিলে তাৰ বাবে এই সদনৰ সমূহ সদস্যৰ হৈ ৰাজ্যখনৰ কোটি কোটি জনগণৰ ওচৰত ক্ষমা বিচাৰিলো।

অনাগত দিনসমূহত নিয়মাৱলীত সন্নিবিষ্ট সদাচাৰপূর্ণ আচৰণ প্রদর্শনৰে সদনৰ কাম-কাজ পৰিচালনা কৰাত সহযোগ কৰি জনগণৰ সমস্যা সমূহৰ আশু সমাধানৰ অংশীদাৰ হ'বলৈ সকলো মাননীয় সদস্যকে আহ্বান জনালো।

মই পুনৰবাৰ কোনো অনাহুত দুৰ্ভাগ্যজনক ঘটনাৰ পুনৰাবৃত্তি নঘটাৰ কামনা কৰি আমাক নির্বাচিত কৰি পঠিওৱা ৰাইজক আশ্বস্ত কৰা আচৰণ প্রদর্শনৰ বাবে সকলো সদস্যৰ হৈ ৰাজ্যখনৰ কোটি কোটি জনগণৰ ওচৰত ক্ষমা বিচাৰিলো। মাননীয় সদস্যসকল, সদনৰ চৌহদত শ্রী নুৰুল হুদাকে আদি কৰি একাংশ সদস্যই উপাধ্যক্ষ মহোদয়ক শাৰীৰিকভাৱে অপদস্থ কৰাৰ অভিযোগ উত্থাপন হৈছে। এই বিষয়ৰ গুৰুত্বৰ প্রতি লক্ষ্য ৰাখি মই বিষয়টো পৰীক্ষা তথা তদন্তৰ বাবে বিশেষাধিকাৰ সমিতিলৈ প্রেৰণ কৰিলো। পৰৱর্তী অধিৱেশনত এই সন্দৰ্ভত প্রতিবেদন দাখিল কৰিব। বিষয়টোৰ লগত মাননীয় উপাধ্যক্ষ তথা বিশেষাধিকাৰ সমিতিৰ সভাপতিৰ নামো জড়িত হৈ পৰাত এক সম্পূর্ণ নিৰপেক্ষ তদন্তৰ স্বার্থত উক্ত ঘটনাটোৰ অনুসন্ধানৰ কালছোৱাত সমিতিৰ সভাপতিত্বৰ দায়িত্ব সমিতিৰ আন এজন মাননীয় সদস্যক অর্পণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন, যোৱা ১৭ ফেব্রুৱাৰী তাৰিখে কোকৰাঝাৰ জিলাৰ বড়োলেণ্ড প্রদেশীয় পৰিষদীয় বিধান সভা ভৱনত অসমৰ মহামান্য ৰাজ্যপাল লক্ষ্মণ প্রসাদ আচাৰ্য্য ডাঙৰীয়াৰ অভিভাষণেৰে আৰম্ভ হোৱা বাজেট অধিৱেশন ১৫ দিনীয়া চৰকাৰী তথা বে-চৰকাৰী কৰ্মসূচীৰে সম্পন্ন হোৱাৰ অন্তত আজি সামৰণি পৰিল ।

মাননীয় সদস্যসকল, এইবাৰৰ অধিৱেশনত কিছু উল্লেখযোগ্য দিশৰ প্রতিফলন ঘটিল । বিধান সভাৰ ইতিহাসত সৰ্বপ্ৰথমবাৰৰ বাবে মূল অধিৱেশন কক্ষৰ বাহিৰত অর্থাৎ কোকৰাঝাৰস্থিত বিটিচি বিধান সভাৰ সভাকক্ষত সম্পূর্ণ বিধি ব্যৱস্থাৰ মাজেৰে অধিৱেশনৰ প্রথম দিনাৰ কাৰ্য্যসূচী অতি মসৃণভাৱে সম্পাদিত হ'ল । গণতান্ত্রিক প্রমূল্যবোধৰ চানেকী দাঙি ধৰি মহামান্য ৰাজ্যপালৰ অভিভাষণৰ কালছোৱাত কোনো ধৰণৰ হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰাৰ পৰা বিৰত থাকি ৰাজ্যপাল ডাঙৰীয়াক সুচাৰুৰূপে অভিভাষণ সম্পূর্ণ কৰাত পূর্ণ সহযোগিতা আগবঢ়াই মাননীয় সদস্যসকলে যি এটা সুস্থ পৰম্পৰাৰ সৃষ্টি কৰিলে তাৰ বাবে বিধান সভাৰ প্রতিগৰাকী সদস্যই ধন্যবাদৰ পাত্র । মই আশা কৰোঁ, অনাগত দিনবোৰত এনে সুস্থ আৰু ইতিবাচক পৰম্পৰা আমাৰ সদনৰ এক চিৰস্থায়ী বিধি ৰূপে প্রতিষ্ঠিত হওক ।

এইবাৰৰ অধিৱেশনত আন এক উল্লেখনীয় দিশ হ'ল - এগৰাকী মহিলাই বিত্তমন্ত্রীত্বৰ দৰে গধুৰ দায়িত্বভাৰ গ্রহণ কৰি চলিত পঞ্চদশ বিধান সভাত একেৰাহে পঞ্চমবাৰলৈ ৰাজ্যখনৰ বাজেট দাখিল কৰিলে । এগৰাকী মহিলাই বিত্তমন্ত্রী হিচাপে বিধান সভাত একেৰাহে পঞ্চমবাৰলৈ চৰকাৰৰ বিত্তীয় বাজেট দাখিল কৰাটো অসম বিধান সভাৰ ইতিহাসত সৰ্বপ্ৰথম অথবা বিৰল । মই আশা কৰোঁ, ৰাজ্যখনৰ নাৰী শক্তিৰ ক্রমবর্দ্ধমান উত্থানৰ এই সন্ধিক্ষণত এনে কাৰ্য্যই এক ইতিবাচক বাৰ্তা প্রেৰণ কৰাৰ লগতে নাৰী শক্তিৰ জাগৰণত অধিক অনুপ্রেৰণা যোগাব ।

এই অধিৱেশনৰ কালছোৱাত ৫ খন নতুন বিধেয়ককে ধৰি সৰ্বমুঠ ২৭ খন গুৰুত্বপূৰ্ণ বিধেয়কৰ লগতে অসম বিনিয়োজন (নং I) বিধেয়ক, ২০২৫ আৰু অসম বিনিয়োজন (নং II) বিধেয়ক, ২০২৫ পাৰিত কৰা হয়। তদুপৰি, ৫ খন বে-চৰকাৰী বিধেয়কো সদনত উত্থাপন কৰা হয়। বিধান সভাৰ নিয়মাৱলীৰ বিভিন্ন প্ৰক্ৰিয়াৰ আওতাত ৰাজ্যখনৰ জ্বলন্ত সমস্যাসমূহকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয় ।

অধ্যক্ষৰ আসনৰ পৰা বিধান সভাৰ সমূহ সদস্যৰ হৈ অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মান্যতা প্ৰদানৰ প্ৰসঙ্গ উত্থাপন কৰি বিষয়টোৰ লগত জড়িত ভাৰতৰ প্ৰধান মন্ত্ৰীকে আদি কৰি সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰা হয় ।

লগতে এই আসনৰ পৰাই এইবাৰ ৰাজ্যখনলৈ বিভিন্ন বিষয়ত পাৰদৰ্শিতাৰ সন্মান কঢ়িয়াই অনা তথা বঁটাৰে বিভূষিত ব্যক্তিসকললৈ অভিনন্দন জনাই এক প্ৰসঙ্গ উত্থাপন কৰা হয় ।

এই অধিৱেশনৰ সমাপনৰ মূহুৰ্তত সদনৰ কাম-কাজ সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে মাননীয় মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি মন্ত্ৰী পৰিষদৰ সকলো মাননীয় সদস্য, বিধান সভাৰ মাননীয় উপাধ্যক্ষ, বিৰোধী দলৰ দলপতিকে ধৰি সদনৰ সকলো মাননীয় সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

কোকৰাঝাৰত অনুষ্ঠিত বিধান সভা অধিৱেশনৰ প্ৰথমদিনাৰ বৈঠকখন অতি সুচাৰুৰূপে সম্পন্ন হোৱাত সৰ্বতোপ্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে বিটিচিৰ মুখ্য কাৰ্য্যবাহী সদস্য শ্ৰী প্ৰমোদ বড়ো ডাঙৰীয়া, বিটিচি বিধান সভাৰ অধ্যক্ষ শ্ৰী কাতিৰাম বড়ো ডাঙৰীয়াৰ উপৰিও বিটিচি বিধান সভাৰ উপাধ্যক্ষ তথা সমূহ সদস্যৰ লগতে বিটিচি প্ৰশাসন, বিটিচি বিধান সভা সচিবালয় আৰু কোকৰাঝাৰ জিলা প্ৰশাসন তথা আৰক্ষী প্ৰশাসনৰ সকলো বিষয়া-কৰ্মচাৰীলৈ পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

ইয়াৰ লগতে অসমৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধানকে ধৰি বিধান সভা অধিৱেশনৰ লগত জড়িত চৰকাৰী বিষয়া-কৰ্মচাৰীসকলৰ লগতে বিধান সভা সচিবালয়ৰ সচিব তথা বিষয়া-কৰ্মচাৰী, প্ৰচাৰ মাধ্যমৰ বন্ধুসকলকে আদি কৰি সকলো পক্ষলৈকে মোৰ ধন্যবাদ জ্ঞাপন কৰি আগন্তুক ঈদ-উল-ফিটৰ, ৰঙালী বিহু তথা ৰংজালী বৈশাগু, দেউৰী বিহু আৰু গুড ফ্ৰাইডে উপলক্ষে আগতীয়াকৈ আন্তৰিক শুভেচ্ছা জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ ।

সদন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হ'ল।

জাতীয় সংগীত পৰিবেশনৰে অধিবেশন সমাপ্তি পৰে।